
THE DIBRUGARH HANUMANBUX SURAJMAL KANOI COLLEGE

স্মৰণিকা ঃ হীৰক জয়ন্তী উৎসৱ

ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ কলেজ ছাত্ৰী নিৱাস

# সৌদামিনী




সম্পাদনা ঃ

মিতালী চলিহা

অঞ্জুমণি ফুকন

## সম্পাদনা সমিতি, স্মৰণিকা



বহি (বাওঁফালৰ পৰা) **মিতালী চলিহা** (সম্পাদিকা), **সুদক্ষিণা দাস** (আহ্বায়িকা), **অধ্যক্ষ ড° শশীকান্ত শইকীয়া**(উপদেষ্টা), **ৰঞ্জন চাংমাই** (উপদেষ্টা), **অঞ্জুমণি ফুকন** (সম্পাদিকা)।

থিয় হৈ (বাওঁফালৰ পৰা) সদস্য— **অদিতি কোঁৱৰ, তৃষ্ণা দুৱৰা কলিতা, অনন্ত কুমাৰ দত্ত আৰু ড° মনমী বৰুৱা।**

## ১৯৮৮ চনৰ পৰা ২০১৮ চনলৈকে ছাত্ৰী নিৱাসৰ অধীক্ষকসকল



বাওঁফালৰ পৰা ক্ৰমে— **কল্পনা সেনগুপ্তা বৰুৱা**(উপাধ্যক্ষা), **নৰেন্দ্ৰ মহেলা, ৰমাকান্তি দাস, অনন্ত কুমাৰ দত্ত, সুদক্ষিণা দাস** (উপাধ্যক্ষা), **অধ্যক্ষ ড° শশীকান্ত শইকীয়া, ঊৰ্মিলা ৰামছিয়াৰী** (বৰ্তমানৰ অধীক্ষিকা), **অদিতি কোঁৱৰ, হীৰামণি লালুং আৰু টিকেন্দ্ৰজিৎ গগৈ।**

স্মৰণিকা
হীৰক জয়ন্তী উৎসৱ

সৌ
দা
মি
নী

# সৌদামিনী

স্মৰণিকা ঃ হীৰক জয়ন্তী উৎসৱ
ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ কলেজ ছাত্ৰীনিবাস

প্ৰীতি আৰু শুভেচ্ছাৰে—

........................................................................................

........................................................................ ৰ হাতত

সম্পাদনা ঃ
ড° মিতালী চলিহা
অঞ্জুমণি ফুকন

**SOUDAMINI :** Souvenir of the DHSK College Diamond Jubilee Committee published on the occasion of the 'Diamond Jubilee Celebration of Girl's Hostel Kanoi College' held on 20th Januray, 2018 at the D.H.S.K. College premises, Dibrugarh.

**স্মৃতিগ্ৰন্থ সম্পাদনা সমিতি ঃ**

**উপদেষ্টা** ঃ ড° শশীকান্ত শইকীয়া
সুদক্ষিণা দাস
টিকেন্দ্ৰজিৎ গগৈ
মৃদুল শৰ্মা

**সম্পাদিকা** ঃ মিতালী চলিহা
অঞ্জুমণি ফুকন

**সদস্য/সদস্যা** ঃ অনন্ত কুমাৰ দত্ত
তৃষ্ণা দুৱৰা কলিতা
অদিতি কোঁৱৰ
মন্‌মী বৰুৱা
ভূবনজ্যোতি বৰুৱা
অপূৰ্ব শৰ্মা

বেটুপাত ঃ মৃদুল শৰ্মা

প্ৰকাশক ঃ হীৰক জয়ন্তী উদ্‌যাপন সমিতি, ডিঃ হঃ সুঃ কানৈ কলেজ

শুভেচ্ছামূলক অৰিহণা ঃ ১৫০/- টকা

মুদ্ৰণ ঃ
**কৌস্তুভ প্ৰিণ্টাৰ্ছ**
মিলন নগৰ, ডিব্ৰুগড়

# শ্ৰদ্ধাৰ্ঘ্য

ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ ছাত্ৰীনিৱাসৰ হীৰক জয়ন্তী উদ্‌যাপনৰ প্ৰাক্ মুহূৰ্তত আমি সশ্ৰদ্ধ প্ৰণিপাত জনাইছোঁ সেইসকল মহান ব্যক্তিক যিসকলৰ ত্যাগ আৰু শ্ৰমেৰে কানৈৰ ছাত্ৰীনিৱাসটি গঢ় লৈ উঠিল। আমি ছাত্ৰীনিৱাসৰ সেইসকল শিক্ষাগুৰু অধীক্ষক আৰু প্ৰাক্তন ছাত্ৰীক সুঁৱৰিছো যিসকল আজি আমাৰ মাজত নাই। তেওঁলোকলৈ আমি শ্ৰদ্ধাৰ্ঘ্য আগবঢ়ালোঁ।

স্মৰণিকা সম্পাদনা সমিতি

## কৃতজ্ঞতা স্বীকাৰ

অধ্যক্ষ ড° শশীকান্ত শইকীয়া,
কানৈৰ মহাবিদ্যালয়ৰ পৰিয়ালবৰ্গ,
ডিব্ৰুগড় সদৰ ছাত্ৰ সন্থাৰ সভাপতি খগেন দত্ত, সম্পাদক ৰূপজ্যোতি বৰঠাকুৰ,
বিজ্ঞাপনদাতাসকল,
নবীন মিলি।

Sarbananda Sonowal

सत्यमेव जयते

Chief Minister, Assam
Guwahati

Dispur
27.12.2017



## MESSAGE

It gives me immense pleasure to learn that Girls' Hostel of DHSK College has completed 60 years of its existence and on this occasion the College fraternity is celebrating Diamond Jubilee on 20 January, 2018. A commemorative souvenir is being published to mark the event.

I convey my best wishes to entire family of the Girls' Hostel of DHSK College for having achieved the stupendous of feat of reaching 60 years of its glorious existence. In these 60 years the hostel witnessed several students made the glorious journey in their life and etched their names in socio-cultural-political and economic landscape of the country.

My heartiest congratulations to Girls' Hostel of DHSK College and its entire fraternity on this occasion.

**(SARBANANDA SONOWAL)**

**DR. HIMANTA BISWA SARMA,** Ph.D. LLB
**Minister, Assam**

सत्यमेव जयते

Finance, Planning & Development, Health & F.W., Education, Tourism, Guwahati Development, Cooperation, Handloom & Textile (Khadi & Village Industry) Pension & Public Grievances.



# Message

It gives me immense pleasure to learn that the Girls' Hostel of D.H.S.K College, Dibrugarh is celebrating its Diamond Jubilee on 20th January,2018. I am also happy to learn that a souvenir will also be published to commemorate event.

It is said that in a hostel a student face life practically on his/her own. There a student learns valuable life lessons such as social etiquette, co-operation, develops a sense of unity in diversity, and broadens his/her outlook. It is hoped that the august event will provide a grand opportunity to the past students too to come together and bask in the nostalgia of their student days during their sojourn in this hostel.

I would like to offer my warm greetings to all those associated with the hostel and wish the Diamond Jubilee celebration all success as well as the publication to be brought out on this occasion.

(HIMANTA BISWA SARMA)

स्वच्छ भारत
एक कदम स्वच्छता की ओर

E-Block, 3rd Floor, Assam Secretariat, Dispur, Guwahati - 781 006, Assam
Tel. No. : 0361-2237315, Fax : 0361-2237012
e-mail : himantab@hotmail.com / himantabsarmaoffice@gmail.com

*Rameswar Teli*
Member of Parliament
Dibrugarh Parliamentary Constituency

*Member, Standing Committee on Industry*
*Member, Consultative Committee Ministry of DoNER*
*Member, Consultative Committee on N F Railway*

6, South Avenue,
New Delhi
Mobile : 09435039335



# *Message*

*It is a great happiness that DHSKGH, Dibrugarh is going to organize the Diamond Jubilee Celebration will come to an end with the closing ceremony to be held on 20th January 2018. In this occasion they out a souvenir. I hope that it will contribute to encourage creative writing and wider reading. Through this magazine the students can express their own views and reflect on various issues.*

*I wish the Diamond Jubilee celebrations and the comprehensive Souvenir being published by the Celebration Committee to commemorate the occasion all success.*

*I convey my best wishes to the teachers, staffs, parents and students. May God blessings them.*

*Dated: January 8, 2017*
*Place: Duliajan*

8/1/18
**Rameswar Teli**
**Member of Parliament**
**13 Dibrugarh P. C.**

**Constituency Address** : Tipling Purana Ghat, Duliajan, Dist. Dibrugarh, Assam

Prof. A.K. Buragohain, Ph.D. (London), DIC
*Vice-Chancellor*

DIBRUGARH UNIVERSITY
DIBRUGARH-786 004
ASSAM, INDIA
Phone: 0373-2370239(O)
Fax : 0373-2370323
e.Mail: alak@dibru.ac.in

Ref. No.DU/VC/M/073/17/1389

Date: 12 .2.2017



# Message

To,

**Dr. Meetali Chaliha**
**Ms. Anjumoni Phukan**
**Joint Editors**
**DHSK College Girls' Hostel**
**Dibrugarh**

Dear Dr. Chaliha & Ms. Phukan,

With immense pleasure and admiration I note the progression of the *DHSK College Girls' Hostel* towards the celebration of its '***Diamond Jubilee***', and I am delighted at the publication of a '***Souvenir***' being published for the occasion.

*Sixty years* is an important milestone in the journey of any organization. It is a remarkable achievement indeed. The home which brings closer ties amongst the boarders coming from different social backgrounds living as family members is very inspiring.

I heartily convey my best wishes for the grand success of the ***Diamond Jubilee Celebration*** and congratulate the organizing committee on the successful publication of the '***Souvenir***'.

With best regards.

***Alak K Buragohain***

**Sri Prasanta Phukan, M.L.A.**
*116 No. Dibrugarh L.A.C., Assam.*
*Member of Public Accounts Committee,*
*Member of Employment Review Committee,*
*Qtr. No. 103 (A Block), M.L.A. Hostel,*
*Dispur, Guwhati.*

Phone : 94350 -31311

Ref: ..........................................................  Date: ..............................

# শুভেচ্ছা বাণী



ডিব্ৰুগড়ৰ ঐতিহ্যমণ্ডিত শিক্ষা প্ৰতিষ্ঠান "ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়"খনিৰ ছাত্ৰী নিৱাসটি ইতিমধ্যে হীৰক জয়ন্তী বৰ্ষত উপনিত হৈছে বুলি জানিবলৈ পাই মই অতিকৈ আনন্দিত। হীৰক জয়ন্তী উদ্‌যাপন সমিতিয়ে এই আয়োজনৰ লগত সংগতি ৰাখি এখনি স্মৃতিগ্ৰন্থ প্ৰকাশ কৰাৰো দিহা কৰিছে। আশাকৰোঁ স্মৃতিগ্ৰন্থখনিত মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ বিভিন্ন লেখা প্ৰকাশ পোৱাৰ লগতে শৈক্ষিক আৰু সামাজিক উত্তৰণত ছাত্ৰী নিৱাসটিৰ ভূমিকা আৰু অৱদান সম্পৰ্কেও নিশ্চয় কিছু তথ্য প্ৰকাশ পাব।

এই সুযোগতে ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ সকলো শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী তথা কৰ্মীবৃন্দলৈ আগন্তুক ভোগালী বিহুৰ লগতে ইংৰাজী নৱবৰ্ষৰ ওলগ তথা আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

( প্ৰশান্ত ফুকন )
বিধায়ক
১১৬ ডিব্ৰুগড় বিধান সভা সমষ্টি

তাৰিখ ঃ ১৩ ডিচেম্বৰ, ২০১৭

*Rituparna Baruah*
M.L.A., 117 No. Lahowal. LAC
Resi.- Dhekerigaon, P.O.- Banipur
Dist. - Dibrugarh, Pin - 786003

सत्यमेव जयते

Qtr No - 67 (Old M.L.A. Hostel)
Dispur, Guwahati - 06
Mobile : 94350-32707
Email : rituparna32707@gmail.com

*Ref.* :...........................

*Date* :...........................



## শুভেচ্ছাবাণী

অহা ইং ২০ জানুৱাৰী, ২০১৮ তাৰিখ শনিবাৰে উজনি অসমৰ এখন ঐতিহ্যমণ্ডিত উচ্চ শিক্ষাৰ অনুষ্ঠান ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ একমাত্ৰ ছাত্ৰী নিৱাসটিয়ে ৬০ (ষাঠি) বছৰ পূৰ্ণ হোৱাৰ উপলক্ষে **"হীৰক জয়ন্তী সমাৰোহ"** উদ্‌যাপন কৰিবলৈ লোৱা বুলি বাতৰি পাই আনন্দিত হৈছো।

১৯৫৭ চনত প্ৰতিষ্ঠা লাভ কৰা উক্ত ছাত্ৰী নিৱাসটিয়ে বিভিন্ন স্থানৰ পৰা অহা ছাত্ৰীসকলৰ শিক্ষাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়োৱাৰ লগতে ছাত্ৰীসকলৰ উজ্জ্বল ভৱিষ্যত গঢ়াত যি অৰিহণা যোগাই আহিছে সেইয়া বিশেষভাৱে শলাগৰ পাত্ৰ। সেয়েহে ছাত্ৰী নিৱাসটিৰ ইতিহাস আৰু গুৰুত্ব হীৰক জয়ন্তী উদ্‌যাপনৰ জৰিয়তে ৰোমন্থন কৰিবলৈ প্ৰয়াস কৰা বুলি জানি সুখী হৈছো।

শেষত ছাত্ৰী নিৱাসটিৰ প্ৰতিগৰাকী ছাত্ৰীলৈ মোৰ শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে সমাৰোহখনি যাতে সৰ্বদিশত সুন্দৰ তথা সফলভাৱে উদ্‌যাপিত হওক তাৰেই কামনা কৰিলো।

**(ঋতুপৰ্ণ বৰুৱা)**
বিধায়ক
১১৭ নং লাহোৱাল বিধানসভা সমষ্টি

# ASSAM COLLEGE TEACHERS' ASSOCIATION

**D. H. S. Kanoi College Unit**
**K. C. Gogoi Path, Dibrugarh, Assam-786001**

Ref. No.: ACTA DHSK/

Date: 10.01.2018

## MESSAGE

It gives us immense pleasure to know that the Girls' Hostel of D.H.S.K. College is bringing out a souvenir on the occasion of Diamond jubilee celebration of its.

Over the decades, the Girls' Hostel has produced some of the prominent alumni holding respectable position in various fields. Celebration of Diamond Jubilee provides the alumni of the hostel boarders an opportunity to interact and revives the old memories of the past.

Al last, we heartily convey our best wishes for grand success of the event and congratulate the organizing committee on the successful publication of the Souvenir.

With best regards

(Ananta Kumar Dutta)
**President**

(Dipankoj Gogoi)
**Secretary**

OFFICE OF THE COORDINATOR
INTERNAL QUALITY ASSURANCE CELL (IQAC)
DIBRUGARH H.S. KANOI COLLEGE
P.O.: DIBRUGARH - 786001

Ref. No.: DHSK/IQAC/

Date : ......................

# MESSAGE

To

**The Editor,**

Souvenir, DHSK College Girls' Hostel Diamond Jubilee

Date : 12.01.2018

Dibrugarh H. S. Kanoi College Girls' Hostel came into existence in 1957 and it has completed 60 (sixty) years in 2017. Hostel has glorious memories. It gives me immense pleasure to know that the hostel is celebrating its diamond jubilee concluding function on 20th January, 2018 and publishing a souvenir on this occasion. I hope that the function will be a grand success. On behalf of IQAC team I wish you all the best.

DGoswami

(Dr. Priya Dev Goswami)
Coordinator, IQAC
DHSK College, Dibrugarh

# সূ.চী.প.ত্র

✍ সম্পাদকীয় • ১৫
○ কানৈ মহাবিদ্যালয়ৰ ছাত্ৰীনিৱাস কিছু অনুভৱ— কিছু উপলব্ধি ✍ ড° শশীকান্ত শইকীয়া • ১৭
○ উদ্‌যাপন সমিতিৰ সম্পাদকৰ একাষাৰ...✍ ড° ৰঞ্জন চাংমাই • ২২
○ স্মৃতিগ্ৰন্থ সমিতিৰ আহ্বায়িকাৰ একাষাৰ ✍ সুদক্ষিণা দাস • ২৩
○ কানৈ কলেজৰ ছাত্ৰীনিৱাসৰ বিষয়ে দুই-চাৰিটা স্মৃতি ✍ সুনীল কুমাৰ বৰঠাকুৰ • ২৫
○ কানৈ কলেজৰ অতীত ঃ এক সোঁৱৰণ ✍ ড° আতিকুদ্দিন আহমেদ • ২৭
○ সোণোৱালী লগনৰ সোঁৱৰণি ✍ ড° জ্যোতিৰেখা হাজৰিকা • ৩০
○ অৱসৰপ্ৰাপ্ত প্ৰাণীতত্ত্ব বিভাগৰ মুৰব্বী অধ্যাপিকা চায়েৰা খাতুন খনিকৰৰ এটি সাক্ষাৎকাৰ • ৩৪
সাক্ষাৎ গ্ৰহণকাৰী ঃ ✍ সুদক্ষিণা দাস

।। ছাত্ৰীনিৱাসৰ অধীক্ষকৰ শিতান।।

○ হোষ্টেল ডায়েৰী ✍ ৰেখা দাস • ৩৬
○ D.H.S.K. College Girls' Hostel Through the Years ✍ **Alaka Barua** • ৩৮
○ সোঁৱৰণিৰ কুঁৱলী ✍ কল্পনা সেনগুপ্তা বৰুৱা • ৪০
○ ছাত্ৰীনিৱাসৰ অধীক্ষক হিচাপে তিনি বছৰ ✍ টিকেন্দ্ৰজিৎ গগৈ • ৪১
○ ছাত্ৰীনিৱাসত মোৰ ছটা বছৰ ✍ ৰমা কান্তি দাস • ৪৬
○ সৰা শেৱালি বুটলি... ✍ অনন্ত কুমাৰ দত্ত • ৫০
○ A Few Lines ✍ **Aditi Konwar Gogoi** • ৫৫
○ সোঁৱৰণিৰ বোকোচাত ✍ হীৰামণি লালুং • ৫৬
○ A Moment of Pride ✍ **Urmila Ramchiary** • ৫৮

।। প্ৰাক্তন আৱাসীৰ অনুভৱ।।

○ এৰি অহা দিনবোৰৰ কথাৰে... ✍ নিজৰা সোনোৱাল • ৫৯
○ কানৈ মহাবিদ্যালয়ৰ ছাত্ৰীনিৱাসৰ স্মৃতি বিজড়িত দু-আষাৰ ✍ স্মৃতি ভট্টাচাৰ্য্য • ৬৭
○ কানৈ ছাত্ৰীনিৱাসৰ অতীত ৰোমন্থন ✍ ৰেখাজ্যোতি গোহাঁই (দাধৰা) • ৭০
○ হোষ্টেলীয়া জীৱনৰ কিছু মধুৰ স্মৃতিৰ ৰোমন্থন ✍ মনোৰমা গগৈ • ৭৩
○ কানৈ ছাত্ৰীনিৱাস ঃ এক চমু অৱলোকন ✍ বিনয়া গগৈ • ৭৬
○ কানৈ কলেজৰ ছাত্ৰীনিৱাসত দুটা বছৰ ✍ ড° অন্নজ্যোতি গগৈ • ৭৮
○ অনুভৱ ✍ লিলিমাই গোহাঁই • ৮১
○ সোঁৱৰণিৰ একলম ✍ অঞ্জলী চমুৱা ফুকন • ৮৩
○ স্মৃতিৰ ৰ'দ-কাঁচলিত ✍ কল্পনা গগৈ • ৮৪
○ কানৈ ছাত্ৰীনিৱাসৰ স্মৃতিৰে... ✍ আইমানু সোনোৱাল দেউৰী ভড়ালী • ৮৭

○ হোষ্টেলীয়া জীৱন আৰু ইয়াৰ যোগাত্মক দিশ ✍ ড° অলকানন্দা বৰুৱা • ৯০
○ কানৈ ছাত্ৰীনিৱাসৰ মধু-অতীতত এভুমুকি ✍ ছৈয়দা মাছহুদা ৰহমান • ৯২
○ সোঁৱৰণিৰ কুঁৱলী ফালি ✍ দিব্যলতা বৰুৱা আহমেদ • ৯৫
○ কানৈৰ ছাত্ৰীনিৱাস ঃ এটি অনুভৱ ✍ এনিশা বুঢ়াগোহাঁই • ৯৬
○ দুষ্প্ৰাপ্য বনাম সহজলভ্য ✍ নমিতা কোঁৱৰ গগৈ • ৯৭
○ সংশয় ✍ ইলা গগৈ চুতীয়া • ৯৭
○ MY UNFATHOMABLE SLUMBER ✍ **Patanjali Banerjee** • ৯৮
○ সোঁৱৰণিৰ সৰাপাত ✍ মঞ্জুমণি চুতীয়া বাইলুং • ৯৯
○ CRYING FOR WHAT?? ✍ **Patanjali Banerjee** • ১০০
○ পুনৰ্জন্ম ✍ পলী চমুৱা শইকীয়া • ১০১
○ সোঁৱৰণিৰ পৃষ্ঠাবোৰ আকৌ এবাৰ লুটিয়াই ✍ প্ৰিয়াক্ষী শইকীয়া • ১০৩

## ।। নাৰী তুমি অনন্যা ।।

○ নাৰী সমাজলৈ উদাত্ত আহ্বান ✍ ডালিমী চলিহা • ১০৫
○ মই ৰাধা ✍ ডাঃ মেঘালী চলিহা • ১০৫
○ নাৰী নিৰ্যাতন, সবলীকৰণ ইত্যাদি ✍ ড° ভাৰতী দত্ত • ১০৬
○ বিতি ফ্ৰিদান (Betty Friedan)এ কোৱা—'নাম নোহোৱা সমস্যা' ✍ ৰত্না দত্ত • ১০৮
○ ভাৰাৰ মাতৃগৰ্ভ ✍ ড° অৰুন্ধতী ফুকন গগৈ • ১১২

## ।। বৰ্তমানৰ আৱাসীৰ দৃষ্টিৰে কানৈৰ ছাত্ৰীনিৱাস ।।

○ কানৈ কলেজৰ গাৰ্লছ হোষ্টেলৰ কিছু অভিজ্ঞতা • ১১৬
✍ পিংকী শইকীয়া
✍ **Anjali Sharma**
✍ **Jugalakshmi Gogoi**
✍ **Mushumi Tayung**
✍ দিপামণি শইকীয়া
✍ তুলুমণি শইকীয়া
✍ চুইটী সেন
✍ চয়নিকা সোনোৱাল
✍ **Alisha Rai**
✍ **Jyotika Doley**
✍ **Raveti Gurung**
✍ কৰিস্মা গগৈ
✍ মনালিছা ভূঞা
✍ ময়ুৰী ভট্টাচাৰ্য্য
✍ ভদ্ৰাৱতী দত্ত
✍ চন্দ্ৰমা চিৰিং

○ কানৈৰ ছাত্ৰীনিৱাসৰ অধীক্ষকসকল (১৯৫৮-২০১৮ চনলৈকে) • ১২০
○ লেখকৰ পৰিচয় • ১২১
○ Celebration of Diamond Jubilee
○ Special Thanks

# সম্পাদকীয়



১৯৪৫ চনতে ডিব্ৰুগড়ত প্ৰতিষ্ঠা হোৱা উজনি অসমৰ উচ্চ শিক্ষাৰ স্থান ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ে শিক্ষাৰ ক্ষেত্ৰত আজি পৰ্যন্ত ঐতিহ্য আৰু সাফল্যৰে উল্লেখনীয় সেৱা আগবঢ়াই আহিছে। প্ৰথম অৱস্থাত ডিব্ৰুগড় কলেজ নামেৰে প্ৰতিষ্ঠিত হোৱা এইখন মহাবিদ্যালয়ে পৰৱৰ্তী সময়ত হনুমানবক্স সুৰজমল কানৈ কলেজ হিচাপে নামাংকিত হয়। শৈক্ষিক জীৱনৰ ইতিহাসত এইখন মহাবিদ্যালয়ৰ ঐতিহাসিক গুৰুত্ব উল্লেখনীয়। এইখন মহাবিদ্যালয়ৰ এটি যোগাত্মক দিশ হৈছে ১৯৫৭ চনৰ ২২ মে তাৰিখে তেতিয়াৰ অসমৰ মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিয়ে মহাবিদ্যালয়ৰ চৌহদতে এটি ছাত্ৰীনিৱাসৰ আধাৰশিলা স্থাপন কৰিছিল। বিভিন্ন ব্যক্তি আৰু সংগঠনৰ পৰা সংগৃহীত ধনেৰে ১৯৫৮ চনৰ ৩ এপ্ৰিল তাৰিখে দুমহলীয়া ভৱনটি অৰ্থাৎ ছাত্ৰীনিৱাসটি সম্পূৰ্ণ হৈ উঠে।

**জীৱনৰ বিভিন্ন স্তৰত, বিভিন্ন ক্ষেত্ৰত নিজকে প্ৰতিষ্ঠিত কৰিও কোনোৱে নিজৰ অতীতক পাহৰি যাব নোৱাৰে। সেয়েহে স্মৰণিকাখনিৰ বাবে লেখা বিচাৰোতে আমি অভূতপূৰ্ব সঁহাৰি পাইছিলোঁ। সৰহ সংখ্যক লেখা আছিল স্মৃতি ৰোমন্থন বিষয়ৰ। সৰহ সংখ্যক লেখাতে দেখিছিলোঁ প্ৰাক্তন ছাত্ৰীসকলৰ আৱেগৰ জুমুৰি। ছাত্ৰীসকলৰ উপৰিও প্ৰাক্তন অধীক্ষকসকলৰ পৰা পোৱা লেখাসমূহে আমাক উৎসাহিত কৰি তুলিলে।**

কানৈ মহাবিদ্যালয়ৰ ছাত্ৰীনিৱাসে ইতিমধ্যে ৬০ (ষাঠি) বছৰ পূৰ্ণ কৰিছে। সেয়েহে অহা ২০ জানুৱাৰী তাৰিখে হীৰক জয়ন্তী উদ্‌যাপন কৰিবলৈ সিদ্ধান্ত লোৱা হৈছে। কানৈৰ ছাত্ৰীনিৱাসৰ হীৰক জয়ন্তী উদ্‌যাপন কৰিবলৈ লোৱাৰ উদ্দেশ্যই হৈছে ছাত্ৰীনিৱাসত থাকি যোৱা প্ৰাক্তন ছাত্ৰী বৰ্তমানৰ আৱাসী সকলোকে একত্ৰিত কৰি নিৱাসটিৰ ঐতিহ্য আৰু গুণগৰিমা যুগমীয়া কৰি ৰখা। এটি পুৰণি ছাত্ৰীনিৱাস হিচাপে শৈক্ষিক দিশত ছাত্ৰীনিৱাসটিৰ ভূমিকা আৰু গুৰুত্ব উপলব্ধি কৰা হীৰক জয়ন্তী উদ্‌যাপনৰ আন এটি বিশেষ দিশ। ৬০ (ষাঠি) বছৰ পূৰ্ণ কৰা কানৈ মহাবিদ্যালয়ৰ ছাত্ৰীনিৱাসটিত অধ্যয়নৰ বাবে দূৰ-দূৰণিৰ পৰা অহা ছাত্ৰীসকলৰ বাবে নিৰাপদ আশ্ৰয়স্থল আছিল। এই ছাত্ৰীনিৱাসৰ বহু ছাত্ৰীয়ে বিভিন্ন ক্ষেত্ৰত নিজকে প্ৰতিষ্ঠিত কৰি তুলিছে। ব্যৱহাৰিক আৰু সামাজিক জীৱন সমৃদ্ধ কৰি তুলিছে। সুদীৰ্ঘ সময় অতিক্ৰম কৰি বৰ্তমান ছাত্ৰীনিৱাসটিয়ে সকলো সুবিধাযুক্ত এটি ছাত্ৰীনিৱাসলৈ পৰিণত হৈছে।




কানৈ মহাবিদ্যালয়ৰ ছাত্ৰীনিৱাসটিৰ হীৰক জয়ন্তী উপলক্ষে প্ৰকাশ কৰিবলগীয়া স্মৃতিগ্ৰন্থখনিৰ সম্পাদনাৰ দায়িত্ব লৈ আমি নিজৰ সীমাবদ্ধতা



# স ম্পা দ কী য়




উপলব্ধি কৰিছিলোঁ। তৎস্বত্ত্বেও অনুষ্ঠানটিৰ প্ৰতি দায়বদ্ধতা স্বীকাৰ কৰি স্মৃতিগ্ৰন্থখন সুন্দৰ ৰূপত প্ৰকাশ কৰাৰ বাবে চেষ্টাৰ ত্ৰুটি কৰা নাছিলোঁ।

জীৱনৰ বিভিন্ন স্তৰত, বিভিন্ন ক্ষেত্ৰত নিজকে প্ৰতিষ্ঠিত কৰিও কোনোৱে নিজৰ অতীতক পাহৰি যাব নোৱাৰে। সেয়েহে স্মৰণিকাখনিৰ বাবে লেখা বিচাৰোতে আমি অভূতপূৰ্ব সঁহাৰি পাইছিলোঁ। সৰহ সংখ্যক লেখা আছিল স্মৃতি ৰোমন্থন বিষয়ৰ। সৰহ সংখ্যক লেখাতে দেখিছিলোঁ প্ৰাক্তন ছাত্ৰীসকলৰ আৱেগৰ জুমুৰি। ছাত্ৰীসকলৰ উপৰিও প্ৰাক্তন অধীক্ষকসকলৰ পৰা পোৱা লেখাসমূহে আমাক উৎসাহিত কৰি তুলিলে। আশা কৰিছোঁ তেওঁলোকৰ তথ্যসন্মত লেখাসমূহে ছাত্ৰীনিৱাসটিৰ ইতিহাস আৰু বৰ্তমান দাঙি ধৰাত সহায় কৰিব। তদুপৰি নাৰী সম্পৰ্কীয় দুই এটা লেখা আমি স্মৃতিগ্ৰন্থখনত সন্নিৱিষ্ট কৰিছোঁ। কিছুমান ৰচনা আমাৰ হাতত বহু পলমকৈ পৰিছিলহি। অসুবিধা হৈছিল যদিও আমি সকলোখিনি প্ৰকাশৰ দিহা কৰিলোঁ।

স্মৃতিগ্ৰন্থ প্ৰকাশৰ দৰে এটি গুৰুত্বপূৰ্ণ কামৰ সুযোগ দিয়াৰ বাবে হীৰক জয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতি, মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়া ছাৰক কৃতজ্ঞতা জনাইছোঁ। টিকেন্দ্ৰজিৎ গগৈ ছাৰৰ প্ৰিয় কেমেৰাটোৱে বহু মুহূৰ্ত তুলি ধৰি স্মৃতিগ্ৰন্থখনিত প্ৰকাশ কৰা হৈছে। ছাৰৰ প্ৰতি আমি কৃতজ্ঞ হৈ ৰৈছোঁ। তদুপৰি স'ততে দিহা-পৰামৰ্শ উৎসাহ দিয়াৰ বাবে সুদক্ষিণা দাস বাইদেউক আৰু ড° ৰঞ্জন চাংমাইক ধন্যবাদ জনাইছোঁ। স্মৃতিগ্ৰন্থখনি এখনি সুন্দৰ আৰু অৰ্থবহ বেটুপাতেৰে সজাই তোলাত ড° মৃদুল শৰ্মাৰ ওচৰত আমি চিৰ কৃতজ্ঞ। স্মৃতিগ্ৰন্থখনিৰ সম্পাদনা সমিতিৰ সকলো সদস্যৰ দিহা-পৰামৰ্শৰ বাবে আমি কৃতজ্ঞ হৈ ৰৈছোঁ। তদুপৰি সকলো সময়তে সহায়ৰ হাত আগবঢ়োৱা অপূৰ্ব শৰ্মাৰ শলাগ লৈছোঁ। যিসকলৰ লেখাৰে 'সৌদামিনী' সমৃদ্ধ হৈ উঠিছে সেই সকল লেখকৰ ওচৰত আমি কৃতজ্ঞ হৈ ৰৈছোঁ।

পৰিশেষত আমি কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছোঁ কৌস্তভ প্ৰকাশনৰ স্বত্বাধিকাৰী আৰু প্ৰেছৰ কৰ্মচাৰীবৃন্দক। তেখেতসকলৰ অশেষ কষ্ট আৰু শ্ৰমৰ বাবে 'সৌদামিনী'ক আজি আপোনালোকৰ হাতত তুলি দিবলৈ সক্ষম হৈছোঁ।

স্মৃতিগ্ৰন্থখনিত ৰৈ যোৱা ভুল-ভ্ৰান্তিৰ বাবে আমি সকলোৰে ওচৰত ক্ষমাপ্ৰাৰ্থী।

ড° মিতালী চলিহা
অঞ্জুমণি ফুকন

# কানৈ মহাবিদ্যালয়ৰ ছাত্ৰীনিৱাস
# কিছু অনুভৱ - কিছু উপলব্ধি

✍ড° শশীকান্ত শইকীয়া, অধ্যক্ষ

উচ্চ শিক্ষাৰ উত্তৰণৰ ক্ষেত্ৰত অসমৰ ডিব্ৰুগড় অঞ্চলে এক বিশেষ ভূমিকা পালন কৰি আহিছে। ১৮৪০ চনত ডিব্ৰুগড় চৰকাৰী ল'ৰাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়খনৰ বীজ ৰোপণ হৈছিল ডিব্ৰুগড়তে। ইয়াৰ পিছত মহিলা শিক্ষাৰ বাটকটীয়া হিচাপে আজিও পৰিচিত হোৱা চৰকাৰী বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়। অসমৰ নাৰী শিক্ষাৰ অন্যতম দিশ দৰ্শক আছিল এই বিদ্যালয়খন। স্বাধীনতাৰ পূৰ্বে ডিব্ৰুগড়ত উচ্চ শিক্ষাৰ বীজ ৰোপণ হোৱা বিষয়টোৱে ডিব্ৰুগড়ীয়া ৰাইজক গৌৰৱান্বিত কৰি তোলে। ৫০ দশকৰ পূৰ্বেই ডিব্ৰুগড়ত উচ্চ শিক্ষা ভেটি গঢ়াৰ কুচকাৱাজ আৰম্ভ হৈছিল। বিশিষ্ট শিক্ষাবিদ অশ্বিনী চৰণ চৌধুৰী, ড° যোগীৰাজ বসু, ড° লক্ষ্মীপ্ৰসাদ দত্ত, হনুমানবক্স কানৈ, লালচান্দ কানৈৰ দৰে ব্যক্তিসকলে ডিব্ৰুগড়ত উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান স্থাপন কৰাত আগভাগ লৈছিল। উজনিৰ উচ্চ শিক্ষাৰ উত্তৰণৰ ক্ষেত্ৰত অনবৈদ্য অৱদান আগবঢ়োৱা ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় ১৯৪৫ চনত প্ৰতিষ্ঠা কৰা হয়। ডিব্ৰুগড়ৰ উচ্চ শিক্ষাৰ বাটকটীয়া শিক্ষানুষ্ঠানখনৰ প্ৰতিষ্ঠাপক অধ্যক্ষৰ দায়িত্ব পালন কৰিছিল ড° যোগীৰাজ বসুৰ দৰে বিশিষ্ট প্ৰাচ্যতত্ত্ববিদে। ইয়াৰ পৰৱৰ্তী পৰ্যায়ত ড° লক্ষ্মীপ্ৰসাদ দত্তই অধ্যক্ষৰ দায়িত্ব পালন কৰে। ফলস্বৰূপে অতি কম সময়ৰ ভিতৰতে ডিব্ৰুগড় হনুমানক্স সুৰজমল কানৈ মহাবিদ্যালয়ে সমগ্ৰ দেশতে নিজৰ এক সুকীয়া পৰিচয় লাভ কৰিবলৈ সক্ষম হয়। কানৈ মহাবিদ্যালয়ে ২০২০ চনত ৭৫ বছৰ সম্পূৰ্ণ কৰিব। কিন্তু মহাবিদ্যালয়খনে যি কাৰণতে নহওঁক এনে সন্ধিক্ষণত উত্তৰণৰ দিশত সঠিক পথেৰে আগুৱাই যোৱাৰ ক্ষেত্ৰত কৰবাত যেন কিবা ভুল হৈ গ'ল। এই সম্পৰ্কত এই মুহূৰ্তত কাকোৱে দোষ দিব খোজা নাই। ইয়াৰ মাজতে শিক্ষা সচেতন সকলো ব্যক্তিয়েই একেমুখে প্ৰকাশ কৰে যে, মহাবিদ্যালয়খনৰ গতি যি দূৰন্ত হ'ব লাগিছিল সেয়া যেন বিগত সময়ছোৱাত নহ'ল। গতিকে ঐতিহ্যমণ্ডিত মহাবিদ্যালয়খনৰ গুণ-গৰিমা পুনৰ ওভতাই আনি পূৰ্বৰ ঐতিহ্য অটুট ৰখাৰ বাবে সকলোৱে অংগীকাৰবদ্ধ হৈ কাম কৰি যাব লাগিব। কানৈ মহাবিদ্যালয়ক সঠিক দিশেৰে আগবঢ়াই নিয়াৰ বাবে আমাৰ এক সপোন আছে। নিশ্চিতভাৱে বহু পৰিকল্পনাও ইতিমধ্যে অংকন কৰিছোঁ। বিশ্বৰ মানচিত্ৰত মহাবিদ্যালয়খনক সবলভাৱে প্ৰতিষ্ঠা কৰিব পৰাকৈ গঢ়ি তোলাৰ এক মন লৈ আমি আগবাঢ়িছো। কাৰণ কানৈ মহাবিদ্যালয়ে এখন বিশ্ববিদ্যালয় জন্ম দিয়াৰ ইতিহাস সৃষ্টি কৰি থৈছে।

১৯ জুন, ২০১৫ চন। সেই দিনটো মোৰ বাবে এক চিৰস্মৰণীয় দিন। কাৰণ সেইদিনাই ডিব্ৰুগড়ৰ হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ত অধ্যক্ষ হিচাপে যোগদান কৰোঁ। ইয়াৰ পূৰ্বে গুৱাহাটীৰ দিছপুৰ কলেজ আৰু ডিব্ৰুগড়ৰ ডিব্ৰু কলেজত অধ্যাপকৰূপে সেৱা আগবঢ়োৱাৰ পাছত পৃথিৱী বিখ্যাত নদীদ্বীপ মাজুলীলৈ যাত্ৰা। ঐতিহ্যপূৰ্ণ মাজুলী মহাবিদ্যালয়ত ২০১২ চনৰ ৩ মাৰ্চৰ পৰা ২০১৫ চনৰ ১৮ জুনলৈ (তিনি বছৰ তিনি মাহ) অধ্যক্ষৰূপে সেৱা আগবঢ়োৱাৰ সুবিধা পাইছিলো। মাজুলী মহাবিদ্যালয় সেইখিনি সময়ৰ ভিতৰতে জিলিকাই তোলাৰ প্ৰয়াস কৰাৰ অন্তত মহাবিদ্যালয়খনে ঠন ধৰিছিল। সেই মহাবিদ্যালয়ৰ কাম-কাজ সম্পৰ্কত 'মাজুলী কলেজ ঃ এ জাৰ্নি' শীৰ্ষক গ্ৰন্থখনত সমুদায় তথ্য লিপিবদ্ধ কৰা হৈছে। বিভিন্ন জনৰ ব্যক্তিৰ অনুভৱেৰে 'সপোনৰ মাজুলী মহাবিদ্যালয়' নামৰ

প্ৰচাৰ-পত্ৰতো দেশ বিদেশৰ বিভিন্ন ব্যক্তিৰ অনুভৱ লিপিবদ্ধ হৈছে। মই যোগদান কৰাৰ আগেয়ে মাজুলী মহাবিদ্যালয়ত অধ্যক্ষ আৰু উপাধ্যক্ষ বহিবৰ বাবে এটা সুবিধাযুক্ত কোঠা নাছিল। বৰষুণৰ পানী পৰিছিল। মহাবিদ্যালয়খন কেনে অৱস্থাত আছিল সেই কথা ইয়ে প্ৰমাণ কৰে। অন্যান্য আন্তঃগাঁথনি কেনে অৱস্থাত আছিল সেই বিষয়ে আৰু বহলাই কোৱাৰ প্ৰয়োজন নাই। অসমৰ অন্যতম পুৰণি ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়লৈ চৰকাৰে পুনৰ অধ্যক্ষ হিচাপে বদলি কৰাত ১৯ জুনত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ত যোগদান কৰোঁ। মাজুলী মহাবিদ্যালয় নতুন ৰূপত গঢ়ি পুনৰ কানৈ কলেজলৈ আগমন মোৰ জীৱনৰ এক বৰ্ণিল পৰিক্ৰমা।

কানৈ মহাবিদ্যালয়ত যোগদান কৰি অনুভৱ হৈছিল যেন এটা সমস্যাৰ পাহাৰৰ ওপৰত থিয় দিলোঁহি। সৰ্বদিশতে সমস্যাই জুৰুলা কৰি হাবু-ডুবু খাই থকা মহাবিদ্যালয়খনৰ উন্নয়নৰ গতি ত্বৰান্বিত কৰাৰ বাবে মনত সাহস গোটাই লৈছিলোঁ। যি ফালেই চাওঁ সেই ফালেই কেৱল সমস্যা। ৭০ বছৰ গৰকা ঐতিহ্যপূৰ্ণ এখন মহাবিদ্যালয়ৰ কাৰ ভুলৰ বাবে এনে দশা হ'বলগা হ'ল? এক কথাত ক'বলৈ গ'লে এনে পুৰণি এখন মহাবিদ্যালয় ভাৰতৰ ভিতৰত নামজ্বলা হোৱাই নহয় ভাৰতৰ বিভিন্ন প্ৰান্তৰ পৰা ছাত্ৰ-ছাত্ৰী অধ্যয়নৰ বাবে মহাবিদ্যালয়খনলৈ আহিব লাগিছিল। বৰঞ্চ ইয়াৰ এখন ওলোটা ছবিহে পৰিলক্ষিত হয়। নতুন সমসাময়িক পাঠ্যক্ৰম মুকলি কৰাটো নহ'লেই আনকি সমাজশাস্ত্ৰ, শিক্ষাতত্ত্ব আদি পুৰণি তথা পৰম্পৰাগত পাঠ্যক্ৰমসমূহেই অন্তৰ্ভুক্ত নহ'ল। মহাবিদ্যালয়খন সৰ্বদিশতে অত্যাধুনিক হোৱাৰ বিপৰীতে উৰুখা চালৰ তলত ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা গ্ৰহণ কৰিব লগা হোৱাটো চৰম বেদনাদায়ক কথা। ফটা-চিটা মজিয়া, চিলিঙৰ বিধ্বস্ত ৰূপ আৰু অধিকাংশ কোঠাই ব্যৱহাৰৰ অনুপযোগী। আভ্যন্তৰীণ পথ নথকাত চৌহদৰ ভিতৰত বাৰিষাৰ বতৰত খোজ কঢ়াই অসম্ভৱ। অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীৰ বাবে সুচল আন্তগাঁথনি নথকাটোত মনত দুখ লাগিছিল। প্ৰায় ১৫ বছৰৰো অধিক সময় ছাত্ৰাৱাসটো বন্ধহৈ ভূত বাংলালৈ ৰূপান্তৰিত হৈছিল। মহাবিদ্যালয়ৰ পিছফালে থকা এটা মূল্যৱান ভৱনৰো একেই ৰূপ। গছ-গছনি গজি ভৱনটো বিধ্বস্তপ্ৰায় অৱস্থা। এখন ভাল কেণ্টিনৰ অভাৱ। বাঁহেৰে নিৰ্মিত জৰাজীৰ্ণ কেণ্টিনখন দেখি আচৰিত হৈছিলো। গম পালো অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰী কেণ্টিনখনলৈ নাযায়েই। কিন্তু ইয়াৰ মাজতে অধিকাংশ অধ্যাপকৰে দায়িত্ব, কৰ্তব্য আৰু সেৱাৰ মনোভাৱ দেখি মনত সাহস গোটাই লৈছিলো।

পৰিচালনা সমিতিৰ সন্মানীয় সদস্যসকলৰ স'তে আলোচনা কৰিলোঁ। বহুকেইগৰাকী জ্যেষ্ঠ অধ্যাপকৰো পৰামৰ্শ ল'লোঁ। কৰ্মই ধৰ্ম। এই আপ্ত বাক্যশাৰী সাৱোগত কৰি এটি এটিকৈ আগবঢ়াই নিলো উন্নয়নৰ কাম। ৰাইজৰ দান-বৰঙনিৰে ছাত্ৰীনিৱাস প্ৰতিষ্ঠা হৈছিল ১৯৫৭ চনত। ছাত্ৰীনিৱাসৰ শোচনীয় অৱস্থা দেখি মনত দুখ লাগিছিল। ছাত্ৰীনিৱাসৰ কোঠা, চৌহদৰ জৰাজীৰ্ণ ৰূপ। ছাত্ৰীনিৱাসত ছাত্ৰীসকলৰ মাজত যিদৰে কৰ্মস্পৃহা থাকিব লাগিছিল সেয়া অভাৱ দেখা গৈছিল। ছাত্ৰীনিৱাসত নাম ভৰ্তি কৰাৰ এটাই যেন দায়িত্ব সেয়া হ'ল মহাবিদ্যালয়ৰ পাঠ্যক্ৰম, পাঠদান আদিত অংশগ্ৰহণ কৰা। এটা ছাত্ৰীনিৱাসে সমাজক কেনেদৰে নেতৃত্ব দিব পাৰে সেয়া যেন কোনেও অনুভৱ কৰা নাছিল। ছাত্ৰীনিৱাসৰ আৱাসীসকলৰ মাজত স্বচ্ছতা সম্পৰ্কে কোনো যেন ধ্যান-ধাৰণাই নাছিল। অৱশ্যে একাংশ ছাত্ৰীয়ে ছাত্ৰীনিৱাসৰ সৰ্বতো মংগলৰ কাৰণে হয়তো চিন্তা কৰিছিল যদিও নেতৃত্বৰ অভাৱ হোৱা বুলি বোধ হৈছিল। বহু সপোন আৰু চিন্তা, পৰিকল্পনাৰে ছাত্ৰীনিৱাসটো দান-বৰঙনিৰে গঢ়ি তোলা হৈছিল। ২০১৫ চনৰ আগলৈকে ছাত্ৰীনিৱাস কেনে আছিল সেই সম্পৰ্কে মোৰ অৱগত নাছিল কিন্তু যেতিয়াই অধ্যক্ষ হিচাপে কানৈ মহাবিদ্যালয়ত যোগদান কৰিলো সেই সময়ৰ পৰা কিন্তু ছাত্ৰীনিৱাসটো পয়াঁ লগা ৰূপটো দেখাৰ সৌভাগ্য হৈছিল। ৫০ বছৰ পাৰ কৰাৰ পিছতো ছাত্ৰীনিৱাসটোৰ অধীক্ষকৰ বাবে এটা পৃথক আৱাস নহ'ল। সেইদৰে নৈশ চকীদাৰ বা মেট্ৰন আদি কৰ্মচাৰীসকলৰ থকা-মেলাৰ বাবেও সুবিধা গঢ় লৈ নুঠিল। এনে সমস্যাৰ মাজত হাবু-ডুবু কৰি আগবাঢ়ি যোৱা ছাত্ৰীনিৱাসৰ কিছু হ'লেও উন্নতি কৰিব পাৰি নেকি মনে প্ৰাণে চিন্তা কৰিলো। ছাত্ৰীনিৱাসৰ ২৫ বছৰীয়া জয়ন্তী উদ্‌যাপন নহ'ল। ৫০ বছৰ অৰ্থাৎ সোণালী জয়ন্তীও উদ্‌যাপন কৰা নহ'ল। ৰূপালী জয়ন্তী, সোণালী জয়ন্তী যিহেতু উদ্‌যাপন কৰা নহ'ল, সেয়ে ছাত্ৰীনিৱাসৰ ইতিহাসো ক্ৰমে মানসপটৰ পৰা হেৰাই যাবলৈ ধৰিলে। আচলতে জয়ন্তী উদ্‌যাপনে এটা অনুষ্ঠানৰ ইতিহাসক গতিশীল কৰি

ছাত্ৰীনিৱাসৰ ছাত্ৰীসকলে কেৱল নিয়মীয়া অধ্যয়ন কৰিয়েই দায়িত্ব সামৰিলে নহ'ব। অন্যান্য সাংস্কৃতিক কাৰ্যসূচী, ক্ৰীড়া আৰু সাহিত্য আদি কাৰ্যসূচীত যাতে জড়িত হৈ পৰে সেই দিশৰ প্ৰতিও পৰিকল্পনা কৰি আঁচনি লোৱা হৈছিল। মহাবিদ্যালয় এখনত সাহিত্য, সংস্কৃতি, ক্ৰীড়া আদি দিশসমূহ শক্তিশালী নহ'লে কেৱল নিয়মীয়া পাঠ্যক্ৰমে পূৰ্ণতা দিব নোৱাৰে। সেয়ে আৱাসীসকলৰ সমস্যাসমূহ অন্তঃকৰণেৰে সমাধান কৰি আৱাসীসকলৰ মানসিকতা পৰিৱৰ্তন কৰাৰ চেষ্টা কৰা হ'ল।

তোলাত সহায় কৰে। কিন্তু কানৈ মহাবিদ্যালয়ৰ ছাত্ৰীনিৱাসৰ যিহেতু ৰূপালী জয়ন্তীও পালন কৰা নহ'ল বা সোণালী জয়ন্তীও কাৰো মনলৈ নাহিল সেয়ে বহু ইতিহাস কালৰ কুটিল গ্ৰাহত নোহোৱা হৈ গ'ল। কানৈ মহাবিদ্যালয়ত অধ্যক্ষ ৰূপে যোগদান কৰি ছাত্ৰীনিৱাসলৈ প্ৰথমবাৰ যাওঁতে দুখনকৈ ফলক বেৰত লাগি থকা দেখা পাইছিলো। এখন আছিল ছাত্ৰীনিৱাসটো নিৰ্মাণৰ বাবে কোনে কোনে বৰঙনি আগবঢ়াইছিল আৰু দ্বিতীয়খন আছিল ছাত্ৰীনিৱাসটো কোনে উদ্বোধন কৰিছিল। ছাত্ৰীনিৱাসৰ নিৰ্মাণৰ বাবে বৰঙনি আগবঢ়োৱা তালিকাখনত দেখা গৈছিল যে ৫০০ টকা পৰ্যন্ত বৰঙনি আগবঢ়াইছিল। অসম চৰকাৰৰ শিক্ষা বিভাগে ৫০,০০০ টকা আৰু জনজাতি উন্নয়ন বিভাগে ১৫,০০০ টকাৰ আগবঢ়াইছিল। টী বৰ্ডে ৫০ হাজাৰ হনুমানবক্স সুৰজমল (প্ৰাইভেট) লিমিটেডে ১৫,১০১ টকা, কানৈ মহাবিদ্যালয়ে ১৫,০০০ টকা আৰু জালান চেৰিটি ট্ৰাষ্টে ৭,৫০০ টকা সৰ্বাধিক বৰঙনি আগবঢ়াইছিল। ইয়াৰ উপৰিও ৩,০০০/২,০০০/১,০০১ টকা পৰ্যন্ত অনেকজনে সাহায্য হিচাপে ছাত্ৰীনিৱাস নিৰ্মাণৰ বাবে আগবঢ়াইছিল। বৰঙনি আগবঢ়োৱা বিভিন্ন দল-সংগঠন, অনুষ্ঠান, ব্যক্তিৰ সাহায্য তালিকাখন দেখিয়েই অনুভৱ কৰিব পাৰি ছাত্ৰীনিৱাসটো নিৰ্মাণৰ বাবে কিমান পৰিশ্ৰম কৰা হৈছিল। ছাত্ৰীনিৱাস এটাৰ অভাৱ কেনেদৰে অনুভৱ কৰিছিল সেই বিষয়ে ফলকখনেই প্ৰমাণ কৰে। অযুত সপোন লৈ নিৰ্মাণ কৰা ছাত্ৰীনিৱাসটোৰ পৰৱৰ্তী সময়ত অৱস্থা এনে জৰাজীৰ্ণ আৰু বিধ্বস্ত হৈ পৰিব বুলি হয়তো কল্পনাই কৰিব পৰা নাছিল সেইসকল ব্যক্তিয়ে। আচৰিত লাগে যে ৬০ বছৰ আগতেই এটা ছাত্ৰীনিৱাসৰ কল্পনা কৰা হৈছিল কিন্তু ৬০ বছৰৰ পিছত তেনে আন এটা ছাত্ৰীনিৱাসৰ বাবে পুনৰ চিন্তা কৰা নহ'ল। সেইসকল ব্যক্তিৰ দূৰদৰ্শিতাক সন্মান জনাবই লাগিব। অসমৰ বিভিন্ন প্ৰান্তৰ পৰা ছাত্ৰী কানৈ মহাবিদ্যালয়লৈ অধ্যয়নৰ বাবে আহে। এখন পুৰণি মহাবিদ্যালয় হিচাপে সকলোৱে কানৈ মহাবিদ্যালয়ত অধ্যয়নৰ সপোন দেখে। কিন্তু ১৯৫৭ চনৰ ২২ মে'ত তদানীন্তন মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিয়ে আধাৰশিলা স্থাপন কৰা আৰু বি এন বৰাই অভিযান্ত্ৰিক দিশসমূহ চোৱা-চিতা কৰা ছাত্ৰীনিৱাস নিৰ্মাণৰ ঠিকাদাৰ আছিল আৰ ডি শৰ্মা। সেই সময়ত নিৰ্মাণ কৰা ১০০ জনীয়া ছাত্ৰীনিৱাসটো এশজনীয়া হৈয়ে ৰ'ল। ছাত্ৰীৰ সংখ্যা বৃদ্ধি হ'ল কিন্তু ছাত্ৰীনিৱাসৰ আৱাসৰ সংখ্যা বৃদ্ধি নহ'ল। ইয়াৰ মাজতে ছাত্ৰীনিৱাসটোৰ উন্নয়নৰ বাবে ৭০ লাখ টকা বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰা মঞ্জুৰি হৈছিল যদিও ৩০ লাখ টকা মোকলাই দিছিল। বাকী ধন ৰাশি মুকলি কৰি দিয়া নাই। সেই পুঁজি ব্যৱহাৰ-অব্যৱহাৰ সম্পৰ্কে অধিক আলোচনা কৰাৰ পৰা বিৰত থকাই উচিত বুলি অনুভৱ হ'ল।

মহাবিদ্যালয়খনৰ ছাত্ৰীনিৱাসলৈ যোৱা পথটো দেখি হতভম্ব হৈছিলো। কাষত এটা পুতিগন্ধময়, গছ-গছনি, জেং-জাবৰেৰে আৱৰা পুখুৰী আৰু বোকা-পানী, গছ-বনৰ মাজেদি ছাত্ৰীনিৱাসলৈ যোৱা এটি লুংলুঙীয়া হাবিতলীয়া বাট। এনে কদৰ্য পৰিৱেশ দেখি হৃদয় উচুপি উঠিছিল। সিদ্ধান্ত ললোঁ পথটো নিৰ্মাণৰ কাম। পৰিচালনা সমিতি তথা অন্যান্য শিক্ষক, অধ্যাপক আৰু ছাত্ৰীনিৱাসৰ অধীক্ষক, মনিট্ৰেছ আদিৰ পূৰ্ণ সহযোগত অধ্যক্ষ হিচাপে যোগদান কৰাৰ এমাহৰ ভিতৰতে পথটো উন্নয়ন কৰা হ'ল। পূৰ্বৰ লুংলুঙীয়া

হাবিতলীয়া পথটি ব্লক লগাই সুন্দৰ কৰা হ'ল। ছাত্ৰীনিৱাসৰ অধীক্ষিকা হীৰামণি লালুং আৰু ছাত্ৰীনিৱাসৰ আৱাসীসকলৰ উপস্থিতিত পথটো মুকলি কৰা হ'ল। পথটো মুকলি কৰাৰ দিনা ৰং-বিৰঙৰ বেলুন ওলোমাই এক নান্দনিক পৰিৱেশত ধূপ-ধূনা জ্বলাই মুকলি কৰিলো। সেই দিনা ছাত্ৰীনিৱাসৰ আৱাসীসকলৰ চকুৱে মুখে যি আনন্দ ফুটি উঠিছিল সেয়া মোৰ মানসপটত সদায়ে জিলিকি থাকিব। পথ মুকলিৰ দিনা মোৰ সহধৰ্মিনী ৰিজু গগৈয়ো উপস্থিত থাকি পূৰ্ণ সহযোগিতা আগবঢ়াইছিল। পথটো উন্নয়নৰ ক্ষেত্ৰত মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সম্পাদিকা এনিশা বুঢ়াগোহাঁই আৰু ছাত্ৰীনিৱাসৰ অধীক্ষক হীৰামণি লালুঙৰ সহযোগিতা চিৰদিন বুকুৰ মাজত স্মৃতি হিচাপে থাকি যাব। পথটো উন্নয়নৰ মাজেদিয়েই ছাত্ৰীনিৱাসৰ উন্নয়নৰ সপোন দেখিবলৈ ধৰিলো। সঘনাই ছাত্ৰীনিৱাসৰ আৱাসী আৰু অধীক্ষকৰ সৈতে আলোচনা কৰি সমস্যাসমূহ সমাধান কৰাৰ পদক্ষেপ লোৱা হ'ল। ছাত্ৰীনিৱাসৰ বাবে দৈনিক বাতৰি কাকত, ইণ্টাৰনেট, টিভি, পানী, বিদ্যুৎ আদি যোগান দিয়াত অধিক মনোনিৱেশ কৰা হ'ল। অনুভৱ কৰিছিলো ছাত্ৰীনিৱাসৰ ছাত্ৰীসকলে কেৱল নিয়মীয়া অধ্যয়ন কৰিয়েই দায়িত্ব সামৰিলে নহ'ব। অন্যান্য সাংস্কৃতিক কাৰ্যসূচী, ক্ৰীড়া আৰু সাহিত্য আদি কাৰ্যসূচীত যাতে জড়িত হৈ পৰে সেই দিশৰ প্ৰতিও পৰিকল্পনা কৰি আঁচনি লোৱা হৈছিল। মহাবিদ্যালয় এখনত সাহিত্য, সংস্কৃতি, ক্ৰীড়া আদি দিশসমূহ শক্তিশালী নহ'লে কেৱল নিয়মীয়া পাঠ্যক্ৰমে পূৰ্ণতা দিব নোৱাৰে। সেয়ে আৱাসীসকলৰ সমস্যাসমূহ অন্তঃকৰণেৰে সমাধান কৰি আৱাসীসকলৰ মানসিকতা পৰিৱৰ্তন কৰাৰ চেষ্টা কৰা হ'ল। ইয়াৰ পিছত দেখা গ'ল যে, দুটা বছৰৰ ভিতৰতেই আৱাসীসকলৰ মাজত ক্ৰীড়া, সাহিত্য, সংস্কৃতিৰ বাবে তেওঁলোকৰ মাজত এক অঘোষিত প্ৰতিযোগিতা চলিল। এনেদৰে ইতিবাচক ফলাফল লাভ কৰাত নিজকে সান্ত্বনা লাভ কৰিছিলো। মহাবিদ্যালয়খনত ক্ৰীড়াৰ দিশটো অধিক টনকিয়াল কৰিবলৈ ক্ৰীড়া বিষয়ৰ শিক্ষক ঠিকাভিত্তিক নিযুক্তি দিয়াৰ ব্যৱস্থা কৰা হ'ল। সেইদৰে সাংস্কৃতিক, কলা আদি দিশসমূহ আগুৱাই নিবৰ বাবে তেনে দিশৰ ব্যক্তিক দায়িত্ব অৰ্পণ কৰি চেষ্টা চলোৱা হ'ল। অনুভৱ কৰা হৈছিল মহাবিদ্যালয়খন কেৱল নিয়মীয়া পাঠ্যক্ৰমতে আৱদ্ধ ৰাখিলে ছাত্ৰ-ছাত্ৰীৰ মানসিক বিকাশ সাধন সম্ভৱ নহয়। ইয়াৰ অংশ হিচাপে ছাত্ৰীনিৱাসৰ ছাত্ৰীসকলৰ ওপৰতো মানসিক বিকাশ সাধনৰ বাবে নিখুঁট পৰিকল্পনা কৰা হ'ল। মহাবিদ্যালয়ৰ চৌহদ, ছাত্ৰীনিৱাসৰ চৌহদ, চাফ চিকুণৰ দায়িত্ব, ছাত্ৰ-ছাত্ৰীসকলৰ ওপৰতে দায়িত্ব অৰ্পণ কৰা হ'ল। ছাত্ৰ-ছাত্ৰীসকলৰ ওপৰত এনে দায়িত্ব অৰ্পণ কৰা পিছত দেখা গ'ল ফলাফল হিচাপে এন.চি.চিৰ তৰফৰ পৰা এখন স্বচ্ছতাৰ ওপৰত চুটী ছবি নিৰ্মাণ কৰি দেশৰ ভিতৰত দ্বিতীয় স্থান দখল কৰি প্ৰধানমন্ত্ৰীৰ স্বচ্ছতা বঁটা আজুৰি মহাবিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হয়। এইক্ষেত্ৰত বহুকেইজন অধ্যাপক-অধ্যাপিকা আৰু কৰ্মচাৰীৰ শলাগ ল'বই লাগিব। ছাত্ৰীনিৱাসৰ কাষতে থকা হাবি-জংঘলেৰে পূৰ্ণ পুখুৰীটো পৰিষ্কাৰ কৰি সৌন্দৰ্যবৰ্দ্ধনৰ বাবে আঁচনি লোৱা হ'ল। পুখুৰীটো বহু বছৰ ধৰি পৰিষ্কাৰ নকৰাৰ ফলত কদৰ্য ৰূপ লৈছিল। পুখুৰী পৰিষ্কাৰ কৰিবৰ বাবে বিভিন্ন ব্যক্তিক মতা হৈছিল। ঠিকা বা হাজিৰা ভিত্তিত কোনেও পুখুৰীটো পৰিষ্কাৰ কৰিবলৈ আগবাঢ়ি নাহিল। কাৰণ পুখুৰীটোত ভঙা বটল, জেং-জাবৰ, হাবি পৰিষ্কাৰ কৰিবলৈ কোনেও টকা দিলেও ইচ্ছুক নহয়। কেইজনমানে আকৌ ৪০,০০০ টকা বিচাৰিছিল। ইমান টকা পাম ক'ত? সেয়ে পুখুৰীটো পৰিষ্কাৰ কৰিবলৈ মহাবিদ্যালয়ৰ কেইগৰাকীমান কৰ্মচাৰী আৰু বাবুল নামৰ এজন ব্যক্তিয়ে তেনেই কম মূল্যত চাফা কৰিবলৈ আগবাঢ়ি আহিল। কেইবাদিনো নেৰানেপেৰা চেষ্টাৰ ফলত দিনে নিশাই মেচিন লগাই পুখুৰীটো পৰিষ্কাৰ কৰা হ'ল। নিয়মীয়াকৈ পুখুৰী চাফা কৰিবৰ বাবে এখন কাঠৰ নাও যোগাৰ কৰা হ'ল। পুখুৰীটো আজিৰ তাৰিখত যেনেদৰে পৰিষ্কাৰ হৈ আছে তাৰ বাবে কানৈ মহাবিদ্যালয়ৰ গ্ৰীণ ক্লাৱৰ সদস্যসকলক প্ৰশংসা কৰিবই লাগিব। আটক ধুনীয়াকৈ পুখুৰীটো সজোৱাৰ পৰিকল্পনা আছে। পুখুৰীটো পৰ্যটনৰ সমল হিচাপেও গঢ়াৰ আঁচনি আছে।

কানৈ বাণিজ্য মহাবিদ্যালয় আৰু কানৈ মহাবিদ্যালয়ৰ ভূমি সীমাক লৈ দীৰ্ঘদিন ধৰি বিতৰ্ক হৈ আহিছিল। কানৈ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু কেইগৰাকীমান অধ্যাপকৰ সহযোগত সেই সীমা বিবাদ নিৰ্মূল কৰাই নহয় কানৈ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষই সীমাৰ বেৰা নিৰ্মাণৰ দায়িত্বও ল'লে। এনে বিবাদ নিষ্পত্তিকৰণৰ ক্ষেত্ৰত কানৈ মহাবিদ্যালয়ৰ অধ্যাপক ড° প্ৰিয়দেৱ গোস্বামী, দেৱাঞ্জন

হাজৰিকা, অনন্ত দত্ত, অনুপ ভৰালী, ৰঞ্জন চাংমাই, নৰেন্দ্ৰ মেহেলা প্ৰমুখ্যে অন্যান্য অধ্যাপকসকলৰ সহযোগিতাক চিৰদিন নাপাহৰো। এইসকলৰ উদ্যোগতে কানৈ বাণিজ্য মহাবিদ্যালয় আৰু কানৈ মহাবিদ্যালয়ৰ বছৰ বছৰ ধৰি চলি অহা সীমা বিবাদ নিষ্পত্তি হয়। সীমাৰ বেৰা ততালিকে নিৰ্মাণ কৰাৰ দায়িত্ব লোৱাৰ বাবে কানৈ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কে এম মিশ্ৰভাগৰতীক কৃতজ্ঞতা জনাবই লাগিব। এই সীমা বেৰাখন নিৰ্মাণ কৰাৰ ফলত ছাত্ৰীনিৱাসৰ নিৰাপত্তাৰ দিশত যথেষ্ট সুৰক্ষিত হ'ল।

কানৈ মহাবিদ্যালয়ৰ ছাত্ৰীনিৱাসৰ উন্নয়নৰ নৌকা চলি থাকিবলৈ ধৰিলে। পুনৰ হীৰক জয়ন্তী উদ্‌যাপনৰ বিষয়টো ভবা হ'ল। যিহেতু ছাত্ৰীনিৱাসৰ আধাৰশিলা ১৯৫৭ চনত কৰা হৈছিল সেই হিচাপ কৰি ২০১৭ চনত ছাত্ৰীনিৱাসৰ বীজ ৰোপণ কৰা ৬০ বছৰ সম্পূৰ্ণ হয়। বিষয়টো অধ্যাপক-কৰ্মচাৰীসকলক অৱগত কৰা হয় আৰু সকলোৰে পূৰ্ণ সহযোগ কৰি হীৰক জয়ন্তী উদ্‌যাপনৰ সিদ্ধান্ত লয়। ছাত্ৰীনিৱাসটোৰ হীৰক জয়ন্তী উপলক্ষে নিৱাসৰ সন্মুখত এটি ভৱন সংলগ্ন কৰি নিৰ্মাণৰ সিদ্ধান্ত লোৱা হয়। নৈশ চকীদাৰ, আৱাসীসকল, আলহীসকলৰ জিৰণিকক্ষ, প্ৰস্ৰাৱগাৰ, ছাত্ৰীনিৱাসৰ কাৰ্যালয় আদিৰ লগতে সভাকক্ষৰ সা-সুবিধাৰ বিষয়ে ভবা হ'ল। সেয়া নিৰ্মাণ কৰাৰ লগে লগে এই সমস্যাকেইটাৰ সমাধান হয়। আৱাসৰ চৌহদত ছাত্ৰীসকলৰ খেলা-ধূলাৰ বাবে বেডমিণ্টন ক'ৰ্ট নিৰ্মাণ কৰা হয়। ইউ জি চিৰ পৰিদৰ্শকৰ দ্বাৰাই ছাত্ৰীনিৱাসটো পৰিদৰ্শন কৰাৰ ব্যৱস্থা কৰা হয়। ছাত্ৰীনিৱাসটোৰ আটাইতকৈ গুৰুত্বপূৰ্ণ কথা হ'ল ৬০ বছৰৰ পিছত ছাত্ৰীসকলৰ সুবিধাৰ বাবে অধ্যয়নত অধিক পৰিৱেশ দিবৰ বাবে জেনেৰেটৰ মাধ্যমেৰে বিদ্যুৎ যোগানৰ ব্যৱস্থাও কৰা হ'ল। দাতা সদস্য জ্যোতি প্ৰসাদ কানৈক অনুৰোধ কৰা হ'ল ছাত্ৰীনিৱাসৰ আৱাসীসকলৰ বাবে বিশুদ্ধ খোৱা পানীৰ ব্যৱস্থা কৰি দিবলৈ। তেখেতে উক্ত প্ৰকল্পটো সম্পন্ন কৰাৰ বাবে সন্মতি প্ৰকাশ কৰে। তেওঁ মহাবিদ্যালয়ৰ চৌহদত জ্যোতি ললিতা ফাউণ্ডেশ্যনৰ উদ্যোগত এক আন এটা প্ৰকল্প ইতিমধ্যে সম্পূৰ্ণ কৰিছে। তেখেতক সেই বিষয়েও অনুৰোধ কৰাত ততালিকে সেই প্ৰকল্প নিৰ্মাণ কৰি দিয়ে। এতিয়া মহাবিদ্যালয়ৰ চৌহদত বিশুদ্ধ খোৱা পানীৰ সমস্যাৰ পৰা মুক্ত হ'লো। ছাত্ৰীনিৱাসৰ বাবে গ্ৰহণ কৰা এনে কামসমূহে নিশ্চিতভাৱে ছাত্ৰীসকলৰ মাজত এক শৈক্ষিক পৰিৱেশ গঢ়ি তোলে। ছাত্ৰীনিৱাসটো উন্নয়নৰ বাবে আন কেইবাজনো ব্যক্তি আগবাঢ়ি আহে যদিও কিছু কাৰিকৰী অসুবিধাৰ বাবে সেয়া এতিয়ালৈকে সহায় গ্ৰহণ কৰিব পৰা নাই। এই চেষ্টা কিন্তু অব্যাহত আছে। চৌহদৰ মাজতে এটা অত্যাধুনিক সা-সুবিধা সম্পন্ন ছাত্ৰীনিৱাস গঢ়ি তোলাৰ হেঁপাহ আছে। সেই ছাত্ৰীনিৱাসৰ প্ৰত্যেকটো কোঠাত গা ধুৱা ঘৰ সংলগ্ন, টিভি, ফ্ৰীজ, এচি সংযুক্ত সকলো সা-সুবিধাই থাকিব। চৌহদত ছাত্ৰীসকলৰ সুবিধাৰ বাবে এটি গ্ৰন্থাগাৰ নিৰ্মাণ কৰাৰ হেঁপাহো আছে। মহাবিদ্যালয়খনৰ চৌহদ পৰিষ্কাৰ কৰি ৰখাৰ ক্ষেত্ৰত গ্ৰীণ ক্লাবৰ প্ৰতিজন সদস্য, এনচিচি, ছাত্ৰাৱাস আৰু ছাত্ৰীনিৱাসৰ প্ৰতিজন সদস্যৰ পৰিশ্ৰম আৰু প্ৰভুত বৰঙণি আছে। ইয়াৰ অংশ হিচাপে ২০১৭ চনৰ ২ অক্টোবৰত মহাত্মা গান্ধীৰ জন্মজয়ন্তী উপলক্ষে নতুন দিল্লীত আয়োজন কৰা সভাত কানৈ মহাবিদ্যালয়ক স্বচ্ছতাৰ চুটী ছবি নিৰ্মাণ কৰাৰ বাবদ দেশৰ ভিতৰত দ্বিতীয় স্থান লাভ কৰি সমগ্ৰ উত্তৰ পূৰ্বাঞ্চললৈ গৌৰৱ কঢ়িয়াই আনে। এনে কাৰ্যসূচীত এন চি চিৰ কেডেটসকলক প্ৰশংসা নকৰি নোৱাৰি। এন চি চিৰ হৈ চুটী ছবি প্ৰস্তুত কৰা দলটোৰ এগৰাকী কেডেট ফণীভূষণ দাসক দিল্লীত সন্মানিত কৰা হয়। আনহাতে মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলক বিধানসভা আৰু লোকসভা প্ৰত্যক্ষ কৰাৰো সুযোগ দিয়া হয়। তেনে প্ৰচেষ্টা অব্যাহত আছে। ছাত্ৰীনিবাসৰ হীৰকজয়ন্তী উদ্‌যাপনৰ ক্ষেত্ৰত সম্পাদক ড° ৰঞ্জন চাংমাই, উত্তম মহন, অধীক্ষক উৰ্মিলা ৰামচিয়াৰী প্ৰমুখ্যে অন্যান্য অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী, আৱাসী, ছাত্ৰ একতা সভা আৰু অন্যান্য ছাত্ৰ-ছাত্ৰীসকলে যিদৰে অহৰহ প্ৰচেষ্টা চলাই হীৰক জয়ন্তী উৎসৱভাগি সম্পূৰ্ণ কৰি তুলিলে তাৰ বাবে সকলোকে কৃতজ্ঞতা জনালো।

জয়তু কানৈ মহাবিদ্যালয়,  
জয়তু কানৈ মহাবিদ্যালয় ছাত্ৰীনিৱাস।

# উদ্‌যাপন সমিতিৰ সম্পাদকৰ একাষাৰ...

উজনি অসমৰ উচ্চ শিক্ষাৰ বাটকটীয়া ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়। ১৯৫৭ চনত তদানিন্তন মাননীয় মুখ্যমন্ত্ৰীদেৱে উদ্বোধন কৰা মহাবিদ্যালয়ৰ ছাত্ৰীনিৱাসটিয়ে ৬০ বছৰত ভৰি দিলে। এই ছাত্ৰীনিৱাসটো হয়তো অসমৰ আটাইতকৈ পুৰণি ছাত্ৰীনিৱাসৰ ভিতৰত অন্যতম। এই ছাত্ৰীনিৱাসটো নিৰ্মাণ কৰোতে বিভিন্ন ব্যক্তি, প্ৰতিষ্ঠান আৰু বিভাগে পঞ্চাশ হাজাৰৰ পৰা পাঁচশ টকালৈকে অনুদান আগবঢ়াইছিল। সেই ব্যক্তিসকললৈ এই চেগতে মহাবিদ্যালয়ৰ পৰিয়ালৰ হৈ ধন্যবাদ জ্ঞাপন কৰিছো। তেখেতসকলৰ এই বৰঙনিয়ে এই ছাত্ৰীনিৱাসটোৰ নিৰ্মাণৰ ফলত বহু ছাত্ৰীয়ে সুবিধা লাভ কৰিলে। উজনি অসমৰে নহয় অৰুণাচল, মিজোৰাম, নাগালেণ্ড, মেঘালয় আদিকে ধৰি উত্তৰ-পূবৰ বিভিন্ন স্থানৰ পৰা আহি এই ছাত্ৰীনিৱাসটোত আৱাসীয়ে থাকি মহাবিদ্যালয়ত অধ্যয়ন কৰিছিল আৰু বৰ্তমানো এই নিৱাসটোত অসমৰ বিভিন্ন প্ৰান্তকে ধৰি উত্তৰ-পূবৰ অন্যান্য ৰাজ্যৰ বহু ছাত্ৰীয়ে থাকি অধ্যয়ন কৰি আছে। এক কথাত ক'বলৈ কানৈ মহাবিদ্যালয়ৰ এই ছাত্ৰীনিৱাসটো সমন্বয়ৰ এক অনন্য প্ৰতীক। ছাত্ৰাবাস বা ছাত্ৰীনিৱাসেই হওক ছাত্ৰ জীৱনত এবাৰ থকাৰ অভিজ্ঞতা পোৱা নাযায় তেন্তে সেই ছাত্ৰ জীৱনৰ পূৰ্ণতা প্ৰাপ্তি নহয়। যিহেতু ছাত্ৰাবাস বা ছাত্ৰীনিৱাসত বিভিন্ন ঠাইৰ বন্ধু-বান্ধৱ লগ পোৱা যায় তাৰ ফলস্বৰূপে বহু কথা, বহু সংস্কৃতিৰ আদান-প্ৰদান হয়। ফলস্বৰূপে এজন ছাত্ৰ বা এগৰাকী ছাত্ৰীয়ে সমাজ তথা সময়ৰ লগত খাপ খাব পৰাকৈ বহু জ্ঞান আয়ত্ব কৰি এখন সমাজক নেতৃত্ব দিব পাৰে। ইয়াৰ উদাহৰণ বহুতো আছে। এই ছাত্ৰীনিৱাসটোৱে ইয়াৰ জ্বলন্ত উদাহৰণ। এই আৱাসটোৱে আজি ৬০ বছৰত ভৰি দিলে। কিন্তু ইতিপূৰ্বে ছাত্ৰীনিৱাসটিৰ ২৫ বছৰ আৰু ৫০ বছৰ পূৰ্ণ হোৱাৰ উপলক্ষে কোনো অনুষ্ঠান আয়োজন কৰা হোৱা নাছিল। বৰ্তমান কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াদেৱৰ তৎপৰতাত এই ছাত্ৰীনিৱাসটোৰ হীৰক জয়ন্তী অনুষ্ঠান আয়োজন কৰিবলৈ লোৱা উপলক্ষে অধ্যক্ষ মহোদয়ক মই এইখিনিতে ধন্যবাদ জ্ঞাপন কৰিলোঁ। এই হীৰক জয়ন্তী সমাৰোহ খনি আয়োজন কৰাৰ বাবে প্ৰথমে মোক আহ্বায়ক হিচাপে লৈ এখন সমিতি গঠন কৰি দিয়ে। এই সমিতিখনে বিভিন্ন পক্ষৰ লগত আলোচনা কৰি হীৰক জয়ন্তী সমাৰোহখনি এদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত কৰাৰ এক সিদ্ধান্ত গ্ৰহণ কৰে। হীৰক জয়ন্তী সমাৰোহৰ সম্পাদকৰ দায়িত্বএই অভাজনক অৰ্পণ কৰে। সেইবাবে অধ্যক্ষকে ধৰি মহাবিদ্যালয় পৰিয়ালক এই সুযোগতে মই ধন্যবাদ জ্ঞাপন কৰিলোঁ। কানৈ মহাবিদ্যালয়ৰ পৰিয়াল বৰ্গই ছাত্ৰীনিৱাসৰ হীৰক জয়ন্তী উদ্‌যাপন কৰিবলৈ লোৱা সিদ্ধান্তই প্ৰাক্তন আৱাসীসকলক আনন্দিত কৰি তুলিছে। বিভিন্ন ঠাইত থকা প্ৰাক্তন আৱাসীসকলে যথেষ্ট উৎসাহিত হৈ যোগাযোগ কৰিছে। তেওঁলোকৰ এই উৎসাহী মনোভাৱে আমাক অনুষ্ঠানটি উদ্‌যাপনৰ বাবে অনুপ্ৰাণিত কৰি তুলিছে। তদুপৰি হীৰক জয়ন্তী উদযাপনৰ বাবে বিভিন্ন ব্যক্তি, সংগঠনে আমাক সহায়ৰ হাত আগবঢ়াইছে। আশা কৰিছোঁ ছাত্ৰীনিৱাসৰ এই হীৰক জয়ন্তী উদ্‌যাপনৰ দৰে মহান কাৰ্যই শৈক্ষিক দিশত ইতিবাচক প্ৰভাৱ পেলাব। এই আন্তৰিক কামনাৰে—

**ড° ৰঞ্জন চাংমাই**
সম্পাদক, হীৰক জয়ন্তী উদ্‌যাপন সমিতি
ডিঃ হঃ সুঃ কানৈ মহাবিদ্যালয় ছাত্ৰীনিৱাস

# স্মৃতিগ্ৰন্থ সমিতিৰ আহ্বায়িকাৰ একাষাৰ

✍ সুদক্ষিণা দাস

ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় উজনি অসমৰ এখনি প্ৰাচীন আৰু প্ৰধান উচ্চ শিক্ষাৰ অনুষ্ঠানৰূপে পৰিগণিত। ১৯৪৫ চনত এই শিক্ষানুষ্ঠান স্থাপন হোৱাৰ প্ৰায় ১৩ বছৰকালৰ পাছত এই মহাবিদ্যালয়ৰ ছাত্ৰীনিৱাস মুকলি হয় ১৯৫৮ চনত। সেইসময়তো উজনি অসমত উচ্চ শিক্ষানুষ্ঠানৰ পয়োভৰ নাছিল আৰু ছাত্ৰীনিৱাস থকা উচ্চ শিক্ষানুষ্ঠান আছিল অতি কম। উচ্চশিক্ষাৰ এনে পটভূমিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ কলেজৰ ছাত্ৰীনিৱাস স্থাপন হোৱা কথাষাৰেই এক উজ্বল পদক্ষেপ আছিল। সেই সময়ৰ দূৰদৰ্শী মহাবিদ্যালয় কৰ্তৃপক্ষৰ দ্বাৰা স্থাপিত হোৱা এই ছাত্ৰীনিৱাস আচলতে সামাজিক প্ৰগতিৰ এক আধাৰশিলা।

**ছাত্ৰীনিৱাস নাৰীসৱলীকৰণৰ এক পদক্ষেপ ঃ** স্বাধীনতাৰ পূৰ্বে স্থাপিত হোৱা তাহানিৰ ডিব্ৰুগড় কলেজ অৰ্থাৎ আজিৰ ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ কলেজত পোনপ্ৰথমেই নামভৰ্ত্তি কৰিছিল এগৰাকী ছাত্ৰীয়ে। অসমৰ প্ৰথম ছোৱালী হাইস্কুলৰ অধিকাৰী ডিব্ৰুগড়ত নাৰীশিক্ষাৰ এটি বাতাবৰণ আছিলেই বুলি ধৰিব পাৰি। সেই বাতাবৰণতে নাৰীশিক্ষা তথা নাৰীসৱলীকৰণৰ পুলিটি লহপহকৈ বাঢ়ি আহিল কানৈ কলেজৰ শুভাৰম্ভৰ মাজেদি আৰু অধিক ঠন ধৰি উঠিল ছাত্ৰীনিৱাস স্থাপনৰ যোগেদি। তেতিয়াৰ দিনত বহু কন্যাৰ শিক্ষা অসমাপ্ত হৈ ৰৈছিল আৰু বহুতৰে উচ্চ শিক্ষাৰ অন্তৰায় আছিল উচ্চ শিক্ষানুষ্ঠানৰ দূৰত্ব তথা থকা-মেলাৰ ঠাইৰ অভাৱ। সেয়ে আমি দেখিবলৈ পাইছো যে ছাত্ৰীনিৱাসত আৱাসী ছাত্ৰীৰ সংখ্যা বাঢ়িছে, চাৰিজনীয়া কোঠাবোৰ পাঁচজনীয়া হৈছে। ক্ৰমাৎ বাঢ়ি অহা Mess dues য়ে দেখুৱাইছে দেশৰ অৰ্থনীতিৰ ৰূপৰেখা। ছাত্ৰীনিৱাসসমূহ সেয়ে নাৰী সৱলীকৰণৰ এটি আধাৰ।

ছাত্ৰীনিৱাস যে মাথো আনুষ্ঠানিক শিক্ষাৰ বাবেই প্ৰয়োজনীয় সেয়া নহয়, মানসিক শিক্ষাৰ বাবেও অতি প্ৰয়োজনীয়। নাৰীৰ ক্ষেত্ৰত সমাজ স'ততে ৰক্ষণশীল হয়। ঘৰৰ চাৰিবেৰৰ পৰা আঁতৰি ছাত্ৰীনিৱাসৰ অনুশাসনৰ মাজত থাকিলেও সমাজৰ বিভিন্ন স্তৰৰ পৰা অহা বহু ধৰণৰ ছাত্ৰীৰ সমাগমে ছাত্ৰীনিৱাসত থকা ছাত্ৰীসকলৰ মনৰ দুৱাৰ বহুখিনি মুকলি হ'বলৈ সুবিধা দিয়ে। বহু কথা শিকা হয়। ঘৰত আলাসতে ডাঙৰ হোৱা ছোৱালী আত্মনিৰ্ভৰশীল হ'বলৈ শিকে, এখন নতুন সমাজত সকলোৰে লগত মিলা-মিচাকৈ চলিবলৈ শিকে; শিক্ষাৰ যোগেদি জ্ঞান বৃদ্ধিৰ লগতে মনৰ দিগন্তও প্ৰসাৰিত হয়। আত্মবিশ্বাস বাঢ়ে। নিজে কিছু সিদ্ধান্ত ল'ব পৰা হয়। আত্মনিৰ্ভৰশীলতা, আত্মবিশ্বাসেৰে সিদ্ধান্ত গ্ৰহণ কৰাৰ ক্ষমতা অৰ্জন এইবোৰেই হৈছে নাৰী সৱলীকৰণৰ প্ৰথম পদক্ষেপ।

এই ছাত্ৰীনিৱাসৰ প্ৰাক্তন ছাত্ৰীসকলৰ স্মৃতি ৰোমন্থনৰ যোগেদিও পৰিস্ফুট হৈছে নাৰী সৱলীকৰণৰ বিভিন্ন স্তৰ। প্ৰথম অৱস্থাত ছাত্ৰীসকলে ছাত্ৰীনিৱাসত মাথোঁ উচ্চ শিক্ষাৰ বাবে আৱাসীৰূপে আছিল; ষাঠিৰ দশকৰ পৰা সত্তৰৰ দশকত তেনে ছাত্ৰীসকলেই লাভ কৰিছে কেৰম, বেডমিণ্টন আদি খেলৰ সঁজুলি, আয়োজন কৰিছে অনুষ্ঠিত কৰিছে বিভিন্ন উৎসৱ যেনে নৱাগত আদৰণি, প্ৰাক্তন ছাত্ৰীৰ বিদায়সভা, সৰস্বতী পূজা ইত্যাদি। আশীৰ দশকৰ পৰা ছাত্ৰীনিৱাসৰ ছাত্ৰীসকলে আৰু এখোপ আগুৱাই গৈ এনে প্ৰচলিত অনুষ্ঠান আয়োজন কৰাৰ লগতে আয়োজন কৰিছে শিল্প প্ৰদৰ্শনী ইত্যাদি। লগতে নাটক লিখি

...ঘৰৰ চাৰিবেৰৰ পৰা আঁতৰি ছাত্ৰীনিৱাসৰ অনুশাসনৰ মাজত থাকিলেও সমাজৰ বিভিন্ন স্তৰৰ পৰা অহা বহু ধৰণৰ ছাত্ৰীৰ সমাগমে ছাত্ৰীনিৱাসত থকা ছাত্ৰীসকলৰ মনৰ দুৱাৰ বহুখিনি মুকলি হ'বলৈ সুবিধা দিয়ে। বহু কথা শিকা হয়। ঘৰত আলাসতে ডাঙৰ হোৱা ছোৱালী আত্মনিৰ্ভৰশীল হ'বলৈ শিকে, এখন নতুন সমাজত সকলোৰে লগত মিলা-মিচাকৈ চলিবলৈ শিকে; শিক্ষাৰ যোগেদি জ্ঞান বৃদ্ধিৰ লগতে মনৰ দিগন্তও প্ৰসাৰিত হয়। আত্মবিশ্বাস বাঢ়ে। নিজে কিছু সিদ্ধান্ত ল'ব পৰা হয়। আত্মনিৰ্ভৰশীলতা, আত্মবিশ্বাসেৰে সিদ্ধান্ত গ্ৰহণ কৰাৰ ক্ষমতা অৰ্জন এইবোৰেই হৈছে নাৰী সবলীকৰণৰ প্ৰথম পদক্ষেপ।...

কলেজ সপ্তাহত শ্ৰেষ্ঠ নাটক, নাট্যদলৰ পুৰস্কাৰ আনিছে। অৰ্থাৎ কেৱল ঐতিহ্যৰক্ষাৰ বাবে অনুষ্ঠান কৰাই নহয়, বৰঞ্চ নিজা উদ্ভাৱনী চিন্তা-চৰ্চাৰে নতুন নতুন মাধ্যমৰ যোগেদি নিজকে প্ৰতিষ্ঠা কৰিছে। এনেদৰে এই ছাত্ৰীনিৱাসৰ যোগেদিয়েই সমাজলৈ আগুৱাই গৈছে বহু প্ৰতিভাসম্পন্ন নাৰী। তেওঁলোকে ৰাখি গৈছে সমাজত অনন্য অৱদান যাৰ অঙ্কুৰণ হৈছিল এই ছাত্ৰীনিৱাসত।

**আহ্বায়িকা ৰূপে একাষাৰ ঃ** আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰীনিৱাসৰ দৰে এটি মিলনতীৰ্থৰ হীৰকজয়ন্তী উপলক্ষে প্ৰকাশ হ'বলগীয়া স্মৃতিগ্ৰন্থ সমিতিৰ আহ্বায়িকাৰূপে নিৰ্বাচিত হ'বলৈ পাই মই নিজকে ধন্য মানিছো আৰু অধ্যক্ষ মহোদয় ড° শশীকান্ত শইকীয়া আৰু হীৰকজয়ন্তী সমাৰোহৰ সম্পাদক ড° ৰঞ্জন চাংমাইক ধন্যবাদ যাচিছোঁ। লগতে সম্পাদিকাদ্বয় প্ৰমুখ্যে সমিতিৰ সকলো সদস্যকে সহযোগিতাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

ছাত্ৰীনিৱাসৰ প্ৰথম বছৰৰ নিৱাসীৰূপে থকা প্ৰাণীতত্ত্ব বিভাগৰ প্ৰাক্তন মূৰব্বী অধ্যাপিকা গৰাকীৰ এটি কথোপকথনৰ যোগেদি প্ৰথম অৱস্থাৰ পৰা পৰিস্ফুট হৈছে। তাৰ বাবে বাইদেউক ধন্যবাদ জনালোঁ। ১৯৬০ চনৰ এগৰাকী নিৱাসী শ্ৰীমতী নিজৰা সোনোৱাল আৰু তেওঁক কন্যা তথা আশীৰ দশকৰ এই একে ছাত্ৰীনিৱাসৰ আৱাসী আইমানু সোনোৱাল দেউৰী ভৰালীৰ লেখনী দুটি ফোন যোগে কৰা অনুৰোধ মৰ্মে আমাৰ হাতত দিয়াত দুটা যুগৰ ছবি ধৰা পৰিছে। অন্যান্য সকলো ন-পুৰণি আৱাসীৰে স্মৃতিৰ ৰোমন্থনত জিলিকি উঠিছে এক উজ্বল ছবি। তেওঁলোক আটাইলৈকে ধন্যবাদ থাকিল। প্ৰয়াত ৰেখা দাস বাইদেউৰ দুষ্প্ৰাপ্য "হোষ্টেল ডায়েৰী"খন বিচাৰি হাবাথুৰি খোৱা অৱস্থাত কিতাপখন দি ড° গুণলতা বৰুৱা বাইদেৱে অশেষ উপকাৰ সাধিলে। শ্ৰদ্ধাস্পদ সুনীল বৰঠাকুৰ ছাৰ আৰু অলকা বৰুৱা বাইদেউক যোগাযোগ কৰি লেখনী সংগ্ৰহ কৰি অনুভৱ কৰিছোঁ সান্নিধ্যৰ এক সোণসেৰীয়া অভিজ্ঞতা।

বহুজনৰ কষ্টৰ ফচল এই স্মৃতিগ্ৰন্থখনি সকলোৱে আদৰি ল'লেই আমাৰ পৰিশ্ৰম সাৰ্থক হ'ব।

'জয়তু ডিব্ৰুগড় সুৰজমল কানৈ মহাবিদ্যালয় তথা মহাবিদ্যালয়ৰ ছাত্ৰীনিৱাস।'○

# কানৈ কলেজৰ ছাত্ৰীনিৱাসৰ বিষয়ে দুই-চাৰিটা স্মৃতি

✍ সুনীল কুমাৰ বৰঠাকুৰ

১৯৬০ চনৰ জুলাই মাহৰ আগভাগত মই কানৈ কলেজত ইংৰাজী বিভাগৰ প্ৰবক্তা হিচাপে যোগ দিওঁ। তেতিয়ালৈকে কলেজৰ লেকচাৰাৰ সকলকো প্ৰফেচৰ বোলা হৈছিল। কলেজবোৰো মহাবিদ্যালয় নাম পোৱা নাছিল। প্ৰায় ৬০/৭০ বিঘা মানৰ বিৰাট কম্পাউণ্ডৰ মাজতে কলেজৰ দুই মহলীয়া প্ৰশাসনীয় কোঠা, শ্ৰেণীকোঠা, কেইবাটাও। লেবৰটৰী আৰু এটা বুজন আকাৰৰ লাইব্ৰেৰী। প্ৰাসাদোপম কলেজ গৃহৰ বাওঁপিনে পূবে ল'ৰাৰ ছাত্ৰনিৱাস বা হোষ্টেল। পশ্চিম হাতে, তেতিয়াৰ সময়ত দিব পৰা সকলো সুবিধা থকা এটি প্ৰকাণ্ড দুমলীয়া ঘৰত আছিল ছাত্ৰীনিৱাস। সেই সময়ত অবিভক্ত লক্ষমীপুৰ জিলাত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ কলেজখনেই কলা আৰু বিজ্ঞান শাখাৰ একমাত্ৰ কলেজ। গতিকে গোটেই জিলাৰ পৰা ডিব্ৰুগড়ত উচ্চ শিক্ষা ল'বলৈ অহা ল'ৰা-ছোৱালীৰ বাবে ছাত্ৰাবাস বা ছাত্ৰীনিৱাসৰ আৱশ্যকতা কলেজ কৰ্তৃপক্ষই অনুভৱ কৰি বাহিৰৰ ছাত্ৰ-ছাত্ৰীসকলৰ সুবিধাৰ কাৰণে কলেজৰ চৌহদতে তেওঁলোক থকাৰ ব্যৱস্থা কৰা হৈছিল।

১৯৫৯ চনত কলেজখন বৰ্তমানৰ স্থানলৈ আহে। গতিকে আমি ধৰি ল'ব পাৰো যে তেনেসময়ৰে পৰা হোষ্টেল দুয়োটা কলেজৰ চৌহদত বৰ্তমান। গতিকে দুয়োটা নিৱাসৰ বয়সে অৰ্দ্ধশতিকা অতিক্ৰম কৰিছে। কলেজখনৰ এতিয়াৰ নিজা ছাত্ৰাবাসটো হোৱাৰ আগতে ছাত্ৰাবাস কিবা, ক'ৰবাত আছিল নেকি নাজানো। কিন্তু ডিব্ৰুগড়লৈ আহি শুনিছো, বৰ্তমানৰ ছোৱালী হোষ্টেলটো সজোৱাৰ আগতে কলেজখনৰ তাহানিৰ অন্যতম আত্মাস্বৰূপ স্বৰ্গীয় ড° লক্ষীপ্ৰসাদ দত্তৰ ঘৰৰ ওচৰতে কলেজখনৰ বাবে এটা ছোৱালীৰ হোষ্টেল আছিল। কলেজ কৰ্তৃপক্ষই ভাড়াঘৰত সেই হোষ্টেল চলাইছিল।

ডিব্ৰুগড়ৰ স্ত্ৰীশিক্ষাৰ ইতিহাস নগৰখনৰ দৰেই পুৰণি। ইয়াৰ দুখন ছোৱালী হাইস্কুল আমোলাপট্টিত অৱস্থিত ডিব্ৰুগড় চৰকাৰী ছোৱালী উচ্চতৰ বহুমুখী মাধ্যমিক বিদ্যালয় আৰু মাৰোৱাৰী পট্টিত অৱস্থিত ভিক্টোৰীয়া ছোৱালীৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় দুয়োখনেই শতবৰ্ষ অতিক্ৰম কৰিছে। অতীজৰে পৰাই দুয়োখন স্কুলৰ চৌহদত ছোৱালীৰ বাবে ছাত্ৰীনিৱাস তাহানিৰ পৰাই আছে। মাথোন অতীজতে মহিলাৰ উচ্চ শিক্ষাৰ সুবিধা নথকা বাবে মহিলাসকলে অসমৰ বাহিৰতো পঢ়িবলৈ গৈছিল। উদাহৰণ স্বৰূপে ডিব্ৰুগড় চৰকাৰী ছোৱালী উচ্চতৰ মাধ্যমিক স্কুলৰ দুগৰাকী অধ্যক্ষাৰ ভিতৰত স্বৰ্গীয়া গৌৰীপ্ৰভা চলিহাই গিৰিধিত স্কুলীয়া শিক্ষা লাভ কৰিছিল। আন গৰাকী অধ্যক্ষা স্বৰ্গীয়া নৰ্মদা চৌধুৰীয়ে কলিকতা বিশ্ববিদ্যালয়ত পঢ়িছিল। একেখনি স্কুলৰে এগৰাকী শিক্ষয়িত্ৰী স্বৰ্গীয়া শশীপ্ৰভা বৰুৱায়ো (স্বৰ্গীয়া গৌৰী বাইদেউৰ বায়েক) গিৰিধিত উচ্চ শিক্ষা লাভ কৰিছিল।

কানৈ কলেজৰ ছোৱালী হোষ্টেলৰ অধীক্ষক কেইবাগৰাকীও বিখ্যাত সক্ৰিয় সমাজ কৰ্মীও আছিল। শিক্ষাদানৰ উপৰিও তেওঁলোক অনেক সামাজিক কামত লাগি আছিল। তেওঁলোকৰ মাজত আমি স্বৰ্গীয়া লক্ষীদা দত্তই মই কাম কৰি থকা সময়তে কানৈ কলেজৰ অধ্যক্ষা হৈছিল। স্বৰ্গীয়া ৰেখা দাস মনোহাৰী মহিলা বিদ্যালয়ৰ অধ্যক্ষা আছিল।

শ্ৰীযুত অলকা বৰুৱা বাইদেৱেও কানৈ কলেজৰ অধ্যক্ষাৰ আসন গ্ৰহণ কৰিছিল।

কানৈ কলেজৰ আহল-বহল চৌহদটো আগতে এক বিস্তৃত জলাহ ভূমি আছিল। ডিব্ৰুগড় পৌৰসভাই চহৰৰ আবৰ্জনা পেলাই ওখ কৰিলে। সেই ময়লাখানাত বেৱাৰিচ মৃতদেহো পোতা হৈছিল। এইবিলাক কথাৰ ওপৰত ভিত্তি কৰি কলেজৰ কৰ্মচাৰী চকীদাৰ আদিৰ মুখত অনেক লোমহৰ্ষক কাহিনীৰ সৃষ্টি হৈছিল। মই শুনা অসংখ্য ভৌতিক কাহিনীৰ এটাও ছোৱালী হোষ্টেলৰ ওপৰত নাছিল। সৰহভাগেই কানৈ কলেজৰ ঘাই বিল্ডিংৰ ওপৰতহে আছিল।

ল'ৰাৰ হোষ্টেলৰ এটা কোঠাৰ বদ্‌নাম হৈছিল। তিনিজন ছাত্ৰ থাকিব পৰা এটা আহল-বহল কোঠাত কোনো ছাত্ৰই থাকিব নিবিচাৰিছিল। মই সেই হোষ্টেলৰ চুপাৰ হৈ থাকোতে সেই কোঠাটো ষ্টোৰ ৰুম পাতি দিছিলোঁ। এবাৰ হোষ্টেলৰ এজনীয়া এটা কোঠাত ভূতে উৎপাত কৰা বুলি তাৰ বাসিন্দাজনে মোৰ ওচৰত গোচৰ দিছিল। মই মায়ং অঞ্চলৰ ওচৰৰ মানুহ বুলি মই তন্ত্ৰ-মন্ত্ৰ জানো বুলি বহুতেই ভাবিছিল। সেই বিশ্বাসৰ সুবিধা লৈ দিবা চকীদাৰ, নৈশ চকীদাৰ আৰু ৰান্ধনীজনক লৈ হোষ্টেল প্ৰদৰ্শন কৰি সৰিয়হ ছটিয়াই ভূত খেদিলোঁ। লগতে ছাত্ৰসকলক সম্বোধি ক'লো যে কোনোবাই ভূতৰ ভাও ধৰি ভয় দেখুৱালে তেৰোঁও মোৰ মন্ত্ৰৰ ফল ভোগ কৰিব। আচৰিত কথা এই যে তেতিয়াৰ পৰা মই হোষ্টেল এৰি নোযোৱালৈকে ল'ৰাৰ হোষ্টেলত কোনো ভৌতিক ঘটনা ঘটা নাছিল। মই জনাত কানৈ কলেজৰ ছোৱালী হোষ্টেলটো কোনো ভৌতিক ঘটনা হোৱা নাছিল। মাথোন কানৈ কলেজ আৰু কৰ্মাচ কলেজৰ নৈশ চকীদাৰৰ পৰা শুনিছিলে বোলে ৰাস পূৰ্ণিমাৰ দিনা আৰু তাৰ আগৰ আৰু তাৰ পাছৰ এই তিনি পূৰ্ণিমাৰ মাজৰাতি কানৈ কলেজৰ বিল্ডিংৰ পশ্চিমে লাগি থকা পুখুৰীটোৰ পাৰত হেনো বগা বগা কাপোৰ পিন্ধা ওস্তাড আৰু পণ্ডিত সকলে উচ্চাগং সংগীত পৰিবেশন কৰিছিল। অৱশ্যে কানৈ ল'ৰাৰ হোষ্টেলৰ অধীক্ষক হিচাপে মই থকা সুদীৰ্ঘ তিনিবছৰত এদিনো এই উচ্চাংগ সংগীতৰ মজলিচ উপভোগ কৰিবলৈ নাপালোঁ।

কানৈ ছাত্ৰবাসৰ উপৰিও ছাত্ৰীনিৱাসৰ বহুতো স্মৃতি মোৰ এতিয়াও মনত আছে। সেইবিলাক কথা কৈ এই প্ৰবন্ধটি দীঘলীয়া কৰিবলৈ মন নাই। দুয়ো হোষ্টেলৰ নিৱাসীসকলে কানৈ কলেজে প্ৰদান কৰা উচ্চশিক্ষা সমাপ্ত কৰি আৰু আগবাঢ়ি যাব আৰু নিজৰ লগতে দেশৰ সেৱাত অহৰহ ব্ৰতী হৈ থাকিব।○



ছাত্ৰীনিৱাসৰ প্ৰথম ভাৰপ্ৰাপ্ত অধীক্ষক লক্ষ্মীপ্ৰসাদ দত্তৰ সৈতে কেইগৰাকীমান আৱাসী।

# কানৈ কলেজৰ অতীত ঃ এক সোঁৱৰণ

✍ ড° আতিকুদ্দিন আহমেদ

(১)

১৯৪৫ চনৰ ১৫ জুন তাৰিখে ডিব্ৰুগড় কলেজ প্ৰতিষ্ঠা হোৱাৰ পিছত ১৯৫৭ চনৰ ২২ মে' তাৰিখে কলেজ চৌহদতে এটি দুমহলীয়া ছাত্ৰীনিৱাসৰ আধাৰশিলা স্থাপন কৰিছিল অসমৰ তদানিন্তন মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিদেৱে। সেই সময়ত ডিব্ৰুগড়লৈ আহি উচ্চ শিক্ষাৰ বাবে কলেজত নামভৰ্ত্তি কৰা ছাত্ৰীসকলৰ থকাৰ বাবে উপলব্ধ এই ছাত্ৰীনিৱাসটো নাৰী শিক্ষাৰ প্ৰগতিত এক মাইলৰ খুটি স্বৰূপ হৈ আছে। এই ভৱনটিৰ নিৰ্মাণ ব্যয় আছিল দুই লাখ পঞ্চলিশ হাজাৰ টকা। এইখনি পুঁজি বিভিন্ন ব্যক্তি আৰু সংগঠনৰ পৰা দান হিচাপে সংগ্ৰহ কৰা হৈছিল। ইয়াৰ ভিতৰত ভাৰতীয় চাহ সংস্থা, অসম চৰকাৰ, হনুমানবক্স কানৈ আৰু কলেজৰ নিজা বৰঙনি ইত্যাদি প্ৰধান। এই ভৱনটি নিৰ্মাণ কৰিছিল ডিব্ৰুগড়ৰে ৰামধাৰী শৰ্মা নামৰ ঠিকাদাৰ জনে। ১৯৫৮ চনৰ ৩ এপ্ৰিল তাৰিখে ছাত্ৰীনিৱাসৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হৈ উঠে। কলেজৰ উপাধ্যক্ষ লক্ষী প্ৰসাদ দত্ত ছাত্ৰানিৱাসৰ প্ৰথম অধীক্ষক নিযুক্ত হয়। কিন্তু কিছুদিনৰ পিছত অধ্যাপিকা লক্ষীদা দত্তক অধীক্ষক হিচাপে নিযুক্তি দিয়া হয়। ছাত্ৰীনিৱাসৰ প্ৰথম মেট্ৰন আছিল মায়া দত্ত। ১৯৪৮-৪৯ চনৰ পৰাই দূৰ-দূৰণিৰ ছাত্ৰসকল থাকিব পৰাকৈ ভাৰাঘৰতে হোষ্টেলৰ ব্যৱস্থা কৰা হয়। সেই সময়তে কলেজত সাহিত্যিক যতীন্দ্ৰ নাথ দুৱৰাদেৱে অসমীয়া বিভাগত অধ্যাপকৰ পদত যোগদান কৰিছিল। গতিকে তেখেতকে ছাত্ৰবাসৰ অধীক্ষক হিচাপে নিযুক্তি দিয়া হৈছিল। অন্যহাতে কলেজৰ প্ৰথম গ্ৰন্থাগাৰীক হিচাপে নিযুক্তি দিয়া হৈছিল অশ্চিনীচৰণ চৌধুৰীক। ছাত্ৰীনিৱাসৰ বিষয়ে লিখাৰ আগেয়ে কানৈ কলেজৰ প্ৰতিষ্ঠা আৰু ক্ৰম বিকাশৰ কিছু আভাস দিয়াৰ প্ৰয়োজনবোধ কৰিলোঁ।

কানৈ কলেজৰ ইতিহাস গৌৰৱময় আৰু মহিমামণ্ডিত। বৃটিছৰ দিনতে এক উন্নত ব্যৱসায়ীক কেন্দ্ৰ হিচাপে গঢ়ি উঠা এই অঞ্চল প্ৰাকৃতিক সম্পদেৰে পৰিপূৰ্ণ। চাহ, তেল, কয়লা, কাঠ আদি বৃহৎ উদ্যোগবোৰ সেই কালতে ইয়াত গঢ়ি উঠা। অসমৰ প্ৰথম ৰেলপথ ইয়াতে স্থাপন হৈছিল। মেডিকেল কলেজ স্থাপন হৈছিল। সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰতো ডিব্ৰুগড়ৰ এক সুনাম আছিল। কিন্তু উচ্চ শিক্ষাৰ বাবে কোনো কলেজ নাছিল। এই বিষয়ে তেতিয়া কোনেও চিন্তা কৰা নাছিল। অৱশেষত এজন দূৰদৰ্শী ব্যক্তিয়ে এই চিন্তা কৰিলে যে ডিব্ৰুগড়ত এখন কলেজ স্থাপন কৰিব লাগে। এয়া আছিল তেখেতৰ সপোন। ব্যক্তিগৰাকী আছিল শ্ৰী অশ্চিনীচৰণ চৌধুৰী। ভবা মতেই কাম আৰম্ভ হ'ল। ১৯৪৫ চনৰ ২৮ মে'ৰ দিনটো তেতিয়াৰ ডিব্ৰুগড় তথা সমগ্ৰ অসমৰ ইতিহাসত এক স্মৰণীয় দিন। সেইদিনা আবেলি ৫ বজাত ডিব্ৰুগড়ৰ জৰ্জ ইন্সটিটিউট হাইস্কুলত এখন ৰাজহুৱা সভা অনুষ্ঠিত কৰা হৈছিল. ডিব্ৰুগড়ত কলেজ প্ৰতিষ্ঠাৰ বিষয়টো আলোচনা কৰিবলৈ। সভাখনিৰ আহবায়ক আছিল অশ্চিনীচৰণ চৌধুৰী। সভাত সভাপতিত্ব কৰিছিল ৰায় চাহাব বেণুধৰ ৰাজখোৱাদেৱে। সভাই কেইগৰাকীমান বিশিষ্ট ব্যক্তিক লৈ এখন পৰিচালনা সমিতি গঠন কৰি দিছিল। স্বনামধন্য ব্যক্তিসকল আছিল ক্ৰমে—আই মজিদ উপায়ুক্ত (সভাপতি), ৰায় বাহাদুৰ সদানন্দ দুৱৰা, ৰায় বাহাদুৰ, ডাঃ ফণীন্দ্ৰ নাথ ঘোষ, নৱ কুমাৰ দত্ত (প্ৰাক্তন মন্ত্ৰী), ৰায় চাহাব বেণুধৰ ৰাজখোৱা, ৰায় বাহাদুৰ ৰামেশ্বৰলাল চহৰীয়া, ফৈজনুৰ আলি (প্ৰাক্তন অসম লোকসেৱা আয়োগৰ সদস্য), জালাল উদ্দিন আহমেদ (ডিব্ৰুগড় গৌৰসভাৰ সভাপতি), যোগীৰাজ বসু, মুজিবুৰ ৰহমান, ডি,পি দাস, গণেশ ৰাম ফুকন, নন্দেশ্বৰ চক্ৰৱৰ্তী, প্ৰসন্ন কুমাৰ বৰুৱা আৰু অশ্চিনীচৰণ চৌধুৰী (সম্পাদক)। অৱশ্যে উপায়ুক আই, মজিদে সভাপতিৰ দায়িত্ব ল'বলৈ অপাৰগ হোৱাত শ্ৰী সদানন্দ দুৱৰাক সভাপতি নিযুক্ত কৰা হয়।

সভাই সৰ্বসন্মতিক্ৰমে গৃহীত কৰা প্ৰস্তাৱটি আছিল—

"Resolved that an Intermediate College be established at Dibrugarh from this session." সেয়ে

আছিল কানৈ কলেজ প্ৰতিষ্ঠাৰ দোকমোকালি বেলা। জৰ্জ স্কুলতে পুৱাৰ বেলা শ্ৰেণী আৰম্ভ কৰা হৈছিল। দিনটো আছিল ১৯৪৫ চনৰ ১৫ জুন বৃহস্পতিবাৰ। অৱশ্যে কলেজৰ দুৱাৰ মুকলি কাৰ্য আড়ম্বৰপূৰ্ণ নাছিল। অতি সাধাৰণ আছিল। উদ্বোধনী সভাত মাংগলিক স্তোত্ৰ পাঠ কৰিছিল শ্ৰী গিৰিশ শাস্ত্ৰীদেৱে। সভাত উপস্থিত থকা বিশিষ্ট ব্যক্তিসকল আছিল ক্ৰমে শৰৎ কুমাৰ দত্ত, জীৱন ফুকন, মফিজুদ্দিন আহমদ হাজৰিকা, ৰায়হান শ্বাহ ইত্যাদি। ফিজনুৰ আলিদেৱে দুৱাৰ মুকলি কৰিছিল। অধ্যক্ষ হিচাপে নিযুক্ত কৰা হৈছিল পণ্ডিত প্ৰৱৰ যোগীৰাজ বসুদেৱক। প্ৰথমে কলেজত নামভৰ্ত্তি কৰা ছাত্ৰী গৰাকী আছিল শ্ৰীমতী সৰলা চৌধুৰী। সেই বছৰত মুঠ ১০০ জন ছাত্ৰ-ছাত্ৰীয়ে কলেজত নামভৰ্তি কৰিছিল।

কলেজৰ বাবে নিজা মাটি আৰু ভৱনৰ চিন্তা কৰা হ'ল। কলেজ কৰ্তৃপক্ষৰ আৱেদন মৰ্মে ডিব্ৰুগড় পৌৰসভাৰ পৰা গাভৰুপথাৰ ট্ৰেনটিং গ্ৰাউণ্ডৰ ১৬ বিঘা মাটি কলেজৰ নিজা ভৱন নিৰ্মাণৰ বাবে দান হিচাপে পোৱা যায়। ডিব্ৰুগড় পৌৰসভাৰ ২২ অক্টোবৰ ১৯৪৫ চনৰ সভাৰ এটি প্ৰস্তাৱ আছিল—"Considered the letter dt. 11.8.1945 of the Secretary, Dibrugarh College and resdued that 2/3 of the plot of Land be given to College authority."। অৱশ্যে কলেজ কৰ্তৃপক্ষই ওচৰ-পাজৰৰ মানুহৰ পৰা আৰু কিছু পৰিমাণৰ মাটি কলেজৰ বাবে কিনি লয়।

কলেজৰ স্বীকৃতিৰ বাবে আৱেদন কৰিবলৈ অধ্যক্ষ যোগীৰাজ বসু আৰু সম্পাদক অশ্বিনীচৰণ চৌধুৰী নিজে কলিকতালৈ যায়। পৰিদৰ্শনৰ পিছত ১৯৪৬-৪৭ চনৰ পৰা কানৈ কলেজে কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত স্বীকৃতি লাভ কৰে। ১৯৪৬ চনৰ আগষ্ট মাহত কলেজৰ শ্ৰেণীসমূহ জৰ্জ স্কুলৰ পৰা আমোলাপট্টি ছোৱালী স্কুলৰ খালী হোৱা ঘৰবোৰলৈ উঠি আহে। ১৯৪৭ চনত কলেজৰ শিক্ষক আৰু ছাত্ৰসকলে মিলি ঘৰে ঘৰে ধন সংগ্ৰহ কৰাৰ প্ৰচেষ্টা এটা হাতত লয়। উল্লেখযোগ্য যে কলেজ প্ৰতিষ্ঠাৰ দৰে এক মহান কামৰ বাবে এঘাৰ দিনত এঘাৰ হাজাৰ টকা সংগ্ৰহ হৈছিল। বজাৰ অঞ্চলতো সকলো মানুহৰ পৰা চান্দা তোলা হৈছিল। শিক্ষক আৰু ছাত্ৰসকলে খোজকাঢ়ি দুৱাৰে দুৱাৰে গৈ বৰঙনি সংগ্ৰহ কৰা দেখি পাণ দোকানীৰ পৰা আৰম্ভ কৰি সৰু-বৰ সকলো ব্যৱসায়ী আৰু ব্যক্তিয়ে চান্দা দিছিল। এদিন এজন ৰিক্সাৱালাই আগবাঢ়ি আহি এটকা চান্দা দিছিল—এই কথাটোৱে চান্দা সংগ্ৰহকাৰী যোগীৰাজ বসুদেৱক ভাৱপ্ৰণোদিত কৰিছিল বুলি বসুদেৱে নিজেই এটি লিখনিত প্ৰকাশ কৰিছে।

১৯৫০ চনলৈকে কলেজত কলা বিষয়ৰহে শিক্ষা দান হৈছিল। ১৯৫০ চনত বিজ্ঞান শাখাটো খোলা হয়। হনুমানবক্স কানৈ পৰিয়ালে বিজ্ঞান শাখা খোলাৰ বাবে এক লাখ টকা বৰঙনি দিয়ে। বিনিময়ত কলেজখনৰ নাম 'ডিব্ৰুগড় কলেজ'ৰ ঠাইত 'ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ কলেজ' হয়। ইতিমধ্যে গুৱাহাটী বিশ্ববিদ্যালয় স্থাপন (১৯৪৮) হোৱাত কানৈ কলেজ এই বিশ্ববিদ্যালয়ৰ অধীন হয়। বিজ্ঞান শাখা পৰিদৰ্শনৰ বাবে আহিছিল ড° জে,চি, বৰ্দ্ধন আৰু ড° হিৰণ্য কুমাৰ ভূঞা। পৰিদৰ্শকদ্বয়ে বিজ্ঞানগাৰ কেইটা দেখি পৰম সন্তুষ্ট হৈছিল আৰু সেই অনুসৰি স্বীকৃতি প্ৰদান কৰিছিল। পৰিদৰ্শন টোকাত তেখেতসকলে জীৱ বিজ্ঞানৰ বিজ্ঞানাগাৰটোৰ বিষয়ে মন্তব্য কৰিছিল—"The ideally perfect Laboratory in the State." বিজ্ঞান শাখা স্থাপনৰ বাবে চৰকাৰে বেৰী হোৱাইট মেডিকেল স্কুলৰ পুৰণি ঘৰটোৰ একাংশ কলেজক দিছিল। পৰৱৰ্তী কালত কলেজৰ গ্ৰন্থাগাৰটোৰ কথা পণ্ডিত কৃষ্ণকান্ত সন্দিকৈ আৰু ড° বাণীকান্ত কাকতিদেৱে ভূয়সি প্ৰশংসা কৰি থৈ গৈছে।

১৯৫৫ চনৰ ৯ ফেব্ৰুৱাৰী তাৰিখে তেতিয়াৰ অসমৰ বিত্তমন্ত্ৰী মতিৰাম বৰাই কলেজৰ নতুন ভৱন নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰিছিল। উল্লেখযোগ্য যে কানৈ পৰিয়ালৰ দানেৰে এই নতুন ভৱনটি নিৰ্মাণ কৰা হৈছিল। স্থাপত্যৰ দিশৰ পৰা আকৰ্ষণীয় এই আটক ধুনীয়া ভৱনটি ৰাঁচীত থকা এটি ভৱনৰ আৰ্হিত নিৰ্মিত হয়। ১৯৫৮ চনৰ ২৯ ডিচেম্বৰ তাৰিখটো ডিব্ৰুগড় তথা সমগ্ৰ অসমবাসীৰ বাবে এটা আনন্দৰ দিন আছিল। কাৰণ সেইদিনা ভাৰতবৰ্ষৰ উপৰাষ্ট্ৰপতি প্ৰখ্যাত দাৰ্শনিক আৰু পণ্ডিত ড° সৰ্বপল্লী ৰাধাকৃষ্ণণদেৱে এই ভৱনটিৰ দুৱাৰ মুকলি কৰিছিল। ১৯৫৯-৬০ শিক্ষাবৰ্ষৰ পৰা কলেজৰ নতুন ভৱনত কলা, বিজ্ঞান আৰু বাণিজ্য এই তিনিওটা শাখাৰে শ্ৰেণীসমূহ নিয়মীয়াকৈ আৰম্ভ হয়। ১৯৬০-৬১ শিক্ষা বৰ্ষৰ পৰা পদাৰ্থবিদ্যা, ৰসায়ন আৰু গণিত বিষয়ৰ স্নাতক শ্ৰেণী খোলা হয়। ১৯৬৪-৬৫ বৰ্ষৰ পৰাহে উদ্ভিদ বিদ্যা, প্ৰাণীবিদ্যা আৰু পিছলৈ নৃতত্ব বিষয়ত স্নাতক শ্ৰেণী আৰম্ভ হয়।

কলেজৰ বাবে এটি সুন্দৰ ভৱন দান হিচাপে দিয়াৰ স্বীকৃতি স্বৰূপে কলেজ পৰিচালনা সমিতিয়ে ৰায় চাহাব হনুমানবক্স কানৈক ৰাজহুৱাভাৱে সম্বৰ্দ্ধনা জনাবলৈ সিদ্ধান্ত

কৰে। সেই সভাত অভিভূত হৈ সম্বৰ্দ্ধনাৰ উত্তৰত হেনো তেখেতে কৈছিল যে ডিব্ৰুগড়ত কলেজ কিয় বিশ্ববিদ্যালয় স্থাপনৰ বাবেও প্ৰয়োজন হ'লে আগভাগ ল'ব। পিছৰ দিনবোৰত কথামতেই কাম হোৱা ৰাইজে দেখিলে।

প্ৰতিষ্ঠাৰ আৰম্ভণিতে শিক্ষা হিচাপে কলেজত যোগদান কৰা ব্যক্তিসকল আছিল যোগীৰাজ বসু (অধ্যক্ষ), উমা প্ৰসন্ন দে, লক্ষ্মী প্ৰসাদ দত্ত, এম. কে. চক্ৰৱৰ্তী, বেণুধৰ ৰাজখোৱা, কে. এ. ৰামকৃষ্ণণ, নিৰ্মল কুমাৰ বসু আৰু নেকিবুৰ ৰহমান। পিছত ভাৰতবৰ্ষৰ প্ৰায়বোৰ ৰাজ্যৰ পৰা আহি এচাম গুণী-জ্ঞানী শিক্ষকে এই কলেজত শিক্ষকতা কৰিছিল।

তেতিয়া অধ্যক্ষৰ মাহিলী দৰ্মহা আছিল ডেৰশ টকা আৰু বাকী শিক্ষক সকলক দিয়া হৈছিল এশ টকা। কাৰ্যালয় সহায়কে পাইছিল চল্লিশ টকা আৰু চকীদাৰে দহ টকা। কলেজৰ কাৰণে পৰম সৌভাগ্যৰ কথা আছিল ড° যোগাৰাজ বসুক অধ্যক্ষ হিচাপে পোৱাটো। প্ৰতিষ্ঠাৰ প্ৰথম দুবছৰ কলেজৰ কোনো উপাধ্যক্ষ নাছিল। ১৯৪৭ চনৰ ২৭ চেপ্তেম্বৰ তাৰিখে লক্ষ্মী প্ৰসাদ দত্তদেৱক উপাধ্যক্ষ হিচাপে নিযুক্তি দিয়া হয়। দত্তদেৱৰ নিযুক্তিয়ে কলেজখনক এটা গতি আনে। তেখেতৰ কৰ্মদক্ষতা আৰু সাংগঠনিক শক্তিৰ বলত কানৈ কলেজে এটা সুকীয়া পৰিচয় পাবলৈ সক্ষম হ'ল। তদুপৰি কানৈ কলেজৰ গৰ্ভতে জন্ম লাভ কৰিলে কানৈ কমাৰ্চ কলেজ, মনোহাৰী দেৱী কানৈ ছোৱালী কলেজ, কানৈ আইন কলেজ আৰু ডিব্ৰুগড় বিশ্ববিদ্য লয়ে। ডিব্ৰুগড় বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ ক্ষেত্ৰত কানৈ কলেজৰ পৰিচালনা সমিতি, লক্ষ্মী প্ৰসাদ দত্ত আৰু হনুমানবক্স কানৈৰ অৱদান সদায় স্মৰণীয় হৈ থাকিব।

ইতিমধ্যে ১৯৭২ চনত ৰূপালী জয়ন্তী, ১৯৯৫ চন সোণালী জয়ন্তী আৰু ২০১০ চনত হীৰক জয়ন্তী গাম্ভীৰ্যপূৰ্ণভাৱে উদ্‌যাপিত হৈ গৈছে। অহা ২০২০ চনত কানৈ কলেজ প্ৰতিষ্ঠাৰ ৭৫ বছৰ পূৰ হোৱা উপলক্ষে মহাৰজত জয়ন্তী উদ্‌যাপন কৰাৰ কথা। এই সমাৰোহখনি অতি আড়ম্বৰপূৰ্ণভাৱে উদ্‌যাপন কৰিবলৈ ছাত্ৰ, শিক্ষক, কৰ্মচাৰী, অধ্যক্ষ, পৰিচালনা সমিতি আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আদিৰ সন্মিলিত সহযোগিতাৰ নিশ্চয় আৱশ্যক হ'ব।

(২)

কানৈ কলেজৰ এক চমু ইতিবৃত্ত ডাঙি ধৰাৰ পিছত এইবাৰ ব্যক্তিগত দুআষাৰ কথা ক'বৰ মন গৈছে। আমি কলেজত থকা দিনবোৰত কলেজৰ ছাত্ৰীনিৱাসত অলকা বাইদেউক অধীক্ষক পদত থকা দেখিছিলোঁ। পিছলৈ ফৰিদা বাইদেউ, কল্পনা সেনগুপ্ত বৰুৱা, নৰেন্দ্ৰ মাহেলা, অদিতি কোঁৱৰ, অনন্ত দত্ত, হীৰামণি লালুং আদি সেই পদত নিযুক্ত হৈছিল। কল্যাণ বৰুৱা ছাৰ আৰু ডিম্বেশ্বৰ চলিহা ছাৰ অধ্যক্ষ হৈ থকাৰ কালত ছাত্ৰীনিৱাসৰ সভাবোৰলৈ যোৱাৰ কথা মনত আছে। নৱাগত আদৰণি সভাবোৰলৈ বহুবাৰ গৈছো। প্ৰাক্তন ছাত্ৰীসকলে ইয়াতে থাকি পঢ়া-শুনা, খেলা-ধূলা, সংগীত নাটক আদিৰ ক্ষেত্ৰতো সুনাম অৰ্জন কৰি যোৱা দেখিছিলো। নব্বৈৰ দশকলৈকে আমাৰ সমাজখন, সংস্কৃতি আৰু মূল্যবোধ অতি নিভাঁজ প্ৰকৃতিৰ আছিল। কিন্তু এতিয়া বজাৰ অৰ্থনীতিৰ যুগত ম'বাইল ইণ্টাৰনেটে সমাজৰ স্বৰূপটোকে সলনি কৰিছে। মানুহৰ জীৱন পদ্ধতিও সলনি হৈছে। সকলোবোৰ ডিজিটেল হৈছে। আটাইতকৈ ডাঙৰ কথাটো হৈছে এই যে মানুহ 'ৰব'টিক' হৈছে।

১৯৭৩ চনৰ পৰা ২০১৭ চনলৈকে সুদীৰ্ঘকাল জীৱনৰ সৰ্বোত্তম সময়খিনি কলেজতে পাৰ কৰিলো। প্ৰথমে ছাত্ৰ হিচাপে (১৯৭৩-৭৬) আৰু পিছত শিক্ষকতা কৰি (১৯৭৮-২০১৭)। দহ গৰাকী অধ্যক্ষক লগ পালো আৰু তেখেতসকলৰ সৈতে অতি ঘনিষ্ঠভাৱে কাম কৰাৰ সুযোগ হৈছিল। মই নিজেও কিছুদিনৰ বাবে অধ্যক্ষৰ পদত আছিলো। গতিকে প্ৰশাসনীয় অভিজ্ঞতাও বহু হ'ল। মিঠা-তিতা সকলো ধৰণৰ। আগেয়ে কলেজত কেৱল শিক্ষণ-শিকণৰ কাৰ্যহে হৈছিল। এতিয়া আনুসংগিক অন্যান্য বহু কাম চলে। মেল-মিটিংবোৰতো চলিয়েই থাকে। কলেজৰ বিদ্যায়তনিক দিশটো সদায় গৌৰৱময় হৈ আছে। এচাম প্ৰতিভাবান নতুন প্ৰজন্মৰ শিক্ষক আহি কলেজৰ কামবোৰ হাত ধৰি আগুৱাই নিছে। এয়া আশাৰ কথা।

শিক্ষক হিচাপে মই নিজে কি কৰিলো সেয়া অৱশ্যে সমাজে বিচাৰ কৰিব। তথাপি গভীৰ আত্ম প্ৰত্যয়েৰে ক'বৰ মন যায় যে নব্বৈৰ দশকতে কলেজত এখন 'সঞ্চয় সমিতি' আৰু এটা 'কেৰিয়াৰ গাইডেন্স চেণ্টাৰ' প্ৰতিষ্ঠা কৰিছিলো যি কেইটা অনুষ্ঠান আজিৰ পটভূমিত অতি প্ৰাসংগিক হৈছে। লগতে ছাত্ৰ-ছাত্ৰীসকলৰ পূৰ্বৰ ইউনিফৰ্ম পুনৰ প্ৰৱৰ্ত্তন, কলেজত নিৰন্তৰ বিজুলী যোগানৰ বাবে এটা উচ্চ ক্ষমতাসম্পন্ন বৈদ্যুতিক ট্ৰান্সফৰ্মাৰ স্থাপন আৰু প্ৰথম বাৰলৈ এখন কলেজ বুলেটিন প্ৰকাশৰ ব্যৱস্থা কৰিলো। বৰ্তমানৰ প্ৰজন্মই এইবোৰ সুখ্যাতিৰে আগবঢ়াই নিয়ক। এয়ে কামনা কৰিছোঁ।○

# সোণোৱালী লগনৰ সোঁৱৰণি

✍ ড° জ্যোতিৰেখা হাজৰিকা

কিছুমান সোণোৱালী ক্ষণ, কিছু মধুৰ স্মৃতি মানুহে ওৰেটো জীৱন সাঁচি ৰাখে মনৰ মণিকোঠাত, সযতনে। এই স্মৃতি ৰোমন্থন কৰি লিখিবৰ বাবে সুযোগ সততে নাহে আৰু যদি এবাৰ সেই স্মৃতিৰ দুৱাৰৰ অৰ্গল খুলি দিয়া হয়, হিলদল ভাঙি সোমাই আহে এছাটি সুগন্ধি বতাহ—সোঁৱৰণিৰ; ফুলি উঠে তেতিয়াই জীৱনৰ বাটত সোঁৱৰণিৰ শতদল। কোনো বিশেষ স্থান, বিশেষ ব্যক্তি, বিশেষ এছোৱা সময় এৰি অহাৰ আকুলতাই মন ব্যাকুল কৰি তোলে ঠিক তেতিয়াই। সোঁৱৰণিয়ে দুগুণে বঢ়ায় বিচ্ছেদৰ মিঠা মিঠা যাতনা। হাচ্‌নাহানাৰ তীব্ৰ সুবাসে সুখৰ লগতে নিসংগতা বঢ়োৱাৰ দৰে তেনে মধুৰ স্মৃতিয়ে মনলৈ আনে কৰুণতা। ক'ত এৰি থৈ আহিলোঁ সেই সোঁৱৰণিৰ সৰোবৰ—যাক বিচাৰি এই যাত্ৰা নিজকে বিচৰাৰ।

১৯৮৯ চনৰ ২১ ছেপ্টেম্বৰ। এই দিনটোতে মই কমাৰগাঁও কলেজৰ স্থায়ী প্ৰৱক্তাৰ পদ এৰি চামিল হৈছিলোঁ ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় পৰিয়ালৰ স'তে। ১৯৪৫ চনত প্ৰতিষ্ঠা হোৱা এখনি অতি ধুনীয়া, চালে চকু ৰৈ যোৱা মহাবিদ্যালয়। বিশাল চৌহদ। যোগদান কৰিবলৈ যোৱাৰ দিনা 'ঐ, নিউ কামাৰ আহি গ'ল' বুলি দুজনমান ছাত্ৰই ৰিঙিয়ালে। লগে লগে দেখাত হৃষ্ট-পুষ্ট, ওখ-ডাঙৰ কেইজনমান ছাত্ৰ মোৰ কাষ চাপি আহিল। বাহ্যিক দৃষ্টিত মোক তেওঁলোকে শিক্ষক বুলি ভবাৰ থল নাছিল। কাকতালীয়ভাৱে সেইদিনা মই পৰিধান কৰা কলেজ ইউনিফৰ্মৰঙী সাজযোৰ দেখি তেওঁলোকে মোক পলমকৈ নাম ভৰ্তি কৰিবলৈ অহা ছাত্ৰী বুলি ভাবিয়েই নাম-ধাম সুধিবলৈ আৰম্ভ কৰিলে। ময়ো লাজুকীয়া হাঁহি এটিৰে অভিবাদন জনাই 'অলপ পাছতে তোমালোকক লগ কৰিবলৈ নিজে আহি আছোঁ' বুলি কৈ সোঁ ফালৰ ঠেক চিৰিয়েদি প্ৰথম মহলাত থকা অধ্যক্ষৰ কোঠালৈ আগবাঢ়িলোঁ। তেতিয়া অধ্যক্ষৰ আসনত আছিল কল্যাণ কুমাৰ বৰুৱা ছাৰ। অসমীয়া বিভাগৰ মুৰব্বী ভীমকান্ত কোঁৱৰ ছাৰো আহিল। যোগদানৰ পত্ৰ বৰুৱা ছাৰৰ হাতলৈ আগবঢ়াই মই শিক্ষকৰ জিৰণী কোঠালৈ কোঁৱৰ ছাৰৰ পিছে পিছে আহিলোঁ। মহাবিদ্যালয়খনৰ মূল অৰ্ধ বৃত্তাকাৰ কেন্দ্ৰটোতেই অৱস্থিত শিক্ষকৰ জিৰণী কোঠাটি। পিছলৈ আমাৰ বিভাগটোৱে একক কোঠা এটি মোৰ কৰ্মৰত দিনতে লাভ কৰিলে—যিটো কোঠা আমি সকলোৱে বৰ আলফুলে সজাইছিলোঁ। কোঁৱৰ ছাৰৰ লগতে মোক শিক্ষাদানৰ ক্ষেত্ৰত দিক্‌নিৰ্ণয়কাৰী আন আন অগ্ৰজসকল আছিল—প্ৰফুল্ল চন্দ্ৰ ভট্টাচাৰ্য, ফৰিদা শ্বৰফুদ্দিন, ঊষাৰাণী বৰুৱা আৰু জ্যোতিমালা গোহাঁই। মোৰ স্থান আছিল পঞ্চমত। বয়স আছিল তেইছ বছৰ, দহ মাহ। অভিজ্ঞতা বুলিবলৈ বয়সেও বিশেষ একো শিকোৱা নাই। আজিৰ দিনত ইমান কম বয়সত শিক্ষকতা জীৱন আৰম্ভ কৰাটো সহজসাধ্য নহয়। আমাৰ দিনত নেট, শ্লেট আদি আৰম্ভই হোৱা নাছিল। ভালদৰে নৰ্মছ লৈ উত্তীৰ্ণ হোৱা বিদ্যাৰ্থীয়ে ফলাফল ওলোৱাৰ পাছত ঘৰত জিৰাবলৈ অৱসৰ পোৱা নাছিল। চিধাই চাকৰি। মোৰো তেনে হৈছিল। মই দেখাত বৰ খীণ আৰু সৰু ছোৱালীৰ দৰে আছিলোঁ। জোখতকৈ দীঘল আছিল চুলিকোঁচা। বিভাগীয় মুৰব্বী ভীমকান্ত কোঁৱৰ ছাৰে মৰমতে মোক 'ল'ৰাজনী' বুলি মাতিছিল। যোগদানৰ দিনাই ছাৰে মোৰ হাতত ৰেজিষ্টাৰখন তুলি দি তৃতীয় বৰ্ষৰ অসমীয়া সাধাৰণ শ্ৰেণীলৈ পঠিয়ালে। বুকুত মোৰ দুৰু দুৰু ভয়। ক'ত পূৰ্বৰ কমাৰগাঁও কলেজৰ শান্ত সমাহিত শ্ৰেণীকোঠা আৰু ক'ত হুলস্থুলীয়া ওখ-ডাঙৰ ল'ৰাবোৰেৰে ভৰপূৰ নগৰৰ কলেজ। কবিতা পঢ়াবলৈ বুলি আৰম্ভ কৰি কোঠাৰ শেহৰ বেঞ্চলৈ চকু ফুৰাই দেখিলোঁ বাৰান্দাত চিনাকি হ'বলৈ আগবাঢ়ি অহা অথনিৰ সেই ল'ৰাকেইটা দেখোন এই শ্ৰেণীৰেই। ওঁঠৰ ফাঁকেৰে মৃদু হাঁহি এটি বিৰিঙি গ'ল। সেই ল'ৰাকেইজনৰ অৱস্থা কি হ'ব নিশ্চয় সকলোৱে অনুমান কৰিব পাৰিছেই। 'ফাট মেলা বসুমতী পাতালে লুকাওঁ' অৱস্থা আটাইকেইজনৰ। পিছলৈ কেওজন ছাত্ৰ মোৰ অতি প্ৰিয়পাত্ৰ হৈছিলগৈ। সেই দিনটোৰ কথা মনত

পৰিলে মোৰ আজিও অকলে অকলে হাঁহি উঠে।

যোগদান কৰাৰ পাছত আহি পৰা প্ৰধান সমস্যাটো হ'ল বাসস্থান। গোলাঘাটৰপৰা আঠ কিলোমিটাৰ নিলগৰ চিনাতলী গাঁৱৰপৰা আহি ইয়াত থাকিম ক'ত? আত্মীয় বুলিবলৈকো ডিব্ৰুগড়ত কোনো নাই। অৱশেষত অধ্যক্ষৰ কৃপাত মহাবিদ্যালয়ৰ ছাত্ৰীনিৱাসত মোৰ থকাৰ ব্যৱস্থা হ'ল। মহাবিদ্যালয় চৌহদতে অৱস্থিত ১৯৫৭ চনত নিৰ্মিত বিশাল ছাত্ৰীনিৱাসটি। আজি হীৰক জয়ন্তী বৰ্ষ গৰকা এই আটকধুনীয়া ছাত্ৰীনিৱাসটিৰ তেতিয়াৰ অধীক্ষিকাৰ পদত আছিল হিন্দী বিভাগৰ অধ্যাপিকা, বিশিষ্ট গায়িকা কল্পনা সেনগুপ্ত বৰুৱা বাইদেউ। ভিনদেউ শান্তনু সেনগুপ্ত আৰু কণমানি ভাগিনটো (নামটো পাহৰিলোঁ)। মোক তলৰ মহলাতে সৰু কোঠা এটি থাকিবৰ বাবে দিয়া হ'ল। হোষ্টেলৰ বিছনা, টেবুল-চকী-আলনা। নিজাকৈ বুলিবলৈ মোৰ একো আচবাব নাছিল। ঠিক যেন পঢ়িবলৈ বুলি অহা মুকলি মনৰ ছাত্ৰী এগৰাকীহে মই। কোঠাটোৰে এচুকত ষ্টʼভত ৰন্ধা-বঢ়া নিজাকৈ কৰিবলৈ আৰম্ভ কৰিলোঁ যদিও প্ৰায়ে মোৰ চাউলমুঠি মুকলি হৈছিল ছাত্ৰীনিৱাসৰ সমজুৱা পাকঘৰ আৰু কল্পনা বাইদেউৰ ওপৰ মহলাৰ পাকঘৰত। বাইদেৱে মোক বৰ মৰম কৰিছিল। শান্তনুদাই সহকৰ্মী বুলি ভবাতকৈ ভনীয়েকৰ দৰে মোৰ তদাৰকী কৰিছিল। কেতিয়াবা ব্যক্তিগত কামত ডিব্ৰুগড় এৰি বাহিৰলৈ গ'লে মই বাইদেউ আৰু ভাগিনটোৰ লগতে খোৱা-বোৱা কৰাৰ উপৰি একেটা কোঠাতে শুইছিলোঁ। আচল কথাটো আজি মুকলিকৈ ক'ব পাৰোঁ—ঘৰৰ একেবাৰে নুমলীয়া হোৱাৰ বাবে মই বৰ ভয়াতুৰ আছিলোঁ। সৰুৰেপৰা মনৰ ভূতে সততে পাইছিল মোক। সেয়ে ছাত্ৰীনিৱাসত ছাঁটোকে ভূত বুলি ভাবি ৰাতি উজাগৰে থাকিছিলোঁ বহুদিন। কল্পনা বাইদেৱে শুবলৈ মাতিলে স্বস্তিৰ নিশ্বাস পেলাইছিলোঁ। পিছলৈ মোৰ ভয়ৰ কথা জানি ওপৰ মহলাত ছাত্ৰীসকলৰ কাষৰে এটি দুজনীয়া বিছনাযুক্ত কোঠাত কল্পনা বাইদেৱে থাকিবলৈ দিলে। মোৰো আগতকৈ মনৰ ভয় আঁতৰিল। বি. এ. মহলাৰ অসমীয়া বিভাগৰ ছাত্ৰী দিব্যলতা বৰুৱাই পঢ়াৰ কথা আলোচনা কৰিবলৈ আহি মোৰ কোঠাতে মাজে মাজে শুইছিল। আচলতে মই তাইতকৈ তিনি বছৰহে ডাঙৰ আছিলোঁ বাবে বান্ধৱীৰ দৰেই কথা-বতৰা পাতিছিলোঁ। মোৰ চাদৰ-মেখেলা পিন্ধি দিব্যলতা আৰু তাইৰ লগৰবোৰে ফটো তুলিছিল। মোকো মাজতে টানি-আঁজুৰি ফুৰিছিল চিনিয়ৰখিনিয়ে। জুনিয়ৰখিনিয়ে মোক বৰ ভাল পাইছিল। কি যে কথা নাপাতিছিলোঁ আমি ছাত্ৰীনিৱাসত! এতিয়া সেয়া মিঠা সোঁৱৰণি। যোৰহাটলৈ বিয়া হৈ অহাৰ বাবে দিব্যলতা এতিয়াও মোৰ নিকট সান্নিধ্যত। লগ হ'লেই কানৈ ছাত্ৰীনিৱাসৰ কথাই উকি মাৰে। মন ভৰি উঠে। ছাত্ৰীনিৱাসতে আছিল অসমীয়া বিভাগৰ আন এগৰাকী ছাত্ৰী পলি চমুৱা। বৰ মৰম লগা পলিৰ বাবে বিবাহৰ পাত্ৰ ময়েই চাই দিছিলোঁ। কানৈ কলেজৰ পিছফালেই পলিৰ এতিয়া স্বামী দিগন্তৰ স'তে এখন অতি সুখৰ সংসাৰ।

মহাবিদ্যালয়ৰপৰা ১৯৯০ চনৰ ডিচেম্বৰ মাহৰ কোনোবা এদিন আমি পিকনিক খাবলৈ বুলি অৰুণাচলৰ মেওলৈ গৈছিলোঁ। লগত গৈছিল মোৰ কলেজীয়া দিনৰে সহপাঠী তথা সহকৰ্মী দিলীপ বৰবৰা আৰু টিকেন্দ্ৰজিৎ গগৈ। আমি উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ তত্ত্বাৱধায়ক হৈ গৈছিলোঁ। মোৰ দায়িত্বত আছিল ছোৱালীখিনি। কাহিলি পুৱাতে আমি হোষ্টেলত থকাখিনিয়ে খদমদম লগাই 'লাভ ট্ৰেভেলছ'ৰ নিৰ্দিষ্ট আসনত বহিছিলোঁগৈ। মেও বৰ ধুনীয়া ঠাই। চালে চকু ৰোৱা, মন জুৰোৱা। শিলৰ নদীখনৰ পাৰত মোৰ দীঘল চুলিকোচা খোপাৰ বন্ধন নামানি আপোনা-আপুনি খোল খাই গৈছিল। মেলা চুলিৰেই এখন ফটো তোলাইছিলোঁ ছাত্ৰ এজনৰ কেমেৰাৰে। মোৰ হিয়াৰ কোনোবাখিনিত সাৰে আছে সেই সোণোৱালী দিনৰ মধুৰ সোঁৱৰণি। আদিগন্ত সেউজীয়াত স্তব্ধ হৈ পৰিছিল উশাহ— এপলকৰ বাবে। পিকনিকৰ খোৱা-বোৱা সামৰি আমি কাৰ্পেট ইণ্ডাষ্টি চাইছিলোঁগৈ। অতি নিখুঁতভাৱে ছোৱালীবোৰে কাৰ্পেটবোৰ নিজ হাতেৰে উলৰ ৰং মিলাই মিলাই বৈ আছিল। একোখন কাৰ্পেটৰ মূল্য আছিল বহু বেছি। একো নিকিনি নয়নকে সাৰ্থক কৰি উলটি আহিছিলোঁ যোৱাৰ বাটেদি। ছাত্ৰীনিৱাস পাওঁতে ৰাতি ন বাজিছিল। ৰাতিৰ আহাৰ সেইদিনা খোৱা নাছিলোঁ। অনামী আনন্দই মন জুৰাই আছিল।

১৯৯০ চনত সদৌ অসম নবীন লেখক-লেখিকা সমিতি, ডিব্ৰুগড় জিলাৰ সভাপতিৰ দায়িত্বভাৰ মোৰ কান্ধত পৰিল। টিংখাঙত অনুষ্ঠিত বাৰ্ষিক সভাত মোৰ নাম প্ৰস্তাৱিত হৈছিল। তেতিয়াই জ্যোতিমালা গোহাঁই বাইদেউ, অনুপ ফুকন (পাছলৈ ভিনদেউ), শোভিত কুমাৰ চেত্ৰী আদিৰ সহায়-সহযোগত কানৈ মহাবিদ্যালয়ত এখনি কৰ্মশালা আয়োজিত হৈছিল। কানৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ পূৰ্বৰ অধ্যাপক বিশিষ্ট ভাষাবিদ ড° পৰীক্ষিত হাজৰিকা ছাৰ সেই সভালৈ আহিছিল মুখপত্ৰ উন্মোচনৰ বাবে। সেই তিনিটা দিনত কানৈ ছাত্ৰীনিৱাসৰ সকলো আৱাসী উবুৰি খাই পৰিছিল। আমি

একতাৰে বন্ধুত্বসুলভভাৱে কামবোৰ কৰিছিলোঁ। সেই ক্ষণবোৰ মোৰ বাবে পাহৰিব নোৱৰা মিঠা স্মৃতি।

ছাত্ৰীনিৱাসত এবছৰমান থাকোঁতেই মোৰ বিবাহৰ দিন ঠিক হ'ল। সেয়ে ছাত্ৰীনিৱাসৰপৰা বিদায় লৈ কদমণিৰ এটি ভাৰাঘৰলৈ গুচি আহিলোঁ। বিবাহৰ পিছত আহিলোঁ কানৈ মহাবিদ্যালয়ৰ পিছফালে থকা আন এটি ভাৰাঘৰলৈ। তাৰ পিছত চিকিৎসক গৃহস্থ ডাঃ মাখন কলিতাৰ কৰ্মসূত্ৰে চাবুৱাৰ কোৱাৰ্টাৰলৈ। চাবুৱাৰপৰা কানৈ মহাবিদ্যালয়লৈ দৈনিক বাছেৰে অহা-যোৱা কৰোঁতে প্ৰায়ে দুপৰীয়া ছাত্ৰীনিৱাসলৈ গৈ কল্পনা বাইদেউৰ কোঠাত জিৰাইছিলোঁ। বাইদেৱে গোৱা সুমধুৰ গীত শুনি আপ্লুত হৈছিলোঁ। সেইবোৰ দিন আছিল অতি মনোৰম— লিখি শেষ কৰিব নোৱৰা।

এনেকৈয়ে কানৈ মহাবিদ্যালয়ত অতিবাহিত হ'ল মোৰ কৰ্ম জীৱনৰ ছটি বছৰ। বহু ছাত্ৰ-ছাত্ৰীক লগ পালোঁ। তাৰে বহুকেইগৰাকীয়ে শিক্ষকতা বৃত্তিৰ লগতে উচ্চ বৃত্তিত সংস্থাপিত হ'ল। স্মৃতিৰ বাটত হাউলি যাব নোৱৰা তেনে কেইগৰাকীমান মৰমৰ বিদ্যাৰ্থী হ'ল—ডিগবৈ মহাবিদ্যালয়ৰ অধ্যাপক ড° মৃণাল কুমাৰ গগৈ, মনোহাৰী দেৱী কানৈ মহাবিদ্যালয়ৰ অধ্যাপক ড° বলীন সন্দিকৈ আৰু অনিৰুদ্ধ দত্ত, কানৈ মহাবিদ্যালয়ৰে বৰ্তমানৰ অধ্যাপিকা অঞ্জুমণি ফুকন, ডিব্ৰুগড় চিটী মহাবিদ্যালয়ৰ ফৰিদা আহমদ, শিৱসাগৰ জিলাৰ আৰক্ষী অধীক্ষক সুবোধ সোনোৱাল আদি। নিজে পঢ়োৱা বিদ্যাৰ্থীসকলৰ সৰ্বাংগীণ উন্নতিয়ে মনলৈ হৰ্ষ আৰু প্ৰশান্তিৰ ভাব কঢ়িয়াই আনে—যাক ভাষাৰে বুজোৱাটো অসম্ভৱ। মোৰ ভাগিন নিশান্ত হাজৰিকায়ো মোৰ লগতে থাকি তিনি বছৰ কানৈ মহাবিদ্যালয়ত পঢ়িছিল।

কানৈ মহাবিদ্যালয়ত ছটা বছৰ অতিবাহিত কৰাৰ পিছত এদিন জগন্নাথ বৰুৱা মহাবিদ্যালয়ত মোৰ শিক্ষাগুৰু বিশিষ্ট সাহিত্যিক, কবি ড° চন্দ্ৰ কটকীৰ অকাল বিয়োগত খালী হোৱা পদ পূৰাবলৈ কাকতত বিজ্ঞাপন ওলাল। যোৰহাটলৈ বিবাহ হোৱাসূত্ৰে যথা সময়ত আহি সাক্ষাৎকাৰ দিলোঁ। ত্ৰিছগৰাকী প্ৰাৰ্থী। এই প্ৰথম বহুমুখী প্ৰশ্নৰ সন্মুখীন হৈ সাক্ষাৎকাৰত বহিলোঁহি। পূৰ্বতে, কানৈ মহাবিদ্যালয়ত সাক্ষাৎকাৰৰ দিনা প্ৰাৰ্থী আছিলোঁ কেৱল দুগৰাকী। ১৯৮৮ চনৰ স্নাতকোত্তৰ পৰীক্ষাত দ্বিতীয় শ্ৰেণীৰ প্ৰথম স্থান পোৱা মই আৰু দ্বিতীয়গৰাকী আছিল দ্বিতীয় শ্ৰেণীৰ দ্বিতীয় স্থান পোৱা মোৰেই সতীৰ্থ। ড° কেশৱানন্দ দেৱগোস্বামী ছাৰে অসমীয়া ভাষাৰ উৎসৰ লগতে দুই এটা প্ৰাকৃত শব্দৰ মূল কি সুধিছিল। শেহত একাপ চাহ খাই আনন্দ মনেৰে গোলাঘাটলৈ উলটিছিলোঁ। তাৰ এমাহৰ পাছত কৰ্মত যোগদান আৰু ছটা বছৰৰ সফল পৰিক্ৰমা।

এইবাৰো মোৰ ভাগ্যত চাকৰিটো মিলিল। কানৈ মহাবিদ্যালয়ৰপৰা এবছৰৰ লিয়েন লৈ মই নিজে পঢ়া যোৰহাটৰ জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ অসমীয়া বিভাগত ১৯৯৫ চনৰ ১৯ জুলাই তাৰিখে যোগদান কৰিলোঁহি। কিয় জানো ক'ব নোৱাৰোঁ ডিব্ৰুগড় এৰি আহি যোৰহাটখন মোৰ ভাল নালাগিল। নিতে বেৰি ধৰিলে নতুন নতুন সমস্যাই। গৃহস্থ তেতিয়াও চাবুৱাতে। কণমানি কন্যা সন্তানটিক লৈ মই ইয়াত অকলে। এনে বহু ব্যক্তিগত কাৰণত যোৰহাটত কৰ্ম জীৱনৰ একাদশ মাহ অতিক্ৰম নৌ হওঁতেই মই পুনৰ কানৈ মহাবিদ্যালয়লৈ উলটি যোৱাৰ প্ৰস্তুতি চলালোঁ। দুয়োখন মহাবিদ্যালয়তে যথা সময়ত আবেদনপত্ৰ দিলোঁ—জগন্নাথ বৰুৱা মহাবিদ্যালয়ত মোৰ মুক্ত কৰি দিবলৈ আৰু কানৈ মহাবিদ্যালয়ত পুনৰ লিয়েনৰ অন্তত যোগদান কৰিবলৈ। সেই সময়ত কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষৰ আসনত আছিল বিশিষ্ট লেখক ডিম্বেশ্বৰ চলিহাদেৱ। জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ অধ্যক্ষৰ আসনত মুকুল চলিহাদেৱ। কানৈ মহাবিদ্যালয়ত মোৰ লিয়েন হেতু খালী হোৱা পদত ইতিমধ্যে যোগদান কৰিছিল ৰূপালীম ঠাকুৰে। মই লিয়েনৰ অন্তত উলটি গ'লেই তাই চাকৰি এৰিব লাগিব বাবে বেয়াও লাগিছিল। তেনেতে আবেদন কৰাৰ এমাহৰ শেষৰ আচল দিনটো আহি পৰিলহি। ১৯৯৬ চনৰ ১৮ জুলাই। বিধিৰ কি নিয়ম? পুৱাৰেপৰা অফিচত বহি খাপ পাতি থাকিলোঁ যদিও সন্ধিয়ালৈকে অধ্যক্ষ মুকুল চলিহাদেৱে মোৰ মুক্তি-পত্ৰত স্বাক্ষৰ নকৰিলে। অৱশেষত সন্ধিয়া ছয় বজাত দুচকুৰ লোতক বোৱাই মই মোৰ মুক্তিপত্ৰ বিচাৰি কৰা আবেদনপত্ৰখন উঠাই ল'লোঁ। লগে লগে চকীদাৰ কাঞ্চাই মোৰ সন্মুখত দিলেহি একাপ গৰম চাহ আৰু প্লেটত কেইবাটাও ৰসগোল্লা। মুকুল চলিহা ছাৰে স্বভাৱসুলভ হাঁহি এটা মাৰি ক'লে—"আজি আমাৰ কলেজৰ বাবে এটা শুভ দিন। তোমাক অন্ততঃ এই মহাবিদ্যালয়তে ৰাখিব পাৰিলোঁ। আজি তোমাৰ মোলৈ ভীষণ খং উঠিছে; কিন্তু এদিন তুমি এই কলেজ নেৰাৰ সুফল পাবা। চাবা, এই মহাবিদ্যালয় এদিন বিশ্ববিদ্যালয় পৰ্যায়লৈ উত্তীৰ্ণ হ'ব আৰু সেইদিনা মোৰ প্ৰতি থকা তোমাৰ আজিৰ এই সকলো খং-ৰাগ আঁতৰিব।" সেইদিনা অধ্যক্ষ মুকুল চলিহা ছাৰৰ কথাষাৰ তিলমানো সহজে ল'ব পৰা নাছিলোঁ। পিছদিনা পুৱাতে লিয়েনৰ ম্যাদ আৰু এমাহ বৃদ্ধি কৰিবৰ বাবে আবেদন-পত্ৰ লিখি গৃহস্থক কানৈ মহাবিদ্যালয়লৈ পঠিয়ালোঁ। দুখৰ বিষয় যে, সেইদিনা মোৰ লিয়েনৰ ম্যাদ বৃদ্ধিৰ আবেদন-পত্ৰখন

তাৎক্ষণিকভাৱে নাকচ কৰা হ'ল আৰু তাৰ লগে লগেই মোৰ কানৈ মহাবিদ্যালয়লৈ উলটি যোৱাৰ বাটটোও একেবাৰে বন্ধ হৈ পৰিল।

সি যি নহওক এটা সময়ত মুকুল চলিহা ছাৰৰ কথাষাৰ আখৰে আখৰে মিলিল। আজি ছাৰে লোৱা সেই সিদ্ধান্ত যথোচিত আছিল বুলি মনেপ্ৰাণে ভাবিছোঁ আৰু ছাৰলৈ ধন্যবাদ আৰু কৃতজ্ঞতাও জনাইছোঁ। মই মোৰ অতি মৰমৰ কানৈ মহাবিদ্যালয়লৈ উলটি যাব নোৱাৰিলোঁ সঁচা; কিন্তু সেইবাবে আজি আৰু মোৰ মনত কোনো আক্ষেপ নাই। আজি স্বায়ত্তশাসিত হোৱাৰ উপৰি 'ক্লাষ্টাৰ ইউনিভাৰচিটি' হ'বলৈ আগবঢ়া জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ সহযোগী শিক্ষক হিচাপে উচ্চতৰ মাধ্যমিক শাখাৰপৰা নিয়মীয়া স্নাতকোত্তৰ শ্ৰেণীলৈকে বিদ্যাৰ্থীসকলক পঢ়াবলৈ পাই মই গৌৰৱান্বিত। যোৰহাটে মোক দিবলগীয়া সকলোখিনিকে উবুৰিয়াই দিছে। মোৰ সাহিত্য সাধনাৰ বাটটোকো যোৰহাটে পোনাই-পোজৰাই দিছে সুন্দৰভাৱে। কবি হিচাপে নিজাকৈ বাট এটা কাটিছোঁ এই যোৰহাটৰপৰাই। তথাপি আজি অকপটে স্বীকাৰ কৰোঁ—মোৰ বুকুৰ মাজত ৰৈ ৰৈ এতিয়াও বাজে কানৈ মহাবিদ্যালয় তথা কানৈ ছাত্ৰীনিৱাসৰ মিঠা মিঠা সোঁৱৰণিৰ ৰুণজুন ধ্বনি। মই যোৰহাটলৈ অহাৰ আগে আগেয়ে মোৰ জ্যেষ্ঠ সহকৰ্মী ড° জ্যোতিমালা গোহাঁই বাইদেৱে টিংখাং মহাবিদ্যালয়ত যোগদান কৰি আজি অধ্যক্ষৰ পদ শুৱনি কৰি আছে। আজি মোৰ দিনৰ কোনো শিক্ষক অসমীয়া বিভাগত নাই। পিছে নল মৰে, গজালি মেলে। যতীন্দ্ৰ নাথ দুৱৰাৰ আশিসধন্য কানৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগ শুৱনি কৰি এতিয়া অনুজ সহকৰ্মীৰূপে আছে ৰূপালীম ঠাকুৰ অনন্ত টেৰণ, ঔপন্যাসিক, প্ৰবন্ধকাৰ আৰু সমালোচক ড° মৃদুল শৰ্মা, মোৰ প্ৰিয় ছাত্ৰী অঞ্জুমণি ফুকন, শিখামণি কোচ দেউৰী আৰু মনমী বৰুৱা। তেওঁলোকলৈ যাচিলোঁ মোৰ হিয়াভৰা মৰম আৰু শুভেচ্ছা। মোৰ সেই ছটা বছৰৰ কৰ্মৰত দিনবোৰৰ অগ্ৰজ ড° শিৱ দত্ত ছাৰ (পিছলৈ অধ্যক্ষ), ভবেন বৰুৱা ছাৰ, যাদৱ বৰুৱা ছাৰ আৰু অলকা বাইদেউ, ড° জয়কৃষ্ণ মহন্ত ককাইদেউ (পিছলৈ অধ্যক্ষ), ড° দিলীপ ভূঞা ককাইদেউ (এতিয়া মনোহাৰী দেৱী কানৈ ছাত্ৰী মহাবিদ্যালয়ৰ অধ্যক্ষ), ড° আতিকুদ্দিন আহমদ ককাইদেউ (পিছলৈ ভাৰপ্ৰাপ্ত অধ্যক্ষ), হেমন্ত টিমচিনা, নৰেন্দ্ৰ মহেলা, টিকেন্দ্ৰজিৎ ককাইদেউ, ৰাজী কোঁৱৰ বাইদেউ (পিছলৈ অধ্যক্ষ), প্ৰতীক চৌধুৰী ককাইদেউ, সুদক্ষিণা দাস (মিঠু) বাইদেউ, প্ৰিয় বন্ধু দিলীপ ৰবৰৱা, বুৰঞ্জী বিভাগৰ ৰীতা চৌধুৰী বাইদেউ, জয়শ্ৰী কোঁৱৰ, অনুজা চন্দনা গোস্বামী আৰু যে কত আপোনজনৰ সান্নিধ্যৰ অমল সুবাস লাগি আছে মনৰ মাজত। চকুৰ আঁতৰ হোৱা মানেই মনৰ আঁতৰ হোৱাটো নুবুজায়। বৰং দূৰৈত থাকিলে বাঢ়ে মৰম; বুকুৰ বাহিৰে ভিতৰে বাঢ়ে অমল ভালপোৱা। মই আজিও মনে প্ৰাণে ভাল পাওঁ কানৈ মহাবিদ্যালয়ক, সেই প্ৰেক্ষাগৃহক, সেই কোঠাবোৰক—য'ত মোৰ কৰ্ম জীৱনৰ প্ৰসাৰ ঘটিছিল; ভাল পাওঁ ছাত্ৰীনিৱাসৰ প্ৰতিটো পল-অনুপলৰ স্মৃতি সুঁৱৰি। আজি কানৈ ছাত্ৰীনিৱাসত অভিভাৱকৰ দৰে পোৱা শান্তনু সেনগুপ্ত দা অতীত হ'ল। অকালতে কল্পনা বাইদেউৰ মৰমক নেওচি গুচি গ'ল তেওঁ অজান মুলুকলৈ—য'ৰপৰা কোনো আৰু উলটি নাহে। গ'লগৈ মোৰ অতি শ্ৰদ্ধা আৰু মৰমৰ প্ৰফুল্ল চন্দ্ৰ ভট্টাচাৰ্য ছাৰ, ফৰিদা বাইদেউ, অধ্যক্ষ কল্যাণ কুমাৰ বৰুৱা ছাৰ, ডিম্বেশ্বৰ চলিহা ছাৰ আৰু হয়তো মই নজনাকৈয়ে অনেকজন। ময়ো এদিন যামগৈ স্মৃতিত নিজকে থাপি। তথাপি জীৱিত কালত কেনেকৈ পাহৰিম সেই দিন, সেই ক্ষণ, সেই মিঠা মিঠা মাদকতাভৰা ডিবৰুৰ সোণসেৰীয়া দিনবোৰ?

কানৈ মহাবিদ্যালয় ছাত্ৰীনিৱাসৰ হীৰক জয়ন্তী উৎসৱ উদ্যাপিত হোৱাৰ খবৰ শুনি অতি উৎফুল্লিত হৈ পৰিছোঁ। অতি উদ্যমী ব্যক্তি, অধ্যক্ষ ড° শশীকান্ত শইকীয়াদেৱলৈ এই মাহেন্দ্ৰ ক্ষণত এটাই অনুৰোধ—মহাবিদ্যালয়ৰ অন্যান্য ছাত্ৰীসকলৰ লগতে ছাত্ৰীনিৱাসৰ ছাত্ৰীসকলক 'ব্যক্তি' হিচাপে, শ্ৰেষ্ঠ মানৱ সম্পদৰূপে গঢ় দিয়াত যাতে বিশেষ পদক্ষেপ লয়। ছাত্ৰীনিৱাসৰ পানী, সুষম খাদ্য, চৌপাশৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা (বিশেষকৈ টয়লেট) আৰু পঢ়াৰপৰিৱেশ সদা অটুট ৰখাত যাতে অধীক্ষিকাৰ লগতে তেখেতেও বিশেষ মনোযোগ দিয়ে।

আহি আহি অৱশেষত উপসংহাৰ পালোঁহি। মোৰ প্ৰিয় ছাত্ৰী অঞ্জুমণি ফুকনে অতদিনে বন্ধ হৈ থকা মোৰ মন-সোঁৱৰণিৰ বৰপেৰাটো খুলিবলৈ বাধ্য কৰালে। সেয়ে আজি নৱবৰ্ষৰ প্ৰথম দিনা ৰাতি বাৰ বজাত এই স্মৃতি-লেখা লেপ্‌টপত একে বহাতে লিখি উঠি ভাবিছোঁ জীৱন যদি এক যাত্ৰা হয় সেই যাত্ৰাত যদি থাকে অনেক সৰু বৰ।জিৰণী-ঘৰ—তেনে ডিব্ৰুগড় মোৰ বাবে হ'ব আমৃত্যু পাহৰিব নোৱৰা, মাটিৰ পৰশ থকা এটি জিৰণীঘৰ—যাৰ সোঁৱৰণিয়ে মোক দিব জীয়াই থকাৰ সমল, এই কংক্ৰীটৰ অৰণ্যৰ মাজতো দিব সেউজীয়া উশাহ। হে কানৈ মহাবিদ্যালয়, হে অগ্ৰজ আৰু অনুজ সতীৰ্থ, কেতিয়াবা মোকো মনত পেলাবা তোমালোকৰ সুখৰ দিনত। আলফুলে। কিয়নো অতীতক লৈয়েইতো আমাৰ বৰ্তমান আৰু ভৱিষ্যৎ।O



## ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় ছাত্ৰীনিৰাসৰ প্ৰাক্তন ছাত্ৰী তথা এই মহাবিদ্যালয়ৰে অৱসৰপ্ৰাপ্ত প্ৰাণীতত্ত্ব বিভাগৰ মুৰব্বী অধ্যাপিকা চায়েৰা খাতুন খনিকৰৰ

### এটি সাক্ষাৎকাৰ

সাক্ষাৎ গ্ৰহণকাৰী ঃ **সুদক্ষিণা দাস**

প্ৰঃ আপুনি ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ কলেজ ছাত্ৰীনিৰাসত কেতিয়া নিৱাসীৰূপে আছিল?

উঃ মই ডিগবৈৰ এ.অ.চি. হাইস্কুলৰপৰা দশম শ্ৰেণীৰ শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হওঁ ১৯৫৮ চনত আৰু সেইবছৰতে ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ কলেজত ইণ্টাৰমিডিয়েট ক্লাছত নামভৰ্ত্তি কৰোঁ। সেইসময়ত আমাৰ ঘৰ ডিগবৈত আছিল বাবে মই কানৈ কলেজৰ চৌহদৰ নৱনিৰ্মিত হোষ্টেলতে থাকিবলৈ লওঁ। ১৯৫৮ৰ পৰা ১৯৬০ চনলৈ মই ছাত্ৰীনিৱাসত আছিলো। পাছত প্ৰাণীবিজ্ঞানত সন্মানসহ পাঠ ল'বলৈ কটন কলেজলৈ যাওঁ।

প্ৰঃ সেইসময়ত ছাত্ৰীনিৱাসৰ নিৰ্মাণ সম্পূৰ্ণ হৈছিলনে? হোষ্টেলৰ দুৱাৰ মুকলি কেতিয়া হৈছিল?

উঃ হোষ্টেলৰ দুৱাৰ মুকলি কেতিয়া হৈছিল ক'ব নোৱাৰো। কিন্তু আমি সোমোৱাৰ আগতেও তাত থকা জ্যেষ্ঠ ছাত্ৰীসকলক লগ পাইছিলোঁ। আমি ছাত্ৰীনিৱাসটোৰ দুয়োটা মহলা সম্পূৰ্ণকৈ সজা অৱস্থাতে পাইছিলোঁ, এনেকি ভিজিটৰ'চ বাবেও অৰ্থাৎ অভিভাৱকক লগ কৰাৰ কোঠা এটাও আছিল। সেইসময়তে হোষ্টেলত বিজুলীবাতি, পানী যোগানৰ ব্যৱস্থা আছিল।

প্ৰঃ সেইসময়ত ছাত্ৰীনিৱাসৰ অধীক্ষকৰূপে কোন আছিল?

উঃ আমাৰ সময়ত অধীক্ষক আছিল প্ৰয়াত লক্ষ্মীদা দত্ত। তেখেত দৰ্শন বিভাগৰ অধ্যাপিকা আছিল আৰু তেখেতৰ স্বামী অধ্যাপক স্বৰ্গীয় সুশীল দত্ত আৰু কণ কণ তিনিটি শিশুসন্তানৰ সৈতে হোষ্টেলৰ আৱাসতে থাকিছিল।

প্ৰঃ সেইসময়ত একোটা কোঠাত কেইগৰাকীকৈ ছাত্ৰী আছিল? ছাত্ৰীবাসত অন্য অঞ্চলৰ ছাত্ৰী আছিলনে? ওচৰ-চুবুৰীয়া ৰাজ্যৰ ছাত্ৰী থাকিবলৈ আহিছিলনে?

উঃ ডাঙৰ কোঠাত চাৰিগৰাকীকৈ ছাত্ৰী থাকিছিল, সৰু কোঠাত দুগৰাকীকৈ আছিল। ডিব্ৰুগড়ৰ বিভিন্ন অঞ্চল, বৰ্তমানৰ তিনিচুকীয়া জিলাৰ অবিভক্ত লখিমপুৰ জিলাৰ পৰাও ছাত্ৰীসকল আহিছিল থাকিবলৈ। অন্য ৰাজ্যৰ ছোৱালীক আৱাসীৰূপে লগ পোৱা মনত নপৰে।

প্ৰঃ কলেজ কৰ্তৃপক্ষৰ সৈতে আৱাসীসকলৰ সম্বন্ধ কেনে আছিল?

উঃ ভাল আছিল। ছাত্ৰীনিৱাসৰ ছাত্ৰীসকলে নিয়ম-কানুন মানি চলিছিল আৰু এনে কোনো পৰিস্থিতিৰ উদ্ভৱ হোৱা নাছিল যে কলেজ কৰ্তৃপক্ষৰ কাষ চাপিব লাগিব। হোষ্টেলৰ চুপাৰৰ কথামতেই হেষ্টেল নিয়াৰিকৈ চলিছিল।

প্ৰঃ ছাত্ৰীনিৰাসত আজৰি সময় কটাবলৈ কেনেধৰণৰ ব্যৱস্থা আছিল? খেল-ধেমালিৰ সঁজুলি, বাতৰিকাকত আদিৰ ব্যৱস্থা আছিলনে? নিৰাসীসকলৰ প্ৰতিভা বিকাশৰ ব্যৱস্থা কিবা আছিলনে?

উঃ খেল-ধেমালিৰ সঁজুলি নাইবা বাতৰিকাকত আদিৰ সুবিধা আমি পোৱা মনত নপৰে। ছাত্ৰীনিৰাসৰ ছাত্ৰীসকলে কলেজৰ বাৰ্ষিক খেল-ধেমালিতে বা সাহিত্য, গীত-মাত প্ৰতিযোগিতাত ভাগ লৈছিল। কলেজৰ সুন্দৰ পুখুৰীৰ পাৰত বহি নাইবা চৌহদত ফুৰি আমি অৱসৰ সময় কটাইছিলোঁ।

প্ৰঃ সেইসময়ৰ ছাত্ৰীনিৰাসৰ খোৱা-বোৱা কেনে আছিল?

উঃ খোৱা-বোৱা হোষ্টেলৰ Dining Hall তে হৈছিল; পুৱা চাহ বিস্কুট, ন বজাৰ আগে আগে ভাত, আবেলি ৰুটি-পুৰী আৰু ৰাতি ন বজাত পুনৰ ভাত দিয়াৰ প্ৰথা আছিল। দেওবাৰে কিবা এটা স্পেচিয়েল দিয়াৰ ব্যৱস্থা আছিল।

প্ৰঃ অভিভাৱকৰ লগত যোগাযোগৰ ব্যৱস্থা কেনে আছিল?

উঃ গাৰ্জেন বা লোকেল গাৰ্জেন মাজে-সময়ে আহিছিল; নিৰ্দিষ্টকৈ থকা ভিজিট'ৰচ ৰুমত (Visitor's Room) নিৰ্দিষ্ট ভিজিটিংৰ সময়ত গাৰ্জেনক লগ কৰিব পাৰিছিল। তেনে গাৰ্জেনৰ লগত বজাৰ-সমাৰ কৰিবলৈ বা চিনেমা চাবলৈ যাবলৈ ছাত্ৰীসকলে অনুমতি লাভ কৰিছিল।

প্ৰঃ ছাত্ৰীনিৰাসলৈ প্ৰথম আহোতে ৰেগিংৰ (Ragging) সন্মুখীন হ'ব লগীয়া হৈছি নেকি?

উঃ নাই হোৱা। ৰেগিং নাছিল। অৱশ্যে হোষ্টেলৰ আৱাসী ছাত্ৰীসকলে নাম আদি সুধিছিলে।


প্ৰঃ আপুনি ছাত্ৰীনিৰাসত থকা সময়তে ঘটা কিবা উল্লেখযোগ্য ঘটনাৰ কথা মনত পৰেনে?

উঃ আমি ছাত্ৰীনিৰাসত থাকোতে কলেজৰ নতুনকৈ সজা মূল ভৱনটো উদ্বোধন কৰিবলৈ ১৯৫৯ চনত তেতিয়াৰ ভাৰতৰ উপৰাষ্ট্ৰপতি ডাঃ সৰ্বপল্লী ৰাধাকৃষ্ণণ অহা আমাৰ মনত আছে। কলেজৰ অন্যান্য ছাত্ৰীসকলৰ লগতে ছাত্ৰীনিৰাসৰ ছাত্ৰীসকলেও উক্ত দিনা বিভিন্ন দায়িত্ব পালন কৰি সুখী হৈছিলোঁ।

প্ৰঃ ছাত্ৰীনিৰাসৰ বৰ্তমানৰ ছাত্ৰীসকলৰ বাবে আপোনাৰ বাৰ্তা কি?

উঃ ছাত্ৰীনিৰাসৰ বৰ্তমানৰ ছাত্ৰীসকলে ছাত্ৰীনিৰাসৰ নিয়ম মানি চলি নিজ নিজ প্ৰতিভা বিকাশৰ বাবে কঠোৰ পৰিশ্ৰম কৰি উজ্বল ভৱিষ্যতৰ দিশলৈ আগবাঢ়ি যাওঁক এয়ে মোৰ আশা।

প্ৰশ্নকৰ্তা ঃ আপোনাৰ শুভবাৰ্তাৰে আজিৰ সাক্ষাৎকাৰ সামৰিছোঁ। আপোনালৈ অশেষ ধন্যবাদ যাচিছোঁ। ভৱিষ্যতে এই ছাত্ৰীনিৰাসৰ বাবে আপোনাৰ দিহা-পৰামৰ্শ পাম বুলি আশা কৰি আপোনাৰ সু-স্বাস্থ্য আৰু সুদীৰ্ঘ জীৱন কামনা কৰিছোঁ।○



# হোষ্টেল ডায়েৰী

✍ ৰেখা দাস

....গৰম বন্ধত প্ৰায়বোৰ ছোৱালী ঘৰলৈ যায় আৰু পৰীক্ষাৰ পিছতো ঘৰলৈ যায়। কিন্তু তাৰে কিছুমান ছোৱালী হোষ্টেলত থাকিবলগীয়া হয়। বিশেষকৈ বিজ্ঞান শাখাৰ ছোৱালীবোৰ। তেতিয়া ছোৱালীবোৰৰ এটা প্ৰগ্ৰেম হয়। ওচৰৰ ঠাইলৈ ৰে'লত উঠি যাত্ৰা কৰা। আমি প্ৰায়ে প্ৰতি বছৰে বিজ্ঞানৰ প্ৰেক্টিকেল থকা ছোৱালীবোৰ লৈ তিনিচুকীয়ালৈ যাওঁ। তাৰ মঠ-মন্দিৰ বজাৰ আদি চাই এখন হোটেলত খাই বৈ আকৌ আবেলি ৰেলত উঠি উভতি আহোঁ। ভাল লাগিছিল।

মই ডিব্ৰুগড়ৰ কানৈ কলেজ ছোৱালী হোষ্টেলখনৰ কথা লিখিবলৈ বিচাৰিছোঁ। কাৰণ সেইখন হোষ্টেলতে থাকি মই কলেজৰ চাকৰিত যোগদান কৰিছিলোঁ।

স্বৰ্গীয় লক্ষী দত্ত ছাৰে মোৰ কাৰণে কানৈ কলেজৰ ছোৱালী হোষ্টেলখনতে থাকিবলৈ সুবিধা কৰি দিলে। তেতিয়া সেই হোষ্টেলৰ ছুপাৰৰ দায়িত্বত আছিল এগৰাকী দক্ষিণ ভাৰতৰ মহিলা। তেওঁৰ নাম আছিল সাৰদাম্মা। দক্ষিণৰফালে আম্মা মানে মাকক বুজায়। মহিলা গৰাকীৰ এটি ল'ৰা সন্তান আছিল। তেওঁৰ স্বামী ইয়াত থকা নাছিল। সাৰদাম্মা বুৰঞ্জীত এম.এ. আছিল। তেওঁ কানৈ কলেজত বুৰঞ্জী বিষয়টো পঢ়াইছিল। মই সাৰদাম্মাৰ ল'ৰাটো জন্ম নহওঁতেই হোষ্টেললৈ আহিছিলোঁ। মই অহাৰ পিছত তেওঁ তিনি মাহ ছুটি লৈ ঘৰলৈ গৈছিল। তেতিয়া লক্ষ্মী দত্ত ছাৰে হোষ্টেলৰ দায়িত্ব মোকেই দিলে।

মই হোষ্টেলত থকাৰ সময়ত অৰ্থাৎ আৰম্ভণিতে ১৯৬৩ চনত ডিব্ৰুগড়ৰ কানৈ কলেজত অসম কলেজ শিক্ষক সন্থাৰ (ACTA) অধিৱেশন বহিছিল। বহুতো অতিথি শিক্ষক-শিক্ষয়িত্ৰীসকল ডিব্ৰুগড়লৈ আহিছিল। শিক্ষকসকলক কানৈ কলেজতে থকাৰ সুবিধা কৰি দিছিল। মহিলাসকলক আমাৰ কানৈ কলেজ ছোৱালী হোষ্টেলতে থাকিবলৈ দিয়া হৈছিল।

হোষ্টেলৰ ফাংচন বুলিলে নতুনৰ আদৰণি সভাখনেই প্ৰধান। ই আটাইতকৈ ডাঙৰ অনুষ্ঠান, ছোৱালীবোৰৰ আনন্দৰ অনুষ্ঠান। এইখন ফাংচনৰ কাৰণে ছোৱালীবোৰে বহুদিনৰ পৰাই ৰিহাৰ্চেল কৰে। কলেজৰ অধ্যক্ষৰ পৰা শিক্ষক-শিক্ষয়িত্ৰীলৈকে এই অনুষ্ঠানলৈ নিমন্ত্ৰণ কৰে। প্ৰথমতে নৱাগতাক আদৰণি জনাই মিটিং পাতে। এই সভাত কলেজৰ অধ্যক্ষৰ পৰা প্ৰফেচাৰলৈকে উপস্থিত থাকে। ছাত্ৰীসকলে নিজৰ ভাল লগা বেয়া লগা হোষ্টেলৰ অভিজ্ঞতাবোৰ প্ৰকাশ কৰে। মিটিঙৰ পিছতে গান-নাচ, নাটক আদি কৰি দেখুওৱা হয়। ছাত্ৰীসকলে যথেষ্ট আনন্দ কৰে। ছাত্ৰাবাসৰ পৰাও ছাত্ৰসকলৰ কেইজনমান আহিব পাৰে। যেনে,

মণিটৰ আৰু কেইজনমান। নাচ-গানৰ কাৰ্যসূচী শেষ হ'লেই ছাৰ-বাইদেউসকলৰ খোৱা-বোৱা আৰম্ভ হয়। ছাত্ৰীসকলে ছাৰ-বাইদেউসকলক বৰ আগ্ৰহেৰে খুৱায়। মুঠতে হোষ্টেলত সেইদিনা বেচ স্ফুৰ্তি হয়। ৰাতি বাৰ/এক মান বজাতহে ছোৱালীৰ ফাংচন শেষ হয়। ঠাকুৰে সেইদিনা দুপৰীয়াৰ পৰাই ৰন্ধা-বঢ়া আৰম্ভ কৰে। সেইসময়ত আজিৰ দৰে ৰান্ধনি ঘৰত গেছ নাছিল। ডাঙৰ চৌকা জ্বলাই ইমানবোৰ মানুহৰ ভাত ৰান্ধে, এতিয়া ভাবিলে বেয়া লাগে। ইমান কাম কৰিও ঠাকুৰৰ কোনো আপত্তি নাছিল অথচ দৰ্মহাও অতি সীমিত আছিল। গণিব পৰা এমুঠি মাত্ৰ পইচা পাইছিল।

বছৰি নতুন ছোৱালীৰে হোষ্টেলখন ভৰি পৰে। এজাক এজাককৈ ফাইনেল পৰীক্ষা দি হোষ্টেলৰ পৰা বছৰি ওলাই যায়। আমাৰ হোষ্টেলত Farewell বা বিদায় সভা পতাৰো নিয়ম আছিল। আজিকালি তেনে নিয়মবোৰ নাই যেনেই লাগে। বৰ্তমান হোষ্টেলবোৰত ছোৱালীৰ সংখ্যা নিচেই কম। আজিকালি ছোৱালীবোৰ থাকিবলৈ য'তে ত'তে প্ৰাইভেট হোষ্টেলবোৰ গঢ় লৈ উঠিছে। মানুহৰ ঘৰে ঘৰে হোষ্টেল হৈছে, ছোৱালীবোৰ ৰাখে। ছোৱালীবোৰেও মুকলি মনে ফুৰিব পাৰে, থাকিব পাৰে। আমাৰ কানৈ কলেজ ছোৱালী হোষ্টেলত কিছুমান নিয়ম আছিল। ছোৱালী বাহিৰলৈ অহা-যোৱাৰ সময়ত অনুমতি লোৱা বহীত নাম লিখি থৈ যোৱা, ঘূৰি আহি সময় লিখা, লোকেল গাৰ্জেনৰ ঘৰলৈ বা নিজৰ ঘৰলৈ থাকিবলৈ গ'লে আবেদন পত্ৰ দি যোৱা নিয়মবোৰ কাঢ়া আছিল। দুয়োখন কলেজৰ ছাত্ৰীৰে আমাৰ হোষ্টেলখন ভৰি পৰিছিল। দুয়োখন কলেজৰ অৰ্থাৎ মনোহাৰী কলেজৰ ছাত্ৰীও আছিল। ছাত্ৰীৰ মাজত বেচ মিলাপ্ৰীতি আছিল।

বীণা বৰুৱাই আমাৰ কলেজৰ লাইব্ৰেৰীত সহকাৰী লাইব্ৰেৰীয়ান হিচাপে কাম কৰিছিল। কানৈ ছোৱালী হোষ্টেলত তলৰ কোঠা এটাতে আছিল। কোঠাটো মোৰ চিৰিৰ তলতে আছিল। বীণা মই হোষ্টেলত থাকিবলৈ লোৱাৰ আগৰে পৰাই আছিল।

হোষ্টেলৰ আৰু এটা ফূৰ্তিৰ কথা মনত পৰিছে। গৰম বন্ধত প্ৰায়বোৰ ছোৱালী ঘৰলৈ যায় আৰু পৰীক্ষাৰ পিছতো ঘৰলৈ যায়। কিন্তু তাৰে কিছুমান ছোৱালী হোষ্টেলত থাকিবলগীয়া হয়। বিশেষকৈ বিজ্ঞান শাখাৰ ছোৱালীবোৰ। তেতিয়া ছোৱালীবোৰৰ এটা প্ৰগ্ৰেম হয়। ওচৰৰ ঠাইলৈ ৰে'লত উঠি যাত্ৰা কৰা। আমি প্ৰায়ে প্ৰতি বছৰে বিজ্ঞানৰ প্ৰেক্টিকেল থকা ছোৱালীবোৰ লৈ তিনিচুকীয়ালৈ যাওঁ। তাৰ মঠ-মন্দিৰ বজাৰ আদি চাই এখন হোটেলত খাই বৈ আকৌ আবেলি ৰেলত উঠি উভতি আহোঁ। ভাল লাগিছিল। ছোৱালীবোৰেও বৰ আনন্দ পায়। প্ৰতি বছৰে নতুন নতুন ছোৱালীবোৰ ওলায়। মোৰ কথাটো মনত নাথাকিলে ছোৱালীবোৰে মনত পেলায় দিয়ে।

মই কানৈ কলেজ ছোৱালী হোষ্টেলত ১৯৬৩ চনৰ আগষ্ট মাহৰ পৰা ১৯৭৪ চনলৈ আছিলো। ১৯৭৪ চনতে মই হোষ্টেলৰ পৰা অব্যাহতি পালো। কানৈ কলেজৰ অধ্যক্ষ মহোদয়ে সেই কলেজৰে প্ৰবক্তা অলকা বৰুৱাক দায়িত্ব দিয়াত মই হোষ্টেলৰ পৰা ওলাব পাৰিলোঁ।

হোষ্টেল বিদায়।○

*(প্ৰয়াত ৰেখা দাস বাইদেউ কানৈৰ ছাত্ৰীনিৱাসৰ অধীক্ষিকা (১৯৬৩-৭৪) আছিল। এই লেখাটি তেখেতৰ 'হোষ্টেল ডায়েৰী' নামৰ সৰু গ্ৰন্থখনিৰ পৰা কিয়দাংশ তুলি অনা হৈছে।)*



# D.H.S.K. College Girls' Hostel Through the Years

✍ **Alaka Barua**

Under the guidance of the Principal, D.H.S.K. College, Dibrugarh, an enterprising and enlightened unit of the teachers of D.H.S.K. College, Dibrugarh has decided to celebrate the Diamond Jubilee of the College Girls' Hostel. A decision was taken to publish a memento concerning the history of the hostel and in this regard I have been politely approached to contribute a short article. I have gladly responded to the request as I was also a part and parcel of the hostel for long nine years as its superintendent (From 1975 to 1984).

The magnifient palatial two storied D.H.S.K. College R.C.C. building was inaugurated on 29th December, 1958 by Dr. Sarvapalli Radhakrishnan, the then Vice-President of India. The foundation stone of the two-storied R.C.C. Girls' Hostel Building was laid by Bishnu Ram Medhi, the then Chief Minister of Assam on 22nd May, 1957. The pioneers of the much needed project were the big guns like Dr. Jogi Raj Basu, Dr. Lakhi Prasad Dutta, Aswini Kumar Choudhury and other patrons who had rendered yeoman services towards the completion of the hostel building. The two Kanoi families of Ganeshguri Tea Estate and Mokalbari Tea Estate had also extended their full co-operation towards the completion of the hostel Building.

The first Superintendent of the hostel was Ms. Lakhsmida Dutta, the Professor of the dept. of Philosophy and late on the Principal of D.H.S.K. College who was a strict disciplinarian and a perfect administrator. She had stream lined the functioning of the hostel administration to the best of her alility. The next lady Ms. Rekha Das, the Professor of Political Science of M.D.K.G. College was appointed the hostel Superintendent. She was a lady with inviting manners with an open mind enriched with humours so natural to her in the company of her friends and colleagues. She could control the boarders of the hostel in the right way to the satisfaction of the college authority.

Inspite of my reluctance to hold the post as the next superintendent of the hostel, the then Principal of D.H.S.K. College Sushil Chandra Dutta was imperious enough that I should accept the stewardship

of the Girls Hostel after Ms. Rekha Das. Initially the job reposed on me was not that simple. Multiple problems had confronted me. The hostel building had no boundary walls to protect the safety and security of the building and the in mates of the ground floor rooms. The night revellers of the surrounding nighbourhood across the open field behind the college buildings would gather in front of the hostel armed with refarious designsed frighten the inmates of the hostel. They come near to the windows and smashed the glass panes pull out the cloths of the boarders. To get rid of the difficulties I had to approach the Principal with reverential awe who had offered suggestions for the mitigation of the akward situation. In fact it was due to the paucity of fund, the college authority was unable to construst the boundary walls around the hostel. Many years after I left the hostel, during the tenure of Dr. Siba Kanta Dutta, the then princial of D.H.S.K. College, the much needed boundary wall was raised around the Girls' Hostel much to the pleasure of the boarders. It is certainly a praiseworthy achivement on the part of the principal Dr. S.K. Dutta.

On the campus of the hostel a good number of festivals and functions were observed. The boarders of the Boys' hostel had extended their helping hands in observing the functions like freshman social, New years Day, Saraswati puja, Janmastomi of Lord Sri Krishna etc. every year by erecting pandals with illumination and arranging decorations. In fact, the boarders of the hostels had regarded themselves as brothers and sisters. It was an example of living a corporate life on the college campus.

In the hostel building there are altogether 20 living rooms accomodating 110 boarders, a spacious prayer hall and a dinning hall with an attached Kitchen. A significant help was also offered by accommodating few lady teachers of Dibrugarh University and other colleage Girls if and when rooms were left unoccupied. That was of course a temporary arrangement.

After serving the hostel for a period of long nine years I had handed over the charge of the hostel to my friend and collegue Ms. Farida Sherfudding the Head of the department of Assamese who had performed her duty so efficiently to the satisfaction of the boarders and the college authority.

I wish further improvement in the affairs of the hostel.○

# সোঁৰৰণিৰ কুঁৱলী

✍ কল্পনা সেনগুপ্তা বৰুৱা

কানৈ কলেজ ছাত্ৰীনিৱাসৰ প্ৰাক্তন অধীক্ষিকা হিচাপে কিছু কথা লিখি দিবলৈ অনুৰোধ জনাইছিল। কিনো লিখিম, ক'ৰ পৰা আৰম্ভ কৰিম ভাবি পোৱা নাই। অন্তৰত নানানভাৱে উগুল-থুগুল লগাইছে। চকুৰ আগে আশীৰ দশকৰ ঘটনা আৰু ছবিবোৰ তড়িৎ গতিৰে এখনৰ পাছত এখনকৈ পাৰ হৈছে। স্মৃতিৰ কুকিত সোমাই থকা এজাক যৌৱনে হাঁহি খিকিন্দালিৰে পৰিৱেশ প্ৰাণময় কৰি অগা-দেৱা কৰিছে। এই আটাইবোৰ মোৰ বুকুৰ আপোন কানৈ ছাত্ৰীনিৱাসৰ প্ৰাক্তন নিৱাসী, মোৰ ভগ্নীতুল্যা। চকুৰ আগত ভাহি উঠিছে এখন মুখ। সেয়া মেট্ৰন অৰুণা চলিহা। ১৯৮৪ চনত কানৈ কলেজত হিন্দী বিভাগৰ প্ৰবক্তা হিচাপে যোগদান কৰাৰ পাছত মই অলপ দিন অৰুণা চলিহা থকা ৰূমটোতে বাস কৰিছিলোঁ। ধীৰ, গম্ভীৰ মানুহ গৰাকীৰ কথা প্ৰায়ে মনত পৰে। ১৯৮৮ চনত মই ছাত্ৰীনিৱাসৰ অধীক্ষিকা হিচাপে নিযুক্তি পাওঁ। প্ৰথমতে চিন্তাই লাগিছিল, এই গুৰু দায়িত্ব বহন কৰিব পাৰিম নে নাই। সেই সময়ত কানৈ কলেজত মৰ্ণিং ক্লাছো হৈছিল। ৰাতিপুৱা ক্লাছলৈ গৈ বৰ ভাল লাগিছিল। শিক্ষকৰ জিৰণী কোঠাটো সেইসময়ত ওপৰৰ ২০ নং ৰূমটো, সংলগ্ন বাৰান্দা সদৃশ ঠাই টুকুৰাত আছিল। কলাশাখাৰ সকলো শিক্ষক-শিক্ষয়িত্ৰী শিক্ষকৰ জিৰণী কোঠাতেই বহিছিল বেলেগে বিভাগ নাছিল। বিজ্ঞান বিভাগ বোৰৰ নিজা বিভাগীয় কোঠা আছিল। মোৰ মনত এটা কথাই বৰকৈ ৰেখাপাত কৰিছিল। সেয়া হৈছে বিজ্ঞান বিভাগৰ বয়োজ্যেষ্ঠ শিক্ষক সকলৰ দিনটোত এবাৰ হ'লেও কমনৰূমলৈ আহিছিল, বিভিন্ন বিষয়ৰ আলোচনা কৰিছিল, ৰসিকতা কৰিছিলে। আটায়ে পৰিৱেশটো প্ৰাণময় কৰিছিলে। অধ্যক্ষ প্ৰয়াত কল্যাণ বৰুৱা ছাৰেও আহি প্ৰায়ে ভাগ লৈছিলেহি। আজি বৰকৈ মনত পৰিছে প্ৰয়াত ডিম্বেশ্বৰ চলিহা ছাৰ আৰু নফিল ছাৰলৈ। কল্যাণ বৰুৱা ছাৰৰ পাছত অধ্যক্ষ পদৰ শোভাবৰ্দ্ধন কৰিছিলে ডিম্বেশ্বৰ চলিহা ছাৰে। মই অধীক্ষিকা হৈ থকাৰ সময়ত ছাৰে ছাত্ৰীনিৱাসলৈ আহি খা-খবৰ লৈছিলহি, দিহা-পৰামৰ্শ দিছিলহি।

ছাত্ৰীনিৱাসৰ আখলৰ দায়িত্বত থকা কৰ্মচাৰী, চকীদাৰ, ছুইপাৰৰ কথাও মোৰ ভাল দৰে মনত আছে পৰমেশ্বৰ, কামেশ্বৰ, চন্দেশ্বৰ, পুনেশ্বৰ, কানু, বাসু, জিলাবী বাই আদি। আটায়ে নিজৰ কাম সূচাৰুৰূপে কৰিছিলে তদুপৰি মেট্ৰন বাইদেৱেও ভালদৰে চোৱাচিতা কৰিছিলে আৰু কিবা আপত্তিজনক কথা গম পালে মোক লগে লগে অৱগত কৰাইছিলে।

মোৰ সময়ছোৱাত ছাত্ৰীনিৱাসৰ প্ৰায় সকলো ছাত্ৰীয়েই বৰ ভাল আছিল। তেওঁলোক আছিল গুণী। খেল-ধেমালিত পটু, নৃত্য-গীত, নাটত, কবিতা আবৃত্তি আদিত পাৰ্গত। ইচ্ছুক ছাত্ৰীসকলক গীত ইত্যাদি শিকাই কলেজ সপ্তাহৰ প্ৰতিযোগিতাৰ বাবে তৈয়াৰ কৰা মোৰ মনত আছে। এবাৰ কলেজ সপ্তাহত ছাত্ৰীনিৱাসৰ ছাত্ৰীসকলে বিভিন্ন দিশত মুঠ ৬৮টা পুৰস্কাৰ লাভ কৰিছিলে। সেইবাৰ ছাত্ৰীনিৱাসত নৈশভোজৰ আয়োজন কৰিছিলোঁ, অধ্যক্ষ মহোদয়ে আমাৰ আতিথ্য গ্ৰহণ কৰি ছাত্ৰীসকলক আশীৰ্বাদ প্ৰদান কৰিছিলহি। ছাত্ৰীসকলৰ মানসিক স্বাস্থ্যৰ উৎকৰ্ষ সাধনৰ বাবে এটা হাৰমোনিয়াম আৰু এযোৰ তবলা কিনি দিছিলোঁ। বিয়লি আজৰি পৰত তেওঁলোকে হাৰমোনিয়াম বজাইছিল, তবলা বজাইছিল, গান গাইছিল। কোনো কোনোৱে আবৃত্তি কৰিছিলে। সেইসময়ত, দেওবাৰে ৰাতিপুৱা টি,ভি, চিৰিয়েল 'মহাভাৰত' সম্প্ৰচাৰিত হৈছিল। মোৰ ড্ৰইংৰূমত ৰখা এমট্ৰন টি,ভি,ত এই চিৰিয়েলখন চাবলৈ হোষ্টেলৰ প্ৰায়বোৰ ছাত্ৰী, কৰ্মচাৰী সকলো আহিছিল। যি য'ত যেনেকৈ পাৰে বহি চিৰিয়েলখন উপভোগ কৰিছিলে। আটাইবোৰে একেলগে, এখন ঘৰৰ দৰে এইবোৰ আনন্দ-অনুভূতি পাহৰিব পাৰি জানো? আৰু সেই যে দুই এবাৰ ভূমিকম্প আহোঁতে গিৰগিৰাই গোটেই ছোৱালীবোৰ ওপৰমহলাৰ পৰা নামি অহা, দেওমালীৰ বনভোজত বৰষুণত তিতি নাচিবাগি ফূৰ্ত্তি কৰা আমোজ! আৰু ক'ত কি? নাই কোনোৱে পাহৰিব নোৱাৰে সেই সু-সময়, সুদিন।○

# ছাত্ৰীনিৱাসৰ অধীক্ষক হিচাপে তিনি বছৰ

✍ টিকেন্দ্ৰজিৎ গগৈ

ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ ছাত্ৰীনিৱাসটোৰ প্ৰতিষ্ঠা মহাবিদ্যালয়খনৰ বুৰঞ্জীৰে এটা উল্লেখযোগ্য ঘটনা। ১৯৫৭ চনৰ ২২মে' ত তেতিয়াৰ অসমৰ মুখ্যমন্ত্ৰী বিষ্ণু ৰাম মেধিয়ে আধাৰশিলা স্থাপন কৰা ছাত্ৰীনিৱাসটোৰ প্ৰতিষ্ঠা কালৰ কথা মহাবিদ্যালয়খনৰ তদানীন্তন উপাধ্যক্ষ লক্ষ্মী প্ৰসাদ দত্তই এনেদৰে লিখিছে— 'The year that passed out saw another significant developement in the life of the College. Higher Education for girls having suffered in this part of the State for lack of suitable Hostel accomodation. A public-sponsored Girls' Hostel Sub Committee was formed with our popular Deputy Commissioner, Shri L. Sharma, I.A.S. as the President to meet the situation. Construction of an up-to-date two storeyed Girls' Hostel with accomodation for 100 Girls was taken in hand and is nearing completion. The foundation Stone was laid by the then Chief Minister, Shri Bishnu Ram Medhi on 22nd. May, 1957. The estimated cost of construction of approximately 2 Lakhs are being met from donations from the public including Industry, Trade and Commerce and Government grant of Rs. 50,000/- sanctioned recently. That this Girls' Hostel Project has materialized and a longfelt want is going to be removed, is due to the untiring zeal and keen interest of a band of public spirited workers headed and guided by our benevolent Deputy Commissioner, Shri L. Sharma I.A.S.'। ছাত্ৰীনিৱাসটোৰ ভৱনটোৰ নিৰ্মাণৰ বাবে অৱদান আগবঢ়োৱাসকলৰ নাম আৰু অনুদানৰ পৰিমাণৰ তালিকা ভৱনটোৰ পকী বেৰত স্থাপন কৰা 'THIS TABLET IS ERECTED IN GRATEFUL APPREACIATION OF BENEVOLENT DONORS' শীৰ্ষক এখন স্থায়ী ফলকত লিপিবদ্ধ কৰি থোৱা আছে। ছাত্ৰীনিৱাসৰ ভৱন নিৰ্মাণৰ বাবে দিয়া অসম চৰকাৰৰ শিক্ষা বিভাগৰ অনুদান পঞ্চাছ হাজাৰৰ লগতে অনুসূচিত জনজাতি অঞ্চলৰ উন্নয়ন পুঁজিৰ পোন্ধৰ হাজাৰ টকা ধৰি চৰকাৰী অনুদান সৰ্বমুঠ পঁয়ষষ্ঠি হাজাৰ টকা আছিল। ভৱন নিৰ্মাণৰ কাম আৰম্ভ কৰাৰ প্ৰায় ডেৰ বছৰৰ পাছত ১৯৫৮ চনৰ ১৩ নৱেম্বৰত ছাত্ৰীনিৱাসটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। ছাত্ৰীনিৱাসটো উদ্বোধনৰ বিষয়েও উপাধ্যক্ষ লক্ষ্মী প্ৰসাদ দত্তৰ লেখাৰ পৰাই এনেদৰে জানিব পৰা যায়—'In the meantime the modern two storeyed Girls' Hostel has been completed with substiantial donations from the generous public and financial help of Rs. 65,000/- from the Assam Government and contributions of Rs. 50,000/- from the Tea Board. The Hostel was formally inaugurated on 13th. November, 1958 by Shri A. B. Chatterjee, Chairman, Tea Board and the pleasent Inauguration Ceremony was attended by teachers, students and members of the public including donors This Hostel removes a longfelt want and gives a fillip to higher education amongst girls.'।

১৯৯৬ চনত এই ছাত্ৰীনিৱাসটোলৈ অধীক্ষক হিচাপে আহি তিনি বছৰৰ বাবে (১৯৯৬-১৯৯৯) এটা 'বৃহৎ পৰিয়াল'ৰ মুৰব্বী হৈ কটোৱাৰ সৌভাগ্য হৈছিল। এই লেখকে মহাবিদ্যালয়খনত যোগদান কৰা সময়ত (১৯৮৮) অধ্যাপিকা ফৰিদা শ্বৰফুদ্দিন ছাত্ৰীনিৱাসটোৰ দায়িত্বত

আছিল। কোনো কাৰণত ফৰিদা বাইদেওক তেখেতৰ ছাত্ৰীনিৱাসৰ বাসভৱনত লগ কৰিবলৈ যোৱাৰ কথা মনত পৰে। তাৰ পাছত অধ্যাপিকা কল্পনা সেনগুপ্তা বৰুৱা ছাত্ৰীনিৱাসটোৰ অধিক্ষীকা হিচাপে থকাৰ সময়ত তেখেতৰ স্বামী প্ৰয়াত অধ্যাপক ডঃ শান্তনু সেনগুপ্তাৰ লগত তেখেতসকলৰ ছাত্ৰীনিৱাসৰ বাস ভৱনলৈ যোৱাৰ কথা মনত আছে। এই লেখকে ১৯৯৬ চনৰ জুলাই মাহৰ ১৬ তাৰিখে ছাত্ৰীনিৱাসৰ অধীক্ষক হিচাপে নিযুক্তি লাভ কৰিছিলোঁ আৰু ১৯৯৯ চনৰ আগষ্ট মাহৰ ৬ তাৰিখলৈকে তিনি বছৰৰ বাবে এই দায়িত্বত আছিলোঁ। মোৰ আগৰজন অধীক্ষক আছিল অধ্যাপক নৰেন্দ্ৰ মহেলা। আমি দুয়ো গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ শ্ৰেণীৰ একে চামৰ ছাত্ৰ আছিলো আৰু বিশ্ববিদ্যালয়ৰ শিক্ষান্ত বৰ্ষত দুয়ো দুটা ছাত্ৰাবাসৰ ছাত্ৰাধীক্ষক (Prefect) আছিলো। ছাত্ৰীনিৱাসৰ অধীক্ষক হিচাপে নিযুক্তি পোৱাৰ আগতে এই লেখক তিনি বছৰৰ বাবে মহাবিদ্যালয়ৰ ছাত্ৰাবাসৰ উপ-অধীক্ষক (Deputy Superintendent) হিচাপে আছিলো। পূৰ্বৰ অধীক্ষক অধ্যাপক নৰেন্দ্ৰ মহেলাৰ তিনিবছৰীয়া কাৰ্যকালৰ অন্ত পৰাত ছাত্ৰীনিৱাসৰ অধীক্ষক নিযুক্ত হৈছিলোঁ। নতুন শিক্ষাবৰ্ষটোৰ আৰম্ভণিৰ আগে আগে অধ্যাপক মহেলাৰ পৰিয়ালটোৰ ঠাইত আমাৰ চাৰিজনীয়া পৰিয়ালটো আহি ছাত্ৰীনিৱাসৰ অধীক্ষকৰ বাসভৱনত সোমাইছিলোহি। ছাত্ৰীনিৱাসৰ অধীক্ষক হিচাপে ছাত্ৰীনিৱাসটো পৰিচালনা কৰাৰ বাবে মাহে মাহে দুশ টকাকৈ মাননী পাইছিলোঁ। আৱাসত থকাৰ বাবে মহাবিদ্যালয়ৰ মাহেকীয়া দৰ্মহাত ঘৰভাৰা বানচ পোৱা নাছিলো। ছাত্ৰীনিৱাস বা ছাত্ৰাৱাসৰ কোনো এটাৰ অধীক্ষকৰ সাময়িক অনুপস্থিতিত ইটোৰ অধীক্ষকে সিটোৰ অধীক্ষকৰ দায়িত্বত থাকিব লগা হৈছিল। ছাত্ৰীনিৱাসটোৰ অধীক্ষকৰ হিচাপে ১৯৯৯ চনৰ আগষ্ট মাহৰ ৬ তাৰিখে এই লেখকৰ কাৰ্যকাল অন্ত পৰাৰ পাছত ৭ তাৰিখৰ পৰা অধ্যাপিকা ৰমা কান্তি দাস ছাত্ৰীনিৱাসৰ অধিক্ষীকা নিযুক্ত হয়।

সেই সময়ত ছাত্ৰীনিৱাসৰ কৰ্মচাৰী সকল আছিল—অৰুণা চলিহা (মেট্ৰন), জুলাই দাস (মুখ্য ৰান্ধনি), চন্দ্ৰেশ্বৰ দত্ত (সহকাৰী ৰান্ধনি), কান্দুৰা কেওট (সহায়কাৰী), পূৰ্ণ দাস (সহায়কাৰী), বাসুদেৱ ৰায় (ৰাতিৰ চকীদাৰ), পৰমেশ্বৰ গুপ্ত (দিনৰ চকীদাৰ) আৰু মঞ্জু মহাজন (জামাদাৰ)। ছাত্ৰীনিৱাসৰ দৰ্শনকাৰীৰ কোঠাৰ (Visitors' Room)ৰ কাষতে থকা এটা কোঠাত সকলোৱে 'মেট্ৰন বাইদেউ' অৰুণা চলিহা আছিল। ছাত্ৰীনিৱাসৰ চৌহদৰ বাহিৰত উত্তৰ-পশ্চিম কোণত অন্যান্য কৰ্মচাৰী সকলৰ বাসস্থান। উত্তৰা-দক্ষিণাকৈ থকা দুচলীয়া মূল ঘৰটোৰ পাঁচটা কোঠাত উত্তৰৰ পৰা দক্ষিণলৈ ক্ৰমে জুলাই দাস, পৰমেশ্বৰ গুপ্ত, বাসুদেৱ ৰায়, পূৰ্ণ দাস আৰু চন্দ্ৰেশ্বৰ দত্তৰ বাসস্থান আছিল। সেইসময়ত এই বাসস্থানত থকা জুলাই দাসৰ পৰিয়াল মোহনা ঘাটৰ ঘৰত আছিল। ৰান্ধনি ঘৰৰ পৰা আজৰি হোৱাৰ পাছত সাধাৰণতে তেখেতে নিজৰ ঘৰলৈ এপাক মাৰিছিল। পৰমেশ্বৰ গুপ্ত অকলশৰে থাকিছিল। বাসুদেৱ ৰায়ৰ লগত তেওঁৰ কন্যা বাসন্তী আৰু পুতেক দীপু আছিল। চন্দ্ৰেশ্বৰ দত্ত আৰু পূৰ্ণ দাসে বৰ্তমানৰ দৰেই তাত সপৰিয়ালে বাস কৰিছিল। চন্দ্ৰেশ্বৰ দত্তৰ পৰিয়ালৰ অন্যান্য সদস্যসকল আছিল সহধৰ্মীনী মামণি দত্ত, পুত্ৰ অনুপম দত্ত আৰু কন্যাদ্বয় চুমি দত্ত আৰু পল্লৱী দত্ত। পূৰ্ণ দাসৰ পৰিয়ালত আছিল সহধৰ্মীনী ৰাজেশ্বৰী দাস, পুত্ৰ হেমন্ত দাস আৰু কন্যা দীপা দাস ( সেইসময়ত পূৰ্ণ দাসৰ সৰু পুত্ৰ লোহিত দাসৰ জন্ম হোৱা নাছিল)। সেউজপুৰ নিৱাসী কান্দুৰা কেওটে ঘৰৰ পৰাই ছাত্ৰী নিবাসৰ কামলৈ অহা-যোৱা কৰিছিল। ছাত্ৰীনিৱাসৰ জামাদাৰ মঞ্জু মহাজনক তেওঁৰ কামত কেতিয়াবা তেওঁৰ মাতৃ আৰু মহাবিদ্যালয়ৰ জামাদাৰ জিলাপীয়ে সহায় কৰি দিয়া দেখিছিলোঁ। সেই সময়ত কৰ্মচাৰী সকলৰ মাহেকীয়া দৰ্মহা তিনিশ টকাৰ পৰা ছশ ষাঠি টকাৰ ভিতৰত আছিল। তেওঁলোকৰ দৰ্মহাৰ লগতে অধীক্ষকৰ মাননী (দুশ টকা) বঢ়াবৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ৰ ওচৰত দৰ্খাস্ত দিয়াৰ কথা মনত পৰে।

অধীক্ষকৰ দায়িত্বত থকা তিনিওটা বছৰত ছাত্ৰীনিৱাসটোত আৱাসী হিচাপে ন-পুৰণি প্ৰায় ১৭০ গৰাকী আৱাসীক লগ পাইছিলোঁ। আৱাসী সকলৰ লগত সাধাৰণভাৱে এক সৌহাদ্যপূৰ্ণ পৰিৱেশত দিনবিলাক কটাইছিলোঁ। বহু আৱাসীৰে, বিশেষকৈ প্ৰথম বছৰৰ পৰা পোৱা আৱাসী সকলৰ বেছি ভাগৰে নাম বিলাক আৰু তেতিয়াৰ মুখবিলাক মনত আছে। এতিয়া দেখিলে অৱশ্যে চিনি পাম বুলি ক'ব নোৱাৰো। তিনিওটা বছৰত ছাত্ৰীনিৱাসত পোৱা আৱাসী সকলৰ সংগৃহীত নামসমূহ সাধ্যানুসাৰে শুদ্ধকৈ আৰু আদ্যাখৰৰ ক্ৰম অনুসৰি তলত উল্লেখ কৰিবলৈ চেষ্টা কৰিছোঁ।

প্ৰথম বছৰত লগ পোৱা পুৰণি আৰু নতুন আৱাসী সকল আছিল—অৰ্চনা দলে, অনুপমা ঝা, অৰুন্ধতী

হাজৰীকা, ইনুমা বৰদলৈ, ইন্দ্ৰাণী গগৈ, ইৰা সোনোৱাল, ইলা চেতিয়া, উষা বৰুৱা, কৰবী কলিতা, গৰিমা গগৈ, চাইনি জৰ্জ, চিত্ৰাণী গগৈ, চিন্তামণি চেতিয়া, চুমি শইকীয়া, চৈতালী ৰয়, জয়তৰা দেউৰী, জুৰি শইকীয়া, জোনালী বৰুৱা, জ্যোৎস্না নেওগ, টুটুমণি চুতীয়া, তৰালী গগৈ, তৃষ্ণা চেতিয়া, দীপশিখা ভূঞা , দীপশিখা হাজৰিকা, দীপা ৰাণী গগৈ, দেৱযানী ফুকন, ধৃতিমণি দত্ত, নিবেদিতা ৰাজকুমাৰী, নীলিমা দলে, বীমা ৰাণী বৰুৱা, ৰূপা পাতিৰ, ৰূপামণি বৰা, ননী বৰুৱা, নিতুমণি টায়ে, নিৰেদিতা ৰাজকুমাৰী, পদ্মেশ্বৰী পেগু, পৰিণীতা গগৈ, পল্লৱী দাস, পাপৰি দাস, পি. প্ৰৱীনা, পিংকী মণি গগৈ, পুষ্পা বৰা, প্ৰণৱিকা বৰুৱা, বৰ্ণালী মহন্ত, বন্তি দেউৰী, বন্তী ৰাজকুমাৰী, ববী খাট্ৰীয়া, বিজুমণি তালুকদাৰ, বিজুমণি শইকীয়া, বীণা দাস, বীণা দেউৰী, বীণা শইকীয়া, বিনীতা গগৈ, বিপ্লৱী গগৈ, মমী চুতীয়া, মঞ্জু দেৱী দাস, মঞ্জু ৰাণী গগৈ, মনামী বৰুৱা, ময়ুৰীমা গগৈ, মালবিকা গগৈ, মিতালী শইকীয়া, মীনাক্ষী গগৈ, মৃণালী লাগাচু, মৃণালিনী শইকীয়া, মৃদুস্মিতা কলিতা, মেঘালী বৰুৱা, মেৰী মগলাথা টপ্প', মৌচুমী বুঢ়াগোহাঁই, মৌচুমী দেউৰী, যুথিকা বৈশ্য, ৰ'জমেৰী তিৰ্কী, ৰশ্মি বৰুৱা, ৰশ্মি মুদৈ, ৰূপামণি বৰগোহাঁই, ৰিণু চেতিয়া পাত্ৰ, ৰিণু বেগম, ৰীমা ৰাণী বৰা, ৰীমা হাজৰিকা, ৰুণু প্ৰভা পেগু, ৰুমী শইকীয়া, ৰুনুমী গগৈ, ৰূপা পাতিৰ, ৰুমা মণি বৰা, ৰেখা বৰুৱা, লনীমা বৰগোহাঁই, শান্তনা বৰা, শান্তনা নেওগ, শিখা চাংমাই, শিল্পা সোনোৱাল, শিল্পী শিখা বৰগোহাঁই, সৰযু দুৱৰা, সঙ্গীতা চেতিয়া, সঙ্গীতা বুঢ়াগোহাঁই আৰু সাগৰিকা চেতিয়া।

দ্বিতীয় বছৰত নতুনকৈ অহা আৱাসীসকল আছিল—অঞ্জু দেউৰী, কৃষ্ণাশ্ৰী গগৈ, গীতি মণি ডেকা, জুৰি কোঁৱৰ, জ্যোতি ৰেখা শইকীয়া, জ্যোৎস্না দেউৰী, জোনতি দুৱৰা, ডলী গগৈ, ত্ৰিবেনী বৰুৱা, দেইজী ফুকন, নিতুমণি দলে, নিমা ডিংল', পুষ্পা কোঁৱৰ, পুষ্পাঞ্জলী গগৈ,প্ৰতিভা কুমাৰী উপাধ্যায়, বৈশালী দুৱৰা, মঞ্জুমা দেউৰী, মণিষা ভূঞা, মনালিচা ৰাংচু, মামনি মিলি, মালতী চুতীয়া, মায়াদেৱী সোনাৰ, মিতালী শইকীয়া, মীনাক্ষী খনিকৰ, মুন মুন শইকীয়া, মৃন্ময়ী হাজৰিকা, যাহ্নবী গগৈ, ৰিম্পী ৰাণী সোনোৱাল, ৰীতা সোনোৱাল, ৰুণুমী গগৈ, ৰুমীতা তালুকদাৰ, ৰূপা যাদৱ, লিলি মূড়া, সুমিতা যাদৱ, সোণা দীপা ৰয়, স্বপ্না দাস আৰু হেপ্পীমণি চুতীয়া।

তৃতীয় বছৰত নতুনকৈ অহা আৱাসীসকল আছিল— অদিতি গগৈ, অনিতা শইকীয়া, আইভি শৰ্মা, A. Jaya, ঋতুপৰ্ণা হাজৰিকা, ঋতুমণি শইকীয়া, কিৰণ দাস, চয়নিকা গোহাঁই, জুতিমালী মোহন, জোন মণি চেতিয়া, ডলী ভূঞা, দীপশিখা বৰা, দীপশিখা বৰুৱা, নন্দিতা গগৈ, নুৰজাহান আনচাৰী, নিতুমণি দলে, পল্লৱী সোনোৱাল, পিংকী বৰুৱা, পুষ্পাঞ্জলী দিহিংগীয়া, প্ৰণামী গোহাঁই, প্ৰীতি বালা ৰাভা, বন্দনা দলে, মণিষা কুমাৰী, মণিষা দুৱৰা, মনা ভাগৱতী শৰ্মা, ময়ুৰীমা দেউৰী, মিতালী গগৈ, মিতালী চুতীয়া, মৌচুমী বৰুৱা, মৌচুমী শৰ্মা, ৰত্না দাস, ৰিংকু মণি শৰ্মা, ৰীতা সোনোৱাল, ৰীপা ফুকন, শান্তি দেউৰী, সন্দিপা পাত্ৰ আৰু হিমাক্ষী ভূঁঞা।

কোনো কোনো আৱাসীৰ ঘৰ কত আছিল সেইটোও কিছু মনত আছে। দীপশিখা হাজৰিকা ধেমাজীৰ, বন্তি ৰাজকুমাৰী লাকুৱাৰ, বিজুমণি শইকীয়া চিলাপথাৰৰ, পিংকী মণি গগৈ ছপাখোৱাৰ, সৰজু দুৱৰা হাতীআলিৰ, মেৰী মগলাথা টপ্প' ডিগবৈৰ, শিল্পা সোনোৱাল লিডু, পুষ্পা কোঁৱৰ মোহনবাৰীৰ আৰু চয়নিকা গোহাঁই পানীতোলাৰ পৰা আহিছিল। শান্তনা বৰুৱা, ৰুমা মণি বৰা, দেৱযানী ফুকন, ডেইজী ফুকন আৰু বৰ্ণালী মহন্ত আছিল শিৱসাগৰ। ডলী গগৈ, জ্যোতি ৰেখা শইকীয়া আৰু লিলি মূড়া ডুলীয়াজানৰ পৰা আহিছিল। সেইসময়ত ছাত্ৰীনিৱাস আৰু ছাত্ৰাৱাস দুয়োটাতে নামৰূপৰ বহু ছাত্ৰ-ছাত্ৰী আছিল। বিজুমণি তালুকদাৰ, প্ৰণৱিকা বৰুৱা, জোৎস্না নেওগ, মৌচুমী বুঢ়াগোহাঁই আদি ছাত্ৰীসকল নামৰূপৰ পৰা আহিছিল।

ছাত্ৰীনিৱাসৰ ছাত্ৰীসকলে মহাবিদ্যালয়ৰ বিভিন্ন অনুষ্ঠানৰ কাৰ্যসূচী, প্ৰতিযোগিতা আদিত অংশগ্ৰহণ কৰিছিল। বন্তী ৰাজকুমাৰীকে ধৰি কোনো কোনো আৱাসীয়ে নৃত্যানুষ্ঠান সমূহত অংশগ্ৰহণ কৰিছিল। যিকোনো কাৰ্যসূচীত সন্ধিয়া উপস্থিত থাকিব লগা হ'লে তেওঁলোকে মেট্ৰন বাইদেউ অৰুণা চলিহাৰ পৰিচালনাত উপস্থিত আছিল। আৱাসীসকলে ছাত্ৰীনিৱাসত বছেৰেকীয়া প্ৰাচীৰ পত্ৰিকা প্ৰকাশ কৰিছিল। ছাত্ৰীসকলে পঢ়িবৰ বাবে দৈনিক বাতৰি কাকতৰ লগতে পষেকীয়া আৰু মাহেকীয়া (ইংৰাজী আৰু অসমীয়া) আলোচনীও আছিল। ১৯৯৬-৯৭ বৰ্ষৰ 'কানৈয়ান' আলোচনীৰ পাতত মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সহকাৰী সম্পাদক ঋতুপৰ্ণ কোঁৱৰে দীপশিখা, সংগীতা, বন্তী, ৰুমা, শান্তনা আদি ছাত্ৰীনিৱাসৰ কেইবা গৰাকীও ছাত্ৰীক তেওঁলোকে ছাত্ৰ একতা সভাৰ বিভিন্ন কামত সহায় কৰি

দিয়াৰ বাবে কৃতজ্ঞতা জনোৱাৰ কথা পোৱা যায়। সেইটো বৰ্ষত ছাত্ৰীনিৱাসৰ এগৰাকী আৱাসী তৃষ্ণা চেতিয়া ছাত্ৰ একতা সভাৰ সদস্যা আছিল। মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ক্ষেত্ৰত ১৯৯৭-৯৮ বৰ্ষটো এই ছাত্ৰীনিৱাসৰ আৱাসীসকলৰ বাবে বিশেষভাৱে উল্লেখযোগ্য আছিল। সেইবছৰ ছাত্ৰীনিৱাসৰ কেইবা গৰাকীও আৱাসীয়ে ছাত্ৰ একতা সভাত প্ৰতিনিধিত্ব কৰিছিল। তেওঁলোক আছিল—জোনালী বৰুৱা (সমাজ সেৱা বিভাগৰ সম্পাদিকা), তৰালী গগৈ- ('কানৈয়ান' আলোচনী ৰ সম্পাদিকা), ৰ'জমেৰি তিৰ্কী (সংগীত বিভাগৰ সম্পাদিকা) আৰু ইন্দ্ৰানী গগৈ (সম্পাদনা সমিতিৰ সদস্যা)। সেইবছৰৰ 'কানৈয়ান'ত মিতালী শইকীয়া, মৌচুমী দেউৰী আৰু পল্লৱী দাসৰ কবিতা প্ৰকাশ হৈছিল। তদুপৰি সেই বছৰৰ মহাবিদ্যালয়ৰ প্ৰতিভা সন্ধানী সপ্তাহৰ বিভিন্ন প্ৰতিযোগিতা সমূহতো ছাত্ৰীনিৱাসৰ বহু আৱাসীয়ে উল্লেখনীয় সফলতা লাভ কৰিছিল। ইয়াত অৱশ্যে সকলোবোৰ প্ৰতিযোগিতা আৰু সংশ্লিষ্ট সকলো আৱাসীৰে নাম উল্লেখ কৰাটো সম্ভৱ নহয়। ফটোগ্ৰাফীত মিতালী শইকীয়া (প্ৰথম), পল্লৱী দাস আৰু বন্তী ৰাজকুমাৰী (দুয়ো দ্বিতীয়) আৰু জোনালী বৰুৱা (তৃতীয়) হৈছিল। বিভিন্ন প্ৰতিযোগিতাত সফলতা লাভ কৰা অন্যান্য কিছুমান প্ৰতিযোগী আছিল—শিল্পী শিখা বৰগোহাঁই (বিহু নৃত্য- দ্বিতীয়), মৌচুমী দেউৰী (ৰচনা- দ্বিতীয়), পাপৰি দাস (বেডমিণ্টন), ডেইজী ফুকন, নিমা ডিংল', মায়াদেৱী সোনাৰ, পাপৰি দাস, ৰুমামণি বৰা, জোনালী বৰুৱা, শান্তনা (ভলীবল), দেৱযানী ফুকন, মিতালী শইকীয়া, বন্তী ৰাজকুমাৰী, ৰুমামণি বৰা, ডেইজী ফুকন (পাঞ্জা) ইত্যাদি।

১৯৯৮-৯৯ বৰ্ষত ছাত্ৰীনিৱাসৰ বাবে আটাইতকৈ উল্লেখযোগ্য বতৰা আছিল ছাত্ৰীনিৱাসৰ আৱাসী দীপশিখা ভূঞাই দৰ্শন শাস্ত্ৰত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ভিতৰতে প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান অধিকাৰ কৰাটো। সেইটো বৰ্ষৰ মহাবিদ্যালয়ৰ প্ৰতিভা সন্ধানী সপ্তাহৰ বিভিন্ন প্ৰতিযোগিতাসমূহৰ ভিতৰত শিল্পী শিখা বৰগোহাঁয়ে দৌৰ প্ৰতিযোগিতাত বিশেষ সফলতা লাভ কৰা, পল্লৱী দাস আৰু মেঘালী বৰুৱাই মিউজিক চেয়াৰ প্ৰতিযোগিতাত ক্ৰমে প্ৰথম আৰু দ্বিতীয় স্থান লাভ কৰা আদি উল্লেখযোগ্য। সেই বছৰৰ 'কানৈয়ান'খন সোণালী জয়ন্তী সংখ্যা হিচাপে প্ৰকাশ পাইছিল। সম্পাদিকা আছিল কান্তা কাৱেৰী সোনোৱাল। তেওঁ ছাত্ৰীনিৱাসত নামভৰ্তিৰ বাবে আৱেদন দিয়াৰ কথা মনত পৰে।

এই লেখক অধীক্ষক হৈ থকা কালছোৱাৰ ১৯৯৬-৯৭ বৰ্ষত দীপশিখা হাজৰিকাক, ১৯৯৭-৯৮ বৰ্ষত বন্তী ৰাজকুমাৰীক আৰু ১৯৯৮-৯৯ বৰ্ষত দেৱযানী ফুকনক ছাত্ৰীনিৱাসৰ ছাত্ৰীধিক্ষীকা (Monitress) হিচাপে নিযুক্তি দিয়া হৈছিল। ছাত্ৰাৱাস আৰু ছাত্ৰীনিৱাস পৰিচালনাৰ বাবে অধ্যক্ষ কল্যাণ কুমাৰ বৰুৱা স্বাক্ষৰিত এখন ওঠৰ দফীয়া নিয়মাৱলী আছিল। ইয়াৰ পৰা সততে প্ৰয়োজন হোৱা নিয়ম কেইটাৰে নিয়মাৱলীৰ এক সংক্ষিপ্তসাৰও প্ৰস্তুত কৰি লোৱা হৈছিল। বছৰটোত ছাত্ৰীনিৱাসলৈ ছাত্ৰীসকল অহাৰ পাছতেই ছাত্ৰীনিৱাসৰ নিয়মাৱলীৰ একোটাকৈ প্ৰতিলিপি দিয়া হৈছিল। ছাত্ৰীনিৱাসৰ ছাত্ৰী ওলোৱা সোমোৱা কৰা কাৰ্য মেট্ৰন বাইদেউৰ পোনপটীয়া তত্ত্বাৱধানত হৈছিল। ছাত্ৰীনিৱাসৰ মেচ পৰিচালনাৰ বাবে প্ৰত্যেক মাহতে মেচ চেক্ৰেটাৰী আৰু হিচাপ পৰীক্ষক নিযুক্তি দিয়া হৈছিল। সুলভ মূল্যৰ চেনী আৰু চাউলৰ বাবে খাদ্য আৰু অসামৰিক যোগান বিভাগলৈ প্ৰতি মাহে আৱেদন কৰিব লগা হৈছিল। সেই সময়ত মেচ দিউজ মাহে তিনিশ বিশ টকা আছিল। কোনো কোনো মাহৰ শেষত মেচ চলাই যদি টকা ৰাহি হয়, তেন্তে সেই ৰাহি হোৱা টকা আৱাসী সকলক ঘূৰাই দিয়া হৈছিল। নিতৌ সন্ধিয়াৰ উপস্থিতিৰ হিচাপ লোৱাৰ পাছতে শ্ৰীশ্ৰী মাধৱদেৱ বিৰচিত 'ব্ৰহ্মা আদি কৰি জীৱ যত..' প্ৰাৰ্থনাত সকলোৱে অংশগ্ৰহণ কৰিছিল।

আৱাসী সকলৰ কোঠা বিলাকত বিজুলী পাংখাৰ ব্যৱস্থা নথকাৰ বাবে আৰু বিশেষকৈ প্ৰথম মহলা (1st floor) ৰ ওপৰত সেই সময়ত কোনো ঘৰ নথকাৰ বাবে প্ৰধানকৈ সেই মহলাৰ আৱাসী সকলকে ধৰি সকলো আৱাসীয়েই গৰমৰ দিনত অসুবিধাৰ সন্মুখীন হৈছিল। ডুলিয়াজানৰ অইল ইণ্ডিয়াৰ বিষয়া আৰু ছাত্ৰীনিৱাসৰ আৱাসী ডলী গগৈৰ দেউতাকৰ পৰামৰ্শ অনুসৰি ছাত্ৰীনিৱাসৰ সকলো কোঠাৰ বাবেই অইল ইণ্ডিয়াৰ ফালৰ পৰা বিজুলী পাংখা বিচৰাৰ কথা ওলাইছিল। কিন্তু সেইসময়ত অইল ইণ্ডিয়াৰ কাৰ্যালয়ত মহাবিদ্যালয়ৰ বাবে তাতোকৈ এটা ডাঙৰ প্ৰকল্পৰ প্ৰস্তাৱ বিৱেচনাধীন হৈ থকাৰ বাবে সেই কথাটো আগ নাবাঢ়িল। ছাত্ৰীনিৱাসৰ ছাত্ৰীৰ আকস্মিক শাৰিৰীক অসুস্থতাত, বিশেষকৈ ৰাতি সেই সময়ৰ এজন নিৰ্দিষ্ট আৰু অনুমোদিত চিকিৎসকক মাতি আনিব লগা হৈছিল। গুৰুত্বৰ অসুস্থতাৰ ক্ষেত্ৰত ছাত্ৰীক অসম চিকিৎসা মহাবিদ্যালয়লৈ নি চিকিৎসা কৰোৱাৰ কথাও মনত আছে। ছাত্ৰীনিৱাসটোত





এটা লেণ্ড লাইন টেলিফোন (নম্বৰ-২৩৭৭৩১৯) আছিল। টেলিফোন বিল দুশ টকাতকৈ অধিক আহিলে দুশ টকাৰ উপৰঞ্চি টকা অধীক্ষকে মহাবিদ্যালয়ৰ কাৰ্যালয়ত জমা দিব লাগিছিল। টেলিফোনটোৰ বাবে তাৎক্ষণিক যোগাযোগত সুবিধা হৈছিল যদিও কিছু অসুবিধাৰো সন্মুখীন হ'ব লগা হৈছিল। টেলিফোনটোৰে বাহিৰৰ পৰা কোনোৱে আৱাসীৰ লগত কথা পাতিব বিচাৰিলে কোঠাসমূহৰ পৰা আৱাসীক মাতি আনি কথা পতাৰ সুবিধা কৰি দিয়াটো সম্ভৱ নাছিল। সেইবাবে কোৱা হৈছিল যে, কোনো আৱাসীক কোনোবাই কিবা প্ৰয়োজনীয় কথা ক'ব লগা থাকিলে আমাকে ক'ব পাৰে আৰু সুবিধা অনুযায়ী সেই কথা সংশ্লিষ্ট আৱাসীক জনোৱা হ'ব। খুব সম্ভৱ এই ব্যৱস্থাত ক্ষুন্ন হৈয়ে কোনো কোনোৱে আমাক প্ৰায় প্ৰতি দিনে তিনি বছৰলৈ হাৰাশাস্তি কৰিছিল। টেলিফোনটো বাজিলে কোনো প্ৰয়োজনীয় বা জৰুৰী কথাত কোনোবাই টেলিফোন কৰিছে বুলি পৰাপক্ষত লৰালৰিকৈ টেলিফোনটো ধৰা হয়। কিন্তু সিফালৰ পৰাহে কোনো উত্তৰ পোৱা নাযায়!

আমি ইতিমধ্যেই উল্লেখ কৰিছোঁ যে, ১৯৯৯ চনৰ আগষ্ট মাহৰ ৬ তাৰিখে ছাত্ৰীনিৱাসটোৰ অধীক্ষক হিচাপে এই লেখকৰ কাৰ্যকাল অন্ত পৰে আৰু নৱ নিযুক্ত অধিক্ষীকা অধ্যাপিকা ৰমা কান্তি দাসৰ হাতত ছাত্ৰীনিৱাসৰ দায়িত্ব অৰ্পন কৰি ইয়াৰ পৰা বিদায় লওঁ। ছাত্ৰীনিৱাসত অধীক্ষক হৈ থকা কালত অধ্যক্ষ ডিম্বেশ্বৰ চলিহা আৰু অধ্যক্ষ ড° শিৱ কান্ত দত্তক মহাবিদ্যালয়ৰ অধ্যক্ষ হিচাপে পাইছিলোঁ। এই খিনিতে উল্লেখ কৰিব বিচাৰো যে, অধ্যাপিকা মৰমী তালুকদাৰ, অধ্যাপিকা ৰমা কান্তি দাস আৰু অধ্যাপিকা কল্যাণী দাসে মহাবিদ্যালয়ত যোগদান কৰাৰ সময়ত কিছু দিনকৈ ছাত্ৰীনিৱাসত আছিল। ছাত্ৰীনিৱাসটোলৈ অহাৰ সময়ত আমাৰ কন্যা অনন্যা জ্যোতিৰ স্কুলীয়া জীৱন আৰম্ভ হোৱাই নাছিল। তেওঁক কেতিয়াবা কোনোবা 'বা' ই মৰমতে তেওঁলোকৰ কোঠালৈ লৈ গৈছিল আৰু কেতিয়াবা তেওঁ নিজেও গৈছিল। কিন্তু ঘূৰি আহোঁতেহে কেতিয়াবা পাউদাৰ, লিপষ্টিক্, ফোঁট আদি লৈ বেলেগ এজনী হৈ আহিছিল। সেই সময়ত ককায়েক কৌস্তুভ মণিৰ স্কুলীয়া জীৱন আৰম্ভ হৈছিল। মাক স্বৰ্ণলতা গগৈ প্ৰথমতে আমাৰ মহাবিদ্যালয়ত (অংশকালীন) আৰু পাছলৈ ডিব্ৰুগড় মহিলা মহাবিদ্যালয়ত তৰ্কবিদ্যা আৰু দৰ্শন শাস্ত্ৰৰ শিক্ষক ৰূপে কৰ্মৰত আছিল। অধ্যাপিকা ৰমা কান্তি দাস ছাত্ৰীনিৱাসটোৰ অধিক্ষীকা হৈ থকা কালত ছাত্ৰীনিৱাসটোৰ আনন্দ মধুৰ অনুষ্ঠানত আমাৰ পৰিয়ালৰ চাৰিও জন উপস্থিত থকাৰ সৌভাগ্য হৈছিল।

ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ ছাত্ৰীনিৱাসত অধীক্ষক হিচাপে অতিবাহিত কৰা তিনি বছৰৰ ছাত্ৰীনিৱাস, ইয়াৰ আৱাসী আৰু কৰ্মচাৰী আদিৰ লগত জড়িত লঘু-গুৰু বহু অভিজ্ঞতা আৰু স্মৃতি মনৰ মণিকূটত সঞ্চিত হৈ আছে। ২০১৮ চনৰ জানুৱাৰী মাহৰ ২০ তাৰিখে উদ্‌যাপন কৰিবলৈ লোৱা হীৰক জয়ন্তী উৎসৱৰ উপলক্ষত ইয়াৰে একাংশ প্ৰকাশ কৰি ছাত্ৰীনিৱাসটো যি সকলে প্ৰতিষ্ঠা আৰু পৰিচালনা কৰি গ'ল সেই সকললৈ আন্তৰিক শ্ৰদ্ধা নিৱেদন কৰিছোঁ। তদুপৰি, প্ৰতিষ্ঠা কালৰে পৰা বৰ্তমানলৈকে ছাত্ৰীনিৱাসৰ সকলো আৱাসী আৰু কৰ্মচাৰীলৈ, বিশেষকৈ এই লেখকে ছাত্ৰীনিৱাসত অধীক্ষক হিচাপে অতিবাহিত কৰা তিনি বছৰত লগ পোৱা সকলো আৱাসী আৰু কৰ্মচাৰীলৈ উপযুক্ত অনুসাৰে আন্তৰিক শ্ৰদ্ধা আৰু মৰম-চেনেহ নিৱেদন কৰিলোঁ।

জয়তু ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় ছাত্ৰীনিৱাস।○

# ছাত্ৰীনিৱাসত মোৰ ছটা বছৰ

✍ ৰমা কান্তি দাস

হেৰোৱা দিনৰ সুৱাস বিচাৰি মই যেতিয়া মনৰ মণিকোঠাত প্ৰৱেশ কৰোঁ, তেতিয়া বিশেষকৈ কানৈ মহাবিদ্যালয়ৰ ছাত্ৰীনিৱাসত অধীক্ষক হিচাপে কটোৱা ছটা বছৰৰ বহু স্মৃতিয়ে আমনি কৰে। মই ১৯৯৭ চনৰ নৱেম্বৰ মাহত কানৈ মহাবিদ্যালয়ত দৰ্শন বিভাগৰ প্ৰবক্তা হিচাপে যোগদান কৰিছিলোঁ আৰু তাৰ ঠিক ডেৰ বছৰৰ পাছতে এই মহাবিদ্যালয়ৰ ছাত্ৰীনিৱাসৰ অধীক্ষকৰ দৰে গুৰু দায়িত্ব ল'ব লগা হৈছিল। প্ৰয়াত ৰেখা দাসৰ পিছত ময়েই ছাগৈ কানৈ মহাবিদ্যালয়ৰ ছাত্ৰীনিৱাসৰ দ্বিতীয় গৰাকী অধীক্ষক, যি জীয়ৰী কালতে এই দায়িত্ব পালন কৰিবলৈ আগবাঢ়ি আহিছিলোঁ।

সেই দিনটো আছিল জুন মাহৰ কোনোবা এটা দিন, আমাৰ গৰমৰ বন্ধ চলি আছিল। মই মোৰ ভগ্নীক উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ নাম ভৰ্তিৰ বাবে বানপানীৰ মাজতে পাৰ হৈ মাজুলীৰ পৰা আহি আমাৰ মহাবিদ্যালয় পাইছিলোঁ আৰু ভগ্নীৰ নাম ভৰ্তিৰ যাৱতীয় প্ৰ-পত্ৰ পূৰণ কৰি অধ্যক্ষ শিৱকান্ত দত্ত ছাৰক এযাৰ মাত লগাবলৈ গৈছিলোঁ। মোক দেখি ছাৰে কৈছিল—"তই আহিলি বৰ ভাল হ'ল। মই ছাত্ৰীনিৱাসৰ অধীক্ষকৰ পদৰ বাবে বিজ্ঞাপন দিছিলোঁ, কোনো অধ্যাপিকাই আবেদন নকৰিলে, মই বৰ বিপদত পৰিছোঁ। তই এই দায়িত্ব গ্ৰহণ কৰি মোক সহায় কৰ; নহ'লে গৰমৰ বন্ধৰ পিছত ছাত্ৰীনিৱাস খুলিবলৈ মস্কিল হ'ব।" মই ছাৰৰ অনুৰোধ উপেক্ষা কৰিব নোৱাৰি অনিচ্ছা সত্ত্বেও ছাত্ৰীনিৱাসৰ দায়িত্ব গ্ৰহণ কৰিছিলোঁ। সহকৰ্মীসকলৰ এচামে কৈছিল —"ৰমাই ভুল কৰিছে, অকলে ইমান গধুৰ দায়িত্ব ল'ব নালাগিছিল।" ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক প্ৰয়াত আহ্‌মেদ ছাৰে কৈছিল —"বৰ কম বয়সত দায়িত্ব লৈছা, ছাত্ৰীসকলৰ পৰা নিৰ্দিষ্ট দূৰত্ব বজাই ৰাখিবা।" দৰ্শন বিভাগৰ মুৰব্বী অধ্যাপিকা অলকা বৰুৱা বাইদেৱে কৈছিল, "ৰমা পাৰিবা! ময়ো বহুত বছৰ আছিলোঁ, চিন্তা নকৰিবা।" মই জ্যেষ্ঠ সহকৰ্মীসকলৰ উপদেশমূলক কথাবোৰ মনত ৰাখি সাৱধানে ছাত্ৰীনিৱাস চলাবলৈ যত্ন কৰিছিলোঁ।

এনেকৈয়ে এদিন টিকেন্দ্ৰজিৎ গগৈ ছাৰৰ পৰা অধীক্ষকৰ দায়িত্ব চমজি লৈ আমাৰ মহাবিদ্যালয়ত অধ্যয়ন কৰিবলৈ অহা ভন্টী দুজনীক লগত লৈ ভূতবাংলা সদৃশ বৃহৎ ছাত্ৰীনিৱাসটোত থাকিবলৈ আহিছিলোঁ। তেতিয়া কানৈ মহাবিদ্যালয়ৰ চৌহদ আজিৰ দৰে গমগমীয়া নাছিল, ওচৰৰ ছাত্ৰাবাসতো আছিল এবাহমান ছাত্ৰ; ছাত্ৰাবাসৰ অধীক্ষক নৰেন্দ্ৰ মাহেলা ছাৰৰ পৰিয়াল, দিলীপ ভূঞা ছাৰ (বৰ্তমান মনোহাৰী দেৱী কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ), পৰেশ বৰুৱা ছাৰ (বৰ্তমান ডিব্ৰু মহাবিদ্যালয়ৰ অধ্যক্ষ) আৰু লক্ষীবাইৰ পৰিয়ালটো আছিল। মহাবিদ্যালয়ৰ শ্ৰেণীসমূহ চলি থকাৰ সময়খিনি বাদ দি এক মৰিশালি সদৃশ নিৰ্জনতা। সন্মুখৰ এফালে উন্মুক্ত পথাৰ, নাই গড়-খাৱৈ বা বেৰৰ ব্যৱস্থা; খৰালি দিনত নালিয়াপুলৰ ফালৰ মানুহৰ shortcut ৰাস্তা। সন্মুখৰ আনটো ফালে আছিল পোতা-পিতনিৰে ভৰা পুখুৰীটো, য'ত সাপ-বেঙৰ অবাধ ৰাজত্ব। অৱশ্যে, তেতিয়াও ছাত্ৰীনিৱাসৰ চাৰিওফাল পকা দেৱালেৰে আবৃত্ত আছিল। আনহাতে, ছাত্ৰীনিৱাসৰ খিৰিকীসমূহৰ সিংহভাগ আইনাবিহীনভাৱে ওলমি আছিল, আৰু দৰ্জাবোৰৰ অৱস্থা একোটা জঁকাৰ দৰে আছিল, এক গোৰ মাৰিলে কৰ্ফালি খাই ওফৰি পৰিব। অধীক্ষকৰ শোৱনি কোঠাত পাতি থ'ব লাগিছিল চৰিয়া-বাল্টি, যাতে বৰষুণৰ পানীয়ে কোঠাটো জলমগ্ন নহয়। পাইখানাৰ পেনৰ অৱস্থা দেখি আমাৰ সহকৰ্মী ৰীতা পোদ্দাৰে গালি পাৰিছিল "ক'ত সোমালিহি" বুলি। তেতিয়ালৈ ময়ো লাহে লাহে বুজি পাইছিলোঁ অধীক্ষকৰ পদৰ বাবে কিয় কোনেও আবেদন কৰা নাছিল। এনেকৈয়ে ছাত্ৰীনিৱাসৰ অস্বস্তিকৰ পৰিৱেশতে প্ৰায় নবৈ গৰাকী

আৱাসীক লৈ মই অধীক্ষকৰ দায়িত্ব পালন কৰিবলৈ গৈছিলোঁ। আবেদন লৈ অধ্যক্ষ ছাৰৰ ওচৰলৈ তাঁত-বাতি কৰোঁ—দৰ্জা-খিৰিকীৰ আইনা লগাই মেৰামতি কৰিব লাগে, ছাদৰ পৰা পানী বিৰিঙি পৰা বন্ধ কৰিব লাগে, চুণ-তেল লগাব লাগে, পিতনি পুখুৰী চফা কৰিব লাগে, গেছ পাইপ লাইন বহুৱাব লাগে, বিজুলী পাংখা লগাব লাগে, কিমান যে দাবী আৰু কিমান যে গালি খালোঁ কোনো হিচাপ নাই। "তোৰ হোষ্টেলৰ কাম কৰিবলৈ মই ইয়াত বহি আছোঁ নেকি? আগৰ প্ৰিন্সিপালসকলে একো নকৰিলে, মইহে সকলো কৰিব লগা হৈছে"—এইয়া আছিল অধ্যক্ষ ছাৰৰ ভাষ্য। মই মাত্ৰ কৈছিলোঁ "আপোনাৰ নিজৰ ছোৱালী যদি ইয়াত থাকিলেহেঁতেন তেতিয়াহে অনুভৱ কৰিলেহেঁতেন, মই ইয়াত থাকোঁ কাৰণে বুজি পাওঁ ইয়াত এনেকৈ থকাটো কিমান নিৰাপদ?" অৱশ্যে মুখেৰে টানকৈ ক'লেও ছাৰে পৰ্যায় ক্ৰমে দৰ্জা-খিৰিকীত আইনা লগাই মেৰামতি কৰাই দিছিল। পিতনি পুখুৰী চফা কৰোৱাইছিল, চুণ-তেল দি ভৱনটো দেখনিয়াৰ কৰি তুলিছিল। ওপৰৰ মহলাত টিনৰ আচ্ছাদন দি ছাত্ৰীনিৱাসৰ ঐতিহ্যময় ভৱনটো সুৰক্ষিত কৰিবলৈ যত্ন কৰিছিল। এই প্ৰসংগতে এটা কথা মোৰ মনত পৰে—ছাত্ৰীনিৱাসৰ টিনৰ আচ্ছাদন দিয়াৰ সময়ত অভিযন্তা চঞ্চল ৰাজকোঁৱৰ আৰু তেওঁৰ সহযোগী অভিযন্তা গৰাকীয়ে কৈছিল যে যিহেতু ভৱনটো যথেষ্ট পুৰণি আৰু ইয়াৰ নিৰ্মাণ কাৰ্যও বৰ মজবুত নহয়, গতিকে ইয়াৰ ওপৰত টিন লগোৱাৰ বাহিৰে আন কোনো নিৰ্মাণ কাৰ্য কৰাটো সম্ভৱপৰ নহ'ব। কিন্তু, পৰৱৰ্তীকালত কেনেকৈ ওপৰ মহলাত কোঠা নিৰ্মাণ কৰিলে সেয়া বুজি নাপালোঁ।

মই আৱাসীসকলৰ লগত আলোচনা কৰি তেওঁলোকৰ Caution money-ৰ এটা অংশ বৰঙনি হিচাপে তুলি ১৯,০০০ (ঊনৈশ হাজাৰ) টকা সংগ্ৰহৰ ব্যৱস্থা কৰি দিছিলোঁ। সেই পুঁজিৰে ছাত্ৰীনিৱাসৰ ৰান্ধনিশালত গেছ পাইপ লাইনৰ সংযোগ হৈছিল, যি আজিও চলি আছে। এনেকৈয়ে লাহে লাহে ছাত্ৰীনিৱাসটো ভাল লগা হৈছিল, নিজৰ নিজৰ ভাব এটা সোমাই গ'ল। যাৰ বাবে হয়তো আজিও মোক ছাত্ৰীনিৱাসৰ ভাল লগা কথাবোৰে আনন্দ দিয়ে আৰু কিবা বেয়া দেখিলে বা শুনিলে পীড়া অনুভৱ কৰোঁ।

ছাত্ৰীনিৱাসত সোমায়েই সন্মুখীন হোৱা বিৰক্তিকৰ সমস্যাটো হৈছে ৰেগিং নামৰ অপসংস্কৃতিটো। মই টিকেন্দ্ৰজিৎ গগৈ ছাৰৰ পৰা অধীক্ষকৰ দায়িত্ব লওঁতে ছাৰে কৈছিল " আপোনাৰ কপাল ভাল! আচল কেইজনী পৰীক্ষা দি ওলাই গ'ল। এতিয়া থকা খিনিৰ পৰা বৰ এটা সমস্যা নাপাব।" তথাপি মই মন কৰিছিলোঁ নতুনকৈ অহা আৱাসীসকলৰ মূৰত তেল ঢালি দিয়ে, কঁপালত ক'লা ফোঁট দিয়ে, নিজে চুটি স্কাৰ্ট-হাফপেন পিন্ধি নৱাগতাসকলক দীঘল কাপোৰ পিন্ধিবলৈ বাধ্য কৰে, প্ৰাৰ্থনা সভাত চিনাকি হোৱাৰ নামত বহু সময়ত থিয় কৰাই থয়। এনে বহুতো অনিয়ম মই প্ৰথম অধীক্ষক হৈ আহোঁতে চকুত পৰিছিল আৰু এইখিনি নাইকিয়া কৰিবলৈ মই যথেষ্ট চেষ্টা কৰিছিলোঁ। সৰু-ডাঙৰ সকলোৰেই যাতে মাৰ্জিত পোছাক পৰিধান কৰে তাক গুৰুত্ব দিছিলোঁ। নৱাগতাসকলে ৰেগিঙৰ নামত যাতে কোনো মানসিক নিৰ্যাতনৰ বলি নহয় সেই কথাত সততে চকু দিছিলোঁ। মই যিহেতু বিশ্বাস কৰোঁ, নেপ'লিয়নৰ সেই প্ৰখ্যাত উক্তি—The world suffers a lot not because of the violence of bad people, but the silence of good people আৰু সেইবাবে ৰেগিঙত আগভাগ লোৱা ছাত্ৰীসকলক চিনাক্ত কৰি মোক জনাবলৈ নৱাগতা ছাত্ৰীসকলক উৎসাহ দিছিলোঁ। সেইমতে বহুতেই খবৰো দিছিল। ৰেগিঙত আগভাগ লোৱা বহু ছাত্ৰীক অধ্যক্ষ-উপাধ্যক্ষ তথা তেওঁলোকৰ অভিভাৱকৰ সন্মুখত থিয় কৰাই ক্ষমা খুজিবলৈ বাধ্য কৰাইছিলোঁ। যাৰ বাবে বহু আৱাসীয়ে মোক বেয়া পাইছিল। অৱশ্যে, ময়ো কেতিয়াও সস্তীয়া জনপ্ৰিয়তাৰ পিছত দৌৰা নাছিলোঁ, যিটো শুদ্ধ আৰু দায়িত্ব বুলি ভাৱিছিলোঁ তাকে কৰিছিলোঁ। কিন্তু, দুৰ্ভাগ্যজনক কথাটো হ'ল সেই ৰেগিঙৰ বীজ আজিও সম্পূৰ্ণ নিৰ্মূল হোৱা নাই যেন লাগে! এতিয়াও মহাবিদ্যালয়ৰ নতুন শিক্ষাবৰ্ষ আৰম্ভ হ'লে ক্লাছ কৰিবলৈ অহা ক'লা ফোঁট পিন্ধা তেল-টুপী ছোৱালী কেইজনী দেখিলেই মোৰ বিগত দিনবোৰলৈ মনত পৰে আৰু মনটোৱে পুনৰ হাঁহাকাৰ কৰি উঠে।

ছাত্ৰীনিৱাসৰ দায়িত্ব গ্ৰহণ কৰাৰ পাছত বিজুলী সংযোগৰ ব্যৱস্থাটোক লৈ অন্য এক বিৰক্তিকৰ অভিজ্ঞতা হৈছিল। ইয়াৰ আওপুৰণি বৈদ্যুতিক তাঁৰবোৰে মূৰৰ কামোৰণি সৃষ্টি কৰিছিল। কিবা এটা ভাল কৰিবলৈ গ'লে দহটা নতুন সমস্যা ওলাইছিল। Low Voltage-ৰ সমস্যাই জীয়াতু ভোগাইছিল। এটা মহলাত বিজুলী যোগান থাকিলে আনটোত নাথাকে নতুবা টিমিক টামাককৈ জ্বলে। পানীমটৰ চলোৱাত প্ৰায়েই অসুবিধা হৈছিল। সেইসময়ত, ছাত্ৰীনিৱাসৰ

বিজুলী সংযোগ ব্যৱস্থাটো ভূমিগত (Under Ground) আছিল; সেয়েহে, ক'ত বিজুটি আছে তাক চাবলৈ উপায় নাছিল। সেই ভূমিগত বিজুলী সংযোগটো নতুনকৈ Surface connection কৰোৱাবলৈ বিদ্যুৎ পৰিষদৰ কাৰ্যালয়লৈ অহা যোৱা কৰোঁতে বাটৰ দুববি বন মৰিছিল। অৱশ্যে, পলমকৈ হ'লেও বিজুলী সংযোগৰ সমস্যাটো সমাধান কৰিছিলোঁ যাৰ বাবে মই আৰু মোৰ পূৰ্বসুৰী অধীক্ষকসকলে ভোগা বিজুলীৰ সমস্যাটো পৰৱৰ্তী অধীক্ষকসকলে ভুগিবলগীয়া হোৱা নাই।

ছাত্ৰীনিৱাসৰ বৃহৎ চৌহদটো পৰিষ্কাৰ কৰি ৰখাটোও এটা ডাঙৰ সমস্যা আছিল। মেছৰ পইচাকেইটাৰ পৰাই বিজুলী বাতিৰ পৰা আৰম্ভ কৰি ফেনাইল কিনালৈকে সকলো মিলাব লগা হৈছিল। হাবি-জংঘল পৰিষ্কাৰ কৰিবলৈ বা অন্য কোনো উন্নয়নমূলক কাম কৰিবলৈ সুকীয়াকৈ কোনো পুজিঁৰ ব্যৱস্থা নাছিল। আজিৰ নিচিনা Contigency বুলি কোনো পুঁজিৰ ব্যৱস্থাও নাছিল, ইচ্ছা কৰিয়েই কৰাও নাছিলোঁ। কাৰণ মই জানিছিলোঁ অধিকাংশ আৱাসীৰ তেতিয়া ঘৰুৱা অৱস্থা ভাল নাছিল। এই ক্ষেত্ৰত ৰান্ধনিকেইজন ক্ৰমে চন্দ্ৰেশ্বৰ, পূৰ্ণেশ্বৰ আৰু জীৱনৰ নাম ল'বই লাগিব। তেওঁলোকে ৰান্ধনিশালৰ দায়িত্ব পালন কৰাৰ উপৰিও নিয়মীয়াকৈ চৌহদ পৰিষ্কাৰ কৰিছিল। তেওঁলোকে ইমান কম দৰ্মহাত কাম কৰিছিল যে বেছিকৈ কামত খটুৱাবলৈও বেয়া লাগিছিল। তেনেকৈয়ে ছাত্ৰীনিৱাসৰ ভিতৰখন বিশেষকৈ শৌচাগাৰ আৰু স্নানাগাৰসমূহ পৰিষ্কাৰ কৰি ৰখাটো মস্কিল হৈছিল। জেলেপী আৰু মঞ্জুক এইবিলাক কামত লগালে সদায়েই একেটা কথা—"ইমান কম দৰ্মহাত কাম কৰিব লাগে।" সেয়েহে নিজে লাগিব লাগে, নহ'লে প্ৰায়েই কামত ফাঁকি দিছিল। সেইবাবে প্ৰতিটো দেওবাৰে ৰাতিপুৱা ছাত্ৰীসকলক পালপাতি শৌচালয়, স্নানাগাৰৰ পৰা আৰম্ভ কৰি ৰান্ধনিশাল, ভোজন গৃহ, প্ৰাৰ্থনাগৃহ, অতিথি গৃহ, ফুলনি আদি চাফ-চিকুণকৈ ৰাখিবলৈ দায়িত্ব দিছিলোঁ আৰু নিজেই কামৰ তদাৰক কৰিছিলোঁ।

ছাত্ৰীনিৱাসত থাকোঁতে আৱাসীসকলক লৈ আৰু এটা সমস্যাত পৰিছিলোঁ। আৱাসীসকলৰ অসুখ-বিসুখ হ'লে চিকিৎসকৰৰ ওচৰলৈ অনা-নিয়া কৰাত যথেষ্ট সমস্যা হৈছিল। নিজৰো তেতিয়া কোনো বাহন নাছিল। ৰাতি এক-দুই বজাত অসম চিকিৎসা মহাবিদ্যালয়ৰ জৰুৰীকালীন (Causality) বিভাগলৈ প্ৰায়ে নিবলগীয়া হৈছিল; বিশেষকৈ পৰীক্ষাৰ সময়ত ইয়াৰ প্ৰকোপ বাঢ়ে। এইখন মহাবিদ্যালয়ত কিছুমান মহাবিদ্যালয়ত থকাৰ দৰে ছাত্ৰীনিৱাসৰ বাবে কোনো আৱাসীক চিকিৎসকৰ ব্যৱস্থা নাছিল। সেয়েহে, নিজৰ চিনাকি চিকিৎসক বিচাৰি মাতি আনি চিকিৎসাৰ ব্যৱস্থা কৰিবলগীয়া হৈছিল। এই ক্ষেত্ৰত ডাঃ হেমহৰি পেগুৰ (বৰ্তমান পূজা হস্পিটেলৰ স্বত্বাধিকাৰী তথা প্ৰাক্তন আৱাসী অৰ্চনা পেগুৰ স্বামী) সহায় পাহৰিব নোৱাৰোঁ। তেওঁ ৰাতি এক-দুই বজাত মাতিলেও পত্নী অৰ্চনাক লগত লৈ ছাত্ৰীনিৱাসৰ আৱাসীৰ প্ৰাথমিক চিকিৎসা কৰি গৈছিল আৰু তাৰ বাবে কোনো মাননি নলৈছিল।

ইয়াৰ মাজতে মোৰ সহকৰ্মী অনন্ত টেৰণৰ সৈতে বিবাহ হৈ গৈছিল আৰু বিয়াৰ পাছত তেওঁ আমাৰ লগতে ছাত্ৰীনিৱাসত থাকিবলৈ লৈছিল। দুয়োজন একে মহাবিদ্যালয়ৰ শিক্ষক হোৱা বাবে আৱাসীসকলক নিয়ন্ত্ৰণ কৰিবলৈ সুবিধা হৈছিল। বহুতে কৈছিল —"এতিয়া ডাবল ছুপাৰ আছে, চিন্তা নাই।" সঁচাকৈয়ে তেওঁ পিছৰ তিনিবছৰ ছাত্ৰীনিৱাস চলোৱাত মোক অনেক সহায় কৰিছিল।

ইতিমধ্যে, বিভিন্ন কাৰণত কানৈ ছাত্ৰাবাসটো বন্ধ হৈছিল। ছাত্ৰীনিৱাসৰ সংগৃহীত পুঁজিৰে দুয়োটা নিৱাসৰ প্ৰাথমিক প্ৰয়োজনসমূহ পূৰাবলগীয়া হৈছিল। উন্নয়নমূলক কামত কিছু স্থবিৰতা আহিছিল। ছাত্ৰীনিৱাসৰ কোঠাসমূহত বিজুলী পাংখাৰ ব্যৱস্থা কৰিব পৰা নগ'ল। অৱশ্যে মেছৰ ৰাহি হোৱা টকাৰে ভোজন গৃহত দুখন পাংখাৰ ব্যৱস্থা কৰা হৈছিল। পঢ়াৰ পৰিৱেশ যাতে বিনষ্ট নহয় আৰু গৰমৰ দিনত আৱাসীসকলৰ থকা-মেলাত যাতে কষ্ট নহয় তালৈ লক্ষ্য ৰাখি মই প্ৰতিটো কোঠাৰ আৱাসীৰ সংখ্যা পাঁচ গৰাকীৰ পৰা চাৰি গৰাকীলৈ কমাই দিছিলোঁ। কাৰণ, মই লক্ষ্য কৰিছিলোঁ যে একোটা কোঠাত আৱাসীৰ সংখ্যা বেছি হ'লে তাত পঢ়াতকৈ কথা পতাৰ পৰিৱেশটোহে গঢ় লৈছিল, আনহাতে গৰমৰ দিনকেইটাত তেওঁলোকে থকা-মেলাত যথেষ্ট অসুবিধা পাইছিল।

সেই সময়তে আমাৰ মহাবিদ্যালয়ত নাকৰ পৰিদৰ্শনৰ বাবে যো-জা কৰাৰ কথাও আহি পৰিছিল। ছাত্ৰীনিৱাসৰ সামগ্ৰিক পৰিৱেশ দৰ্শন কৰি নাকৰ প্ৰতিনিধিসকলে যাতে সন্তুষ্ট হয় তালৈ লক্ষ্য ৰাখি প্ৰাক্তন অধীক্ষকসকলক কামৰ তদাৰক কৰিবলৈ বিশেষভাৱে দায়িত্ব

অৰ্পন কৰিছিল। সেইমতে, তেওঁলোকেও নিজৰ অভিজ্ঞতাখিনি প্ৰয়োগ কৰিবলৈ চেষ্টা কৰিছিল আৰু মোক যাৱতীয় দিহা-পৰামৰ্শ আগবঢ়াইছিল। ময়ো তেওঁলোকৰ পৰামৰ্শসমূহ কাৰ্যকৰী কৰিবলৈ চেষ্টা কৰিছিলোঁ। ইয়াৰ বাবে ছাত্ৰীনিৱাসৰ ভগ্ন চানচেট, বাৰাণ্ডা, ৰান্ধনিশাল আৰু ভোজন কক্ষৰ ভগ্ন মজিয়াৰ মেৰামতিৰ বাবে আবেদন কৰিছিলোঁ। সেইমতে নাকৰ পৰিদৰ্শনৰ আগে আগে মেৰামতি কাম সম্পূৰ্ণ হৈছিল। ছাত্ৰীনিৱাসৰ ভিতৰ আৰু বাহিৰৰ চৌহদ পৰিষ্কাৰ কৰাত মই নিজে উদ্যোগ লৈছিলোঁ আৰু ছাত্ৰীসকলেও স্বইচ্ছাৰে পূৰ্ণ সহযোগিতা আগবঢ়াইছিল। উদ্ভিদ বিজ্ঞান বিভাগৰ পৰা এচিডৰ বটল আনি মই নিজহাতে ছাত্ৰীনিৱাসৰ শৌচাগাৰৰ পেনবিলাক ঘঁহি ঘঁহি চফা কৰাৰ কথা আজিও মোৰ মনত সজীৱ হৈ আছে। ২০০৩ চনৰ ছেপ্টেম্বৰ মাহৰ শেষৰ দিনকেইটাত নাকৰ প্ৰতিনিধিসকল আহি জিৰণী কোঠাত বহি তেওঁলোকে ছাত্ৰীনিৱাসৰ সামগ্ৰিক পৰিৱেশৰ শলাগ লৈছিল। বিশেষকৈ অধীক্ষকে আৱাসীসকলৰ লগত একেখন ছাদৰ তলত বাস কৰাটো তেওঁলোকে বৰ ভাল পাইছিল। পিছত মহাবিদ্যালয়খনে B++ গ্ৰেড পোৱাৰ আনন্দত ছাত্ৰীসকলৰ সৈতে এসাজ খোৱাৰ স্মৃতিয়ে এতিয়াও মন পুলকিত কৰে।

তাৰপাছতে মোৰ ওভতনি যাত্ৰা আৰম্ভ হৈছিল। খনীয়াগাঁৱত মাটি ক্ৰয় কৰি গৃহ নিৰ্মাণৰ কাম আৰম্ভ কৰিছিলোঁ। মহাবিদ্যালয়ৰ চৌহদৰ পৰা খনীয়া গাঁৱত গৃহ নিৰ্মাণ কৰিবলৈ অহা-যোৱা কৰোঁতে টেৰণৰ কষ্ট হৈছিল, ওচৰলৈ যাব লাগে। "ঘৰৰ খুটাটো পোতোতেই ঘৰ নহয়, বহুত দিন লাগিব, ঘৰ সম্পূৰ্ণ হ'লে যাবা" অলকা বাইদেৱে কৈছিল। ভৱেন বৰুৱা ছাৰে কৈছিল, "তোমালোক দুজন মানুহ থাকিলে ছাত্ৰীনিৱাসত বহুত সুবিধা হয়, লাহে লাহে যাবা।" অধ্যক্ষ দত্ত ছাৰে কৈছিল, "আগতে মানুহ বিচাৰি আনি দে, তাৰ পিছত হোষ্টেল এৰিব পাৰিবি।" গতিকে, মনে মনে মানুহৰ সন্ধান কৰিছিলোঁ। কোন হ'ব ছাত্ৰীনিৱাসৰ অধীক্ষক? আজিৰ নিচিনা তেতিয়া ছাত্ৰীনিৱাসৰ অধীক্ষক পদৰ বাবে ঠেলা-হেঁচা নাছিল। বহুতক সুধিলোঁ, কোনো দায়িত্ব ল'বলৈ নাহে। এইবাৰ মহিলাক বাদ দি বিবাহিত পুৰুষ কোনোবা আহে নেকি বিচাৰিলোঁ; নাই, কোনো নাহে। তেনে সময়তে সহকৰ্মী অনন্ত দত্তৰ ঘৰত চুৰি হৈছিল। তেওঁ ভাৰাঘৰ সলাব বুলি গম পাই আমি সপৰিয়ালে তেওঁৰ ঘৰ পালোঁগৈ আৰু তেওঁক ভাৰাঘৰ বিচৰাৰ পৰিৱৰ্তে ছাত্ৰীনিৱাসৰ অধীক্ষকৰ দায়িত্ব ল'বলৈ আহ্বান কৰিছিলোঁ। অধ্যক্ষ দত্ত ছাৰকো অনন্তদাক অধীক্ষক পদত অধিষ্ঠিত কৰি মোক দায়িত্বৰ পৰা সকাহ দিবলৈ অনুৰোধ কৰিছিলোঁ। সেইমতে, ২০০৪ চনত গৰম বন্ধ খোলাৰ পিছত অনন্তদাই মোৰ পৰা অধীক্ষকৰ দায়িত্ব চমজি লৈছিল আৰু ময়ো ছাত্ৰীনিৱাসৰ সক্ৰিয় দায়িত্বৰ পৰা অব্যাহতি পাইছিলোঁ।○

# সৰা শেৱালি বুটলি...

✍ অনন্ত কুমাৰ দত্ত

ক'ৰপৰা আৰম্ভ কৰোঁ? কি লিখোঁ, কি নিলিখোঁ? বহু কথাই জুমুৰি দি ধৰিছে কলমটো হাতত লোৱাৰপৰাই। কাৰণ? মই কোনো প্ৰতিষ্ঠিত লেখক নহওঁ। তথাপি উদ্‌যাপন সমিতিৰ মাননীয় সম্পাদক মহোদয়ৰ কঠোৰ নিৰ্দেশত হাতত কলম তুলি ল'বলৈ বাধ্য হৈছোঁ—কিবা এটা লিখিবই লাগিব। অৱশ্যে জীৱনৰ বাটেদি বাট বুলি আহি থাকোঁতে নিজৰ ক্ষেত্ৰত ঘটা আৰু ইপিনে সিপিনে দেখা ঘটনাবোৰৰ বিষয়ে লিখিবলৈ মন যায় যদিও অনভ্যাসে হতবিদ্যা হোৱাৰ দৰে লিখোঁ বুলি ভবা কোনটো বস্তু ক'লৈ লৰ মাৰে তাৰ ভয়তে দূৰতে বিদূৰ হওঁ। এতেকে, লিখিবলৈ ভাবুকি দিয়াসকলৰপৰাও বহু দূৰততে অৱস্থান কৰোঁ। কিন্তু কি হ'ব! ভোক নিবাৰণৰ স্থলী একেখন হোৱা বাবে এইবাৰ বুজি উঠিছোঁ যে সাৰিব নোৱাৰিম।

গতিকে, এয়া কাগজ আৰু কলম। লগতে অতীতৰ ওচৰত আত্মসমৰ্পণ।

২০০৪ চনৰ ১ জুন। সেইদিনাই মই অধীক্ষক (superintendent—চমুকৈ ছুপাৰ) হিচাপে ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ কলেজৰ ছাত্ৰীনিবাসটোৰ দায়িত্ব লৈ ইয়াৰ লগতে থকা আৱাসলৈ আহোঁ। মোৰ লগতে নিৰীক্ষক (warden)হিচাপে হোষ্টেললৈ আহে সহকৰ্মী শ্ৰীমতী অদিতি কোঁৱৰ। অৱশ্যে আমি অহাৰ আগতে হোষ্টেলত নিৰীক্ষকৰ কোনো বিষয়বাব নাছিল। সেই সময়ত হোষ্টেলটোত আৱাসী ছাত্ৰীৰ সংখ্যা আছিল তেনেই নগণ্য। দূৰ-দূৰণিৰপৰা অহা অসংখ্য ছাত্ৰীয়ে শিক্ষা গ্ৰহণ কৰা এই ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠানৰ হোষ্টেলটিত আৱাসীৰ তেনে দুখ লগা সংখ্যা দেখি কাৰণ ফঁহিয়াই চাই দেখিছিলোঁ যে হোষ্টেলৰ নামভৰ্তিৰ নিয়মাৱলীৰ আঁসোৱাহৰ বাবেই তেনে হৈছিল। তেতিয়া নিয়ম আছিল এনেকুৱা—কলেজত নামভৰ্তি কৰাৰ পাছতহে ছাত্ৰীসকলে হোষ্টেলত আসন লাভৰ কাৰণে আবেদন কৰিব লাগে। তাৰ পাছত কৰ্তৃপক্ষই চালি-জাৰি চাই উপযুক্তসকলৰ নামৰ তালিকা প্ৰকাশ কৰে। তাৰ পাছতহে হোষ্টেলত সেইসকলৰ প্ৰৱেশ কৰা-নকৰাৰ কথা আহে। এনে ব্যৱস্থাটোত যথেষ্ট সময় খৰচ হৈছিল। গতিকে সেই দীঘলীয়া প্ৰক্ৰিয়াটো সম্পন্ন হোৱাৰ পূৰ্বেই কলেজত পাঠদান আৰম্ভ হৈছিল বাবে হোষ্টেলত আসন পাম নে নাপাম বুলি দোমোজাত থকাতকৈ সৰহ সংখ্যক ছাত্ৰীয়ে প্ৰাইভেট হোষ্টেল, মেচ আদিতে থাকিবলগীয়াত পৰিছিল।

মই সেই নিয়ম আঁতৰাই কলেজত সাধাৰণ নামভৰ্তিৰ দিনাই হোষ্টেলৰো নামভৰ্তিৰ ব্যৱস্থা আৰম্ভ কৰিছিলোঁ। ফলত বছৰে বছৰে হোষ্টেলটোত আৱাসীৰ সংখ্যা বাঢ়ি গৈ এটা সময়ত এশ চাৰিগৰাকী হৈছিলগৈ। সেই সময়তে ক্ৰমবৰ্ধমান আৱাসীৰ প্ৰতি লক্ষ্য ৰাখি দ্বিতীয় মহলাত অতিৰিক্ত কোঠালিসমূহ নিৰ্মাণ কৰা হৈছিল।

আমাৰ দিনত অধীক্ষক, নিৰীক্ষক আৰু আৱাসীসকলৰ মাজৰ সম্পৰ্ক কেনে আছিল সেই কথা সেই সময়ৰ আৱাসীসকলে মোতকৈ বেছি ভালদৰে ক'ব পাৰিব। মই মাত্ৰ এইটোৱেই ক'ব পাৰোঁ যে হাজাৰ সমস্যাৰ মাজতো আমি একেটা পৰিয়ালৰ দৰে আছিলোঁ।

অধীক্ষক হিচাপে মোৰ কাৰ্যকালত হোষ্টেলটোৰ আৱাসী হিচাপে পোৱা ছাত্ৰীসকলৰ বহুতৰে নাম বয়সৰ চাপে ক্ৰমশঃ পাহৰাইছে যদিও মুখবোৰ কিন্তু এতিয়াও পাহৰা নাই। সকলোৰে লগতে সম্পৰ্ক ৰক্ষা কৰি যোৱাটো সম্ভৱ হৈ থকা নাই যদিও তেওঁলোকৰ অনেকৰ সৈতে আজিও মোৰ ঘৰখনৰ আত্মীয়তা অটুট আছে।

হোষ্টেলত থকা দিনবোৰ যে জীৱনৰ অন্যতম সোণালী দিন সেই কথা সকলোৰে লগতে আমিও উপলব্ধি কৰোঁ। কাৰণ, নিঃস্বাৰ্থ বন্ধুত্বৰ এনাজৰীৰে বান্ধ খাই জীৱনৰ শৈক্ষিক দিশৰ লগতে সামাজিক জীৱনৰ বহু কথাই হোষ্টেলীয়া

কালছোৱাত শিকিব পাৰি। বেলেগ বেলেগ স্থান, পৰিৱেশ আৰু সাংস্কৃতিক প্ৰেক্ষাপটৰপৰা অহা ছাত্ৰীসকলৰ মনৰ ভিন্নতাবোৰ এৰা-ধৰাৰ মাজেদি ক্ৰমশঃ নোহোৱা হৈ হোষ্টেলত যি এক মিলাপ্ৰীতিৰ পৰিৱেশ ৰচনা হয় সি আচলতে জগতত নিজৰ অৱস্থান সম্পৰ্কে আমাক নতুনকৈ দিশ নিৰ্দেশনা দিয়ে। এনে ভিন্নতাকো যি হোষ্টেলীয়া জীৱনৰ বন্ধুত্বৰ এনাজৰীয়ে নোহোৱা কৰি পেলায় সেই হোষ্টেলীয়া জীৱনৰ আত্মীয়তাৰে পাৰ কৰা দিনবোৰ কিয়নো সোঁৱৰণিৰ সোণালী দিন নহ'ব!



মনত পৰিছে, আমাৰ দিনত হোষ্টেলত বিভিন্ন উৎসৱ-অনুষ্ঠান নিয়াৰিকৈ পালন কৰা হৈছিল। সাধাৰণতে বছৰি নিয়ম অনুসাৰে পতা নৱাগতা আদৰণী সভাখন আমি দায়িত্ব লোৱাৰ সময়ত হোষ্টেলটোত অনুষ্ঠুপীয়াকৈ উদ্‌যাপন কৰা হৈছিল। আন আন অনুষ্ঠান পতা হৈছিল যদিও সকলো আৱাসীৰ স্বতঃস্ফূৰ্ত অংশগ্ৰহণ তাত নাছিল। কিবা এক সম্পৰ্কৰ জটিলতাই আৱাসীসকলক কৰ্তৃপক্ষৰপৰা কিছু আঁতৰাই ৰাখিছিল। মই কিন্তু ব্যক্তিগতভাৱে নিজৰ জীৱনটোকে সাবট মাৰি ধৰি থকা মানুহ নহওঁ। সেয়ে ভাবিছিলোঁ, মোৰ নিচিনা মানসিকতাৰ বহুত ছাত্ৰীও নিশ্চয় আছে যিসকলে নিজৰ সাংস্কৃতিক প্ৰতিভা আদি আত্মপ্ৰকাশৰ সুবিধাৰ অভাৱত নিজৰ মাজতে সুমুৱাই ৰাখিবলগীয়াত পৰিছে। এতেকে তেওঁলোকক লৈ মই আৰম্ভ কৰাইছিলোঁ



এক নতুন যাত্ৰা। এনে যাত্ৰাত প্ৰায়ে মই গাঁঠিৰ ধনকে খৰচ কৰিছিলোঁ যদিও সেই সামান্য ধন খৰচৰ বিনিময়ত ছোৱালীহঁতৰ মনবোৰ কমে ক্ৰমে মুকলি হোৱা দেখি যি আনন্দ পাইছিলোঁ সেই আনন্দ ছোৱালীহঁতৰ মনতো আজিও নিশ্চয় সজীৱ হৈ আছে। প্ৰমাণ সেই সময়ৰ আৱাসীসকলে নিশ্চয় দিব।

নৱাগতা আদৰণী সভা অনুষ্ঠিত কৰা হৈছিল উলহ-মালহেৰে। সাংস্কৃতিক অনুষ্ঠানৰ কাৰণে বিশেষকৈ সংগীতৰ দিশত ডিব্ৰুগড়ৰ অন্যতম প্ৰতিষ্ঠিত সংগীতজ্ঞ শ্ৰীযুত ব্ৰজেন পাঠকদেৱকে আদি কৰি কেইবাজনো সংগীত-শিল্পীক হোষ্টেললৈ নিমন্ত্ৰণ কৰি এটা পৰিৱেশ গঢ়ি তোলা হৈছিল। তেখেতসকলে যথেষ্ট কষ্ট স্বীকাৰ কৰি ছোৱালীহঁতক বিভিন্ন ধৰণৰ গীত পৰিৱেশনৰ ক্ষেত্ৰত শিকাই-বুজাই পাৰ্গত কৰি তুলিছিল। সেই সময়ত হোষ্টেলৰ আৱাসীসকলৰ মাজত এনে পাৰদৰ্শী শিল্পী সৃষ্টি হৈছিল যে ডিব্ৰুগড় দূৰদৰ্শন কেন্দ্ৰয়ো তেওঁলোকক লৈ সাংস্কৃতিক অনুষ্ঠান আয়োজন কৰি সেয়া প্ৰচাৰ কৰিছিল। সেই সময়ৰ আৱাসীসকলে হোষ্টেলীয়া জীৱনৰ স্মৃতি সংৰক্ষণৰ উদ্দেশ্যে সংগ্ৰহ কৰা দূৰদৰ্শন কেন্দ্ৰৰ যোগে প্ৰচাৰিত তেনে অনুষ্ঠানৰ ৰেক'ৰ্ডিং তেওঁলোকৰ হাতে হাতে নিশ্চয় এতিয়াও আছে।

আমাৰ সহকৰ্মী ভাতৃ মৃদুল শৰ্মাই আৱাসীসকলক নাটক শিকাইছিল। জীৱনত কাহানিও মঞ্চত উঠি নোপোৱা, কিন্তু নাটক কৰিবলৈ প্ৰচণ্ড ধাউতি থকা গীতাক্ষি, মামু, নিৱেদিতা, ওজস্বিনী, পল্লৱীহঁতে কৰিছিল 'বিশ্বাসে মিলয় হৰি' নামৰ নাটকখন। তেওঁলোকে যি উৎসাহ আৰু পাৰদৰ্শিতাৰে নাটকখনৰ অভিনয় কৰিছিল সেই উৎসাহ



আছিল অনৱদ্য। বিশেষকৈ পৰিণীতাই ওজস্বিনীৰ বোকোচাত উঠি মোকোৰা মোকোৰে এহাতমান দীঘল জাহাজী কলটো গোটে গোটে গিলি খোৱা দৃশ্যটো মোৰ মনত পৰি এতিয়াও হাঁহিত পেটৰ নাড়ী ছিঙো যেন কৰে।

গীতাঞ্জি আৰু পূৰ্ণিমাই নৃত্য পৰিৱেশন কৰিছিল। পূৰ্ণিমাই সত্ৰীয়া নৃত্যৰ অনুশীলন তেতিয়াৰপৰা আজিলৈকে অব্যাহত ৰাখিছে আৰু নতুন নতুন ল'ৰা-ছোৱালীক শিকাই সাংস্কৃতিক দিশত সমাজলৈ নিজৰ সেৱা আগ বঢ়াই আছে।

হোষ্টেলত মাঘৰ বিহু পতা হৈছিল বিপুল আয়োজনেৰে। মাঘৰ বিহুত বহু আবাসী নিজ নিজ ঘৰলৈ গৈছিল পৰিয়ালৰ সৈতে বিহুৰ আনন্দ উপভোগ কৰিবলৈ। কিন্তু বহু আবাসী আমাৰ লগতে থাকি হোষ্টেল পৰিয়াল হিচাপে বিহুৰ ভোজভাত আয়োজন কৰাৰপৰা মেজি জ্বলোৱালৈকে সকলো পৰম্পৰা অনুসাৰে পালন কৰিছিল।

তেনেকৈ শিক্ষক দিৱস, সৰস্বতী পূজা, গুৰুজনাৰ তিথি আদি প্ৰায়বোৰ অনুষ্ঠান ভাৱে-ভক্তিৰে অনুষ্ঠিত কৰা হৈছিল। কেৱল আনক দেখুৱাবলৈ সেইবোৰ পতা হোৱা নাছিল। ছোৱালীহঁতে সঁচাকৈ আন্তৰিকতাৰে অনুষ্ঠানবোৰত অংশ গ্ৰহণ কৰিছিল। প্ৰসংগক্ৰমে মনত পৰিছে, মাঘৰ বিহুৰ উৰুকাৰ দিনা ওৰে ৰাতি পুণেশ্বৰ দাসে তবলা আৰু হাৰ্মনিয়াম সংগত কৰিছিল। ভাতৃ মৃদুলৰ বেসুৰীয়া গান শুনি চৰাইবোৰ ওৰেৰাতি শুব পৰা নাছিল, পুণেশ্বৰ আৰু ডিম্বেশ্বৰৰ শেহনিশাৰ নৃত্য আৰু শেষত ভেলাঘৰৰ খেৰৰ ওপৰত কৰা শয়নৰ দৃশ্য বেদান্তৰ কেমেৰাত সুন্দৰকৈ ধৰা পৰিছিল। চিত্তৰঞ্জনে বাঁহী বজাই ৰাতিটোক জীপাল কৰি তুলিছিল। সেই চিত্তৰঞ্জন এতিয়া দেশৰ সীমান্তৰক্ষী হিচাপে কৰ্মৰত। প্ৰদীপে যাদু দেখুৱাই ধৰা পৰিছিল। দেৱজিতৰ কৌতুকে জাৱৰ মাত্ৰা কিছু কমাইছিল। ইমান আনন্দদায়ক সময় কটাই নিজৰ সাংস্কৃতিক পৰম্পৰা ৰক্ষা কৰা কাৰণে আকৌ একালত কলেজৰ কৰ্তৃপক্ষৰ একাংশই আমাৰ কৈফিয়তো তলব কৰিছিল।

আজিও হোষ্টেলৰ আৱাসীসকলৰ অগতিৰ গতিস্বৰূপ হৈ আছে চন্দ্ৰেশ্বৰ আৰু পুণেশ্বৰ দাস। কাৰণ তেওঁলোকৰ কৃপাতে সকলোৰে পেট ভৰে। আমাৰ দিনত সেই পুণেশ্বৰ দাসে আৰু এটা দায়িত্ব সুচাৰুৰূপে পালন কৰিছিল। সেইটো হৈছে সৰস্বতী পূজাৰ পুৰোহিতৰ দায়িত্ব।

হোষ্টেলৰ ফালৰপৰা পিক্‌নিক খাবলৈ যোৱাৰ দৃশ্য এতিয়াও মনৰ মাজত ফটফটীয়া হৈ আছে। আগতে ভাবিছিলোঁ, ল'ৰাবোৰেহে দীঘল দীঘল উকি মাৰে, ছোৱালী জোকায় আৰু হুলস্থুল কৰে। পিছে আমাৰ পিক্‌নিকত এনে ধাৰণা ভুল বুলি শিক্ষা পাইছিলোঁ। কাৰণ আমাৰ আৱাসীসকলৰ মাজতে গগণ ফলা উকি মৰাত পাকৈত কেইবাগৰাকীও ছোৱালী আৱিষ্কাৰ কৰিছিলোঁ। ল'ৰা জোকাই আনন্দ লাভ কৰা ছোৱালীও আছিল কেইবাজনীও। বিহু গোৱা, নচা, সময়ত কিবা ব্ৰেক ডাঞ্চ মৰা আদি সকলো দিশতে সিহঁত পাৰ্গত আছিল। মুঠতে ছোৱালীহঁতৰ প্ৰতিভা আছিল বহুমুখী।

অৱধাৰিতভাৱেই হোষ্টেলটোৰ আৱাসীসকল আছিল ছোৱালী। কিন্তু ইয়াত উদ্‌যাপন কৰা বিভিন্ন উৎসৱ-অনুষ্ঠানত কলেজৰ কেইজনমান ছাত্ৰ ইয়াৰ অভিন্ন অংগ হৈ পৰিছিল। বিশেষকৈ খনীন্দ্ৰ, ৰণেন্দ্ৰ, ডিম্বেশ্বৰ, মনোজ, প্ৰদীপ, চিত্তৰঞ্জন আদিয়ে হোষ্টেলটোৰ সকলো দিশতে যিদৰে সহায়-সাৰথি কৰি দিছিল সেয়া আজিও সোঁৱৰোঁ। ছোৱালীহঁতে কৰিব নোৱৰা কামবোৰ এই ল'ৰাহঁতে নিজৰ বাই-ভনীৰ কাৰণে কৰিবলগীয়া বুলি আন্তৰিকতাৰে কৰি গৈছিল। বহু ক্ষেত্ৰত মই সিহঁতক খবৰ দি মাতি অনাৰ পূৰ্বেই সিহঁত হোষ্টেলত হাজিৰ হৈ দায়িত্ববোৰ মনে জানি পালন কৰি মোক আচৰিত কৰি দিছিল। ভগৱানে সিহঁত আটাইকে এতিয়া নিজৰ নিজৰ ক্ষেত্ৰত সফল ব্যক্তিৰূপে প্ৰতিষ্ঠা কৰিছে। ভগৱানে সকলোৰে মংগল কৰক।

ছোৱালী হোষ্টেলৰ অধীক্ষক হিচাপে মই এটা কথা মন কৰিছিলোঁ। কথাটো হৈছে, ছোৱালীহঁতৰ বেমাৰ-আজাৰ দিনত নহয়। সদায়ে সিহঁতৰ বেমাৰ হয় ৰাতি। এই ৰহস্যৰ কাৰণ অৱশ্যে আজিলৈকে মই উদ্‌ঘাটন কৰিব নোৱাৰিলোঁ।

হোষ্টেলৰ অধীক্ষক হিচাপে এইটো আছিল মোৰ চৰম ব্যৰ্থতা। সি যি নহওক, এবেলি এগৰাকী নৰিয়াত পৰাৰ ফলত মই কেনে লটি-ঘটিৰ সম্মুখীন হৈছিলোঁ সেই কথা বৰকৈ মনত পৰিছে। এদিন ৰাতি নৰিয়াৰ শুশ্ৰূষাৰ বাবে আমাৰ গৃহিণীক দায়িত্ব দি কলেজৰ ওচৰতে মেচ কৰি থকা ল'ৰা এটাক মাতি  মটৰ চাইকেলৰ পিছফালে বহুৱাই দৰব কিনিবলৈ গৈছিলোঁ। ধৰিলে আকৌ খাকী পোছাকধাৰীয়ে। জগৰ ধৰিলে দুজন উঠাৰ বিষয়ত। এক্কেবাৰে যমদূতৰ ৰূপ লৈ তৰ্জন-গৰ্জন কৰিবলৈ ধৰা সেই খাকীছাৰক বুজাইছোঁহে বুজাইছোঁ, নাই তেৰাই নুবুজে। মই অনুনয়-বিনয় কৰা দেখি ল'ৰাজনে নিশ্চয় বিশ্বাস কৰা নাছিল যে সেইজনেই মই। কাৰণ, সততে মই থিয়কৈহে কথা কৈ ভাল পাওঁ। কিন্তু উপায়ান্তৰ অৱস্থাত পুলিচৰ নিচিনা শক্তিশালী মানুহৰ আগত মই তেনেকৈ নিৱেদন জনোৱাৰ কাৰণ মইহে জানো। মোৰ মনত তেতিয়া ৰোগীক আৰোগ্য কৰাৰ চিন্তা। কিন্তু বিধি বাম হ'লে সকলো যাত্ৰাতে ভকত গাঠি লাগে। মই ভাবিছিলোঁ যে সেইদিনা মোৰ বিধি বাম। কিন্তু আচলতে বেচেৰা খাকীছাৰজনৰ বিধি সেইদিনা মোতকৈও বাম আছিল। কাৰণ নানা প্ৰকাৰে বুজালতো তেখেতে যেতিয়া পৰিস্থিতিটো নুবুজিলে, তেতিয়া মটৰ চাইকেল তেওঁৰ হাততে এৰি দৰবৰ দোকানলৈ খোজ ল'লোঁ। বাটতে মনত পৰিল, আমাৰ আৱাসী এগৰাকীৰ সম্বন্ধীয় ককাকজন সদৰ থানাৰ মুখ্য বিষয়া। লগে লগে তেওঁৰ ওচৰ পালোঁগৈ। কথাখিনি তেওঁক অকণমান সলনি কৰি ক'লোঁ—আপোনাৰ নাতিনীৰ অসুখ, আৰু আপোনাৰে কৰ্মচাৰীয়ে মোক দুৰ্ব্যৱহাৰ কৰিছে। এনেকৈ কৈ ধুমুহাৰ গতিৰে থানাৰপৰা ওলাই গৈ মটৰ চাইকেল ৰখাই থোৱা স্থানত উপস্থিত হ'লোঁগৈ। মই ওলাই অহাৰ লগে লগে সম্ভৱতঃ থানাত তৎপৰতা আৰম্ভ হ'ল। কাৰণ, মটৰ চাইকেলত দুজন উঠা বাবে জগৰ ধৰাজনে মোলৈকে বাট চাই থকাৰ দৰে ব্যস্তভাৱে মোক মটৰ চাইকেলৰ চাবি ঘূৰাই দিবলৈ ৰৈ থকা যেন লাগিছিল। যি কি নহওক, সেইবাৰলৈ মোৰ মটৰ চাইকেলখন ঘূৰাই পালোঁ।

আৰু এদিন তেনেকৈ ধৰিছিল পুলিচে। কিবা কাৰণত পুণেশ্বৰক মটৰ চাইকেলৰ পিছুৰ ছিটত বহুৱাই জৰুৰীভাৱে বজাৰলৈ আহোঁতে থানা চাৰিআলিতে দীঘলীয়া হুইচেল বজাই একেটা দোষতে ৰখাইছিল। একেবিধ মানুহেই। ইপিনে লৰালৰি, মুখচুপতি মাৰিবলৈ সময় নাই হাতত। গতিকে মানুহৰ মুখে মুখে শুনা দৰব এপালিকে আগ বঢ়াই মুকলি হওঁ বুলি ইতস্ততঃভাৱে টকা পঞ্চাছটা তেখেতৰ চোলাও জেপত এক প্ৰকাৰ জোৰকৈয়ে ভৰাই দিলোঁ। তেখেতে স্বয়ং ধৰ্মৰ অৱতাৰ যেন ৰূপ লৈ যেন জীৱনত প্ৰথম বাৰ তেনেকৈ কাৰোবাৰপৰা দক্ষিণা ল'বলগীয়াত পৰিছে তেনে ভংগী দেখুৱাই আমাক যাবলৈ দিলে। তেওঁ যেতিয়া মোৰ নিমখ খালেই, গতিকে মই এইবাৰ তেওঁক দম এটা দিলোঁ। বোলোঁ, আপোনাৰো ল'ৰা-ছোৱালীয়ে এদিন মোৰ কলেজত পঢ়িব। তেতিয়া মই চাই ল'ম। লগে লগে মানুহজনৰ মুখখনত নিশ্চয় ৰং সলনি হৈছিল; ৰাতি কাৰণে ভালকৈ নেদেখিলোঁ। কিন্তু তেওঁ যিটো কাম কৰিলে, তাৰপৰাই গম পালোঁ যে তেওঁ সঁচাকৈয়ে মোৰ দমটো 'খালে'। লগে লগে তেওঁ মোৰ কাষ চাপি আহি মই গুজি দিয়া ৰূপ পঞ্চাছ টকা নিজৰ জেপৰপৰা উলিয়াই মোৰ জেপত ভৰাই দিলে—ঠিক মই দিয়াৰ দৰেই।

আমি আহি ঘৰ, মানে হোষ্টেল পালোঁহি। ঘৰ পায়েই পৰিবাৰ আৰু তেওঁৰ সৈতে বহি কথা পাতি থকা দুগৰাকীমান আৱাসীৰ আগত ঘটনাখিনি বৰ্ণনা কৰি জেপৰপৰা পুলিচজনে ঘূৰাই দিয়া পঞ্চাছ টকীয়াখন উলিয়াই দেখুৱালোঁ। পিছে, কি আচৰিত! পুলিচজনে মোক ঠগিলে দেখোন! মই পঞ্চাছ টকীয়া বুলি ভবা নোটখন দেখোন বিছ টকীয়াহে! তাৰ মানে পুলিচজনে যাদুকৰৰ দৰে মোক মোৰ নিজৰ চকুহালৰ আগতে ঠগিলে। এইটো ঘটনাক লৈ হোষ্টেলত কেইবাদিনো বেছ সুন্দৰ চৰ্চা চলিছিল।



যদিও মই হোষ্টেলৰ অধীক্ষক আৰু নিৰীক্ষক হিচাপে মুঠতে সাত বছৰ আছিলোঁ, মোতকৈ মোৰ পৰিবাৰৰ সৈতেহে আৱাসীসকলৰ সম্পৰ্ক অধিক ঘনিষ্ঠ হৈছিল। সেই আপাহতে পৰিবাৰৰ সৈতে বুজাবুজি কৰি মোৰ পাকঘৰত প্ৰৱেশ কৰি চাহ-বিস্কুটকে আদি কৰি বিভিন্ন উপকৰণেৰে নিজৰ জিভাৰ পৰিতৃপ্তি সাধন কৰিছিল। ময়ো অৱশ্যে টানি ধৰা নাছিলোঁ। কাৰণ, একালত হোষ্টেলীয়া জীৱন ময়ো অতিক্ৰম কৰি আহিছোঁ। কোনোবাই এসাঁজ খাবলৈ মাতিলে নাইবা আনৰ সৈতে ঢোলৰ লগত টেমেকা হৈ গৈ কিবা এফেৰি খাবলৈ পালে মনটো শাঁত পৰি যায়। সেই স্মৃতিকে সাৱোগত কৰি মই থকা দিনখিনিত কাহানিও মোৰ পাকঘৰত তলা মৰা নাছিলোঁ। মুঠতে আৱাসীসকলে মোৰ পাকঘৰত বিশেষ স্বাধীনতা উপভোগ কৰিছিল। কাৰণ বহুমুখী হ'লেও সিহঁত এটা কামত আছিল তেনেই কেঁচা। সেইটো আছিল ৰন্ধা-বঢ়া। সেই কাৰণে আমাৰ পাকঘৰলৈ সিহঁতে সঘনাই ভুমুকি মাৰিছিল আৰু মোৰ আজলী মানুহজনীৰ সৈতে বুজা-পৰা কৰি জিভাৰ জুতি-বুধি চৰিতাৰ্থ কৰিছিল।

তেনে নিবিড়ভাৱে মৰমৰ বান্ধোনেৰে বান্ধ খাই থকাৰ পাছত ছোৱালীহঁতে হোষ্টেল এৰি যোৱাৰ সময়ত ময়ো সিহঁতৰ লগতে মনে মনে আৱেগিক নোহোৱা নহয়। সেই আৱেগৰ চিনস্বৰূপে সিহঁতৰ বহুতৰে ঘৰলৈ গৈ হাঁহে-মাহে একোসাঁজ খোৱাৰ অভিজ্ঞতাও মোৰ আছে।

হোষ্টেলৰ আৱাসীসকলৰ  প্ৰায়বোৰেই এতিয়া একো একোজনী প্ৰতিষ্ঠিত বোৱাৰী আৰু মাতৃ। সিহঁতৰ সৈতে থকা মোৰ ঘৰখনৰ সম্পৰ্ক এতিয়া সিহঁত বিয়া হৈ যোৱা নতুন নতুন ঘৰবোৰৰ সৈতেও অক্ষুণ্ণ আছে।

মই হোষ্টেলৰ অধীক্ষক হিচাপে দায়িত্ব লওঁতে আমাৰ একমাত্ৰ সন্তান বুকু তেনেই সৰু আছিল। এতিয়া তাক দেখি সিহঁতে কয়, 'বুকু ইমান ডাঙৰ হ'ল!' তেতিয়া মই মনে মনে ভাবোঁ, 'হেৰ' আই! তয়ো দেখোন এতিয়া এঘৰৰ বোৱাৰী হ'লি, কেঁচুৱাৰ মাক হ'লি।'

কি যে বিড়ম্বনাহে সময়ৰ সোঁতৰ সন্মুখত আমি সকলো অসহায়। সকলো সলনি হৈ যায় সময়ৰ গতিত।

কিন্তু সময়ে মানৱীয় সম্পৰ্কক, মানুহৰ পৰস্পৰৰ মাজৰ আন্তৰিকতাক কাহানিও নোহোৱা কৰিব নোৱাৰে।

মই অৱশ্যে হোষ্টেলৰ দায়িত্ব বৰ শান্তিৰে এৰিব পৰা নাছিলোঁ। এনেয়েও মানসিকভাৱে তেনে এটা পৰিমণ্ডল এৰি আহিবলৈ যথেষ্ট কষ্ট কৰিবলগীয়া হয়। পিছে তেনে প্ৰস্তুতিৰ অবিহনেই মই এদিন হোষ্টেলটো ত্যাগ কৰিছিলোঁ। ঘটনাক্ৰম দীঘলীয়া, কাৰণবোৰো উলা-মূলা নহয়। পিছে এতিয়া সেইখন মহাভাৰত নেমেলোঁ।

এইখিনিলৈকে লিখি উঠি ৰসতে নাম থ'লোঁ বুলি দীঘলকৈ উশাহ এটা লৈ পঢ়ি চাই দেখিছোঁ, মই লেখক নহ'লেও বৰ এটা বেয়া লিখা নাই নেকি! তাৰ মানে, হোষ্টেলৰ ছোৱালীহঁতৰ কাৰণেই মই আজি নাম-নাচ হ'লেও এজন লেখক হৈ পৰিলোঁ। মোৰ এই নতুন ভূমিকাৰ বাবে মই সিহঁতকে কৃতিত্ব দিওঁ। কেইবছৰমানৰ কাৰণে হ'লেও নিচেই ওচৰৰপৰা সিহঁতৰ সান্নিধ্য নোপোৱা হ'লে মই জীৱনৰ বহুখিনি আনন্দৰপৰা বঞ্চিত হ'লোঁহেতেন। ○

# A few Lines

✍ **Mrs. Aditi Konwar Gogoi**

The Hostel is a miniature world. Here we find students from different places living together with a sense of brotherhood, irrespective of caste, creed, religion and language. A home for learning through experience far away from their native places. Life in a hostel makes a student disciplined, active and helps in self-development.

I too had the experience of staying in a hostel at a very young age, when I was in class two. I enrolled myself as a boarder of HHMI Girls' Hostel Jorhat, as I got admitted in Hemalata Handique Memorial Institute (HHMI) School. Away from my parents and home town Dibrugarh, it was a life which I did not enjoy then. But, today I have a lot of childhood memories and experiences to narrate and cherish. From class seven to graduation I was with my parents in Dibrugarh. In between, during my post-graduation in Dibrugarh University, again I had the experience of enjoying the life in a Hostel, making friends and of course pursuing and fulfilling my aim.

After joining D.H.S.K. College as a faculty in the Department of English, I once again got the opportunity to stay in a hostel when I was appointed as the Hostel Superintendent of D.H.S.K. Girls' Hostel. This is not the experience of a boarder totally free and unburdened, but the experience of an authority with a great responsibility on my shoulder. As a superintendent I had set my foot into a world of responsibility of a group of young aspiring students. The hostel gives shelter and security to the boarders as well as to all the people who are a part of it. This is a job where you have to perform a multidimensional task-the role of a caretaker, a guardian, a mother, a friend, philosopher and guide and the most important the role of an autocrat sometimes.

Parents keep their children away from them in the hostel. The responsibility to keep a tract on their activities and grooming them by performing their respective roles and sometimes by taking strict disciplinary action entirely falls on the superintendent. During my tenure and stay in the hostel, without any prejudice I gave my best to develop such an environment where the boarders could fulfil their aims and aspirations.

With all my positive energy, sometimes by hits and fits with my family (the boarders), as well as the staff members of the hostel, with all their love, respect and cooperation, I was committed to provide them with utmost care a desirable ambience for academic, cultural, extra-curricular and overall personality development.

I must admit that my journey has been a great one to be remembered throughout my life. D.H.S.K. College Girls' Hostel 'Superintendent', a responsibility of guiding, advising, sharing and controlling.

My best wishes and blessings to all the dear ones who had been and are a part of this fraternity. ❍

# সোঁৱৰণিৰ বোকোচাত

✍ হীৰামণি লালুং

হোষ্টেলীয়া ৰঙীন দিনৰ অভিজ্ঞতাই জীৱনত সামাজিক শিক্ষাৰ বীজ সিচাঁত সহায় কৰে। যিজনে কোনোদিনে হোষ্টেলত থকা নাই সেইজনৰ জীৱনত সামাজিক শিক্ষা কিঞ্চিৎ হ'লেও আধৰুৱা হৈ ৰয়। এখন ছাত্ৰাবাস বা ছাত্ৰীনিৱাস হৈছে বিভিন্ন জাতি, বৰ্ণ নিৰ্বিৰ্যেকে, উচ্চ-নীচৰ ভেদাভেদ নথকাকৈ বসবাস কৰা এখন তীৰ্থস্থান, য'ত মিলন ঘটে ভৱিষ্যতৰ এক ৰঙীন সপোন লৈ উৰিব বিচৰা এজাক তৰুণ-তৰুণীৰ। হোষ্টেলীয়া জীৱনে প্ৰতিজন আৱাসীকে জীৱনটো উপলব্ধি কৰিবলৈ আৰু নতুনকৈ চাবলৈ শিকায়, পৰস্পৰৰ মাজত ভাতৃত্ববোধৰ এনাজৰীডাল টনকিয়াল কৰিবলৈ শিক্ষা দিয়ে। ঘৰৰ আকলুৱা উতনুৱা ল'ৰা বা ছোৱালীজনীয়ে হোষ্টেলত নানান স্বভাৱৰ অধিকাৰী লগৰ সংগত থাকি বদ অভ্যাসবোৰ ত্যাগ কৰি অন্য এক আকৰ্ষণীয় স্বভাৱৰ অধিকাৰী হোৱা পৰিলক্ষিত হয়। অৱশ্যে কিছুমান বদ অভ্যাসৰ আৱাসীৰ সংস্পৰ্শত পৰি বদ অভ্যাসে গা কৰাও দেখা যায় যদিও সেয়া তেনেই নগণ্য, এপাচি শাকত, এটা জলকীয়াৰ দৰে কথা। এই কথা হোষ্টেলত বাস কৰি যোৱা প্ৰতিগৰাকী আৱাসীয়ে উপলব্ধি কৰে। স্কুলীয়া শিক্ষা সাং কৰি মহাবিদ্যালয়ৰ পদূলি গৰকা দিনৰেপৰাই একেবাৰে বিশ্ববিদ্যালয়লৈকে হোষ্টেলত বসবাস কৰাৰ বাবেই হওক বা অন্য কৰণতেই হওক হোষ্টেলীয়া জীৱনটোৰ প্ৰতি মোৰ সদায় এক টান থাকে আৰু সেয়ে হয়তু ছাত্ৰী জীৱনত হোষ্টেলত অতিবাহিত কৰা সময়খিনিক ভগৱানে প্ৰদান কৰা, ৰং আৰু আনন্দৰে ভৰপুৰ মোৰ জীৱনৰ শ্ৰেষ্ঠ সময় বুলি বিবেচনা কৰো। বিশ্ববিদ্যালয়ৰ আনুষ্ঠানিক শিক্ষা সাং কৰি, টালি-টোপোলা বান্ধি গুৱাহাটীৰপৰা ঘৰমুৱা হোৱা দিনা দুখেৰে ভাবুক হৈ মনে মনে ভাবি গৈছিলো, ইয়াতেই চাগে মোৰ হোষ্টেলীয়া জীৱনৰ পৰিসমাপ্তি ঘটিল। কিন্তু ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ত শিক্ষক হিচাপে যোগদান কৰাৰ পাঁচ বছৰৰ পাছত মহাবিদ্যালয়ৰ গাতে লাগি থকা ছাত্ৰীনিৱাসখনে হাতবাউলীৰে পুনৰ আৱাসী হ'বলৈ আমন্ত্ৰণ জনালে। মইও এই আমন্ত্ৰণ ৰক্ষা কৰি দোধোৰ-মোধোৰকৈ ছাত্ৰীনিৱাসত প্ৰৱেশ কৰিলোঁ। এইবাৰ পিছে পঢ়াৰ লগতে কথাৰ মহলা মাৰি, কোঠাই-কোঠাই ঘূৰি-ফুৰি, নিচিন্তমনে লগৰবোৰৰ লগত খিল-খিলাই হাঁহিবিলীন হ'ব পৰা নাছিলোঁ, কিয়নো এইবাৰ মই হোষ্টেলৰ ৰখীয়া অৰ্থাৎ অধীক্ষিকা হিচাপেহে প্ৰৱেশ কৰিলোঁ। এনেদৰে মই নভবাকৈয়ে ঐতিৰ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ মন্দিৰসদৃশ ছাত্ৰীনিৱাসত পূৰ্বৰেপৰা বাস কৰি থকা এশজনী ছাত্ৰীৰ অভিভাৱক হৈ পৰিলো। হোষ্টেলৰ অধীক্ষিকাৰ কোনো অভিজ্ঞতা নথকাৰ বাবে সেইসময়ত কিছুমান সমস্যাৰ সন্মুখীন হৈছিলো যদিও হোষ্টেলৰ জ্যেষ্ঠ আৱাসীসকল আৰু সেইসময়ৰ অধ্যক্ষ ৰাজী কোঁৱৰবাইদেউ তথা ছাত্ৰীনিৱাসৰ পূৰ্বৰ অধীক্ষক অনন্ত দত্ত ছাৰ, অধিক্ষীকা ৰমা কান্তি দাস বাইদেউ, অদিতি বাইদেউৰ উপদেশ আৰু দিহা-পৰামৰ্শৰ সহযোগত লাহে লাহে নিয়াৰীকৈ মোৰ অভিভাৱকৰ দায়িত্ব আৰু কৰ্তব্য পালন কৰি যাবলৈ সক্ষম হৈছিলো। কেতিয়াবা কিছুমান অভাৱনীয় পৰিস্থিতিৰ সন্মুখীন হৈছিলো যদিও মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু মহাবিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষকসকলৰ আন্তৰিক সহযোগিতাত এনে পৰিস্থিতিবোৰ সহজে সমাধান কৰিছিলোঁ।

মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা মহাবিদ্যালয় সপ্তাহ বা অন্য যিকোনো অনুষ্ঠানত ছাত্ৰীনিৱাসৰ আৱাসী অংশগ্ৰহণ তথা সহায়-সহযোগবোৰ সঁচাকৈয়ে অতুলনীয়। সকলোক্ষেত্ৰতে তেওঁলোকৰ উপস্থিতিৰ অবিহনে মহাবিদ্যালয়ৰ চৌহদৰ যিকোনো অনুষ্ঠান যেন-তেনেই উকা বুলিব পাৰি। মই ছাত্ৰীনিৱাসত তত্ত্বাবধায়িকা হিচাপে থকা চাৰিটা বছৰত নিৱাসত মিলিত হোৱা ছাত্ৰীসকলৰপৰাও বহু

...ছাত্ৰীৰ নিস্বাৰ্থ, নিষ্পাপ আৰু শ্ৰদ্ধাৰে মূৰদোৱাই থকা মুখবোৰে এতিয়াও নিৰিবিলি একাত্ম মুহূৰ্তবোৰত মোক বৰকৈ আমনি কৰে। সকলো ক্ষেত্ৰতে হোষ্টেলৰ ছাত্ৰীসকলৰ লগত মই একাত্ম হ'বলৈ বহু যত্ন কৰিছিলোঁ। সিহঁতৰ অসুবিধাবোৰ মই আন্তৰিকতাৰে যিমান পাৰি সমাধান কৰিবলৈ চাইছিলোঁ। কেতিয়াবা দুপৰ নিশা কোনো ছাত্ৰীৰ স্বাস্থ্যৰ অৱস্থা গুৰুত্বৰ হ'লেও সেই মুহূৰ্ততে চিকিৎসকৰ ওচৰলৈ নিবলৈ ত্ৰুটি কৰা নাছিলোঁ।...

শিকিলোঁ। ছাত্ৰীৰ নিস্বাৰ্থ, নিষ্পাপ আৰু শ্ৰদ্ধাৰে মূৰদোৱাই থকা মুখবোৰে এতিয়াও নিৰিবিলি একাত্ম মুহূৰ্তবোৰত মোক বৰকৈ আমনি কৰে। সকলো ক্ষেত্ৰতে হোষ্টেলৰ ছাত্ৰীসকলৰ লগত মই একাত্ম হ'বলৈ বহু যত্ন কৰিছিলোঁ। সিহঁতৰ অসুবিধাবোৰ মই আন্তৰিকতাৰে যিমান পাৰি সমাধান কৰিবলৈ চাইছিলোঁ। কেতিয়াবা দুপৰ নিশা কোনো ছাত্ৰীৰ স্বাস্থ্যৰ অৱস্থা গুৰুত্বৰ হ'লেও সেই মুহূৰ্ততে চিকিৎসকৰ ওচৰলৈ নিবলৈ ত্ৰুটি কৰা নাছিলোঁ। এইক্ষেত্ৰত জ্যেষ্ঠ আৱাসী ছাত্ৰীৰ দায়িত্বপূৰ্ণ আন্তৰিক সহযোগ সঁচাই বৰ উল্লেখনীয়। আদৰণী সভাবোৰত ছাত্ৰীসকলক আদৰণি জনাই ভাল লাগিছিল, কিন্তু ছাত্ৰীসকলৰ বিদায়ী মুহূৰ্তবোৰ মোৰ বাবে বৰ অসহনীয় যেন অনুভৱ হৈছিল। সেয়ে হোষ্টেল এৰি যাওঁতে মই ছোৱালীবোৰক পৰাপক্ষত লগ কৰিবলৈ টান পাইছিলোঁ। কিয়নো শিক্ষা সাং কৰি হোষ্টেল এৰি ঘৰমুৱা হ'ব লগা আৱাসীৰ মনৰ অৱস্থা আৰু বিয়া দি নিজ গৃহৰপৰা স্বামীৰ গৃহলৈ উলিয়াই দিয়া ছোৱালীৰ মনৰ আৱস্থা মাজত চাগে বৰ বিশেষ পাৰ্থক্য নাথাকে বুলি মই ভাবো। মহাবিদ্যালয়তেই হওক বা অন্য যিকোনো ঠাইৰ প্ৰতিযোগিতাবোৰতেই হওক বিজয়ী হৈ হোষ্টেল পোৱাৰ পাছত কিবা লাভ কৰাৰ গৌৰৱেৰে গৌৰৱান্বিত হৈ ছাত্ৰীসকলে কৰা চিঞৰ-বাখৰবোৰৰ মাজত নিজেও একাত্ম হৈ এবাৰ ডেউকাখন মেলি দিছিলোঁ। হোষ্টেলৰ ছোৱালীবোৰৰ পৰীক্ষাবোৰৰ ভাল ফলাফলবোৰে সঁচাকৈয়ে বৰ আনন্দ দিছিল যাৰবাবে মই গৌৰৱ অনুভৱ কৰিছিলোঁ আৰু ভাল ফলাফল কৰিবলৈ সকলোকে সদায় অনুপ্ৰেৰণা দিছিলোঁ। পঢ়াৰ গুৰুত্বৰ প্ৰতি লক্ষ্য ৰাখি সন্ধিয়া সকলোৰে ম'বাইলবোৰ সংগ্ৰহ কৰি নিশা দ'হ বজালৈকে কাকো ব্যৱহাৰ কৰিব দিয়া নাছিলো, বিশেষ কাৰণ থাকিলে মোৰ ম'বাইল ব্যৱহাৰ কৰিবলৈ দিছিলোঁ।

এজাক মৰমলগা তৰুণীৰ মাজত থাকি, সিহঁতৰ হাঁহি-কিৰীলি, চিঞৰ-বাখৰ, মই সিহঁতক কৰ্তব্যৰ খাতিৰত দিয়া গালিৰ নাটক আৰু শাসনবোৰৰ মাজত নিজেও সময়ৰ কটাৰ আগত কেনেকৈনো মহাবিদ্যালয়ৰ ছাত্ৰীনিৱাসত চাৰিটা বছৰ অধীক্ষিকা হিচাপে পাৰ কৰিলো একো গমকে নাপালো। সদৌ শেষত মোৰ কাৰ্যকালত মোৰ স'তে খোজত খোজ মিলাই আগবঢ়াৰ বাবে ছাত্ৰীনিৱাসৰ সকলো ছাত্ৰীকে মোৰ আন্তৰিক ধন্যবাদ জনালোঁ। মহাবিদ্যালয়ৰ চৌহদৰ লগতে ছাত্ৰীনিৱাসলৈ সংযোগী পথটি পকীকৈ নিৰ্মাণ কৰি দিয়াৰ বাবে বৰ্তমানৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়া ছাৰক এই ছেগতে আন্তৰিক ধন্যবাদ জনাইছোঁ। ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ 'কানৈয়ানৰ' কীৰ্তিৰ যোগেদি মহাবিদ্যালয়খনিৰ লগতে ছাত্ৰীনিৱাসখনৰো ঐতিহ্য-কীৰ্তি বিশ্বদৰবাৰত ভোটাতৰাৰ দৰে সদায় উজ্বলি থাকক, তাৰ কামনাৰে,

'জয়তু ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়,

জয়তু ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় ছাত্ৰীনিৱাস।'○

# A Moment of Pride

✍ **Urmila Ramchiary**

It is a matter of great pride that the D.H.S.K. College Girls hostel is going to celebrate its diamond jubilee on 20th January, 2018. A jubilee of an institution is an important milestone that gives us an opportunity to look backward on the distance travelled and forward to the journey that lies ahead and has to be planned.

I pay my tribute to all of them who faced all the challenges at the time of inception of this girls' hostel. Undoubtedly a great amount of credit must be given to late Dr. Jogiraj Basu Sir, who was the founder principal of D.H.S.K. College and all the faculties and ofcourse all of them who directly and indirectly contributed to the existence of the girls' hostel.

Celebration of diamond jubilee of a girls' hostel is a great honour for its alumni and all members associated with it. So, I am thankful to our dynamic principal, Dr. Sashi Kanta Saikia Sir for his great idea to celebrate such a wonderful occasion.

Hostel life has a charm of its own. The D.H.S.K. Girls hostel too has its own charm. It has been playing a key rold towards the socio-economic upliftment and empowerment of women in the society. Moreover D.H.S.K. Girls hostel has been providing a residential educational atmosphere to rural as well as urban girls students in and around the state. Thousands of girls have been benefitted by the hostel and illustrious list of alumni includes many who have been playing a notable part in public life.

This is an implicit tribute to the good quality atmosphere being imparted by the hostel thus building the reputation that the DHSK Girls' hostel enjoys today of being one of the premier college girls' hostel in the state. Though the hostel lacks certain infrastructural facilities we must look forward and achieve even greater heights of academic excellence and personality development. For this we intend to make some special efforts to improve carreer as well as morale.

The diamond jubilee celebration will certainly imspire and guide everyone responsible for the upliftment of the hostel. I am fortunate to have served this hostel in the juncture of this glorious moment. I am thankful to the girls' hostel management committee, the hostel imployees as well as all the boarders of girls hostel and my special thanks goes to Principal Sir for co-operation in the smooth running of the hostel.

Again I am thankful to all the convenor and members of the different committees of diamond jubilee celebration without whose hard work and support it would not have been possible. Besides I am indebted to those who have been assisting us in many ways to make the diamond jubilee celebration a success. Though we are leaving no stone unturned to organize it in a befitting manner, certain ommission and commission might creep up for which I express my sincere regret from my part. I pray for the choicest blessings of Almighty to be bestowed on the hostel and will continue to cherish the time that I have been spending here in future.

Last but not the least I convey my greetings and best wishes to all for the new year. I hope many more jubilees to come to celebrate in our D.H.S.K. College Girls Hostel.❍

# এৰি অহা দিনবোৰৰ কথাৰে...

✍ নিজৰা সোনোৱাল

মোৰ ঘৰ তিনিচুকীয়া জিলাৰ ডাঙৰীত। মই ডুমডুমা হাইস্কুলৰ পৰা প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈছিলোঁ। তাৰ পাছত মই ডিব্ৰুগড়স্থিত হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ত P.U. ক্লাছত নামভৰ্ত্তি কৰিলোঁ। শিক্ষাগ্ৰহণৰ সুবিধাৰ্থে মই কানৈ ছাত্ৰীনিৱাসত থাকিবলৈ ল'লোঁ। তেতিয়া হোষ্টেলৰ চুপাৰিনটেনডেণ্ট আছিল শ্ৰদ্ধাৰ শ্ৰীযুত লক্ষ্মীদা দত্ত বাইদেউ। তেখেত বৰ মৰমিয়াল আছিল। মৰমেৰে সকলোকে শাসন কৰিছিল।

আমি পঢ়িবলৈ কানৈলৈ অহাৰ সময়ত ছাত্ৰীনিৱাসটো দুমহলীয়া আছিল। মই তলৰ মহলাৰ ৬ নম্বৰ ৰুমত চিট পালোঁ। তেতিয়া এটা ৰুমত আমি পাঁচজনী ছোৱালী আছিলো। যদিও পাঁচজনী ছোৱালীৰ বাবে ৰুমটো পঢ়া-শুনাৰ বাবে কষ্ট হৈছিল তথাপিও আমি মিলিজুলি সমস্যাবোৰ সমাধান কৰি লৈছিলোঁ। ভাল লাগিছিল বেলেগ বেলেগ ঠাইৰ ছোৱালীবোৰক লগ পাই। মোৰ ৰুমমেট আছিল এগৰাকী শদিয়াৰ, এগৰাকী শিৱসাগৰৰ মেচাগড়ৰ, এগৰাকী যোৰহাটৰ আৰু এগৰাকী ডুমডুমাৰ আৰু মই ডাঙৰীৰ। আমি পাঁচজনী ৰুমমেটে বৰ মিলিজুলি আছিলোঁ। আমাৰ মাজৰে শদিয়াৰ ৰুমমেট গৰাকী বিজ্ঞান শাখাৰ আছিল আৰু আমি বাকী কেইজনী ৰুমমেট কলা শাখাৰ আছিলোঁ।

তেতিয়াৰ দিনত আমি মেখেলা-চাদৰ পিন্ধি ক্লাছ কৰিবলৈ গৈছিলোঁ। হোষ্টেলতো মেখেলা-চাদৰ পিন্ধিয়েই কটাবলগীয়া হৈছিল। বাহিৰলৈ গ'লেও মেখেলা-চাদৰ বা শাড়ী পিন্ধিব লাগিছিল।

মই ছাত্ৰীনিৱাসত থকাৰ সময়ত মেচৰ ফিজ আছিল সত্তৰ (৭০/-) টকা। তেতিয়াৰ দিনত হোষ্টেলৰ খোৱা-মেলা, থকাৰ ব্যৱস্থা বেয়া নাছিল। হোষ্টেলৰ নীতি-নিয়ম কটকটীয়া আৰু শৃংখলাবদ্ধ আছিল। নিশাৰ চকীদাৰ আছিল। মেট্ৰন বাইদেউৱে সময়মতে ৰুম পৰিদৰ্শন কৰিছিল। আমি নিতৌ পাঁচ বজাত বিছনা এৰিছিলোঁ আৰু ছয় বজাত হোষ্টেলত দিয়া আনাৰকলি বিস্কুটেৰে চাহ খাই পঢ়া টেবুলত বহিছিলোঁ। খোৱা-বোৱাত অসুবিধা নহৈছিল। সপ্তাহত তিনিদিন মাছ, এদিন কণী আৰু এদিন মাংস দিছিল। পুৱা ছয়বজাত আনাৰকলি বিস্কুটেৰে চাহ দিছিল, পুৱা ৯ বজাত নিৰামিষ ভাত-দাইল, সৰজি দিছিল, আবেলি চাহ বিস্কুট, নতুবা ৰুটি ভাজি বা কেতিয়াবা লুচি দিছিল। কিমান যে মধুৰ আছিল সেই কলেজত পঢ়া, হোষ্টেলত কটোৱা দিনবোৰ!

হোষ্টেলত থাকোতে আমাৰ কলেজৰ অসমীয়া বিভাগৰ অধ্যাপক মাননীয়

...আমাৰ দিনত কানৈ কলেজখন আছিল অসমৰ ভিতৰতে উচ্চ শিক্ষাৰ ক্ষেত্ৰত এক চিনাকি আৰু প্ৰথম শাৰীৰ মহাবিদ্যালয়। এনে নামজ্বলা মহাবিদ্যালয়ত পঢ়াৰ সুবিধা লাভ কৰি মই নিজকে ধন্য মানিছিলোঁ। এইখন মহাবিদ্যালয়তে বহু ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰি জীৱন উজ্বলাই তোলাৰ সুবিধা লাভ কৰিছে তথা অসমৰ সমাজ জীৱনলৈ বৰঙনি আগবঢ়োৱাৰ সুবিধা লাভ কৰিছে।

তফজ্জুল আলি ছাৰ আছিল। তেখেতে কানৈ ছাত্ৰীনিৱাসৰ আৱাসীসকলক সংগীত চৰ্চাত সহায় কৰিছিল। তেখেতে শিকোৱা গানবোৰ এতিয়াও আজৰিপৰত মনত পেলাওঁ।

হোষ্টেলত থাকোতে এবাৰ আমি বনভোজ খাবলৈ গৈছিলোঁ—তিনিচুকীয়াৰ গুইজান নদীৰ পাৰত। আমি ছাত্ৰীবোৰে নাৱত উঠি বগৰী খাই ফূৰ্ত্তি কৰিছিলোঁ। আমাৰ লগত আমাৰ গাইডৰূপে তফজ্জুল আলি ছাৰ গৈছিল। তেখেতক ছাত্ৰীসকলে অনুৰোধ কৰি কৰি কিমান যে গান গোৱাইছিল! মইও বৰ আনন্দিত হৈছিলো এনে এজন মহান শিল্পী আৰু লেখক-গীতিকাৰৰ কণ্ঠৰ গীত শুনিবলৈ পাই, লগতে ধন্যও হৈছিলোঁ। হোষ্টেলীয়া জীৱনৰ সেই মধুৰতম দিনবোৰকে এতিয়া বাৰ্দ্ধক্যৰ বাৰান্দাত বহি সুঁৱৰি থাকো।

আমাৰ সময়ত কানৈ ছাত্ৰীনিৱাসত খেলা-ধূলাৰ সুবিধা বুলিবলৈ কেৰম আৰু বেডমিণ্টনৰহে সুবিধা আছিল। বাতৰি কাকতৰ ব্যৱস্থা নাছিল যদিও চুপাৰ বাইদেউৰ পেপাৰ খনকে আনি কেতিয়াবা পঢ়িছিলোঁ। হোষ্টেলত লাইব্ৰেৰী এটাও আছিল। মাজে মাজে তাৰপৰা কিতাপ আনি আমি পঢ়ি পুনৰ ঘূৰাই দিছিলোঁ।

আমোদ-প্ৰমোদ বুলিবলৈ তেতিয়া আমি ছাত্ৰীসকলে ছিনিয়ৰ ছাত্ৰীসকলৰ লগত হলত চিনেমা চাবলৈ গৈছিলোঁ। সেয়া দেওবাৰেহে অনুমতি আছিল। সঠিক সময়ত গৈ পুনৰ উভতি অহাৰ ওপৰত চুপাৰ বাইদেউৰ কাঢ়া নিৰ্দেশ আছিল।

আমাৰ দিনত কানৈ কলেজখন আছিল অসমৰ ভিতৰতে উচ্চ শিক্ষাৰ ক্ষেত্ৰত এক চিনাকি আৰু প্ৰথম শাৰীৰ মহাবিদ্যালয়। এনে নামজ্বলা মহাবিদ্যালয়ত পঢ়াৰ সুবিধা লাভ কৰি মই নিজকে ধন্য মানিছিলোঁ। এইখন মহাবিদ্যালয়তে বহু ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰি জীৱন উজ্বলাই তোলাৰ সুবিধা লাভ কৰিছে তথা অসমৰ সমাজ জীৱনলৈ বৰঙণি আগবঢ়োৱাৰ সুবিধা লাভ কৰিছে। মই কানৈ কলেজত পঢ়া দিনবোৰত অধ্যাপক-অধ্যাপিকাসকল আছিল প্ৰয়াত ভুবন চুতীয়া ছাৰ, তফজ্জুল আলি ছাৰ, কল্যাণ বৰুৱা ছাৰ, অনিমা দেৱী বাইদেউ, যতীন গোস্বামী ছাৰ আদি বহুতো। তেতিয়াৰ দিনত কানৈৰ অধ্যক্ষ আছিল শ্ৰদ্ধাৰ লক্ষী দত্ত ছাৰ।

সৰস্বতী পূজা আদি উৎসৱ ছাত্ৰীসকলে বৰ সভক্তি আৰু উৎসাহেৰে পাতিছিল। আমি ছোৱালীবোৰে সৰস্বতী পূজাত বৰ ফূৰ্ত্তি কৰিছিলোঁ। কলেজ উইক বিলাকত ছাত্ৰীসকলে খেলা-ধূলা, নৃত্য-গীত আদিতো অংশ লৈছিল।

P.U. পৰীক্ষা দিয়াৰ পিছত মোৰ আৰু কানৈ কলেজত পঢ়া নহ'ল। মোৰ পিতৃৰ অকাল-বিয়োগ হোৱাত কৰ্তব্যৰ তাগিদাত ঘৰৰ ওচৰৰে প্ৰাথমিক বিদ্যালয় এখনত যোগদান কৰিলোঁ ঘৰৰ বৰ জীয়ৰী হিচাপে। কিছুদিনৰ পিছত চাকৰী স্থায়ী হোৱাত কৰ্মজীৱনৰ ব্যস্ততাই মোক ব্যস্ত কৰি পেলালে। বৰ্তমান মই এগৰাকী অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী। মোৰেই সৌভাগ্য মই পঢ়া একেখন কানৈ কলেজতে মোৰ স্বামী আৰু কন্যাও পঢ়িছিল আৰু একেখন ছাত্ৰীনিৱাসতে মোৰ কন্যাও আৱাসী হিচাপে স্নাতক বৰ্ষলৈকে থকাৰ সুবিধা লভিছিল।

আজি কানৈ ছাত্ৰীনিৱাসৰ হীৰক জয়ন্তীৰ শুভ মুহূৰ্ত্তত কানৈ ছাত্ৰীনিৱাসৰ লগতে কানৈ কলেজখনৰো সৰ্বতো প্ৰকাৰৰ উন্নতি আৰু সাফল্য কামনা কৰিলোঁ।○

# সোঁৱৰণিৰ পৃষ্ঠাত কানৈ ছাত্ৰীনিৱাস

✍ বিজয়া গগৈ

ঐতিহ্যমণ্ডিত কানৈ মহাবিদ্যালয়ত পঢ়িবলৈ আহিছিলোঁ কুৰি শতিকাৰ সত্তৰ দশকত। তেতিয়াৰ প্ৰি-ডিগ্ৰী কৰ্চ (PDC) বিজ্ঞান শাখাত নামভৰ্তি কৰিলোঁ। টেঙাখাটৰ পৰা আহি কলেজৰ একমাত্ৰ ছাত্ৰীনিৱাসত থাকিবলৈ ল'লোঁ।

গাঁৱৰ পৰা আহি উজনি অসমৰ নামজ্বলা এই কলেজত পঢ়িবলৈ পোৱাটো আমাৰ বাবে এক পৰম প্ৰাপ্তি আছিল। তাতে হোষ্টেলত উজনি অসমৰ ডিব্ৰুগড়, অবিভক্ত শিৱসাগৰ জিলাৰ বিভিন্ন অঞ্চলৰ ছোৱালী, লক্ষীমপুৰ জিলাৰ ঢকুৱাখনা, ধেমাজি, অৰুণাচল, নাগালেণ্ড আদি ঠাইৰ ছোৱালী আহি একত্ৰিত হৈছিলোঁ। এইয়া এক অনন্য পৃথিৱীত আমি বাস কৰিছিলোঁ কলেজীয়া জীৱনৰ সোণালী দিনবোৰত।

আজি এমাহমান আগতে মোৰ কলেজীয়া তথা বিশ্ববিদ্যালয়ৰ সহপাঠী বৰ্তমান কানৈ কলেজত ভুগোল বিভাগৰ অধ্যাপিকা স্মৃতি ভট্টাচাৰ্যই যেতিয়া ছাত্ৰীনিৱাসৰ হীৰক জয়ন্তীৰ কথা জনালে তেতিয়াৰ পৰাই মই যাঠি বছৰীয়া পৌঢ়া মানুহজনী ষোড়শী গাভৰুজনী যেন হ'লো। ক'ত থওঁ মনটো—আবেলি প্ৰেক্টিকেল সামৰি ভোকে টানি নিয়া মামাই ৰন্ধা টাৱাখনৰ ডালডাত ভজা পৰঠা কেইখনত নে গধূলি প্ৰাৰ্থনাৰ পিছত পঢ়াৰ টেবুলত বহি পাঁচজনীৰ দিনটোৰ ডায়েৰীৰ ধাৰাভাস্যৰ চিঞৰ শুনি চুপাৰ বাইদেউৰ গালি খোৱাত নে তেতিয়াৰ ডিবুৰুৰ শীতে কপোৱা দুভাগ ৰাতি পিছদিনা পিক্‌নিকলৈ যাবৰ বাবে উৎপাত কৰাবোৰত...।

সঁচাই সেইবোৰ সোণালী সুদিন লুইতৰ পাৰত এৰি আহিলোঁ দূৰ অতীততে। তথাপিও যেন আজি আকৌ সেই দিনবোৰে লুকাই থকাৰ পৰা সোঁৱৰণিৰ জলঙাইদি ভুমুকি মাৰিব খুজিছে।

DHSKGHৰ Convenor ড° অলকানন্দা বৰুৱাই যোৱা ২৬ অক্টোবৰত পঠোৱা Allummi Meetৰ বাৰ্তাৰ পৰিপ্ৰেক্ষিতত যোগাযোগ আৰম্ভ হ'ল। তেতিয়াই তেওঁ স্মৃতিগ্ৰন্থৰ বাবে অকণমান লিখাৰ কথা ক'লে।

ভাব অনুভূতিৰ মাত্ৰাধিক্যত ভাষা লুকুৱাৰ দৰে অলেখ স্মৃতিৰ ডুখৰীয়া ছবি আহি মনৰ পদূলিত অগা-ডেৱা কৰিছেহি। ক'তনো আৰম্ভ কৰোঁ, ক'তনো শেষ কৰোঁ—তেনে অৱস্থাত মন মোৰ দুদুল্যমান।

তেতিয়া ১৯৭২ চন। হোষ্টেলত থাকিবলৈ আহি চুপাৰ হিচাপে ৰেখা দাস বাইদেউক পাইছিলোঁ। বাইদেউ মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিষয়ৰ অধ্যাপিকা আছিল। বাইদেউলৈ আমি বৰ ভয় কৰিছিলোঁ। শাসন তেওঁ টানকৈয়ে কৰিছিল; গালিও পাৰিছিল আৱাসী ছোৱালীবোৰক।

আমি বিজ্ঞান শাখাত লক্ষী কোঁৱৰ, মঞ্জুলা গগৈ, সাৰদা বৰ্মন, মায়া বৰুৱা আছিলো। লক্ষী টেঙাখাট ছোৱালী হাইস্কুলৰ মোৰ সহপাঠী আৰু মঞ্জুলা মোৰ কলেজীয়া জীৱনৰো আগৰ এইখন হোষ্টেলৰ বান্ধবী; যদিও আমি একলগে হাইস্কুল পঢ়া নাছিলোঁ। মঞ্জুলা আৰু মই HSLC পৰীক্ষা দিবলৈ এইখন হোষ্টেলতে থাকি লৈছিলোঁ। সেই সময়ত পৰীক্ষা কেন্দ্ৰ জিলাৰ সদৰত আছিল আৰু এই বন্ধুত্ব আমাৰ কলেজীয়া জীৱন চেৰাই বিশ্ববিদ্যালয়তো আছিল। মঞ্জুলা উদ্ভিদ বিভাগৰ আৰু মই প্ৰাণী বিজ্ঞান বিভাগৰ ছাত্ৰী আছিলোঁ।

HSLC পৰীক্ষা দিয়াৰ মাজৰে এদিনৰ এটা অভিজ্ঞতা অকনো ম্লান নোহোৱাকৈ মোৰ মনত আজিও সজীৱ হৈ আছে। আমি কেইবাজনীও পৰী ক্ষাৰ্থী হোষ্টেলৰ প্ৰৱেশ পথৰ ওচৰতে থকা তেতিয়াৰ ২০ নং ৰুমত আছিলোঁ। ৰুমটোৰ বাহিৰফালে অৰ্থাৎ সোমোৱা পথৰ সন্মুখতে আছিল এটা বাল্‌ব। ভুলক্ৰমে সেইদিনা লাইটটো নুমুওৱা নহ'ল। দিন দুপৰতে ট' ট'কৈ জ্বলি আছে। চুপাৰ বাইদেৱে দেখিয়ে পোনছাতেই আমাৰ ৰুমৰ দুৱাৰত টুকুৰীয়াই আমাক খুব গালি পাৰিলে। গালিৰ মাজতে আমাক 'এই গাঁৱৰ ছোৱালীবোৰ...' এই গাঁৱৰ ছোৱালীবোৰ...' আদি বাক্যও কৈছিল। আচলতে

'সত্য সূৰ্যৰ দৰে'। সূৰ্যটো সন্মুখৰপৰা চাব নোৱাৰাৰ দৰে গাঁৱৰ পৰা আহিও গাঁৱলীয়া বুলি গালি পৰাত সহ্য হোৱা নাছিল, দুখ লাগিছিল। সঁচাইতো আমি গাঁৱৰপৰাই আহিছিলোঁ। তেতিয়া গাঁৱত HSLCৰ কেন্দ্ৰ নোহোৱা ঠাইবোৰত আজি চেণ্টাৰ হ'ল। কিন্তু এই দুখ লগা অভিজ্ঞতাটো কিয় জানো মাজে-সময়ে মনলৈ নহাকে নাথাকে। পৰীক্ষাৰ মাজত গালি খোৱাৰ বাবে ছাগে বেদনাটো অন্তৰস্পৰ্শী হৈছিল।

যাহওক, HSLC পাছ কৰি এইখন হোষ্টেলতে থাকিবলৈ ল'লো। ইয়াৰ পিছতো টেঙাখাটৰ ছোৱালীবোৰে মাজে মাজে আন এটা কথাৰ বাবে গালি শুনিবলগীয়া হৈছিল। সেইটো হৈছে ঘনাই ঘৰলৈ যোৱা। সেই সময়ত মেচৰ এটা নিয়ম আছিল দহ দিনৰ বেছি মেচত নাখালে মেচ ডিউজ কিছু কমাই দিয়া বা মেচ ডিউজ ওভতাই দিছিল। এই কামটোৱে মেচ চলোৱাত অসুবিধাৰ সৃষ্টি কৰিছিল। আমাৰ অঞ্চলৰ ছোৱালী কলেজত পঢ়া মানেই তেতিয়া বেছি সংখ্যক কানৈ কলেজত পঢ়ে আৰু বেছিয়ে হোষ্টেলত আছিল।

ঘৰলৈ যোৱা কথাটোৰ লগত মনলৈ অহা আন এটা কথা হৈছে—এইয়ে ঘৰলৈ যাওঁতে চুপাৰ বাইদেউলৈ লিখিবলগীয়া দৰ্খাস্তখনৰ ড্ৰাফটো সাধাৰণতে ময়ে লিখিবলগীয়া হৈছিল। তেনেকৈ লিখি লিখি একেবাৰে ঘনিষ্ঠ কেইজনীয়ে ঘৰলৈ যাম বুলি ক'লেই—"with due respect..." মই আৰম্ভ কৰিয়ে দিছিলো।

ৰেখা দাস বাইদেউক আমি বেছি দিন পোৱা নাছিলোঁ। বাইদেউক ভয় কৰিছিলো যদিও আমি আৱাসীসকলে সন্মান সহকাৰে তেওঁৰ নীতি-নিৰ্দেশনা মানি চলিছিলোঁ। বাইদেউ বৰ খৰ খোজীয়া আছিল আৰু মাত কথাবোৰও খৰ খৰকৈ কৈছিল।

আমি বেছি দিনৰ কাৰণে অৰ্থাৎ কলেজ এৰি অহালৈকে চুপাৰ হিচাপে পাইছিলোঁ অলকা বৰুৱা বাইদেউক। বাইদেউ সপৰিয়ালে ২০ নং ৰুমৰ কাষৰ ৰুমটো আৰু তলৰ মহলাৰ ভিজিটিং ৰুমৰ কাষৰ দুটা মান ৰুমত আছিল। বাইদেউ আমাৰ কলেজৰ অধ্যাপিকা (দৰ্শন বিভাগৰ) হোৱা বাবে তেওঁৰ লগত আমাৰ ঘনিষ্ঠতা ৰেখা বাইদেউতকৈ বেছি হৈছিল। বাইদেউ বৰ আদৰ্শনীয় ব্যক্তিত্বৰ অধিকাৰী। তেওঁৰ স্বামী যাদৱ বৰুৱা ছাৰও। ছাৰ ইংৰাজী বিষয়ৰ আছিল। অতি পৰিপাটী আছিল ছাৰ বাইদেউ। বাইদেউৰ বহুতো কথাই মোক আকৰ্ষণ কৰিছিল; তাৰে এটা হৈছে বাইদেৰে এজাপ কিতাপ লৈ ক্লাছলৈ অহা-যোৱা কৰা দৃশ্যটো। এই দৃশ্যটোৱে মোক বৰ অনুপ্ৰাণিত কৰিছিল। কথাটো মনলৈ আহিলেই সুগঠী বাইদেৰে গহীন খোজেৰে হোষ্টেললৈ আহি থকা ছবিখন দুচকুত ভাহি উঠে। বাইদেউৰ তিনিটা ল'ৰা-ছোৱালী—বাবলু, মুনু আৰু কাকু। পিছত সুপ্ৰতিষ্ঠিত হোৱা বুলি শুনিলোঁ। হোষ্টেল এৰি অহাৰ পৰা অৱশ্যে বাইদেউক এবাৰো লগ পোৱা নাই। বাইদেউৰ আৰু এটা আমি আটায়ে উপভোগ কৰা কাম আছিল, ফাকুৱাৰ সময়ত বাইদেউৰ ডাঙৰ ল'ৰা বাবলুৰ জন্মদিন পৰে আৰু তেতিয়া আৱাসীসকলক বাইদেৰে মিষ্টিমুখ কৰিছিল। মাজতে এখন দৈনিক বাতৰি কাকতত বাইদেউৰ দুটামান লেখা পঢ়িছিলোঁ। আচলতে বাইদেউৰ বহুতো কথাই এই সময়ত ভুমুকি মাৰিছে। সকলো লিখা সম্ভৱ নহয়। অলকা বাইদেউৰ পৰিয়ালটো এটা পৰিশীলিত পৰিয়াল আছিল।

আমি মেট্ৰন হিচাপে পোৱা বাইদেউ গৰাকীৰ নাম দেৱযানী নে অনুসূয়া দেৱী আছিল। বাইদেৰে পাতলকৈ লাহী গঠনৰে বৰ খৰ খোজেৰে আৱাসীসকলক তদাৰক কৰিছিল। অসুখ-বিসুখ হ'লে ছাত্ৰীসকলৰ সকলো ধৰণৰ খবৰ কৰাত বাইদেউ সচেতন আছিল। এবাৰ মোৰ পেটৰ অসুখত বাইদেৰে কাঁচকলৰ নেমু তৰকাৰী ৰান্ধি খুওৱাত মই ভাল পাইছিলো। এই পথ্যবিধ মই আজিও ব্যৱহাৰ কৰো। তেওঁক মই কেতিয়াও নাপাহৰো।

প্ৰি ডিগ্ৰী কৰ্চৰ পৰা বি এচ চি পাছ কৰালৈকে হোষ্টেলৰ অনেক আৱাসী লগ পালোঁ। আজি ইমান বছৰৰ পিছত সকলো আৱাসীৰে নাম মনত পৰা নাই। তথাপিও মনৰ আঁচলত ধৰি স্মৃতিৰ সফুঁৰা মেলি জ্যেষ্ঠ, কনিষ্ঠ আৰু সহপাঠী কেইগৰাকীমানৰ নাম প্ৰসংগক্ৰমে উল্লেখ কৰিলোঁ। আমাৰ পৰিয়ালৰ বিনয়া, বাণী, বাবী আৰু জিমি এই ছাত্ৰীনিৱাসত থাকি কলেজীয়া শিক্ষাৰ পাতনি মেলিছিল। অনিচ্ছাকৃতভাৱে সকলোকে উল্লেখ কৰিব নোৱাৰাৰ বাবে দুখিত।

আমি পাইছিলোঁ ৰুমমেট হিচাপে শিৱসাগৰৰ অনিমা ফুকন বাইদেউ, বিনু গোহাঁই বাইদেউ (চাবুৱাৰ), উষা শৰ্মা (বি.এচ.চি. ফাইনেল ইয়েৰত আছিল তেতিয়া)। উষা বাইদেউৰ প্ৰাণী বিজ্ঞান বিভাগত অনাৰ্চ আছিল। ঘৰ ডিমাপুৰত। ১৯৭৭ চনত মই বি.এচ.চি. পাছ কৰি গুৱাহাটী বিশ্ববিদ্যালয়ত এম.এচ.চি. পঢ়ি থাকোতে উষা বাইদেৰে মোলৈ এখন চিঠি দিছিল। চিঠিত বাইদেৰে উল্লেখ কৰিছিল—"মই কৰিব নোৱাৰা কামটো তুমি পাৰিলা; মই বৰ সুখী হৈছো।" এইবোৰ বৰ হেপেন্থৱা মৰম; সদায়ে সজীৱ হৈ থাকে।

বিনু গোহাঁই বাইদেউ পৰিপাটীকৈ থকা আৰু বাইদেউৰ সাজ-পোছাকৰ পৰিচ্ছন্নতা বৰ চকুত লগা আছিল। বেছিকৈ উকা বা এটা ফুলৰ পাটৰ মেখেলা আৰু বগা পাৰী দিয়া চাদৰ পিন্ধিছিল। ৰঙে বৰণে বগা বাইদেউ সকলো সময়তে সদ্যস্নাতা ৰূপত থাকে। বিনু বাইদেউ ইমান পৰিষ্কাৰকৈ থাকি ভাল পাইছিল যে সদায় ৰাতিপুৱা ৰুমটো এবাৰ নিজে সাৰে আৰু সেইখিনি সময়ৰ বাবে আমি গোটেই কেইজনী বাহিৰত থাকিব লগীয়া হয়। আটাই কেইজনীৰে বিছনা চাদৰবোৰ, টেবুল ক্লথবোৰ আৰু ৰুমত থকা অন্যান্য বস্তুবোৰ নিজে হাত ফুৰাই ঠিক ঠাক কৰিহে আমাক সোমাবলৈ দিয়ে। বাইদেৱে বিয়াত মোক মাতিছিল যদিও যোৱাৰ সুবিধা কৰিব নোৱাৰি মনত বেয়া লাগিল। আজিলৈকে বাইদেউ এজনীকো লগ পোৱা নহ'ল।

জ্যেষ্ঠ বাইদেউবোৰৰ ভিতৰত হোষ্টেলত পাইছিলো উপমা দত্ত, আৰতি দত্ত আৰু এগৰাকী তেওঁলোকৰে বাই-ভনী আছিল, নামটো পাহৰিছো। ওপৰ মহলৰ কৰ্মাচ কলেজৰ ফালৰ ৰুম এটাত তেওঁলোক আছিল। উপমা বাইদেউ বৰ মৰমিয়াল আছিল।

এইখিনিতে ক'বলৈ এটা দুখৰ কাহিনী মনত পৰিছে। ২০ নং কোঠাত আছিল দুগৰাকী জ্যেষ্ঠা বাইদেউ নীলিমা দত্ত আৰু মোহিনী বাইদেউ। নীলিমা বাইদেউ বি.এচ.চিৰ তৃতীয় বৰ্ষৰ আৰু মোহিনী বাইদেউ কৰ্মাচৰ ডিগ্ৰী কৰ্চৰ। এই মোহিনী বাইদেউ এদিন হোষ্টেলৰ পৰা কোনোবা আপোন মানুহৰ ঘৰত থাকিবলৈ গৈছিল। পিছত তেওঁৰ মৃতদেহ নাহৰকটীয়াৰ ফালে বুঢ়ীদিহিঙৰ পাৰত উদ্ধাৰ হ'ল। আমাৰ হোষ্টেললৈ পুলিচ আহিছিল। ২০ নং কোঠালৈ। আমি ভয়ে ভয়ে জুমি চাইছিলোঁ। কেইদিনমান হোষ্টেলখন শোকাচ্ছন্ন হৈ আছিল। শিৱসাগৰৰ পুতুল চেতিয়া বাইদেউক পাইছিলোঁ তেওঁ বি.এচ.চি. চূড়ান্ত বৰ্ষত থাকোতে বাইদেৱে আমাক পুৱতি নিশাতে উঠাই কলেজৰ বোটানিকেল বাগিছাৰ ফালে এপাক ফুৰাই আনি পঢ়িবলৈ দিছিল। মৰমৰ কৰ্তৃত্বৰ দাবী আছিল এইবোৰ কথাত।

হোষ্টেলত পাইছিলোঁ আৰু বাইদেউবোৰ ৰাণু চাংমাই, মেৰি আইদেউ, আৰা বেগম, দীপ্তি গগৈ আৰু তেওঁৰ বায়েক প্ৰতিমা গগৈ, মঞ্জুৰাণী গগৈ, স্মৃতি ৰেখা ফুকন, প্ৰণতি বৰুৱা, অঞ্জনা কলিতা, হোস্না খুশ্বৰেদ, বীণা শ্যাম, ৰাণী শৰ্মা, জুমি, পলি, মীনা, ৰেণু আৱানধৰা আৰু এগৰাকী বাইদেউ আছিল লিলি চাংমাই। বাইদেৱে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ওচৰত থকা অসম চৰকাৰৰ ফিচাৰি অফিচটোত চাকৰি কৰিছিল। আমি বিশ্ববিদ্যালয়ত পঢ়োতে এদিন বাইদেউক অফিচত লগ কৰিবলৈ গৈছিলো। বাইদেৱে বৰ ভাল পাইছিল। একে হোষ্টেলত থকা বাইদেউক পাই আমাৰো ভাল লগাৰে কথা। ফুল আৰু ৰেণু নামৰ বাইদেউ দুগৰাকী সদায়ে সকলো সময়তে একেলগে থকা দেখিছিলোঁ। আমি তেখেতসকলক ফুলৰেণু বাইদেউ বুলিয়ে জানিছিলো; এই ৰেণু বাইদেউৰ ভনীয়েক কল্যাণী গগৈ আমাৰ পিছৰ বছৰৰ আছিল। অঞ্জলি বাইদেউ, মীৰা বৰা আৰু বহুতো বাইদেউৰ নামবোৰ মনলৈ নহাত তেখেতসকললৈ ক্ষমা খুজিলোঁ।

হোস্না খুশ্বৰেদ বাইদেউ আৰু মঞ্জুৰাণীয়ে বৰ সুন্দৰ গান গাইছিল।

আমি একে লগৰ বিজ্ঞান, কলা আৰু আমাৰ কনিষ্ঠসকলৰ ভিতৰত আছিলো—মামণি ফুকন, জ্যোৎস্না শইকীয়া (বাবলি), জ্যোৎস্না গগৈ, হিৰণ্য, অনিমা, বাসন্তী, মামনি ঘৰফলীয়া, অজুৰাণী, উৰ্মিলা মেছ, শকুন্তলা, মনোৰমা গগৈ (জুনু মোৰ নিচাদেউৰ ছোৱালী), মিনিতি নেওগ, দীপ্তি নেওগ (দুয়োজনী মোৰ আপাদেউৰ ছোৱালী), বিনয়া (মোৰ নিজৰ ডাঙৰ ভনী), অৰ্চনা লাহা, অৰ্চনা বৰ্মন, ইবি দুৰৰা, প্ৰজ্বলিতা শইকীয়া, ক্ষীৰদা বকলিয়াল, মিনতি গগৈ, ৰাণী বৰগোহাঁই, নীলাক্ষী গগৈ, দীপ্তি গগৈ (দুয়ো বাই ভনী), টুটু আৰু দীপু (দুয়ো বাই ভনী), তেওঁলোকৰ পোছাকী নাম পাহৰিলোঁ, অঞ্জু গগৈ, ৰীতা বৰুৱা (গায়িকা), ৰীতা বুঢ়াগোঁহাই, অনিমা শইকীয়া, গুণলক্ষী গগৈ, কৰুণা সোনোৱাল, নিৰু সোনোৱাল, পাপৰি, জয়ন্তী কোঁৱৰ, হেমজ্যোতি বৰুৱা, ৰূপজ্যোতি বৰুৱা (দুয়ো বাই ভনী)।

দীৰ্ঘদিনীয়া হোষ্টেল জীৱনে বহুতো লাগতিয়াল অভিজ্ঞতা গোটোৱাত সহায়ক হ'ল। বহুতো মিঠা মিঠা কাহিনী আজীৱন কলেজীয়া জীৱনৰ সাক্ষী হৈ মনৰ নিভৃত কোণত আলফুলে প্ৰোথিত হৈ আছে অজৰ-অমৰ হৈ। তাৰেই কিছু কথা জনাবলৈ মন গ'ল।

আমাৰ নিৰ্মোহ ধেমালিবোৰৰ ভিতৰত এটা আছিল আঙুঠিৰ খেল। ডিচেম্বৰ/জানুৱাৰী মাহৰ জাৰৰ দিনত আমি বন্ধৰ দিনৰ আবেলি ভিতৰৰ ঘাঁহনি ডৰাত ৰ'দ পোৱাও। ৰ'দে মূৰত ধৰিলে আমি ঘূৰণীয়াকৈ বহি ওৰণি লৈ ভাবীকালৰ বোৱাৰী হওঁ। সেইসময়তে এজনী জ্যোতিষী হৈ মংগল চায়, হাতত এডাল তিনি হাতমান দীঘল চুলি। তেতিয়া অৱশ্যে দীঘল চুলিৰ অভাৱ নাছিল। চুলিডালৰ এমূৰে এটা আঙুঠি;

আনটো মূৰত মংগলতিয়ে চুলিডাল হাতেৰে ধৰি এজনীৰ সোঁহাতখনৰ তলুৱাত আঙুঠিটো ঘূৰাই ঘূৰাই ৰ'বলৈ দিব। যদি আঙুঠিটো এটা নিৰ্দিষ্ট দিশত দোলায়িত হৈ ৰয় তেতিয়া সন্তান ল'ৰা হ'ব আৰু আঙুঠিটো ঘূৰি ঘাৰি ৰয় তেতিয়া সন্তান ছোৱালী হ'ব। কাৰোবাৰ দুই তিনিটা ল'ৰাই হয় আৰু কাৰোবাৰ ছোৱালীয়ে হয়।

পিছে ভৱিষ্যত জীৱনত কাৰ কি ল'ৰা-ছোৱালী হ'ল দুই এগৰাকীৰ বাহিৰে বাকীবোৰৰ কথা নাজানিলোঁ; মোৰ পিছে প্ৰথম ছোৱালী আৰু দুটা ল'ৰা। আঙুঠি বা কেনেকৈ ঘূৰিছিল।

এবাৰ শিৱৰাত্ৰিৰ কথা। কিবা প্ৰকাৰে ওপৰ মহলাৰ এটা ৰুমত কৰবাৰ পৰা সংগ্ৰহ কৰি আবাসীয়ে মহাদেৱৰ প্ৰসাদ 'ঘূটা' আনি খালে। পাছত ঘূটাই মূৰত উঠি খাওঁতাক দাঙি নিবলৈ ল'লে। আৱাসী চিনিয়ৰ বাইদেউগৰাকীয়ে চিঞৰে—"মই উৰি যাম, মই উৰি যাম" আৰু ৰুমমেটবোৰে এখন দুখনকৈ লেপ জাপি দিছে। নাই তেওঁ উৰি যোৱা দুৰ্বাৰ হাবিয়াস দমাব পৰা নাই। আমি সকলোৱে বাৰান্দাৰ পৰা খিড়িকীৰ কাঁচৰ মাজেদি চাই আছোঁ।

ছাদৰ ওপৰত ফাঁকুৱা—হোষ্টেলৰ আৱাসীৰ মন মতলীয়া কৰা উৎসৱ আছিল ফাঁকুৱা। বিভিন্ন ৰঙৰ ফাঁকুগুড়ি আনি আমি যতনাই থওঁ। ফাঁকুৱাৰ দিনা পুৱাৰ জলপান খাই স্বইচ্ছাই ওলাই অহা সাহসী কেইজনীৰ প্ৰকোপত ভয় কৰি কোনো সোমাই থাকিব নোৱাৰে। প্ৰথমে ৰুমৰ আগৰ বাৰান্দাত আৰু শেষত আটায়ে ছাদৰ ওপৰলৈ গৈ সমূহীয়া ফাঁকু খেলা হয়, ফাঁকুয়ে বহুৰঙী কৰা মুখবোৰ আনে চিনি পোৱাৰ উপায় নাথাকে, আনকি নিজে নিজক চিনি পাবলৈ টান হয়।

হোষ্টেল জীৱনৰ আন এটা আনন্দমুখৰ দিন আছিল ফাগুনৰ কোনোবা এটা বিশেষ দিনত চিলা উৰুওৱা প্ৰতিযোগিতা। আমাৰ হোষ্টেলৰ মুকলি পথাৰখনৰ উত্তৰ পূব কোণত অনুষ্ঠিত হয় এই প্ৰতিযোগিতা। প্ৰতিযোগিতাখনৰ নাম আছিল "Aruna Kite Competition"। কলেজৰ ছাৰ এগৰাকীয়ে এই প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিল। ৰঙা, নীলা, সেউজীয়া, বেঙুনীয়া ভিন্ন ৰঙৰ চিলাৰে আকাশখন নানাৰঙী হৈ উঠে। চিলাবোৰ দেখিবলৈ এনে লাগে যেন একোজনীহঁত যোড়শী গাভৰু লাহী দেহৰ দীঘল বেণীটাৰিয়ে আকাশলৈ উৰি গৈছে। চিলাবোৰে ওপৰত ইখনে সিখনক থপিয়া থপি কৰি কিয়ে এখন অনন্য আকাশৰ সৃষ্টি কৰে সঁচাই আমাৰ বাবে বৰ আনন্দমুখৰ হৈ উঠে সেই দিনটো। আমি খিড়িকীৰ মুখত বৈ, ছাদৰ ওপৰত উঠি যেয়ে যেনেকৈ সুবিধা হয়, তেনেকৈ চিলা খেল চাইছিলোঁ। প্ৰতিযোগীসকল সাধাৰণতে ল'ৰা হোষ্টেলৰ আৱাসী আৰু কলেজৰ ছাত্ৰও থাকে। এতিয়াও ক'ৰবাত চিলা উৰুওৱা দেখা পালে সেই দিনবোৰলৈ মনত পৰে।

আমাৰ নৱবৰ্ষৰ দিনটো—নৱবৰ্ষৰ দিনটো আমি কলেজত থকা সময়ত চৰকাৰী বন্ধ দিন হিচাপে পাইছিলোঁ। নৱবৰ্ষৰ উৰুকাৰ ৰাতি আমাৰ বাবে বৰ আকাংক্ষিত ৰাতি আছিল। সেই ৰাতি আমি আটায়ে লগ হৈ হোষ্টেলৰ লোহাৰ গেটখনৰ ভিতৰৰ বাৰান্দাখন সজাই পৰাই তোলো। সোমাই অহাৰ বাওঁহাতে গেটখনতে লগাই এখন টেবুলত ওচমান বেকাৰিৰ পৰা অনা ৰঙীন কেক্‌টো থৈ চুপাৰ বাইদেউৰ উপস্থিতিত কেক্ কাটি নতুন বছৰৰ আদৰণি জনাওঁ। সেই কেক্ কটা শুভ মুহূৰ্তত লোহাৰ গেটৰ বাহিৰত উপস্থিত থাকে অচিন আলহী। আলহীসকলে দিনৰ ভাগত এইদৰে জাকে জুমে আহি নোপোৱা ঠাইকণলৈ আহি মূৰে-গাৰে গৰম কাপোৰ লৈ চেপা মাতেৰে আৱাসীসকলৰ নাম ধৰি মাতে। গেটৰ ভিতৰত দুপৰ নিশা ঘড়ীত নতুন বছৰৰ সংকেত পোৱাৰ লগে লগে ইজনীয়ে সিজনীক আৰু আটায়ে চুপাৰ বাইদেউক নৱবৰ্ষৰ ওলগ জনাই বাইদেউক কেক্ কাটিবলৈ আগবঢ়াই দিয়া হয়। বাহিৰ ভিতৰৰ সকলোৱে কেক্ খাই নতুন বছৰৰ নতুন সুৰুয উঠালৈ গভীৰ উৎকণ্ঠাৰে বাট চাই বিছনাত উঠো। নতুন বছৰৰ দিনা আমাৰ হোষ্টেলত বৰা খানা সকলোৱে সেইদিনটো বৰ স্ফুৰ্তিৰে উদ্‌যাপন কৰিছিলোঁ।

ডিচেম্বৰ জানুৱাৰী মাহ বুলিলেই হোষ্টেল, কলেজবোৰৰ পিক্‌নিক। তেতিয়াৰ দিনত পঢ়া-শুনাবোৰ আজি কালিৰ দৰে নাছিল অৰ্থাৎ চিমেষ্টাৰ চিষ্টেম নহৈছিল। গতিকে সেই কেইমাহত আমাৰ পঢ়াৰ বোজা গধূৰ নাছিল। পিক্‌নিক্‌লৈ যোৱাৰ আগনিশা আমাৰ আনন্দৰ সীমা নোহোৱা হয়। মাছ-মাংসৰ বজাৰ, কণী কিনি সিজাই লোৱা, ওচমান বেকাৰিৰ ব্ৰেড, কমলা জেলিৰ বজাৰ আদি নানান যাৱতীয় যোগাৰ আগদিনাই সম্পূৰ্ণ কৰা হয়। গোটেইবোৰ আৱাসী যাবলৈ সেই কাঠৰ দুৱাৰ-খিড়িকী লগা বাচ দুখন লাগিছিল। পিক্‌নিক্‌লৈ চুপাৰ বাইদেউৰ পৰিয়াল আৰু লগতে কলেজৰ ছাৰ বাইদেউৰ পৰিয়ালো গৈছিল। পিক্‌নিক্‌ৰ ঠাই আমাৰ বেছিকৈ বুঢ়ীদিহিঙৰ পাৰত, নামৰূপৰ দিল্লীঘাট, ইফালে চৰাইদেউ আদি নিৰ্বাচন কৰা হৈছিল। পুৱাই আকাশ বতাহ

মাইকৰ মাতেৰে ৰজন জনাই আমি যাত্ৰা কৰি প্ৰায় ৰাতি ৭/৮ মান বজাতহে হোষ্টেল পাওঁহি। পিক্‌নিক্‌ত গীত-মাত, হৈ হুলস্থূল কৰি ইমান স্ফুৰ্তি কৰা হয় যে হোষ্টেল পাওঁতে সকলোৰে অৱস্থা বায়ু ওলাই সোঁতোৰা পৰা বেলুনৰ দৰে হয়; ডিঙিৰ পৰা মাত নোলায়। কলেজ এৰাৰ পিছত যোৱা বছৰলৈকে বহুত পিক্‌নিক্ গ'লো, কিন্তু সেই কাৰ্নে হোষ্টেলৰ দুভাগ ৰাতিলৈকে সাৰে থাকি পিক্‌নিক্‌লৈ যোৱাৰ আনন্দ কতোৰেই নাপালো।

হোষ্টেলৰ নিয়ম ভাঙি কৰা অনিয়মবোৰ—এদিনৰ কথা। আমাৰ খুব Morning Show চিনেমা চাবলৈ মন গ'ল। ইংলিছ চিনেমা। কিন্তু আমাৰ হোষ্টেলত এই অনুমতি প্ৰদানত নিষেধাজ্ঞা আছে। গতিকে অনুমতি ল'ব নোৱাৰি। ইফালে অবুজ মনে নামানে। নিয়ম নমনা জনক নাকী লগাব নোৱাৰি এটা বুধি পাঙিলো; মেট্ৰন বাইদেউক কৈ দেওবাৰে মাংসৰ বজাৰ কৰি আবেলি চাহৰ স্পেচিয়েল টিফিনটো আনিবলৈ ওলাই যোৱাৰ সুবিধাটো কৰি ল'লো। আমি দুগৰাকী আছিলোঁ। মোৰ লগত কোন আছিল পাহৰিলো। 'ৰংঘৰ' চিনেমা হলত টিকেট কৰি সোমাই গ'লো, খেপিয়াই খেপিয়াই চিট দুটা বিচাৰি বহিলোঁ। ক্ষন্তেক পৰ ইফালে সিফালে চকু ফুৰাই থাকোতেই হঠাৎ চকু পৰিল দুটা শাৰীৰ আগত আমাক ইংৰাজী পঢ়োৱা ছাৰ গৰাকী বহি আছে সন্মুখলৈ মুখ কৰি। আমি দুজনীৰ 'ক'ত যাওঁ গোপাল, ক'ত যাওঁ কৃপাল' অৱস্থা। 'যতে বাঘৰ ভয়, তাতে ৰাতি হয়' বুলি গোটেই সময়খিনি বুকুৰ ধুকধুকনিহে শুনিলোঁ। আমাৰ আৰু চিনেমাৰ পৰ্দাত চকু নপৰিল।

সন্ধ্যা সমূহীয়া প্ৰাৰ্থনা কৰি পাতলীয়া কিবা অলপ খাই সকলোৱে ভাত হোৱালৈকে পঢ়া-শুনা কৰে। তেনে সময়ত সদায় নহ'লেও সাধাৰণতে চুপাৰ বাইদেৱে ওপৰে তলে ৰাউণ্ড দিয়ে। এদিন আমাৰ ৰুমত আৰম্ভ হ'ল দিনটোৰ কলেজত হৈ যোৱা কৰ্মসূচীৰ ধাৰাভাষ্য। লগে লগে হাঁহি-কিৰিলি। তৎ সময়তে দুৱাৰত গহীন টোকৰ দুটামান পৰিল। "Yes, get in" কোনোবা এজনীয়ে চিঞৰিয়ে ক'লে। বাহিৰৰ পৰা উত্তৰ আহিল গহীন কণ্ঠেৰে—"তোমালোক ওলাই আহা"। মাত শুনিয়ে গোটেই কেইজনীৰে থৰ হৰি কম্পন অৱস্থা। ইজনীয়ে সিজনীলৈ চাই আছে। কোনো ওলাই নাযায়। শেষত চিনিয়ৰ হিচাপে মইয়ে গৈ দুৱাৰখন খুলি দিলো—'এইটো মণিটৰৰ চুপাৰ বাইদেউৰ একেই গহীন কণ্ঠস্বৰ—"ইয়াতে যদি...!"

দুদিনমান সম্পূৰ্ণ গহীন আটাই কেইজনী। নোট লেখাই নোট লিখে, প্ৰেক্‌টিকেল আঁকিবলৈ থকাই সেইবোৰ আঁকে। এইদৰে কেইদিনমান যায়। পিছে দিন আগবঢ়াৰ লগে লগে নতুন কথা নতুন কাম যেতিয়া আমাৰ কৰ্মসূচীত সোমাই পৰে, বাইদেউৰ গালিৰ চোক কমি যায়। এটা দুটাকৈ কথা ওলাই পঢ়াৰ সময়ত ভুমুকি মৰা হ'ল। কথা পতা বেছি হ'লেই চুক্তি বন্ধা হয়—"যিজনীয়ে প্ৰথমে কথা ক'ব, তাই জুলাইৰ ঘৈণীয়েক হ'ব।"

জুলাইক বিচাৰি আমি এতিয়া যাব লাগিব পাকঘৰলৈ। আহল-বহল ডাইনিং ৰুমৰ পশ্চিম দিশত আছিল এলান্ধুকলীয়া পাক ঘৰটো। তাৰেই কৰ্মচাৰীসকল হৈছে প্ৰধান ৰান্ধনি মামা। মামা বগা চুটি চাপৰ পেট ওলোৱা আছিল। তেওঁৰে সহকৰ্মী জুলাই, কানু, বংশী আৰু সকলোৰে কনিষ্ঠ বৃষ।

এই জুলাই স্বভাৱত বৰ খিং-খিঙীয়া। মামাৰ সমানে ওখ। পোছাক পাতিত ইমান মনোযোগ নাই আৰু সাধাৰণতে মুখ মণ্ডলত এটি অসন্তোষীয়া ভাব লৈ থাকে। এই জুলায়ে বৃষৰ লগত বৰ কাজিয়া কৰিছিল। বৃষ বয়সত তেওঁলোক দুজনতকৈ বহুত সৰু হ'লেও জুলাইক মাজে মাজে জোকাইছিল। এদিন ভাত ৰন্ধাৰ সময়তে জুলাই আৰু বৃষৰ মাজত বহুত কাজিয়া। জুলায়ে জুই আঙঠা এডোখৰ লৈ বৃষক খেদি ফুৰিছে। মাজে মাজে সি মুখেৰে বক্ বকাই আছে। জুলায়ে হেনো বৃষক চাকৰিটোলৈ আনিছিল। পিছত মেট্ৰন বাইদেউ আৰু চিনিয়ৰ বাইদেউসকলৰ হস্তক্ষেপত কাজিয়াৰ অন্ত পৰিল। আমিবোৰ তলৰ মহলাত থকাৰ বাবে পাকঘৰৰ চিঞৰ-বাখৰ সকলো গম পাই আছিলোঁ।

বৃষ তেতিয়া ১২/১৩ বছৰীয়া ল'ৰা। ছোৱালীবোৰে ইটো সিটো কাম সৰু সৰু বস্তু কিনা কাম তাৰ হতুৱাই কৰায়। বৃষৰ এখন ডিঙিত ওলমাই লৈ ফুৰা ভ্ৰাম্যমান দোকান আছিল। এটা মেলা বাকচৰ দুয়ো দাঁতিত ৰচী এডাল বান্ধি লৈ ডিঙিতে বাকচটো ওলমাই ৰুমে ৰুমে বস্তু বিক্ৰী কৰি ফুৰে। দোকানখনত থাকে ধূপৰ পেকেট, জুইশলা বাহ, সৰু সৰু টুথপেষ্ট কলগেট, ফৰহেন্স, গাধোৱা আৰু কাপোৰ ধোৱা চাবোন আদি। কেতিয়াবা বিস্কুট আৰু পপ সি বিক্ৰী কৰিছিল। আমাৰ এই কামটোৰ বাবে সুবিধা হৈছিল।

আমাৰ ৰুমৰ আৰু এটা উল্লেখনীয় কথা আছিল। তেতিয়া ৬নং কোঠাৰ আৱাসী আমি; এদিন ৰাতি শুই থাকোতে আমাৰ কোঠাত চোৰ সোমাল। বিছনাৰ তলত সোমোৱাই থোৱা বাকচ এটা লৈ গৈ চোৰে হোষ্টেলৰ

আছিল তেখেতৰ সহধৰ্মিণী প্ৰয়াত লক্ষীদা দত্ত বাইদেউ। পৰম শ্ৰদ্ধাৰ শিক্ষকসকলৰ মাজত আছিল ভূগোল বিভাগৰ কল্যাণ বৰুৱা, নৰেন্দ্ৰ ভাৰ্মা, প্ৰফুল্ল চক্ৰৱৰ্তী, বিজয় ভাৰ্মা, প্ৰভুনাথ সিং, যাদৱ বৰুৱা, মেহতাবুদ্দিন আহমেদ, সুনীল বৰঠাকুৰ, ধ্ৰুৱদেৱ শুক্লা, পৰীক্ষিত হাজৰিকা, প্ৰফুল্ল ভাট্টাচাৰ্য, যামিনী দেৱী, ফৰিদা শ্বৰফুদ্দিন, অলকা বৰুৱা, ভবেন বৰুৱা আৰু দেবেন শইকীয়া ছাৰ। চাৰি দশকৰ আগৰ সেই শিক্ষাগুৰুসকলৰ স্নেহ আৰু মৰম আজিও মোৰ মনত আছে। এই মুহূৰ্তত সেই সময়ত কলেজত থকা অন্যান্য বিভাগৰ ছাৰ-বাইদেউসকলক শ্ৰদ্ধাৰে সুঁৱৰিছো। আমি থকাৰ সময়ৰ ছাত্ৰীনিৱাস আৰু আজিৰ ছাত্ৰীনিৱাসৰ অৱস্থানৰ সলনি হোৱা নাই; হৈছে মাথোন আন্তঃগাঁথনিৰ পৰিৱৰ্তন। কলেজৰ একেবাৰে ওচৰতে থকা বাবে শ্ৰেণীৰ আৰম্ভণি আৰু সামৰণিৰ ঘণ্টাও ছাত্ৰীনিৱাসৰ পৰা শুনিছিলোঁ। তত্বাৱধায়িকা বাইদেউৱে অতি গঠনমূলক মনোবৃত্তিৰে ছাত্ৰীনিৱাস পৰিচালনা কৰিছিল। কলেজলৈ অহা-যোৱাৰ ৰাস্তা আছিল উদ্ভিদ বিজ্ঞান বিভাগৰ গাতে লাগি থকা ডাঙৰ গেট আৰু কেতিয়াবা সেইখন বন্ধ থাকিলে ওচৰতে থকা Commerce Collegeৰ গেট। ছাত্ৰীনিৱাসত ভৰ্তি হোৱাৰ পাছত ইয়াত থকাৰ নিয়ম-কানুন সম্পৰ্কে অগ্ৰজসকলে অনুজসকলক শিকাই-বুজাই দিছিল। চিনাকি পৰ্ব (Ragging) আছিল যদিও অতি সহজভাৱে এই পৰ্ব চলিছিল।

ছাত্ৰীনিৱাসত খোৱা-বোৱাৰ বাবে দিব লগা হৈছিল মাহেকত ৯০ টকা। পাছলৈ ১২০ টকা হৈছিল। হোষ্টেলৰ থকাৰ বাবে মাচুল দিবলগীয়া হৈছিল প্ৰতিমাহে ২০ টকা। কলেজৰ মাহেকীয়া মাচুল আছিল ১৫ টকা। ছাত্ৰীনিৱাসৰ খোৱা-বোৱাৰ মানদণ্ড খুব উন্নত নাছিল। ছোৱালী বিলাকৰ মাজৰ পৰাই Mess Manager ঠিক কৰি দিয়া হৈছিল আৰু Metron বাইদেউৰ সহযোগিতাত Mess চলোৱা হৈছিল। ছাত্ৰীনিৱাসৰ ৰান্ধনি শালৰ দায়িত্বত থকা কানু, জুলাইৰ কথা মোৰ এতিয়াও মনত আছে। তেওঁলোক এতিয়াও আছেনে নাই নাজানো, তেওঁলোকলৈ মোৰ কৃতজ্ঞতা জনালোঁ। খোৱা পানীৰ ব্যৱস্থাও সিমান ভাল নাছিল। গা-পা ধোৱা পানীৰ ব্যৱস্থাও সিমান সুচল নাছিল। অসুখ-বিসুখ হ'লে হোষ্টেলৰ ওচৰতে থকা ডাঃ সুনীত বৰুৱা ছাৰ আহিছিল প্ৰাথমিক চিকিৎসাৰ বাবে। বিশেষ অসুবিধা হ'লে লৈ যোৱা হৈছিল অসম মেডিকেল কলেজৰ হস্পিতাললৈ। কলেজৰ পৰা অহাৰ পাছত পঢ়া-শুনা কৰাৰ আগতে প্ৰাৰ্থনা কৰা হৈছিল। প্ৰাৰ্থনাৰ সংগীত আছিল 'মুক্তিত নিস্পৃহ যিটো, সেহি ভকতকো নমো, ৰসময় মাগো হো ভকতি..."। ৰাতি ১০ বজালৈকে লাইট জ্বলাই পঢ়া-শুনা কৰাৰ অনুমতি প্ৰদান কৰা হৈছিল। ছাত্ৰীনিৱাসত সেইসময়ত টেলিফোনৰ ব্যৱস্থা আছিল আৰু প্ৰয়োজন অনুযায়ী টেলিফোনৰ ব্যৱহাৰৰ সুবিধা দিয়া হৈছিল।

১৯৭৫-৭৬ শিক্ষাবৰ্ষত সূৰজমল কানৈয়ে তেখেতৰ প্ৰয়াত পুত্ৰ লালচন্দৰ নামত এটি ধুনীয়া প্ৰেক্ষাগৃহ সজাই দিয়ে। সেইটোৱেই কানৈ কলেজৰ লালচান্দ কানৈ প্ৰেক্ষাগৃহ। ইয়াৰ আধাৰশিলা স্থাপন কৰিছিল সেই সময়ৰ গৱৰ্ণিং বৰ্ডিৰ সভাপতি তথা জিলাৰ উপায়ুক্ত মহোদয় এছ.কে. অগ্নিহোত্ৰীদেৱে। ১৯৭৬ চনৰ ৫ জুলাইত প্ৰেক্ষাগৃহো মুকলি কৰিছিল কেন্দ্ৰীয় শিক্ষামন্ত্ৰী নুৰুল হাছানদেৱে। এই অনুষ্ঠানৰ মুখ্য অতিথি আছিল অসমৰ মুখ্যমন্ত্ৰী শৰৎ চন্দ্ৰ সিংহ আৰু সভাত সভাপতিত্ব কৰিছিল কুৰুক্ষেত্ৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য শৰৎ কুমাৰ দত্তদেৱে। সন্ধিয়াৰ সাংস্কৃতিক অনুষ্ঠানত ড° ভূপেন হাজৰিকাই গীত পৰিৱেশন কৰিছিল।

১৯৭৬ চনতে শিৱসাগৰ কলেজত অনুষ্ঠিত হোৱা আন্তঃজিলা কলেজ সংগীত প্ৰতিযোগিতাত কানৈ কলেজে শ্ৰেষ্ঠ দল হিচাপে পুৰস্কাৰ লাভ কৰিছিল। একেটা বছৰতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ১০তম আন্তঃমহাবিদ্যালয়ৰ ক্ৰীড়া প্ৰতিযোগিতাত জিমনাষ্টিকত পাঁচটা প্ৰথম পুৰস্কাৰ লাভ কৰিছিল আমাৰ কলেজে। সীমাহীন আনন্দ উপভোগ কৰিছিলোঁ আমি কলেজৰ ছাত্ৰ-ছাত্ৰীৰ শ্ৰেষ্ঠতা প্ৰদৰ্শনত।

ছাত্ৰী নিবাসত থকা সময়ছোৱাৰ অভিজ্ঞতা বৰ্ণনা কৰিবলৈ যাওঁতে তত্বাৱধায়িকা অলকা বৰুৱা বাইদেউৰ বিষয়ে দু-আষাৰ নিলিখিলে মোৰ লিখনি আধৰুৱা হৈ ৰ'ব। সন্ধিয়া প্ৰাৰ্থনাৰ অলপ সময় পিছৰে পৰা বাইদেউৱে প্ৰায় প্ৰতিটো ৰুমতে পঢ়া-শুনা হৈছে নে নাই চাইছিল। কেতিয়াবা দুই-এটা ৰুম ন'ক কৰি ভিতৰলৈ সোমাই গৈছিল। বাইদেউৰ এই মৰমৰ শাসন আৰু চেষ্টাৰ ফলত ছাত্ৰীনিৱাসৰ পৰীক্ষাৰ ফলাফলো যথেষ্ট ভাল হৈছিল। শিক্ষা একপক্ষীয় বিষয় নহয়। ছাত্ৰ-ছাত্ৰী, শিক্ষক আৰু অভিভাৱকৰ মাজত সু-সম্পৰ্ক নাথাকিলে শিক্ষা সম্পূৰ্ণ হ'ব নোৱাৰে। কোনো সমস্যা থাকিলে বাইদেউৱে সমাধানৰ চেষ্টা কৰিছিল। মই নামভৰ্তি কৰা বছৰটোত ছোৱালীৰ সংখ্যা বেছি হোৱা বাবে প্ৰায় প্ৰতিটো ডাঙৰ ৰুমত ৫ জনীকৈ ছোৱালী আছিল। মেট্ৰন বাইদেউৰ ৰুমতো মোৰ সহপাঠী দুগৰাকী আছিল। বাইদেউৱে দায়িত্ব সহকাৰে প্ৰতিটো ৰুমৰ শোৱাৰ ব্যৱস্থাও পৰ্যবেক্ষণ কৰিছিল। মোৰ ব্যক্তিগত অভিজ্ঞতাৰ পৰা বাইদেউৰ কৰ্তব্য নিষ্ঠাৰ এটি উদাহৰণ দাঙি

ধৰিছো। সেই সময়ত ডিব্ৰুগড় 'অৰোৰা' চিনেমা হলত "Enter the Dragon" চিনেমাখন চলিছিল। মোৰ মামা এজন কলিকতাৰ পৰা ঘূৰিবলৈ আহি মোক হোষ্টেলৰ পৰা চিনেমা দেখুৱাবলৈ লৈ যাবলৈ বাইদেউৰ অনুমতি বিচাৰিছিল। বাইদেউৱে মোক মামাৰ লগত যাব দিয়া নাছিল কাৰণ Visitor listত মামাৰ নাম নাছিল। হোষ্টেলত ফোন থাকিলেও মোৰ ঘৰত ফোন নথকা বাবে মা-দেউতাক সোধা সম্ভৱ নাছিল। মামায়ে মোক খোৱাৰ বস্তুখিনি দি গুচি গৈছিল। সেই বয়সত চিনেমা চাবলৈ নোপোৱা বাবে মোৰ বেয়া লাগিছিল। কিন্তু আজিহে বাইদেউৰ কৰ্তব্যনিষ্ঠাৰ কথা মই শ্ৰদ্ধাৰে সুঁৱৰিছো। বিহুত বাইদেউৱে আমাক মাতৃসুলভ স্নেহেৰে লাৰু, পিঠা খুৱাইছিল। মহাবিদ্যালয় সপ্তাহত যোগদান কৰাৰ বাবে বাইদেউৰ পৰা আমি অনুপ্ৰেৰণা পাইছিলোঁ আৰু Recitationত মই পুৰস্কাৰো পাইছিলো। আমি যথেষ্ট বাধ্য ছাত্ৰী আছিলো আৰু যি উদ্দেশ্য লৈ ছাত্ৰীনিৱাসত আছিলো তাক সম্পূৰ্ণ কৰিবলৈ যথেষ্ট চেষ্টা কৰিছিলোঁ।

ছাত্ৰীনিৱাস পৰ্যবেক্ষণৰ ক্ষেত্ৰত আমাৰ মেট্ৰন বাইদেউৰ ভূমিকাও কোনো গুণে কম নাছিল। বাইদেউৱে মেছ মেনেজাৰসকলক নিৰীক্ষণ কৰিছিল। আৱাসীকসকলৰ প্ৰাথমিক সুবিধা-অসুবিধাৰ ক্ষেত্ৰত মনোযোগ দিছিল, কেতিয়াবা চিনেমা চাবলৈ শাৰী পতাই লৈ গৈছিল আৰু আনিছিল আৰু তত্বাৱধায়িকা মহোদয়াক সকলো খবৰ জনাইছিল। বাইদেউ নিৰামিষ ভোজন কৰিছিল আৰু নিজে ৰান্ধি খাইছিল। কেতিয়াবা তেওঁ নিজৰ আহাৰ ৰুমত থকা দুগৰাকীকো দিছিল।

শিক্ষাৰ বুনিয়াদ যদিও বাল্যকালতে হয় উচ্চ শিক্ষাই শিক্ষাৰ উত্তৰণ ঘটায়। মৰাণ ছোৱালী হাইস্কুল, মৰাণ মহাবিদ্যালয়, কানৈ মহাবিদ্যালয় আৰু শেষত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰী হিচাপে জীৱনৰ বহু বছৰ পাৰ কৰিলো। কিন্তু কানৈ কলেজৰ ১৯৭৫-৭৭ চনৰ স্মৃতি, ভূগোল বিভাগ আৰু ছাত্ৰীনিৱাসৰ স্মৃতি মোৰ মানসপটত সদায়ে উজ্বল হৈ থাকিব। ১৯৮৬ চনত কানৈ মহাবিদ্যালয়তেই প্ৰবক্তা (ভূগোল বিভাগ) হিচাপে যোগদান কৰিছিলোঁ আৰু ২০১৭ চনৰ ৩১ ডিচেম্বৰত মোৰ চাকৰিৰ কাৰ্যকাল শেষ হ'ল।

যিকোনো পৰিৱেশত নিজক খাপ খুৱাই ল'ব পৰাৰ শিক্ষা মই মোৰ মা-দেউতা আৰু এই ছাত্ৰীনিৱাসৰ পৰাই পাইছিলোঁ। মোৰ লগৰ অমিয়া বৰবৰা, সুপ্ৰীতি কাকতি, অৰ্চনা লাহা, নিলীমা গোস্বামী, কান্তা মুখাৰ্জী, বিজয়া বাইদেউ, টুটু বাইদেউ, পাপৰি, জুনুমণি, ৰীণা, কৰুণা, বন্দনা, জ্যোৎস্না, প্ৰজ্বলিতা, ফুলেমা, নিৰু আৰু জীনা বৰ্মনৰ স্মৃতি মোৰ মানসপটত অটুট হৈ আছে। ৰুমমেট বা ৰুমচিলেকচনৰ প্ৰক্ৰিয়াত আমি 17A আৰু 15 ত প্ৰায় একে কেইগৰাকীয়ে আছিলো। সময়ৰ ব্যৱধানে স্মৃতি কিছু সলনি কৰিছে যদিও বিস্মৃতিৰ গহ্বৰলৈ ৪০ বছৰৰ পাছতো সোমোৱা নাই।

ছাত্ৰীনিৱাসৰ বিভিন্ন দিশৰ বিষয়ে মোৰ সহকৰ্মীসকলৰ পৰা জানিব পাৰিছিলো। ২০০৩ চনৰ NAAC ৰ পৰিদৰ্শকসকল অহাৰ সময়তো বিভিন্ন অভাৱ-অভিযোগ আছিল ছাত্ৰীনিৱাসত। ২০১৭ চনত NAACৰে পৰিদৰ্শনৰ কালছোৱাত আৰু তাৰ আগৰ কিছু বছৰৰ পৰাই বিভিন্ন ধৰণৰ অনুদানেৰে ছাত্ৰীনিৱাসৰ বহুতো সা-সুবিধা বাঢ়িল। বৰ্তমান ১০৪ গৰাকী স্নাতক আৰু দুগৰাকী স্নাতকোত্তৰ শ্ৰেণীৰ আৱাসীৰে ছাত্ৰীনিৱাসটো এটা পূৰ্ণ পৰ্যায়ৰ ছাত্ৰীনিৱাস। তেতিয়াৰ আৰু এতিয়াৰ ছাত্ৰীনিৱাসত পাৰ্থক্য বহুত। সময়ৰ পৰিৱৰ্তনত ছাত্ৰীনিৱাসৰ এই পৰিৱৰ্তন সঁচাকৈয়ে গৌৰৱৰ বিষয়। ছাত্ৰীনিৱাসৰ আগৰ পিতনি গুচি এতিয়া ডাঙৰ-ডাঙৰ ভৱনসমূহ গঢ়ি উঠিছে, মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক বিভিন্ন ব্যক্তিৰ নামেৰে। এইক্ষেত্ৰত মহাবিদ্যালয় কৰ্তৃপক্ষৰ অৰিহণা শলাগীবলগীয়া। ছাত্ৰীনিৱাসৰ বিভিন্ন সময়ত থকা তত্বাৱধায়কসকলৰ কৃতিত্বও উল্লেখযোগ্য।

যিসকল ব্যক্তিয়ে এই মহাবিদ্যালয়ৰ ছাত্ৰীনিৱাসৰ প্ৰতি অকুণ্ঠ সহায় আগবঢ়াই স্বৰ্গগামী হ'ল, সেই ব্যক্তিসকলৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলোঁ। যিসকল ব্যক্তিয়ে এতিয়াও তেখেতসকলৰ বিভিন্ন কামৰ যোগেদি অৱদান আগবঢ়াই আছে তেওঁলোকলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। ১৯৮৫ চনৰ পৰা কেইবা হাজাৰ ছাত্ৰী এই ছাত্ৰীনিৱাসৰ পৰা পঢ়া-শুনা কৰি বিভিন্ন দিশলৈ ওলাই গৈছে। তাৰে বহুতো বিভিন্ন দিশত প্ৰতিষ্ঠিত হ'ল, বহুতো হয়তো স্বৰ্গগামী হ'ল। সকলোলৈকে মোৰ সশ্ৰদ্ধ প্ৰণাম, ভালপোৱা জনালোঁ। শেষত মোৰ ভৱিষ্যত গঢ় দিয়াত সুবিধা দিয়া বাবে কানৈ মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী তথা ছাত্ৰীনিৱাসৰ সকলোলৈকে কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। কানৈ মহাবিদ্যালয় ভাৰতবৰ্ষৰ ভিতৰত এক বিশেষ স্থান দখল কৰক আৰু ছাত্ৰীনিৱাসত ছাত্ৰীসকলে তাত অৰিহণা যোগাওক ইয়াকেই কামনা কৰিলোঁ। অৱশেষত মাদাৰ টেৰেছাৰ এষাৰি কথাৰে মোৰ লিখনিৰ সামৰণি মাৰিলোঁ।

"Not all of us can do great things but we can do small things with great love".○

# কানৈ ছাত্ৰীনিৱাসৰ অতীত ৰোমন্থন

✍ ৰেখাজ্যোতি গোহাঁই (দাধৰা)

এশ-ডেৰশ ছোৱালীক তদাৰক কৰাটো কম কথা নহয়। তাৰ মাজতে দুই-এজনী বেয়া স্বভাৱৰ ছোৱালীও থাকে। পাছত শুনিবলৈ পালো দুজনী ছোৱালীয়ে নীতি-বৰ্হিভূত কাৰ্যৰ বাবে ছাত্ৰীনিৱাসৰ পৰা বহিষ্কৃত হৈছিল। মই অবাধ্য নাছিলো আৰু কোনোদিন অকাৰ্যও কৰা নাছিলো। সেইকাৰণে, ঘৰৰ সকলোৱে বিশ্বাসত লৈছিল। মই অত্যন্ত লাজকুৰীয়া আছিলো। সেইকাৰণে মোৰ ল'ৰা বন্ধুও নাই। সেয়েহে, ঘৰৰ পৰা পচন্দ কৰা বিয়াহে মোৰ হৈছিল ১৯৮৪ চনৰ ২২ মাৰ্চত। এতিয়া সুখেৰেই আছো।

মোৰ ভগ্নীপ্ৰতিম টেঙাখাটৰ বিনয়া ভণ্টীয়ে হঠাতে মোলৈ খবৰ দিলে যে কানৈ 'ছাত্ৰী নিৱাস'ত 'হীৰক জয়ন্তী' পাতিবলৈ আয়োজন কৰিছে। গতিকে, স্মৰণিকালৈ লেখা পঠাবলৈ ইচ্ছা কৰিলে পঠাব পাৰে।

খবৰটো পাই মই বিনয়াক ধন্যবাদ জনালোঁ। কিন্তু কি লেখা পঠাম তাকলৈহে বিমোৰত পৰিলোঁ। কাৰণ, মই আজিলৈকে গল্প, কবিতা নাইবা প্ৰবন্ধ একোকে লিখি পোৱা নাই। বহুত সময় চিন্তা কৰি এটা উপায় পালো যে ছাত্ৰীনিৱাসৰ স্মৰণিকা যেতিয়া মই দেখোন ছাত্ৰীনিৱাসত থকা অৱস্থাত মোৰ স্মৰণীয় কিছুমান কথাকে লিখি পঠাব পাৰো। গল্প হওক, প্ৰবন্ধ হওক যি হয় হ'ব।

১৯৭৫ চনত মেট্ৰিক পাচ কৰি ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ত পঢ়িবলৈ যাওঁ। মোৰ জন্ম ঘৰ খোৱাং হালধিবাৰী কোঁৱৰ গাঁৱত। দূৰ হোৱা হেতুকে ছাত্ৰীনিৱাসত থাকি ল'ব লগা হয়। কলা বিভাগত নামভৰ্তি কৰো। তেতিয়া Pre Degree বুলি কোৱা হৈছিল। ছাত্ৰীনিৱাসৰ তেতিয়া Superintendent আছিল শ্ৰদ্ধাৰ শ্ৰীযুতা অলকা বৰুৱা বাইদেউ। তেখেত দৰ্শন শাস্ত্ৰ বিভাগৰ প্ৰবক্তা আছিল। বাইদেউ গৰাকী ধুনীয়া আৰু গহীন-গম্ভীৰ। বাইদেউ গৰাকী বৰ ভাল আছিল। ছাত্ৰীনিৱাস এৰাৰ পৰা বাইদেউক লগ পোৱা নাই। এই লেখাৰ যোগেদি বাইদেউলৈ সশ্ৰদ্ধ প্ৰণাম জনালোঁ। বাইদেউৰ স্বামী শ্ৰীযুত যাদৱ বৰুৱা ছাৰ ইংৰাজী বিভাগৰ প্ৰবক্তা আছিল। তেখেত সকলৰ তিনিটি সন্তান ক্ৰমে বাবলু, মুনু আৰু সৰু ছোৱালীটিৰ নাম পাহৰি গৈছো।

এগৰাকী মেট্ৰন বাইদেউ আছিল। তেওঁ ছাত্ৰীনিৱাসৰ ছোৱালী বিলাকক সততে নজৰ ৰাখিছিল। দেওবাৰে আমি চিনেমা চাবলৈ ইচ্ছা কৰিলে মেট্ৰন বাইদেউৱে আমাক লৈ গৈছিল। চুপাৰ বাইদেউৱে লেণ্ড ফোনেৰে আমাৰ চিনেমা টিকত বুক কৰি দিছিল। ৰান্ধনী চাৰিজনে চাহ-ভাতৰ যোগাৰ কৰি দিছিল। ৰান্ধনী কেইজন অৱশ্যে লেতেৰা-পেতেৰা আছিল। নাম কেইটা জুলাই, কাণু....ইত্যাদি। বুঢ়া চকীদাৰ এজন আছিল। Visitor আহিলে লাহে লাহে গৈ খবৰ দিয়ে। নামটো পাহৰিব বুলি নেওঁতা মতাৰ দৰে গাই যায়। তেখেত আমি তাত থকা অৱস্থাতে মেডিকেলত মৃত্যু হয়।

কানৈ ছাত্ৰীনিৱাসটো দুমহলীয়া আছিল। বৰ্তমানে আৰু বঢ়ালে যদিও

মনত কিন্তু পৰে। কানৈ মহাবিদ্যালয়লৈ আৰু ছাত্ৰীনিৱাসলৈ। আৰু মনত পৰে ছাৰ-বাইদেউসকললৈ আৰু সংগীসকললৈ। ছাত্ৰীনিৱাসটোত প্ৰায় বাইশটামান কোঠা আছিল। প্ৰত্যেক কোঠাতে ৪/৫ গৰাকী ছাত্ৰী থাকিব পৰা ব্যৱস্থা আছিল। ছোৱালীৰ সংখ্যা অনুপাতে স্নানাগাৰ কম আছিল বাবে ৰাতিপুৱা হেতা-ওপৰা লাগিছিল। সেই কাৰণে যিয়ে আগতে সোনকালে শুই উঠি গা ধুব পাৰে সেইসকলেহে সুবিধা পায়। শেষলৈ এনে অৱস্থা হৈছিলগৈ যে স্নানাগাৰত আগদিনা ৰাতিয়ে এগৰাকীয়ে নিজৰ কাপোৰ থৈ ৰিজাৰ্ভ কৰিছিল।

নাজানো। ছাত্ৰীনিৱাস এবাৰ পৰা আৰু তালৈ যোৱা হোৱা নাই। মনত কিন্তু পৰে। কানৈ মহাবিদ্যালয়লৈ আৰু ছাত্ৰীনিৱাসলৈ। আৰু মনত পৰে ছাৰ-বাইদেউসকললৈ আৰু সংগীসকললৈ। ছাত্ৰীনিৱাসটোত প্ৰায় বাইশটামান কোঠা আছিল। প্ৰত্যেক কোঠাতে ৪/৫ গৰাকী ছাত্ৰী থাকিব পৰা ব্যৱস্থা আছিল। ছোৱালীৰ সংখ্যা অনুপাতে স্নানাগাৰ কম আছিল বাবে ৰাতিপুৱা হেতা-ওপৰা লাগিছিল। সেই কাৰণে যিয়ে আগতে সোনকালে শুই উঠি গা ধুব পাৰে সেইসকলেহে সুবিধা পায়। শেষলৈ এনে অৱস্থা হৈছিলগৈ যে স্নানাগাৰত আগদিনা ৰাতিয়ে এগৰাকীয়ে নিজৰ কাপোৰ থৈ ৰিজাৰ্ভ কৰিছিল।

ছাত্ৰীনিৱাসত প্ৰথম মোৰ কোঠাৰ সংগী আছিল ডুমডুমা বৰহাপজান চাহ বাগিচাৰ কান্তা মুখাৰ্জী, সহপাঠী বান্ধবী মঞ্জু দেৱী বৰপূজাৰী, নমিতা ভট্টাচাৰ্য। মঞ্জু বৰপূজাৰীয়ে ডিব্ৰুগড় 'মহিলা মহাবিদ্যালয়ত অসমীয়া বিভাগৰ অধ্যাপিকা কৰে বুলি শুনিছো। পাছলৈ কোঠা সংগী সলনি হৈছিল। শিৱসাগৰৰ মীৰা বৰুৱা, মীৰা বৰগোহাঁই, টেঙাখাটৰ ৰাণী, মিনতি, ৰুমি আৰু 'গ্ৰীণ উড্' চাহ বাগিচাৰ অৰ্চ্চনা মোৰ সহপাঠী বান্ধৱী আছিল। এতিয়া কোন ক'ত থাকে, কি কৰে একো গম নাপাওঁ। আশা কৰিছো 'হীৰক জয়ন্তী' অনুষ্ঠানত লগ পাম।

ছাত্ৰীনিৱাসত থকা অৱস্থাত আমি সকলোৱে বৰ মিলা-প্ৰীতিৰে আছিলোঁ। মই অলপ ৰসিক আছিলো। সেইকাৰণে সকলোৱে হাঁহিবলৈ পাই ভাল পাইছিল। এতিয়া বয়সো হৈছে আৰু ৰসো নোহোৱা হৈছে। ছাত্ৰীনিৱাসতে হওক বা মহাবিদ্যালয়তে হওক 'ৰেগিং' চলিছিল যদিও বেয়াকৈ কৰা নাছিল। সেইদৰে 'নৱাগতা আদৰণি'ও পাতিছিল। 'চিনাকি পৰ্ব' (ৰেগিং) বুলি চুপাৰ বাইদেউৰ পৰা অনুমতি লৈ সন্ধিয়াৰ পাছতে জ্যেষ্ঠসকলে পাতিছিল। আমি শংকিত হৈ পৰিছিলোঁ যদিও পাছত তেনেধৰণৰ একো নহ'ল। চিনাকি আৰু জমনিহে আছিল। সেইদৰে প্ৰতি বছৰে ৰেগিং ওৰফে চিনাকি পৰ্ব চলিছিল যদিও আজি-কালিৰ দৰে মাত্ৰাধিক নাছিল। ৰেগিঙৰ বাবে কোনো ছাত্ৰীনিৱাস বা মহাবিদ্যালয় ত্যাগ কৰিব লগা অৱস্থা নহৈছিল।

মই কানৈ ছাত্ৰীনিৱাসত চাৰি বছৰ কটালো। মিঠা-তিতা বহুত অভিজ্ঞতা হ'ল। এদিনৰ কথা। সেইদিনা দেওবাৰ আছিল। চুপাৰ বাইদেউৰ পৰা অনুমতি লৈ মই মোৰ স্থানীয় অভিভাৱক সহোদৰ ডাঙৰ ককাইদেউৰ ঘৰলৈ গ'লো। জপৰা গাঁৱত থাকে। কুমাৰণী চিগাৰ ওচৰতে। ডাঙৰ বৌদেউ আৰু ভতিজা নিলুও থাকে। ককাইদেউ বৰ খঙাল যদিও সৰু ভনীয়েক হিচাপে অন্তৰত মৰমো আছিল। উপায়হীন হৈ সিদিনা থাকিব লগা হ'ল যদিও নিশাটো চিন্তাতে কটালো। পাছদিনা ছাত্ৰীনিৱাসলৈ সোনকালেই গ'লো। কাৰণ মোৰ ক্লাছ আছিল। চুপাৰ বাইদেউৱে যেন মোক কৈফিয়ৎ ল'বলৈকে অপেক্ষা কৰি আছিল। কোঠাত প্ৰৱেশ কৰিছোহে মাত্ৰ, খবৰ আহিল চুপাৰ বাইদেউৱে মোক মাতিছে। বুকুখন ঢপ-ঢপাবলৈ ধৰিলে। তথাপি যাবতো লাগিবই। চিৰিয়ে ওপৰলৈ গ'লো। বাইদেউ বৈ আছিল উগ্ৰ ৰূপ ধৰি। মোৰ পৰা কৈফিয়ৎ ল'লে খঙেৰে। মই যিমান পাৰো নম্ৰ হৈ বুজাবলৈ চেষ্টা কৰিলো যে মই মোৰ নিজা ককাইদেউৰ ঘৰতহে আছিলোঁ। বাইদেউৱে যদি বিশ্বাস নকৰে তেন্তে মই ককাইদেউক কালিলৈ মাতি আনিম। তেতিয়া দিনত Land Phone প্ৰত্যেকৰে নাছিল। ম'বাইলতো নাছিলেই। বাইদেউৱে ভৱিষ্যতে এনেদৰে নাথাকিবলৈ কাঢ়া নিৰ্দেশ দিলে। মই

কোঠালৈ আহি খুউব কান্দিলোঁ। ককাইদেউলৈকে খং উঠিছিল। বাইদেউৰে গালি পৰাটো স্বাভাৱিক। কাৰণ, ছাত্ৰীনিৱাসৰে হওক বা ছাত্ৰাবাসৰে হওক এগৰাকী Superintendentৰ বহুত দায়িত্ব থাকে। এশ-ডেৰশ ছোৱালীক তদাৰক কৰাটো কম কথা নহয়। তাৰ মাজতে দুই-এজনী বেয়া স্বভাৱৰ ছোৱালীও থাকে। পাছত শুনিবলৈ পালো দুজনী ছোৱালীয়ে নীতি-বৰ্হিভূত কাৰ্যৰ বাবে ছাত্ৰীনিৱাসৰ পৰা বহিষ্কৃত হৈছিল। মই অবাধ্য নাছিলো আৰু কোনোদিন অকাৰ্যও কৰা নাছিলো। সেইকাৰণে, ঘৰৰ সকলোৰে বিশ্বাসত লৈছিল। মই অত্যন্ত লাজকুৰীয়া আছিলো। সেইকাৰণে মোৰ ল'ৰা বন্ধুও নাই। সেয়েহে, ঘৰৰ পৰা পচন্দ কৰা বিয়াহে মোৰ হৈছিল ১৯৮৪ চনৰ ২২ মাৰ্চত। এতিয়া সুখেৰেই আছো।

ছাত্ৰীনিৱাসত থকা অৱস্থাত মোৰ জীৱনত ঘটা বৰ আমোদজনক কাহিনী এটা ক'বলৈ ওলাইছো। ১৯78 চনৰ কথা। কলেজ বন্ধ থকা কাৰণে মই আৰু মোৰ লগৰ প্ৰায় বিলাক ছোৱালীয়ে ঘৰলৈ আহিলো। কলেজ খোলাৰ আগদিনা ছাত্ৰীনিৱাসলৈ বুলি ৰাওনা হ'লোঁ। থাকিবলৈ যাম যেতিয়া ঘৰৰ পৰা ২ মান বজাত ওলাই গ'লোঁ সৰু ককাইদেউৰ সৈতে। সি মোৰ বেগটো চাইকেলত ল'লে। গাঁৱলীয়া ঠাই। গাড়ী-মটৰ নাই। বেগটোও গধুৰ। কাপোৰ-কানি আৰু জা-জলপান ভৰাই লোৱা কাৰণে। খোৱাং ঘাটলৈকে খোজ কাঢ়িয়ে গ'লোঁ। ডেৰ ঘণ্টাৰ বাট। খোৱাং পোৱাৰ পাছত আধা ঘণ্টামান সময় বাছলৈ ৰ'লো। ৰৈ থকা সময়ছোৱাত দুজন ডেকা ল'ৰাই মোলৈ বৰকৈ চাই থকা মই লক্ষ্য কৰিছিলোঁ। এটা সময়ত বাচ আহিল। ককাইদেউৰে মোক বাচত উঠাই দিলে। বেগটো কাষতে থৈ মই চিটত বহিলো। ককাইদেউ ঘৰলৈ গ'লগৈ। বৰবৰুৱাত মোৰ কাষত বহা মানুহ এজন নামিল। সেই ডেকা দুজনৰে এজনে পাছৰ চিটৰ পৰা আহি ঘপহকৈ মোৰ কাষৰ খালি হোৱা চিটত বহিল। মোৰ অস্বস্তি লাগিল। কাৰণ, আগতে বৰকৈ চাই থকা কাৰণে মোৰ মনত সন্দেহ জাগিছিল। মোক তেওঁ সুধিলে 'ক'লৈ যাবা বুলি?' মই শুদ্ধ উত্তৰেই দিলোঁ, কানৈ ছাত্ৰীনিৱাসলৈ যাম বুলি। নামটোও সুধিছিল। মই কিন্তু আচল নাম নক'লোঁ। বাচত কথোপকথন ইমানেই। গোটেই ৰাস্তাটো খিৰিকীৰে বাহিৰলৈকে চাই গ'লো। এটা সময়ত বাচ আহি ডিব্ৰুগড় চিটি বাচ ষ্টেণ্ড পালেহি। ঠাণ্ডা দিন। দিন চুটি। টাউনৰ লাইট জ্বলিল। বাচৰ পৰা নামিবলৈ লৈছো। এনেতে ডেকাজনে মোৰ বেগটো লৈ ৰিক্সাত উঠিলগৈ। মোক মাতিলে লগতে বহিবলৈ। মোৰ বৰ খং উঠিল। বেগটো লৈ মই বেলেগ এখন ৰিক্সাত বহিলোঁ। সেই ডেকাজনো আহি মোৰ লগতে বহিলহি। তেওঁ ক'লে যে তেওঁৰ থানা চাৰি আলিত 'চান ৰাইজ' নামৰ এখন ৰেষ্টুৰেণ্ট আছে। মোক চাহ খাবলৈ লগ ধৰিলে। ৰিক্সাৱলাক 'ছান ৰাইজ'ৰ ফালে নিবলৈ নিৰ্দেশ দিলে। মই আপত্তি কৰিলোঁ। মই ক'লো যে মোৰ চাহ খাবলৈ ইচ্ছা নাই। আৰু ৰিক্সাৱলাক কানৈ ছাত্ৰীনিৱাসলৈ লৈ যাবলৈ ক'লোঁ। ৰিক্সাৱলাই তাকে কৰিলে। ডেকাজন নানামিল। মোক ছাত্ৰীনিৱাসত নমালে। মোক 'Good Night' আকৌ লগ পাম বুলি হেণ্ডচেক দিলে। মই ঠাণ্ডা দিনতো ঘামি গৈছিলোঁ। মই একো উত্তৰ নিদিলোঁ। আনকি ৰিক্সাৱলাকো ভাড়া দিবলৈ পাহৰিলোঁ। বেগটো লৈ খৰখেদাকৈ কোঠালৈ গ'লো। হাত-মুখ ধুই কোঠাৰ সংগীক সকলো কথা বিৱৰি ক'লোঁ। সিহঁতে আমোদ পাই খুউব হাঁহিলে। এজনীয়ে ক'লে—'ল'ৰাটো ভাল কাৰণে তই বাচিলি দেই।' অৱশ্যে ডেকাজনে মোক একো বেয়া কথা বা বেয়া ব্যৱহাৰ কৰা নাছিল।

আকৌ, আন এদিনৰ কথা। প্ৰায় ৩ মাহ মানৰ পাছত। মই ঘৰলৈ বুলি যাবলৈ ওলালো। বাচ ষ্টেণ্ড পালোগৈ ৰিক্সাৰে। অলপ সময় ৰৈছোহে মাত্ৰ। ক'ৰ পৰা জানো ওলালহি সেই একেজন ডেকাই। 'ক'ত যোৱা, কেতিয়া আকৌ ঘৰৰ পৰা আহিবা বুলি মোক সুধিলে। মই কেতিয়া আকৌ আহিম এতিয়াই ক'ব নোৱাৰিম বুলি ক'লোঁ। তেনেতে খোৱাঙৰ বাছখন আহিল। মই খৰখেদাকৈ বাচত উঠিলো। ডেকাজন কেনি গ'ল মন নকৰিলোঁ। তাৰ পাছৰ পৰা আৰু তেওঁ মোক আমনি নকৰা হ'ল আৰু লগো পোৱা নাই।○

# হোষ্টেলীয়া জীৱনৰ কিছু মধুৰ স্মৃতিৰ ৰোমন্থন

✍ মনোৰমা গগৈ

১৯৭৩-৭৪ বৰ্ষৰ জুলাই মাহৰ কোনোবা এটা দিনত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ত নামভৰ্তি কৰি কানৈ ছাত্ৰীনিৱাসৰ বাসিন্দা হোৱাৰ সৌভাগ্য হৈছিল। আজিৰ পৰা প্ৰায় ৪৪ বছৰৰ পিছতো হোষ্টেলৰ কিছু ডুখৰীয়া স্মৃতিয়ে এতিয়াও মনত দোলা দিয়ে। এক কথাত ক'বলৈ গ'লে, 'কানৈ গাৰ্লচ হোষ্টেল' যেন এটা যৌথ পৰিয়াল য'ত সকলোৱে সমিলমিলেৰে একেখন চোতালতে, একেটা ঘৰতে বাস কৰে। আমি থকাৰ সময়ত ৰেখা দাস বাইদেউ হোষ্টেল অধিক্ষীকা আছিল। বাইদেউক আমি খুব সমীহ কৰি চলিছিলোঁ আৰু তেওঁক যথেষ্ট ভয়ো কৰিছিলোঁ। অৱশ্যে বাইদেউৱে থকা কোঠাৰ কাষৰ (২০নং) কোঠাটো আমাৰ আছিল বাবে বাইদেউৰ লগত সদায়ে মুখামুখি হোৱা হেতুকে যথেষ্ট সহজ হ'ব পাৰিছিলোঁ। ৰেখা বাইদেউৰ পিছত অলকা বৰুৱা বাইদেউৱে সেই দায়িত্ব লৈছিল। এই লিখনিৰ জড়িয়তে দুয়োগৰাকী বাইদেউলৈ মোৰ সশ্ৰদ্ধ প্ৰণাম জনালোঁ আৰু তেওঁলোকৰ সুস্বাস্থ্য কামনা কৰিলোঁ।

সেইসময়ত ২০ নং কোঠাত আমি চাৰি গৰাকী বাসিন্দা আছিলোঁ, তাৰ দুগৰাকী আমাৰ চিনিয়ৰ প্ৰজ্বলিতা শইকীয়া বাইদেউ (খোৱাঙৰ) আৰু চিত্ৰলেখা শইকীয়া বাইদেউ (ডুমডুমাৰ)। এতিয়াও তেওঁলোকক পাহৰিব পৰা নাই। প্ৰজ্বলিতা বাইদেউক দুবাৰমান লগা পাইছো যদিও চিত্ৰালেখা বাইদেউক কিন্তু আজিলৈকে লগ পোৱা নাই। তেওঁলোকৰ সহায়-সহযোগ, মৰম-চেনেহৰ কথা পাহৰিব নোৱাৰোঁ। হোষ্টেল এৰি অহা, এদিন-দুদিন কৰি বছৰবোৰ কেতিয়ানো পাৰ হৈ গ'ল ধৰিব নোৱাৰিলোঁ। আজি অ'ত বছৰে চাগৈ হোষ্টেলৰো বহুত পৰিৱৰ্তন আহিল, কিন্তু স্মৃতিৰ মণিকোঠাত এতিয়াও সেই আগৰ হোষ্টেলখনৰ ছবিয়েই মোৰ মনত ভাহি উঠে। আমি থকা সময়ত কৰ্মাচ কলেজৰ গেট্‌খনেদিয়েই হোষ্টেললৈ অহা-যোৱা কৰিছিলোঁ। মনত পৰে হোষ্টেলৰ প্ৰতিটো কথালৈ প্ৰতি গৰাকী হোষ্টেল বাসিন্দালৈ, আমাৰ ছিনিয়ৰ বাইদেউ সকললৈ লিলি চাংমাই বাইদেউ, ৰেণু আৱান্ধাৰা, নিলাক্ষী গগৈ, প্ৰতিমা গগৈ, জুৰি, শকুন্তলা ভূঞা, মেৰি আইদেউ, লক্ষী কোঁৱৰ, বিজয়া গগৈ, ভানু আদি বহুবোৰ বাইদেউ।

মোৰ সহপাঠীসকল আছিল—বাসন্তী কোঁৱৰ, গৌৰী স্বাৰ্গাৰী, গুণমনী বৰা, দিপ্তীৰাণী গগৈ, মিনতী নেওগ, কল্যাণী গগৈ, হেমজ্যোতি গগৈ, বন্দনা সন্দিকৈ, হেমজ্যোতি গগৈ, স্বৰ্ণ বৰা, জ্যোৎস্না গগৈ (ধেমাজী), জ্যোৎস্না গগৈ (টিংখং), জ্যোৎস্না শইকীয়া, কল্যাণী গগৈ, বিজয়া সোনোৱাল, পাপৰী মজিনদাৰ বৰুৱা, জুলি বুঢ়াগোহাঁই, অনিমা দাস, হিৰণ্য শইকীয়া, ৰীণা গগৈ, ক্ষীৰদা বকলীয়াল, অৰ্চনা লাহা, কৰুণা হাজৰীকা, ভাগ্য হাজৰীকা, ইলা গগৈ, ৰীণা পাটৰ, স্মৃতি ভট্টাচাৰ্য। কিছুমানৰ নাম মনলৈ অহা নাই, তাৰ বাবে ক্ষমা বিচাৰিছো। এইসকলৰ ভিতৰত দহ গৰাকীমানৰ বাদে বাকী সকলক পুনৰ লগ পোৱাৰ সৌভাগ্য হোৱা নাই। আশা ৰাখিছো, কানৈ ছাত্ৰীনিৱাসৰ হীৰক জয়ন্তী অনুষ্ঠানতে মোৰ প্ৰিয় বান্ধৱী আৰু বাইদেউ সকলক লগ পাম। সঁচাকৈয়ে, কিমান বছৰৰ বিৰতিৰ পিছত তেওঁলোকক গৈ লগা পাম, ভাবিলে মনটো আনন্দত নাচি উঠিব খোজে।

হোষ্টেলীয়া জীৱনৰ বহুতো স্মৃতিৰ মাজত লুকাই আছে আন এক সজীৱ স্মৃতি সেইটো হ'ল ৰান্ধনীশালখন। ৰান্ধনীশালত জড়িত হৈ থকা ঠাকুৰ, জুলাই, বংশী কাণু আৰু বৃষ। (বিশ্ব নে বৃষভ) তাক কিন্তু সকলোৱে বৃষ বুলিয়ে মাতিছিল। এই সকলক কেতিয়াও পাহৰিব নোৱাৰো। আনফালে আকৌ জেলেপীবাই আৰু চকিদাৰ জীতন ভাই। জীতন ভাইয়ে গোৱা এটা গানৰ কথা চাগৈ সকলোনিৱাসীৰে মনত আছে। প্ৰতিমাহৰ মেছৰ ফ্ৰীজ দিবলৈ জাননীখন সকলোৱে শুনাকৈ তেওঁ হোষ্টেলৰ বাৰান্দাইদি এইবুলি সুৰ

দেওবাৰৰ দিনা হোষ্টেলৰ পৰিৱেশ কিছু নিমাও-মাও হৈ পৰিছিল। সকলোৱে এইদিনটো নিজা ৰুচি অনুযায়ী উপভোগ কৰিছিল। চিনেমা চোৱা, বজাৰ কৰা, লোকেল গাৰ্জেনৰ ঘৰলৈ যোৱা ইত্যাদি। মাত্ৰ যিসকলৰ ঘৰৰ পৰা কোনোবা Visitor আহিব লগা থাকে তেওঁলোকেহে সিদিনা হোষ্টেলত থাকে। ছাত্ৰীনিৱাসৰ সকলোৱে ধৰা-বন্ধা নিয়মবোৰ মানি চলিব লগা হৈছিল। পঢ়াৰ সময়ত হোষ্টেলত কোনো দিনে কোনো ধৰণৰ হাই-উৰুমি কৰাৰ কথা মনত নপৰে।

লগাই গাই গাই সকলোকে জনাই ফুৰিছিল—"সব দিদি যাই যিয়ে মাইজী কী ৰুম মে, মেছ ডিউজ দিজিয়ে মাইজী কি ৰুম মে।" জীতন ভাইৰ এইফাঁকি গান সকলোৰে মুখে মুখে আছিল।

এইখিনিতে ৰান্ধনীশালৰ এখন আমোদজনক ছবি মনলৈ আহিছে, সিদিনা আছিল দেওবাৰ। দেওবাৰৰ খাদ্যৰ তালিকাখন আনদিনাতকৈ কিছু বেলেগ আছিল। পুৱাৰ জলপান হিচাপে লুচি-ভাজি দিয়া হৈছিল। ডাইনিং হলত গৈ সকলোৱে নিজে নিজে খৰাহীৰ পৰা ফুলা-ফুলা, গৰম-গৰম লুচি ল'বলৈ হেতা ওপৰা লগাইছিল। ঠাকুৰ আৰু জুলাই দুয়োটাই লুচি কেৰাহীৰ পৰা খৰাহীত থবলৈ পায়হে হেতা ওপৰা আৰম্ভ হৈ যায়, কেনেবাকৈ ছোৱালীৰ হাততে গৰমতেল পৰে বুলিও ভয়। উপায় নেদেখি খঙৰ ভমকতে জুলাইয়ে চৌকাৰ জ্বলি থকা মস্ত খৰি এডালকে খৰাহীটোৰ ফালে দলিয়াই দিয়ে। ভয়তে গোটেই মখা ছোৱালীয়ে ফৰিং চিটিকা দিলে। আমি হাঁহি হাঁহি ৰ'ব নোৱাৰা হ'লোঁ। সেই দৃশ্যটো মনলৈ আহিলে এতিয়াও হাঁহি উঠে।

এইখিনিতে আৰু কেইটামান কথা সংযোগ নকৰিলে হোষ্টেলীয়া জীৱনৰ কথা হয়তু অসম্পূৰ্ণ হৈ ৰ'ব; সেইটো হ'ল 'ৰেগিং'। এই ৰেগিঙৰ বাবেই বহুতে হোষ্টেলত থাকিবলৈ ভয় কৰে। হোষ্টেলতে হওক বা কলেজতেই হওক ৰেগিঙৰ বাবে নৱাগত সকলে যথেষ্ট হাৰাশাস্তিৰ সন্মুখীন হৈছিলোঁ, এতিয়া ভাবিছো, সেই ৰেগিঙে আমাক যথেষ্ট শিক্ষাহে দিছিল—নৱাগত সকলৰ লগত পৰিচয় হোৱা, তেওঁলোকৰ দক্ষতাৰ বুজ লোৱা, চিনিয়ৰসকলক সন্মান কৰা, সকলোৰে লগত সদ্ভাব স্থাপন কৰা আদি বিষয়সমূহ নৱাগতসকলক অৱগত কৰাৰ যেন এক সুকীয়া প্ৰয়াস আছিল 'ৰেগিং'। হোষ্টেললৈ আহি আমিও ৰেগিঙৰ সন্মুখীন হৈছিলোঁ। প্ৰায় এসপ্তাহমান আমি বৰ ভয়ে ভয়ে থাকিব লগা হৈছিল, কাৰণ সন্ধ্যা প্ৰাৰ্থনা কৰাৰ পিছতে কমনৰুমলৈ নৱাগতাসকলক মতা হৈছিল। সকলোৱে গৈ তাত লগে লগে উপস্থিত হৈ আমাৰ বাবে ৰখা নিৰ্দিষ্ট ঠাইত বহিছিলো গৈ, খুব ভয়ে ভয়ে। আমাৰ সন্মুখত বহিছিল আমাৰ জ্যেষ্ঠসকল, মাজত বহিছিল ৰেগিং মাষ্টাৰ। (আমি তেওঁক সকলোৱে এই বুলিয়ে ভাবিছিলো)। সেইসময়ত 'টু' শব্দ এটাও নকৰাকৈ তলমূৰ কৰি আমি বহি আছিলো। কাৰণ কেতিয়া কেনে পৰিস্থিতি হয় ক'বতো নোৱাৰি। এটা সময়ত প্ৰতি গৰাকীৰ পাল আহিছিল। প্ৰথমে নিজৰ পৰিচয় দি কোনে কি কৰি ভাল পায়, জীৱনৰ লক্ষ্য কি? হবি কি এনে ধৰণৰ কিছু প্ৰশ্ন সুধিছিল। কাৰোবাক গান গাবলৈ, কাৰোবাক নাচিবলৈ, অভিনয় কৰি দেখুৱাব লগা হৈছিল যদি একো কৰি দেখুৱাব নোৱাৰে তেন্তে তেওঁ শাস্তি স্বৰূপে এইদৰে ক'ব লগা হৈছিল—'মই কানৈ গাৰ্লচ হোষ্টেলৰ এটা ফটা বেল।'— এই বাক্যটো তিনিবাৰ আওৰাব লগা হৈছিল। আন এটা শাস্তি আছিল, বিছনাৰ তলত সোমাই ৫/৬টা মহ মাৰি অনা। এদিন আমাৰ তিনি গৰাকীৰ পাল পৰিল। এগৰাকীক ক'লে ঢেঁকী দিবলৈ, এগৰাকীক খুবুলীত ধান বঢ়াই দিবলৈ আৰু আন গৰাকীক চাউল চলাৰ (চালনীৰে) অভিনয় কৰি দেখুৱাবলৈ দিলে। আমি তাকে কৰি দেখুৱালো আৰু ফটা বেল হোৱাৰ পৰা ৰক্ষা পৰিলো। আমাৰ লগৰ জ্যোৎস্না গগৈয়ে (ধেমাজিৰ) খুব জমাব পাৰিছিল। তেওঁ খুব সুন্দৰকৈ কুলি, কেতেকী, ময়না আদিকে ধৰি বিভিন্ন চৰাইৰ মাত

মুখেৰে অবিকল উলিয়াব পাৰিছিল। ঢোলৰ প্ৰতিটো চেও মুখেৰে বজাব (উচ্চাৰণ) পাৰিছিল। ই তেওঁৰ এক বিৰল প্ৰতিভা আছিল। বিহু নাচ নচাটো সকলোৰে বাবে বাধ্যতামূলক আছিল। সেইসময়ত বেছিভাগ ছোৱালীয়ে আজিৰ দৰে বিহু নাচিব নাজানিছিল, গতিকে নজনাসকলে লুকাই চুৰকৈ বাথৰুমতে নাচৰ প্ৰেক্‌টিচ কৰিছিল। কথা বিলাক মনত পৰিলে এতিয়াও হাঁহি উঠে। আমাৰ ৰেগিং মাষ্টাৰ আছিল লিলি চাংমাই বাইদেউ। প্ৰথম অৱস্থাত বাইদেউক আমি সকলোৱে খুব ভয় কৰিছিলোঁ, নৱাগতা আদৰণীৰ পিছৰ পৰা কিন্তু এইসকল বাইদেউৱে আমাক নিজৰ ভনীৰ দৰেই মৰম-চেনেহ কৰিছিল।

নৱাগতা আদৰণী দিনটোও মোৰ বাবে স্মৰণীয় দিন আছিল। বিভিন্ন ধৰণৰ অনুষ্ঠান তাত পৰিৱেশন কৰা হৈছিল। সকলো দিশতে এক উৎসৱমুখৰ পৰিৱেশ। নৱাগত সকলেও ইয়াত ভাগ ল'ব পাৰিছিল। বিভিন্ন ধৰণৰ খাদ্য-সামগ্ৰীৰে নৱাগতসকলক আপ্যায়িত কৰিছিল। এনেদৰে অতি সুন্দৰভাৱে নৱাগতা সকলক 'কানৈ ছাত্ৰীনিৱাস' পৰিয়ালটিলৈ আদৰণি জনাইছিল।

নৱবৰ্ষ ফাকুৱা আদিত কৰা ফুৰ্ত্তি বিলাক আজিও মনত সজীৱ হৈ আছে। প্ৰতি বছৰে আমি সকলোৰে পিক্‌নিক্‌লৈ গৈছিলো। দেওমালি, অক্‌লেণ্ড, বৰশিল নাজিৰাটিং আদিত কৰা ফুৰ্ত্তি বিলাক কেতিয়াও পাহৰিব নোৱাৰো। পিক্‌নিক্‌ত তোলা ফটো কিছুমান আজি সযতনে ৰাখিছো। কেতিয়াবা সেইবিলাক চাই অতীতৰ দিনবিলাক ৰোমন্থন কৰি পুলকিত হওঁ। ঠাণ্ডা দিনত প্ৰায় সকলোৱে চাদৰ ওপৰত বহি বহি উল গুঠিছিলো। ৰ'দত বহি উল গুঠা, কমলা খোৱা, কথাৰ মহলা মৰাৰ মদাকতাই আছিল সুকীয়া। মনলৈ আহে লানি নিচিগা অনেক টুকুৰা টুকুৰ স্মৃতি। আনকি, হোষ্টেলৰ গেটৰ সন্মুখত আমাৰ বাবে অপেক্ষা কৰি থকা চানাৱালাকে আদি কৰি আইচক্ৰীমৱালাটোলৈকে।

দেওবাৰৰ দিনা হোষ্টেলৰ পৰিৱেশ কিছু নিমাও-মাও হৈ পৰিছিল। সকলোৱে এইদিনটো নিজা ৰুচি অনুযায়ী উপভোগ কৰিছিল। চিনেমা চোৱা, বজাৰ কৰা, লোকেল গাৰ্জেনৰ ঘৰলৈ যোৱা ইত্যাদি। মাত্ৰ যিসকলৰ ঘৰৰ পৰা কোনোবা (Visitor) আহিব লগা থাকে তেওঁলোকেহে সিদিনা হোষ্টেলত থাকে। ছাত্ৰীনিৱাসৰ সকলোৱে ধৰা-বন্ধা নিয়মবোৰ মানি চলিব লগা হৈছিল। পঢ়াৰ সময়ত হোষ্টেলত কোনো দিনে কোনো ধৰণৰ হাই-উৰুমি কৰাৰ কথা মনত নপৰে। গধূলি Prayer কৰি চাহ-বিস্কুট খাই, ভাত খোৱাৰ বেল নপৰালৈকে সকলোৱে পঢ়াত মগ্ন হৈ থাকে। সেইসময়ত হোষ্টেলত এক শান্ত পৰিৱেশ বিৰাজ কৰে। কলেজৰ বাদে অন্য ক'ৰবালৈ যাব লগা হ'লে চুপাৰ বাইদেউৰ অনুমতি লৈ চহী কৰিহে যাব লগা হৈছিল আৰু সময়তে ঘূৰিব লগা হৈছিল। কেনেবাকৈ দেৰি হ'লে বাইদেউৰ ওচৰ কৈফিয়ৎ দিব লাগিছিল। এই ক্ষেত্ৰত বাইদেউৰ অনুশাসন যথেষ্ট কঠোৰ আছিল, গতিকে তেওঁ ইমান সুন্দৰকৈ ছাত্ৰীনিৱাসখন পৰিচালনা কৰিবলৈ সক্ষম হৈছিল।

আজিৰ দৰে সেইসময়ত কোনো ধৰণৰ যান্ত্ৰিকতা নাছিল। নিৱাসত থকা ছাত্ৰীসকলে অধ্যয়নৰ বাবে যথেষ্ট সময় পাইছিল, আজিৰ দৰে, মোবাইল, কম্পিউটাৰ নথকাৰ বাবে কিতাপৰ লগতে সম্বন্ধটো বেছি আছিল। হোষ্টেলৰ পৰীক্ষাৰ ফলাফলবোৰ যথেষ্ট ভাল আছিল। পঢ়াৰ লগে লগে সকলোৱে বিভিন্ন ধৰণৰ হাতৰ কামো কৰিছিল। চুৱেটাৰ, শ্বল, মোজা, টুপী আদি গোঠা, চিলাই কৰা এনেবিলাক কাম প্ৰায় সকলোৱে কৰিব জানিছিল। নজনা সকলেও অন্যৰ পৰা শিকাৰ সুবিধা পাইছিল। এনেবিলাক কৰ্মই নিৱাসীসকলৰ বেছি ওচৰ চপাই আনিছিল আৰু তেওঁলোকৰ মাজত মৰম-চেনেহ আৰু আন্তৰিকতা গঢ়লৈ উঠিছিল। মুঠৰ ওপৰত আমি থকা কালছোৱাত হোষ্টেলখনৰ পৰিৱেশ যথেষ্ট ভাল আছিল। এতিয়া চাগে এই হোষ্টেলখনি আগতকৈ বহুত গুণে উন্নত হ'ল। এই লিখনীৰ জৰিয়তে মই "কানৈ গাৰ্লচ হোষ্টেলৰ" সৰ্ব দিশতে উজ্বলি উঠাৰ কামনা কৰিলোঁ।

'জয়তু কানৈ গাৰ্লছ হোষ্টেল'।

লেখাটোত, অনিচ্ছাকৃতভাৱে বহুতো ভুল-ত্ৰুটি ৰৈ গৈছে, তাৰ বাবে সকলোৰে ওচৰত ক্ষমা ভিক্ষা মাগিলোঁ।○

# কানৈ ছাত্ৰীনিৱাস ঃ এক চমু অৱলোকন

✍ বিনয়া গগৈ

কানৈ ছাত্ৰীনিৱাস—বহু স্মৃতিৰ সমাহাৰ—স্মৃতিৰ ৰোমন্থন কৰি হাতত কলম লৈ ভাবিছো ক'ৰ পৰা আৰম্ভ কৰি ক'ত অন্ত কৰিম।

প্ৰথমেই মই কানৈ ছাত্ৰীনিৱাসৰ প্ৰৱেশদ্বাৰৰ পৰাই আৰম্ভ কৰিছো। আমি পঢ়া সময়ছোৱাত এতিয়াৰ দৰে সুকীয়া নিৱাসৰ প্ৰৱেশদ্বাৰ অৰ্থাৎ গে'ট নাছিল। কমাৰ্চ কলেজৰ মেইন গে'টখনেৰে হোষ্টেললৈ গৈছিলো। বহু বছৰ এইদৰেই চলি আছিল। পিছে কোন চনৰ পৰা হোষ্টেললৈ সুকীয়া গে'ট হ'ল সঠিক চন তাৰিখ আমি নেজানো। যি কি নহওক হোষ্টেলৰ এখন নিজা গে'ট হোৱাটো দেখি মই খুবেই ভাল পাইছো। সেই গে'টেদি মই মোৰ পুত্ৰক কেমিষ্ট্ৰি অলিম্পিয়াদ (Chemistry Olympiad) এদিন দিবলৈ লৈ আহিছিলো, কাৰণ একেদিনাই কানৈ কলেজত আন এটা পৰীক্ষা হৈ থকা বাবে মুল প্ৰৱেশদ্বাৰে সোমাবলৈ দিয়া নাছিল। সেইদিনাই মই দেখিলো ছাত্ৰীনিৱাসৰ আগৰ দুমহলীয়া ঘৰৰ ওপৰত টিনপাত লগাই ইয়াৰ ওপৰলৈ কোঠা বঢ়াই দিয়া হৈছে। নিশ্চয় এতিয়া ছাত্ৰীনিৱাসৰ ছাত্ৰীৰ সংখ্যা বেছি হ'ল।

আমাৰ দিনত হোষ্টেল চুপাৰ (অধীক্ষিকা) আছিল অতি শ্ৰদ্ধাৰ আৰু সন্মানীয়া শ্ৰীযুতা অলকা বৰুৱা বাইদেউ—শ্ৰীযুত যাদৱ বৰুৱা ছাৰৰ সুযোগ্যা পত্নী। আজিৰ দৰে আমি তেওঁক 'মেম' বা মেদাম' বুলি নকৈ বাইদেউ বুলিয়ে সম্বোধন কৰিছিলোঁ। তেওঁ দৰ্শন বিভাগৰ অধ্যাপিকা। সাজ-পোছাক আৰু খোজ কাটলতেই বাইদেউৰ ব্যক্তিত্ব ফুটি উঠিছিল। তেওঁ সদায়েই একো সাজ সুন্দৰ মেখেলা ছাদৰ পিন্ধিছিল—কেতিয়াও আমি তেওঁক শাড়ী পৰিধান কৰা দেখা নাছিলোঁ। যদিও বাইদেউক বহু বছৰ লগ পোৱা নাছিলোঁ তথাপিও তেওঁৰ খবৰ মই লৈয়েই থাকো। কাৰণ তেওঁ আমাক যি মৰমৰ শাসনৰ মাজত বান্ধি ৰাখিছিল সেইখিনি সদায়ে মনত থাকিব। ব্যক্তিগতভাৱেও বাইদেৱে মোক লাইব্ৰেৰীৰ পৰা কিতাপ পত্ৰ যোগান ধৰি সহায় কৰিছিল। তাৰ বাবে মই সদায় কৃতজ্ঞ। শ্ৰদ্ধাৰ বাইদেউ তিনিটি সন্তানৰ মাতৃ—ক্ৰমে বাবলু, মুনু আৰু কাকু। তেতিয়া সিহঁত কেইটা বৰ মৰম লগা আছিল। ৰুক্মিণী নামৰ এজনী বনকৰা আৰু সিহঁত কেইটাক খেলোৱা ছোৱালী আছিল। কামেশ্বৰ নামৰ সহায়কাৰী ল'ৰা এটাও আছিল। এতিয়া বাবলু, মুনু, কাকুক দেখিলেও চিনি নাপাম ছাগে। কিন্তু কানৈ কলেজৰ শিক্ষকক লগ পালে ছাৰ বাইদেউৰ সহিতে সিহঁত তিনিটাৰ খবৰ লওঁ। এতিয়া সিহঁত কেইটা একোজনকৈ প্ৰতিষ্ঠিত ব্যক্তি।

তেতিয়া হোষ্টেলত সন্ধিয়া হোৱাৰ লগে লগে এটা বেল মৰা হৈছিল—প্ৰাৰ্থনাৰ বেল। আটাইবোৰ আৱাসীয়ে বাৰান্দাত ওলাই হাতযোৰ কৰি প্ৰাৰ্থনা কৰা এই সুন্দৰ পৰিৱেশটোৰ কথা আজিও মনত পৰে। বাইদেউৰ যি অনুশাসন আছিল সেই সময়ত সেইখিনি সদায় শলাগিবলগীয়া। ছোৱালীবিলাক বজাৰ কৰিবলৈ যোৱা, ল'কেল গাৰ্জেনৰ ঘৰলৈ যোৱা বা নিজৰ নিজৰ ঘৰলৈ যোৱা—এইবিলাকৰ পাৰমিশ্যন ল'বলৈ এটা নিৰ্দিষ্ট সময়ত তেওঁক লগ কৰিবলৈ যাব লাগিছিল। আমি কলেজ কেম্পাছৰ পৰা বিনানুমতিত ক'তো যাব নোৱাৰিছিলোঁ। আমাৰ চিঙৰা, কচ্চুৰী আদি খাবলৈ মন গ'লে বা কিবা বস্তু আনিব লগা থাকিলে আন কোনোবা এজন চকীদাৰৰ হতুৱাই নালিয়াপুল তিনি আলিৰ পৰা অনাৰ ব্যৱস্থা কৰিছিলোঁ। বাইদেউৰ দিনত আৰু এটা নিয়ম আছিল, সেইটো হ'ল যিকোনো ভিজিটৰ (দেউতাক, দাদাক, ভায়েক যিয়েই নহওক) আহিলে ছোৱালীবিলাকে শাড়ী বা মেখেলা ছাদৰ পিন্ধি ভিজিটৰ ৰুমত লগ কৰা। প্ৰপাৰ ড্ৰেছ কৰিলেহে বাহিৰলৈ ওলাব পাৰি। গতিকে এই নীতি-নিয়ম আৰু শৃংখলাবদ্ধতা আদি যিখিনি শিক্ষা আমি তেওঁৰ পৰা পালো সেইখিনিয়ে এতিয়া আমাৰ জীৱন পৰিক্ৰমাত যথেষ্ট সহায়ক হৈছে। এই

...এই ছাত্ৰীনিৱাসত আমি ১৯৭৭ চনৰ পৰা ১৯৮২ চনলৈকে এই ৬ বছৰকাল জীৱনৰ সোণালী যুগ বুলি অনুভৱ হয়। কিমান যে নতুন নতুন কথা শিকিলো, কিমান গৰাকী অসমৰ বিভিন্ন ঠাইৰ ছোৱালী হোষ্টেলমেট তথা ৰুমমেট হিচাপে পালো এতিয়া নিৰিবিলি সময়ত মনত পেলাই অতীতক ৰোমন্থন কৰো।..

সুযোগতে শ্ৰদ্ধাৰ অলকা বৰুৱা বাইদেউৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিলো।

সেই সময়ত কানৈ ছাত্ৰীনিৱাসত এগৰাকী মেট্ৰন বাইদেউ (নামটো পাহৰিলো) আছিল। তেওঁ সকলো কথাতে বেছ তদাৰকী আছিল। ছাত্ৰীসকলৰ অসুখ হ'লে মেডিকেল কলেজলৈ নিয়া, ডাক্তৰ মতা এইখিনি কাম তেওঁ খুব সুন্দৰভাৱে কৰিছিল।

ৰান্ধনিশাল আৰু খোৱা-বোৱাত প্ৰধান ৰান্ধনিজনক আমি ঠাকুৰদা, বহুতে ঠাকুৰ বুলিয়ে কৈছিল। দুজন সহায়কাৰী—জুলাই আৰু কানু। জুলাইৰ বয়স কানুতকৈ অলপ বেছি। বজাৰ সমাৰ কৰা এজন ল'ৰা আছিল নামটো বৃষ। ৰাতিপুৱা চাহৰ বেল এটা বজাই ৰুমৰ কোনোবা এজনীয়ে চাহ লৈ আনিছিল। চাহৰ লগত ওচমান বেকাৰীৰ এখন নিয়মীয়া কাটা বিস্কুট আৰু এখন মিঠা বিস্কুট দিছিল। কলেজলৈ যোৱাৰ আগত ৯ বজাত ভাত, আবেলিৰ ৰুটি আৰু ৰাতি ৯ বজাত ভাতৰ বেলটোৰ বাবে আমি কাণ পাতি ৰৈ থাকো। বেল মৰাৰ ১৫/২০ মিনিটৰ ভিতৰত খাবলৈ গ'লে বৰ ভিৰ হয় আৰু আধা ঘণ্টা পিছত গ'লে কিছু ভিৰ কমে।

দেওবাৰৰ দিনটো আহিলে কিন্তু আমাৰ বৰ ভাল লাগে; কাৰণ সেইদিনা মাছ, মাংস (খাহী মাংস) দিয়ে। লগতে ছাত্ৰীসকলে সেইদিনা ইফালে সিফালে যাব পাৰে।

হোষ্টেলত পতা বিভিন্ন উৎসৱবিলাকৰ ভিতৰত 'নবাগত আদৰণি' আৰু 'নতুন বছৰ আদৰণি' এই দুটা উল্লেখযোগ্য অনুষ্ঠান। নৱাগত আদৰণিত প্ৰায় সকলোবোৰ ছাত্ৰী উপস্থিত থাকে। কিন্তু ৩১ ডিচেম্বৰৰ দিনা বাৰ বজাত নতুন বছৰৰ আদৰণিৰ কেক্ কটা অনুষ্ঠানত শীতৰ হাড় কপোৱা ঠাণ্ডাত সকলোবোৰ ছাত্ৰী উপস্থিত নেথাকে।

সদৌ শেষত এটা কথা কওঁ যে—এই ছাত্ৰীনিৱাসত আমি ১৯৭৭ চনৰ পৰা ১৯৮২ চনলৈকে এই ৬ বছৰকাল জীৱনৰ সোণালী যুগ বুলি অনুভৱ হয়। কিমান যে নতুন নতুন কথা শিকিলো, কিমান গৰাকী অসমৰ বিভিন্ন ঠাইৰ ছোৱালী হোষ্টেলমেট তথা ৰুমমেট হিচাপে পালো এতিয়া নিৰিবিলি সময়ত মনত পেলাই অতীতক ৰোমন্থন কৰো। প্ৰাক্তন ছাত্ৰীসকলৰ কৃতিত্ব বহুত। বহুত কেইগৰাকী ছাত্ৰী ডাক্তৰ, বহুতে ডক্টৰেট, ইঞ্জিনিয়াৰিং ডিগ্ৰী লৈ বিভিন্ন প্ৰতিষ্ঠানত কৰ্মৰত হৈ আছে। বহুতে কলেজ শিক্ষয়িত্ৰী, বিষয় শিক্ষয়িত্ৰী, উচ্চ মাধ্যমিক বিদ্যালয়ত শিক্ষয়িত্ৰী কৰি আছে।ময়ো বৰ্তমান টেঙাখাট বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ত শিক্ষকতা কৰি আছো। অনেকে বেংক, ডাকঘৰ আদিত চাকৰি কৰি আছে। আমাৰ অজ্ঞাতে হয়তু বহুতে ACS, APS আদিত পদস্থ বিষয়া হৈ আছে. গতিকে বৰ্তমান আৰু ভৱিষ্যতেও কানৈৰ ছাত্ৰীনিৱাসৰ ছাত্ৰীয়ে নাম উজ্বলাই ৰাখক তাকে কামনা কৰিলোঁ।

জয়তু কানৈ ছাত্ৰীনিৱাস।○

# কানৈ কলেজৰ ছাত্ৰীনিৱাসত দুটা বছৰ

✍ ড° অন্নজ্যোতি গগৈ

ছাত্ৰীনিৰাসলৈ আহি অনেক তিতা-মিঠা অভিজ্ঞতা হৈছিল। জীৱনত প্ৰথমবাৰৰ বাবে ঘৰৰপৰা বাহিৰ হ'বলৈ পাই এফালে যেনেদৰে বেদনা অনুভৱ কৰিছিলোঁ ঠিক সেইদৰে ন-ন অভিজ্ঞতা বুটলি জীৱনটো উপভোগ কৰিবলৈ সুবিধা পাইছিলোঁ। ঘৰত তিনিবেলা তিনিসাজ ভাত খোৱা অভ্যাস গুচি হঠাৎ দুসাজ ভাত হোষ্টেলত খাবলগীয়া হোৱাত পেটটোৱে গুজৰি-গুমৰি উঠিছিল। পুৱা আৰু নিশাৰ আহাৰ ঠিকেই আছিল; কিন্তু আবেলি কেৱল এখন ৰিফাইন দি ভজা পাতল ৰুটি দেখি দেহ-মন ভাগি পৰিছিল।

১৯৭৯ চনত মেট্ৰিক পৰীক্ষা পাছ কৰি কানৈ কলেজৰ প্ৰাক্ স্নাতক (বিজ্ঞান শাখাত) শ্ৰেণীত নামভৰ্তি কৰিছিলোঁ। টেঙাখাত ছোৱালী হাইস্কুলৰ পৰা সেইবছৰ আমি দুজনীয়ে (আনজনী মীনা ৰাজখোৱা) কানৈ কলেজলৈ পঢ়িবলৈ আহিছিলোঁ। দুয়োজনী হোষ্টেলতে আছিলোঁ। গাঁৱৰপৰা অহা হোজা, আকৰী-আজলী ছোৱালী। এদিন প্ৰেক্টিকেল বহি চহী কৰিবলৈ যাওঁতে আমাৰ দুজনীক দেখি ৰসায়ন বিভাগৰ অধ্যাপক মুকুল শৰ্মা ছাৰে “তহঁতক দেখিলে ম'হপোৱালি মৰাৰপৰা অহা যেন লাগে”—বুলি কৈ হাঁহিছিল। মীনাইও হাঁহিছিল। মই তেনেকৈ কোৱাৰ অৰ্থটো বুজি নাপাই তেওঁলোকে হঁহাৰ কাৰণেহে হাঁহিছিলোঁ। পিছত মীনাই বুজাই কোৱাত ৰস পাই পুনৰবাৰ হাঁহিছিলোঁ। ডিব্ৰুগড় চহৰৰ ওচৰতে অৱস্থিত অনুসূচিত জাতিৰ লোকৰ বাসস্থান ম'হপোৱালি মৰা হেনো অতিকে পিছপৰা ঠাই। বৰ্তমান নিশ্চয় আগৰ সেই ৰূপৰ পৰিৱৰ্তন হৈছে।

ছাত্ৰীনিৰাসলৈ আহি অনেক তিতা-মিঠা অভিজ্ঞতা হৈছিল। জীৱনত প্ৰথমবাৰৰ বাবে ঘৰৰপৰা বাহিৰ হ'বলৈ পাই এফালে যেনেদৰে বেদনা অনুভৱ কৰিছিলোঁ ঠিক সেইদৰে ন-ন অভিজ্ঞতা বুটলি জীৱনটো উপভোগ কৰিবলৈ সুবিধা পাইছিলোঁ। ঘৰত তিনিবেলা তিনিসাজ ভাত খোৱা অভ্যাস গুচি হঠাৎ দুসাজ ভাত হোষ্টেলত খাবলগীয়া হোৱাত পেটটোৱে গুজৰি-গুমৰি উঠিছিল। পুৱা আৰু নিশাৰ আহাৰ ঠিকেই আছিল; কিন্তু আবেলি কেৱল এখন ৰিফাইন দি ভজা পাতল ৰুটি দেখি দেহ-মন ভাগি পৰিছিল। তেতিয়া খোৱাৰ বয়স; এতিয়া দিলেও খাব নোৱৰা অৱস্থা। কুক্‌জনে (নামটো পাহৰিলোঁ) কপালৰ পৰা নিগৰি অহা ঘাম মচি মচি জুইৰ উত্তাপত এখন এখনকৈ ৰুটি থালত দি গৈছিল। কেতিয়াবা খোলাৰ ওচৰত শাৰী পাতিব লাগিছিল। এই সমস্যাৰপৰা পৰিত্ৰাণ পোৱাৰ উদ্দেশ্যে মায়ে ঘৰৰপৰা পিঠাগুৰি ভাজি দি পঠাইছিল। আমি ভোক লাগিলে পানীৰ লগত পিঠাগুড়ি মিহলাই খাই পেটৰ খজুৱতি মাৰিছিলোঁ। এদিন পিঠা খাবলৈ বুলি লগৰ দুগৰাকীক মই আমাৰ ৰুমলৈ লৈ আহিলোঁ। যেতিয়া সৰু ষ্টীলৰ বাটিত পিঠাগুড়ি উলিয়াব লওঁ তেওঁলোকে দেখি নাখাওঁ বুলি ক'লে। কিয়নো পিঠা মানে

ঘিলা পিঠা বা তিল বা নাৰিকল দিয়া হেঁচা পিঠা বুলিহে ভাবিছিল। ৰাতি দিয়া ছাগলী মাংসৰ জুতি কিন্তু মানিবলগীয়া; ইমান সুন্দৰ ৰঙেৰে অতি সুস্বাদু মাংসৰ ব্যঞ্জন কুকে ৰান্ধিব জানিছিল। সেইদৰে আলুৰ লগত পাপৰ মিহলি কৰি যিখন ব্যঞ্জন তেওঁলোকে ৰান্ধিছিল তাৰ সোৱাদ অতি লোভনীয় আছিল। পঢ়ি-শুনি চাকৰি কৰাৰ পাছত এদিন মই তেনেকৈ ৰান্ধি চাইছিলোঁ; কিন্তু সেই জুতি আনিব নোৱাৰিলোঁ। পনীয়া দাইল হ'লেও তাৰো এটা সুকীয়া মুখৰোচক জুতি আছিল। কেঁচা জলকীয়া ফালি আৰু পাঁচফোৰণ দি তেল মৰাৰ পাছত দাইলৰ ওপৰত তেলযুক্ত উপকৰণবোৰৰ এক চামনিৰ সৃষ্টি হয়। প্ৰায়েই সেইখিনি লৈ মুখৰ জুতি লৈছিলোঁ। পুৱা চাহৰ বেলটো দিয়াৰ লগে লগে ষ্টীলৰ গিলাচত লৰা-ঢপৰাকৈ গৈ চাহ আনোঁগৈ, সদায়ে লগত একোটাকৈ পপ দিয়ে— এতিয়াও সিদিনাৰ ছবি যেন লাগে।

ছাত্ৰীনিৱাসৰ একোটা ৰুমত পাঁচজনীকৈ ছাত্ৰী যথেষ্ট মিলাপ্ৰীতিৰে আছিলোঁ। পঢ়াৰ সুবিধাৰ অৰ্থে বিছনা চাদৰেৰে ইজনীয়ে সিজনীক নেদেখাকৈ আঁৰবেৰ দি লৈছিলোঁ। আগতে ঘৰত সকলোৱে শব্দ কৰি পঢ়িলেও হোষ্টেললৈ আহি সেই অভ্যাস এৰিব লাগিছিল। অন্যথা শব্দ কৰি পঢ়াসকলৰ পৰা মহা পয়মাল হৈছিল। খিৰিকীৰ কাষত পৰা কেইজনী ভাগ্যবান আছিল। সাধাৰণতে জ্যেষ্ঠসকলে সেই সুবিধা উপভোগ কৰিব পাৰিছিল। মই যিহেতু প্ৰাক্ স্নাতকৰ দুবছৰহে হোষ্টেলত আছিলোঁ সেয়ে খিৰিকীৰ কাষৰ মজাটো ল'বলৈ নাপালোঁ। ফেন নথকাকৈ কেনেকৈনো গৰম দিনটো পাৰ কৰিছিলোঁ ভাবিলে এতিয়া আচৰিত লাগে।

পাঁচোজনী ৰুমমেট মনে মিলাধৰণৰ পোৱাটো ভাগ্যৰ কথা। কিছু ক্ষেত্ৰত কম-বেছি পৰিমাণে মতৰ অমিল হ'লেও দুই-এগৰাকীৰ লগত জোখতকৈ বেছি মিলি যাব পাৰিছিলোঁ। তাৰে এগৰাকী আছিল মোতকৈ জ্যেষ্ঠ টেঙাখাতৰে অঞ্জলী চমুৱা বাইদেউ। অঞ্জলী বাইদেৱে মোক তই বুলি সম্বোধন কৰি একেবাৰে নিজৰ ভনীৰ নিচিনা ব্যৱহাৰ কৰিছিল। ক'ত ক'ত যে গৈছিলোঁ আমি দুজনী। অঞ্জলী বাইদেউৰ দেউতাকৰ অসুখ হৈ মেডিকেলত থাকোঁতে মই ক্লাছ খতি কৰিও সংগ দি সুখ পাইছিলোঁ। এদিন ঘৰলৈ যাবলৈ বুলি কাৰখানা তিনিআলিত বাছৰ বাবে ৰৈ থাকোঁতে অচিনাকি মানুহ এজন আহি তোমালোক দুজনী বাই-ভনী নেকি বুলি সুধিছিল। মই আকৰীয়ে প্ৰথমেই নহয় বুলি মাত লগালত পাছত অঞ্জলী বাইদেৱে অচিনাকি মানুহক হয় বুলিয়েই ক'ব লাগে বুলি মোক শিকাইছিল।

মই যিবছৰ কানৈ কলেজৰ হোষ্টেলত সোমাইছিলোঁ সেইবছৰেই মোৰ আপোন বাইদেউ মিনতী গগৈয়ে (বৰ্তমান বৰা) স্নাতক পৰীক্ষাত উত্তীৰ্ণ হৈ ওলাই গৈছিল। বাইদেউৰ নীলা পাৰি দিয়া ইউনিফৰ্মৰ চাদৰ মায়ে তাঁতত বৈ দিছিল। তেনেকুৱা তিনি-চাৰিখন চাদৰ পিন্ধিয়েই চাৰিবছৰ বাইদেৱে পাৰ কৰিছিল। মই যেতিয়া পুনৰ কানৈ কলেজলৈ পঢ়িবলৈ আহিলোঁ তেতিয়া বাইদেউৰ সেই একেকেইখন চাদৰকে পিন্ধি কলেজলৈ গৈছিলোঁ। তেনেতে এদিন এগৰাকী জ্যেষ্ঠ ছাত্ৰী ওচৰলৈ আহি সুধিছিল—"তুমি মিনতী বাইদেউৰ ভনীয়েক নেকি? চাদৰখন চিনাকি চিনাকি লাগিছে।" মই তেতিয়া লাজ লগাটো দূৰৰে কথা, গৌৰৱবোধহে কৰিছিলোঁ। চাদৰখনৰ বাবেই মই কাৰ ভনীয়েক ধৰিব পৰাৰ বাবে। এতিয়া আমাৰ ছোৱালীয়ে চিনেমাৰ অভিনেত্ৰীৰ দৰে কাপোৰ সলাই পিন্ধিবলৈ ভাল পায়। ক'ৰবাত যাব লগা হ'লে এই পোছাকযোৰ অমুকীহঁতে আগতে দেখিছে নহয় বুলি কৈ কোনেও নেদেখা কাপোৰযোৰ পিন্ধি গ'লেহে মনটো ফৰকাল হয়। কি যে পৰিৱৰ্তন। বি এছ চি ফাইনেল দিয়াৰ আগে আগে নীলা ৰঙৰ ফুলৰ পতি থকা ভয়েলৰ কিনা চাদৰ এখন পিন্ধাৰ সৌভাগ্য হৈছিল। সেই চাদৰখন প্ৰথম পিন্ধাৰ দিনাখন নিজকে ন-ৰূপত আৱিষ্কাৰ কৰি পুলকিত হৈছিলোঁ।

ছাত্ৰীনিৱাসৰ চুপাৰ অলকা বৰুৱা বাইদেউ ওখ-পাখ শকত সুগঢ়ি মহিলা। লগতে ধীৰ, স্থিৰ, গহীন-গম্ভীৰ স্বভাৱৰ। আমি সততে তেখেতক ভয় আৰু সমীহ কৰি চলিছিলোঁ। তেখেতৰ লগত সহজ হ'ব পৰাকৈ মোৰ সাহস নাছিল। এবাৰ ঘৰলৈ যাবৰ বাবে পাৰমিছন বিচাৰি মই বাইদেউহঁত থকা পাৰ্টটোৰ এটা ফালে বহুপৰ থিয় হৈ আছিলোঁ। মাজতে পাৰ্টিছন থকাৰ বাবে দুৱাৰখন নুখুলিলে বাইদেউহঁত থকা ফাললৈ প্ৰৱেশ কৰিব নোৱাৰি। মই ৰৈ থকা বহুপৰ হ'ল অথচ ঘৰৰ মানুহে ৰৈ থকা দেখিছে, বাইদেউ ওলাই নাহেহে নাহে। মোৰ শোকে খুন্দা মাৰি ধৰিলত কান্দি কান্দি ৰুমলৈ গুচি আহিলোঁ। তেতিয়া ৰুমমেট কেইগৰাকীয়ে মোক চুপাৰ বাইদেৱে গালি-ধমকি দিলে বুলি ভাবি পেৰি পেৰি সুধিছিল। মই পাছত স্বাভাৱিক হৈ কথাটো কোৱাতহে তেওঁলোকে কন্দাৰ কাৰণটো বুজিব পাৰিলে। সেইবাৰলৈ ঘৰলৈ যোৱা নহ'লগৈ।

হোষ্টেলত আহি বহুকথা-কাম শিকিব পাৰিছিলোঁ।

গাঁৱলীয়া ঢঙৰ কথা-বতৰা শুনিলে কিছুমান নগৰীয়া ছোৱালীয়ে ফিচিঙা-ফিচিঙ কৰে। পিছলৈ কোনবোৰ কথা ক'লে তেওঁলোকে হাঁহিব পাৰে বুজা হ'লোঁ। চুৰেটাৰ গাঁথিবলৈ হোষ্টেললৈ আহিয়ে শিকিবলৈ সুবিধা পাইছিলোঁ। পিছলৈ বৰ নিখুঁত ধৰণৰ নহ'লেও পিন্ধিব পৰাকৈ দুই-এটা চুৰেটাৰ গোঠি সন্তোষ পাইছিলোঁ।

হোষ্টেলৰ মুখতে শেৱালি ফুলৰ গছ এজোপা আছিল। আহিন মাহত শেৱালিজোপা হেঁপাহ পলুৱাই ফুলি তলখন ভৰি থাকে। শেৱালিৰ সুগন্ধই চৌপাশ আমোলমোলাই ৰাখে। শেৱালি ফুলৰ ভাজি প্ৰথম হোষ্টেলতে খাবলৈ পাইছিলোঁ। ইমান ধুনীয়া ফুলপাহৰ গাতো যে ইমান তিতা স্বাদ থাকিব পাৰে ভাবি আচৰিত হৈছিলোঁ। ধেমাজিৰ চিচিবৰগাঁৱৰ পৰা যোৱা লভীতা চুতীয়া বাইদেৱে জীৱনত প্ৰথম কফিৰ অচিনাকি সোৱাদ দিছিল।

হোষ্টেলৰপৰা পিক্‌নিক্ খাবলৈও গৈছিলোঁ। খোৱাতকৈ নতুন ঠাই দেখাৰ চখটোৱে মনটো উত্ৰাৱল কৰি তুলিছিল। গছ-গছনিক ভাল পাবলৈ প্ৰেৰণা পাইছিলোঁ। ফটো উঠাৰ বৰ চখ আছিল। তেতিয়া বিশাল গ্ৰুপটোৰ দুই-এগৰাকীৰহে কেমেৰা আছিল। কেমেৰাটো ক্লিক কৰিলে লাইটটো জ্বলি উঠি যে চকুত চাট মাৰি ধৰে তেতিয়াই সন্তোষ্টিৰ ভাব আহিছিল। পাছত ফটো চাই দেখিছিলোঁ শেষৰ ফালে বৈ থকাৰ বাবে কোনোমতেহে কেৱল মুখখন অস্পষ্টকৈ উলিয়াব পাৰিছিলোঁ।

কিছুমান ছোৱালীৰ চাল-ছলন, পিন্ধন-উৰণ, কথা-বতৰা কোৱাৰ ভংগী মনে মনে নিৰীক্ষণ কৰি আমোদ পাইছিলোঁ। আৰ্থিকভাৱে স্বচ্ছল ছাত্ৰীসকলে খোলা মনেৰে যে পইচা খৰচ কৰে সেইয়া দেখি অলপ অচৰপ ঈৰ্ষাও হৈছিল। মোৰ কিন্তু বাহিৰা খৰচৰ নামত একোৱেই খৰচ কৰিবলৈ মন নগৈছিল। খৰচ কৰাৰ কথা মনলৈ আহিলে মা-দেউতাৰ কৰুণ মুখ দুখন চকুৰ আগত তুৰন্তে ভাহি উঠিছিল। এই স্বভাৱ বিশ্ববিদ্যালয়ৰ শিক্ষা সাং নোহোৱালৈকে বৰ্তি আছিল।

আমি কলেজত পঢ়া সময়ছোৱা অসম আন্দোলনৰ ভৰপক সময়। অনেক ভয়, শংকাৰ মাজতে প্ৰৱল জাতীয়তাবাদী চিন্তাই আমাৰ যুৱ মনত গভীৰভাৱে ৰেখাপাত কৰিছিল। আন্দোলনত সক্ৰিয়ভাৱে অংশগ্ৰহণ নকৰিলেও পৰোক্ষভাৱে যি পাৰো সহায় কৰিছিলোঁ। আমি হোষ্টেলত থকা সময়ছোৱাত ছাত্ৰ একতা সভাৰ নিৰ্বাচনত বিপুল দাস নামৰ সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰতিনিধি এজনে সাধাৰণ সম্পাদক পদত প্ৰতিদ্বন্দ্বিতা কৰিছিল। তেওঁ আছিল চুটি-চাপৰ, ক্ষীণকায় দেহৰ, কিন্তু উদাত্তভাৱে ভাষণ দি শ্ৰোতাক মোহাচ্ছন্ন কৰি ৰাখিছিল। তেওঁক জয়ী কৰিবলৈ আমি ছাত্ৰীনিৱাসৰ ছাত্ৰীসকলে যথেষ্ট কষ্ট কৰিছিলোঁ। সাত বজাত গৈ প্ৰথম ভোটটো দিছিলগৈ অৰুণাচলৰপৰা অহা সহপাঠী মণিমালা শৰ্মাই। লগত আমিও আছিলোঁ। বিপুল দাস জয়ী হোৱাত হোষ্টেলত আনন্দৰ ঢল বৈছিল। সেই বিপুল দাস বৰ্তমান ক'ত? জানিবৰ মন যায়। বৰ্তমানৰ অসমৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোনোৱাল ডাঙৰীয়া কোনোবা এটা বৰ্ষৰ ছাত্ৰ একতা সভাৰ বেলেগ এটা বিভাগৰ সম্পাদক (সাধাৰণ সম্পাদক নহয়) আছিল। তেওঁৰ ছাত্ৰসুলভ নিপোটল চেহেৰাটো এতিয়াও সজীৱ হৈ আছে।

ছাত্ৰীনিৱাসত কটোৱা এনেধৰণৰ অনেক কাহিনীৰে মোৰ স্মৃতিৰ মণিকোঠা ভৰ্তি হৈ আছে। বাহুল্যৰ ভয়ত আজিলৈ ইমানতে সামৰিলোঁ।

# অনুভৱ

✍ লিলিমাই গোহাঁই

হঠাৎ ফ'ন কল এটা পালোঁ। মোৰ মৰমৰ ও শ্ৰদ্ধাৰ শ্ৰীযুতা বিনয়া গগৈ বাইদেউৰ মুখেৰে ডিব্ৰুগড়ৰ কানৈ কলেজৰ ছাত্ৰীনিৱাসৰ সোণালী জয়ন্তী উদ্‌যাপন কৰিবলৈ লোৱাৰ কথা গম পালো। তাৰ লগতে সংগতি ৰাখি আটক ধুনীয়াকৈ এখনি স্মৃতিগ্ৰন্থ প্ৰকাশৰ ব্যৱস্থা কৰিছে বুলিও শুনিলোঁ। একেৰাহে চাৰিবছৰ থাকি অহাৰ যি বিশাল স্মৃতি, তাৰ হেন্দোলনিত আজিও কেতিয়াবা কেতিয়াবা থৌকি-বাথৌ কৰি থকা হিয়াৰ কেঁচা অনুভূতিবোৰৰ তাগিদাত ময়ো একলম লিখাৰ হেঁপাহ সামৰিব নোৱাৰিলোঁ। সেয়ে....।

আৰম্ভণিৰ বিনয়াবনত শ্ৰদ্ধাৰ দলিছা পাৰি এই আপাহতে আমাৰ সময়ৰ ছুপাৰ হিচাপে থকা শ্ৰীযুতা অলকা বৰুৱা বাইদেউ, শ্ৰীযুত যাদৱ বৰুৱা আৰু শ্ৰীযুত শিৱ দত্তছাৰলৈ ভক্তিভৰা সেৱা জনালোঁ।

ছাত্ৰীনিৱাসত প্ৰথমবাৰ প্ৰৱেশ কৰিছিলোঁ ১৯৮১ চনত। সৌভাগ্যক্ৰমে একেৰাহে চাৰিবছৰৰ এই হোষ্টেলীয়া জীৱনৰ বৰ্ণিল অভিজ্ঞতাই প্লাৱিত কৰি ৰাখিছে আজিও মোৰ জীৱনৰ ছন্দ। এই সুদীৰ্ঘ সময়ছোৱাত গোট খোৱা সীমাহীন অভিজ্ঞতাই পুষ্ট কৰি ৰাখিছে মনৰ অম্লান স্মৃতি। বিশাল সাগৰৰ দৰে বহল অন্তৰৰ ছুপাৰ অলকা বাইদেউৰ উমাল সান্নিধ্যই মোৰ মনটোও বিশাল কৰি তুলিছিল। কাৰণ ছাত্ৰীনিৱাসী হিচাপে সেই সময়ত কেৱল ময়েই আছিলোঁ সাধাৰণ খেতিয়কৰ সন্তান। ভয়, মৰম, কষ্ট আনন্দ সকলো পাইছিলোঁ। এইকেইটা শব্দ কিয় লিখিছোঁ হোষ্টেলবাসীয়ে নিশ্চয় গম পাইছে।

ছাত্ৰীনিৱাসত পাৰ কৰা এই চাৰিবছৰৰ সময়ছোৱাৰ মাজতে মোৰ জীৱনৰ ওপৰেদি পাৰ হৈ গৈছিল এজাক প্ৰচণ্ড কাল ধুমুহা। অবাঞ্চিত আৰু অকল্পনীয় কল্পনাৰ আঁৰ লৈ নিষ্ঠুৰ নিয়তিয়ে মৰমৰ দেউতাক আমাৰ কাষৰ পৰা আঁজুৰি চিৰকালৰ বাবে বহুদূৰলৈ লৈ গুচি গৈছিল। মই নিঠৰুৱা হৈ পৰিলোঁ। ঘৰৰ জ্যেষ্ঠ সন্তান হিচাপে এই প্ৰৱল বা-মাৰলিৰ খুন্দাত ভাঙি পৰাৰ পৰা দুহাত মেলি যিসকলে মোক আৱৰি ধৰি ৰাখিছিল সেইসকল আপোন শুভাকাংক্ষী মোৰ প্ৰাতঃস্মৰণীয়। শিক্ষাৰ জীৱনটো ছাত্ৰীনিৱাসৰ অলকা বাইদেউৰ দ্বায়িত্বসম্পন্ন অভিভাৱকত্বৰ বাবেহে সম্পূৰ্ণ কৰি এই মহাবিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী ল'বলৈ সক্ষম হৈছিলোঁ।

ছাত্ৰীনিৱাসত পাৰ কৰা এই চাৰিবছৰৰ সময়ছোৱাৰ মাজতে মোৰ জীৱনৰ ওপৰেদি পাৰ হৈ গৈছিল এজাক প্ৰচণ্ড কাল ধুমুহা। অবাঞ্চিত আৰু অকল্পনীয় কল্পনাৰ আঁৰ লৈ নিষ্ঠুৰ নিয়তিয়ে মৰমৰ দেউতাক আমাৰ কাষৰ পৰা আঁজুৰি চিৰকালৰ বাবে বহুদূৰলৈ লৈ গুচি গৈছিল। মই নিঠৰুৱা হৈ পৰিলোঁ। ঘৰৰ জ্যেষ্ঠ সন্তান হিচাপে এই প্ৰৱল বা-মাৰলিৰ খুন্দাত ভাঙি পৰাৰ পৰা দুহাত মেলি যিসকলে মোক আৱৰি ধৰি ৰাখিছিল সেইসকল আপোন শুভাকাংক্ষী মোৰ প্ৰাতঃস্মৰণীয়।

এটা কথা স্বীকাৰ কৰিবই লাগিব যে ছাত্ৰীনিৱাসত দিনকেইটাত কেতিয়াও কৰ্তৃপক্ষই দুখ পোৱা কোনো কামেই আমি কৰি পোৱা নাছিলোঁ। বৰঞ্চ হোষ্টেলত এটা নতুনত্বৰ পৰিৱেশ অনাৰ চেষ্টা কৰিছিলোঁ আৰু আমি কিছু পৰিমাণে সফলো হৈছিলোঁ। ছাত্ৰীনিৱাসত একেঘৰৰে ল'ৰা-ছোৱালীৰ দৰে সকলো মিলি একেখন মজিয়াতে খোৱা-বোৱা কৰিছিলোঁ। শ্ৰদ্ধাৰ বাইদেউসকলে মাতৃৰ দৰে খোৱা, পঢ়া, শোৱা সকলোবোৰৰ খবৰ ৰাখিছিল। এই কথা ভাবি আজিও ভাল লাগে যে মই এগৰাকী সাধাৰণ গাঁৱৰ ছোৱালী হৈয়ো সকলোৰে মৰম বুটলিবলৈ সক্ষম হৈছিলোঁ। খোৱা-পিন্ধা সকলোতে মোক সকলোৱে সহায়ৰ হাত আগবঢ়াইছিল। এইক্ষেত্ৰত বিশেষকৈ মণি (নয়নমণি), বিনয়াবা, ৰীতাবা, মঞ্জু পেহী, আশা, নাৰু এইসকলৰ নাম উল্লেখ কৰিব পাৰি।

স্নাতক ডিগ্ৰীত ভৰ্তি হোৱাৰ পাছতে ছুপাৰ বাইদেৱে মোক হোষ্টেলৰ মনিটৰৰ দ্বায়িত্ব অৰ্পণ কৰে। তেখেতৰ সহযোগত মোৰ দ্বায়িত্ব সুচাৰুৰূপে চলাবলৈ চেষ্টা কৰিছিলোঁ। লগে লগে চেষ্টা কৰিছিলোঁ ল'ৰা আৰু ছোৱালী নিৱাসৰ মাজৰ দূৰত্ব ভাঙি দিবলৈ আৰু এদিন সফল হৈছিলোঁ। ছুপাৰ বাইদেউৰ সহায়ত দুয়োখন হোষ্টেল লগলাগি এখন সমিতি গঠন কৰিছিলোঁ হোষ্টেলৰ উন্নয়নৰ বাবে। সমিতিৰ সাতজন সদস্য আছিল ক্ৰমে বীৰেন, তুলন, ভৱেশ, বিপুল, লিলি, বিজয়লক্ষ্মী আৰু লখিমী। যি কাৰ্যপন্থা পূৰ্বতে কোনোৱে লোৱা নাছিল সেয়া আমি লৈছিলোঁ আৰু সম্পন্ন কৰাৰ প্ৰয়াস কৰিছিলোঁ। সমিতিৰ প্ৰথম কাৰ্যপন্থা আছিল ১৯৮৩ চনত হোষ্টেলত নৱাগত আদৰণি সভাখন। বিশেষত্ব এইটো যে প্ৰথমবাৰৰ বাবে ল'ৰা আৰু ছোৱালী একেলগ হৈ নৱাগত আদৰণি সভাখনি আমি মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত কৰিছিলোঁ। ঠিক একেদৰেই ১৯৮৪ চনৰ নতুন বছৰৰ আদৰণি, বিদায় সভা আৰু অন্যান্য অনুষ্ঠান একেলগে সমিতিখনিৰ উদ্যোগত অনুষ্ঠিত কৰিছিলোঁ। আমাৰ দুয়ো হোষ্টেলৰ মাজত ইমান সৌহাদ্যপূৰ্ণ ভাতৃত্ববোধৰ ভাব সৃষ্টি হৈছিল যে মেট্ৰনসহ একেলগে আমাক নিশা চৌকিডিংগীলৈকে খোজকাঢ়ি থিয়েটাৰ চাবলৈ যোৱাৰ অনুমতি পৰ্যন্ত দিছিল।

হোষ্টেল সমিতিৰ আলোচনা মৰ্মে ছাত্ৰীনিৱাসৰ এখনি নিজাববীয়া গেট আৰু চৌহদৰ বেৰা নিৰ্মাণৰ প্ৰস্তাৱ গ্ৰহণ কৰি অধ্যক্ষ মহোদয়ক অৱগত কৰিছিলোঁ। প্ৰস্তাৱৰ কোনো সু-সিদ্ধান্ত নহাত আমি দুয়ো লগ হৈ হোষ্টেলত অনশন পৰ্যন্ত কৰিছিলোঁ। আমাৰ অনশনত আনকি মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰীৰ সমৰ্থন লাভ কৰিছিলোঁ। অৱশেষত পৰিচালনা সমিতিৰ সহযোগত অধ্যক্ষ মহোদয়ে আমাৰ দাবী মানি লৈ নিজাববীয়া এখনি গেট আৰু বেৰা নিৰ্মাণ কৰি দিছিল। ই আমাৰ সময়ৰ এক উল্লেখযোগ্য ঘটনা আৰু এনে সাংগঠনিক কাৰ্যৰ সদস্য হিচাপে ইতিহাসৰ সাক্ষী হৈ আজিও মই গৌৰৱবোধ কৰোঁ।

এনে অনেক অভিজ্ঞতাৰে ভৰপূৰ মোৰ কাৰণে মহাবিদ্যালয়ৰ শিক্ষা জীৱনৰ পৰিক্ৰমা আৰু ছাত্ৰীনিৱাসৰ তিতা-মিঠা স্মৃতি। কেতিয়াবা আৰু কেনেবাকৈ সময় আৰু সুযোগ পালে যেন হেঁপাহ পলুৱাই ক'ম, হেঁপাহ পলুৱাই লিখিম, হেঁপাহ পলুৱাই ৰোমন্থন কৰিম।

সদায় ৰান্ধি খোওৱা কানুদা, ঠাকুৰদা, জুলাইদা, কামেশ্বৰ, পৰমেশ্বৰ, বাসুদাহঁতৰ নাম নল'লে ভুল হ'ব। কামেশ্বৰৰ ২০ টি ফিছ আৰু ৰেডলাউ শব্দ দুটা আজিও মোৰ মনত আছে। ছুপাৰ বাইদেউৰ ছোৱালী কুকু, মুনু, বাবলুৰ লগতে কাম কৰা অজয়ৰ কাৰুকাৰ্যবোৰ আজিও মনত ভাহি আছে। আজি ছাত্ৰীনিৱাসত সেই পৰিৱেশ আছেনে নাই মই নাজানো। মৰম-চেনেহ, ভাতৃত্ববোধেৰে ভৰি থাকক কাৰণে মহাবিদ্যালয়ৰ ছাত্ৰীনিৱাসৰ প্ৰতিটো কোঠা। সকলো সেউজীয়া সপোন যেন প্ৰতিনিয়ত বাস্তৱায়িত হয় তাৰ কামনাৰে শেষত সকলোলৈকে মোৰ মৰম আৰু শ্ৰদ্ধা নিৱেদন কৰিলোঁ।○

# সোঁৱৰণিৰ একলম

✍ অঞ্জলী চমুৱা ফুকন

অতীত ৰোমন্থন বৰ মধুৰ। অতীতৰ মধুৰ স্মৃতিৰ ৰোমন্থনে মানুহৰ মনত নিশ্চয় তুলিব পাৰে এক অনামী শিহৰণ। অতীতলৈ ঢাপলি মেলিলে স্মৃতিৰ আঁতধৰি মনত পৰে ১৯৭৭ চনৰ কোনোবা এটা দিনত ডিব্ৰুগড় সুৰজমল কানৈ মহাবিদ্যালয়ৰ ছোৱালী হোষ্টেলত দেউতাই থৈ অহাৰ কথা। জীৱনৰ প্ৰথম বাৰৰ বাবে ঘৰ এৰি হোষ্টেললৈ আহিছিলো। মনত অলেখ ভাবৰ জোৱাৰ। প্ৰথম কেইদিন বৰ ভয় আৰু শংকাৰে দিনবোৰ অতিবাহিত কৰিছিলোঁ। কাৰণ হোষ্টেলৰ কোনোবাই কিবা ক'ব নেকি বা ৰেগিং কৰিব নেকি ইত্যাদি কথাবোৰে জুমুৰি ধৰিছিল। কিন্তু দিন যোৱাৰ লগে লগে হোষ্টেলৰ সকলোৰে লগত এটা নিবিড় সম্পৰ্ক গঢ়ি উঠিছিল। তাৰোপৰি হোষ্টেলৰ কৰ্মী কানুদা, জুলাইদা, বৃষদা আৰু কামেশ্বৰৰ নাম ল'বই লাগিব, কাৰণ সময়ত প্ৰয়োজন হোৱা কাগজ-কলম, চাবোন-চাৰ্ফ আদি দোকানৰ পৰা আনি দি যথেষ্ট সহায় কৰিছিল। হোষ্টেলৰ চুপাৰ বাইদেউ শ্ৰীযুতা অলকা বৰুৱা বাইদেউৰ গুৰু-গম্ভীৰ ব্যক্তিত্বৰ কথা মনত পৰিলে এতিয়াও ভয় আৰু শ্ৰদ্ধা ওপজে। ঘৰলৈ আহিবলে দৰ্খাস্ত দিবলৈ যাওঁতে বাইদেউক মাতিবলৈ ভয় লাগি, বহুত সময় চুচুক-চামাক কৰি ৰৈ থাকো কেতিয়াবা বাইদেউৰ কন্যা কাকু আৰু মুনুৰে মাকক মাতি দিয়ে। কোনো মতেহে ছুটীৰ দৰ্খাস্ত বাইদেউৰ হাতত তুলি দিওঁ। এতিয়া বাইদেউ য'তেই আছে সুস্বাস্থ্যৰ অধিকাৰী হওক, দীৰ্ঘায়ু হওক তাৰেই কামনা কৰিলো। মই হোষ্টেলত ১৯৭৭ চনৰ পৰা ১৯৮২ চনলৈ আছিলো। প্ৰথম হোষ্টেললৈ যাওঁতে আমাৰ 'মেচ ডিউছ" আছিল ৭০ টকা। পিছলৈ ১০০ টকা হৈছিলগৈ। হোষ্টেললৈ যোৱাৰ কিছুদিন পিছতে চুপাৰ বাইদেউৰ অনুমতি লৈ নতুনকৈ অহা ছাত্ৰীসকলৰ লগত চিনাকি পৰ্বৰ অনুষ্ঠান এটি আয়োজন কৰিছিল। সেইদিনা কিন্তু বৰ ভয় লাগিছিল। অৱশ্যে মোক কেৱল নাম আৰু ঠিকনাহে সুধিলে আৰু বিহু নাচিবলৈ ক'লে। সেইদিনাৰ পৰা ৰেগিং শেষ বুলি জানি মনটো বৰ ফৰকাল লাগিছিল।

হোষ্টেলৰ এটা নিয়ম আছিল যে, নতুনকৈ অহা ছাত্ৰী সকলে বজাৰলৈ গ'লে এগৰাকী জ্যেষ্ঠা ছাত্ৰীক লগত নিব লাগিব। আমি মানে মই আৰু মোৰ বান্ধৱী অৰুন্ধতী, শিৰোমণি আৰু শকুন্তলাই তীখা ছেত্ৰী বাইদেউক লৈ গৈছিলো। বজাৰ কৰি শেষ হোৱাত কিবা খাবৰ বাবে "নিজৰা" হোটেলত সোমালো। বাইদেউৱে আমাক 'মোগলাই পৰাঠা" খোৱাৰ কথা ক'লে। আমি আটাই কেইজনীয়ে সেই নামটো প্ৰথম শুনাৰ বাবে ক'ব নোৱাৰিলো, সেয়েহে বহুত সময় হাঁহি হাঁহিয়ে সময় অতিবাহিত কৰিলোঁ। শেষত যেনিবা কোনোবা এগৰাকীয়ে অৰ্ডাৰ দিলে। এই কথাবোৰ মনত পৰিলে আজিও হাঁহি উঠে। তাৰোপৰি পিক্‌নিক্‌ৰ বাছ বিচাৰি ৰীতা, মিনাক্ষীহঁতৰ লগত বাছ ষ্টেণ্ডত, প্ৰতিখন ৰাখি থোৱা বাছত কিমান গৰাকী ছাত্ৰী বাছখনত ধৰিব, বাছৰ ছিট বোৰত বহি বহি জুখি চাইছিলো। এই কথাবোৰ মনত এতিয়াও সজীৱ হৈ আছে। আৰু কিমান যে ভাল লগা দিন আছে এই আটাইবোৰ লিখা জানো সম্ভৱ। হোষ্টেলত থকা এই সুদীৰ্ঘ সময়ছোৱাত বহুতো বাইদেউ, ভণ্টি আৰু বান্ধৱীহঁতক লগ পালো, এই আটাইবোৰৰ নামবোৰ মনত নাই যদিও তেওঁলোক য'তে আছে, সকলো সুখ আৰু শান্তিৰে থাকক তাৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিছো।

১৯৮১ চনত সমগ্ৰ অসমতে বিদেশী বহিষ্কাৰ আন্দোলন তীব্ৰতৰ হৈ উঠিছিল। তেতিয়া আমি অৰ্থাৎ আমাৰ হোষ্টেলৰ ছোৱালীয়েও কিছুমান আন্দোলনৰ কাৰ্যসূচীত ভাগ লৈছিল। সেইবছৰ কোনো স্কুল কলেজতে পৰীক্ষা বোৰো অনুষ্ঠিত নহ'ল।

যেইকি নহওক হোষ্টেলৰ হীৰক জয়ন্তী বৰ্ষত ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিছো এই হোষ্টেললৈ প্ৰতিবছৰে বৈ থাকক জ্ঞানপিপাসুৰ সোঁত। সকলোৰে কঢ়িয়াই আনক আধ্যাত্মিক, নৈতিক, চাৰিত্ৰিক আৰু সুস্থ মানসিকতাৰ লগতে সুন্দৰ পৰিৱেশ। হোষ্টেলখন যেন বৰ্তমানৰ গাত ভেঁজাদি আগবাঢ়ি গৈ থাকে উন্নতিৰ উচ্চ শিখৰলৈ আৰু চাৰিওফালে যেন বিয়পি পৰে ইয়াৰ সুগন্ধি সুবাস। তাৰ কামনাৰে।○

# স্মৃতিৰ ৰ'দ-কাঁচলিত

✍ কল্পনা গগৈ

ৰিক্সাৰ পৰা নামিয়েই সন্মুখত থকা প্ৰকাণ্ড বিল্ডিংটোলৈ চকু পৰি দুৰু-দুৰুকৈ হিয়াখন কঁপি উঠিল। ওপৰ মহলৰ কোনোবা এটা কোঠাৰ পৰা বৰ সুমধুৰ কণ্ঠত ভাহি আহিছে গীত এফাঁকি। থৰ লাগি ৰৈ থাকিলো সেই ঠাইতে। মোৰ লগত অহা দাদাই ক'লে, 'আজিৰ পৰা ইয়াতেই থাকি পঢ়া-শুনা কৰিব লাগিব তুমি' ব'লা এতিয়া ভিতৰলৈ।

সেয়া আছিল হোষ্টেলত পদাৰ্পণ কৰা প্ৰথম অৰ্থাৎ ১৯৮২ চনৰ ২ আগষ্ট দিনটোৰ কথা। মেট্ৰিক পাছ কৰিয়েই সৰুৰে পৰা মনত পুহি ৰাখিছিলো কানৈ কলেজত অৰ্থাৎ অসমৰ ভিতৰতে ধুনীয়া উচ্চমানৰ কলেজখনত পঢ়িম বুলি। সেই আশা পূৰণ হৈছিল, কলেজত নামভৰ্ত্তি কৰাৰ পিছতেই হোষ্টেলত ছিট পোৱাৰ পিছত...।

ইতিমধ্যে মোৰ বাবে আভা বা (আভা ভট্টাচাৰ্য) ই ছয় নং ৰুমত ছিট্ এটা ৰাখি থৈছিল। তেওঁক মই দেখা নাই কেতিয়াও। কিন্তু মোৰ দাদাৰ বন্ধু দীপক দা (ডাঃ দীপক ভট্টাচাৰ্য)ৰ ভনীয়েক বুলি জানো। ইতিমধ্যে আভা বা আহি গেটৰ ওচৰত আমাক লগ কৰিলে। প্ৰথম লগ পায়েই মোৰ মূৰটো মোহাৰি দিলে। প্ৰথম দৰ্শনতেই চিনিয়ৰ এগৰাকীৰ এনে মৰমত মই সঁচাই অভিভূত হৈ পৰিলো। দাদাক ক'লে তেওঁ, "আপুনি একো চিন্তা নকৰিব, আমি আছো নহয়।" আশ্বস্ত হৈছিল দাদা।

বেডিং-পত্ৰবোৰ সুমুৱাই লৈ গ'ল চকীদাৰ এজনে, পিছতহে গ'ম পালো তেওঁৰ নামটো পৰমেশ্বৰ বুলি। আভা বাই বিছনাখন ঠিক কৰি টেবুলখনত মই অনা টেবুল ক্লথখন পাৰি দি ক'লে —সৌৱা বাথ্ৰুম, মুখ-হাত কেইটা ধুই অলপ বিছনাতে জীৰাই লোৱা। ইমান দূৰৰ পৰা আহিছা, বহুত ভাগৰ লাগিছে কিজানি তোমাৰ।

ভাগৰ! ঠিকেই পুৱা চাৰি বজাতেই উঠি মায়ে যতনাই দিয়া ভাতমুঠি খাবলৈ বহি সৰ্ সৰ্কৈ ওলোৱা চকুপানীখিনি মচি উঠি আহিলো একো নোখোৱাকৈ। কেতিয়াও ক'তো এৰাতিৰ বাবেও ঘৰ এৰি নথকা ছোৱালীজনী এতিয়া ইমান দূৰলৈ গুচি যাম ঘৰৰ সকলোকে এৰি। তেতিয়া ঢকুৱাখনাৰ পৰা সোণাৰি ঘাটলৈ মাত্ৰ দুখন বাচেই চলে, এখন পুৱা পাঁচ বজাত, অন্যখন ছয় বজাত। তাৰ পাছত ফেৰীত উঠি পূজা ঘাট। খৰালি বালিচৰতে গাড়ী ৰয়, বাকীখিনি বাট খোজ কাঢ়িব লাগে।

গাঁৱৰ ছোৱালী মই, টাউনৰ আও-ভাও একো নুবুজো, বাহিৰৰ জগতখনৰ লগত সম্পৰ্ক ৰক্ষাৰ মাধ্যম মাথো ৰেডিঅ'টো আৰু বাতৰি কাকতখনহে আছিল সেই সময়ত। দাদাই হোষ্টেলত থাকিলে কি কি কৰিব লাগিব অলপ ট্ৰেইনিং দিছে দুদিনমান ঘৰত। সি সেই সময়ত অসম মেডিকেল কলেজৰ ছাত্ৰ।

বিছনাখনত বহি লৈ অলপ জিৰণি লোৱাৰ কথা ভাবোতেই কোঠালৈ উচুপি উচুপি সোমাই আহিল কোনোবা এগৰাকী। ভয় খালো মই, কি-বা হ'ল এওঁৰ। ওপৰত হেনো ৰেগিং চলি আছে। তেওঁ নতুন চিনিয়ৰ আৱাসী। কোনোবাই হয়তো বেয়াকৈ ক'লে, নাম তেওঁৰ জ্যোতি চাংমাই।

সন্ধ্যা হৈ আহিল। মনটো বৰকৈয়ে বেয়া লাগি আহিল। ঘৰলৈ মনত পৰিল। মা-লৈ মনত পৰিল বেছিকৈ। তেওঁ ছাগে এতিয়া প্ৰাৰ্থনা কৰিছে। হোষ্টেলত প্ৰাৰ্থনাৰ বেল বাজিল। আভাহঁতে লৈ গ'ল প্ৰাৰ্থনাত শাৰী পাতিবৰ বাবে। 'মুক্তিত নিস্পৃহ যিটো'—সকলোৱে সমস্বৰে গালে। ইমান মধুৰ সুৰ...। মনিট্ৰেচ বাইদেউ (অনিমা দেৱী)য়ে ৰেজিষ্টাৰ কৰিলে। নিউকামাৰ সকলৰ নামবোৰ মাতি গ'ল এফালৰ পৰা। ইতিমধ্যে অনিমা বা মোৰ ৰুমমেট্ বুলি গম পাইছো।

সন্ধ্যাৰ পিছতেই গোটেই হোষ্টেলটো নিজম পৰিল। কেৱল ৰান্ধনী ঘৰৰ পৰা খুট-খাট শব্দবোৰ ভাহি আহিল। ৰুমমেট এগৰাকীয়ে পঢ়াৰ টেবুলত বহা নাই। কেৱল ফুচ

...সিদিনা অলকানন্দাই ফোন কৰি ক'লে—ঐ তোমাক যে এদিন ঘৰলৈ মাতি পঠিয়াইছিল বিশেষ কাৰণত...আমি যে ডিঙিত ধৰি খুব কান্দিছিলো মনত আছেনে? কিয় নাথাকিব! স্ফুৰ্তিতে দি থোৱা স্কুলৰ চাকৰীৰ ইন্টাৰভিউ এটাত চিলেক্ট হৈ চাকৰীত যোগদান কৰিবৰ বাবে ঘৰলৈ মাতি পঠিয়ালে। মই চাকৰীত জইন নকৰো বুলি জনাই দিলো। ইয়াৰ পিছত কন্দা-কটা আৰম্ভ হ'ল। মই যিমান কান্দিছো, অলকানন্দা আৰু ৰুণুমীয়ে মোতকৈ বেছি কান্দিছে। পিছত গোটেই হোষ্টেলতে চিঞৰ-বাখৰ কি হ'ল বুলি ইহঁতৰ। এইয়াই আছিল আমাৰ বন্ধুত্বৰ এনাজৰী।

ফুচকৈ কথা পাতি আড্ডা দিছে। ক্লাছ আৰম্ভ হৈছেহে। পিছতহে গ'ম পালো, ৰিডিং আৱাৰচত কথা পতা নিষেধ। সেই সময়ত চুপাৰ বাইদেউ (অলকা বৰুৱা)য়ে হোষ্টেলৰ বাৰান্দাত ভিজিট দিয়ে। অত্যন্ত গহীন-গম্ভীৰ মানুহগৰাকী। দেখিলেই শ্ৰদ্ধাত মূৰ দোঁ-খাই যায়। সন্মুখত কথা এটা ক'বলৈ হ'লেও আমাৰ কঁপনি উঠে। অত্যন্ত ভয় কৰিছিলোঁ।

৯-৩০ বজাত ভাতৰ বেল পৰিল। ৰুমমেট বাহঁতে ডাইনিং হললৈ লৈ গ'ল মোক। এগৰাকী চিনিয়ৰ 'বা'ই চিঞৰি ক'লে—'ঐ বাকলি ক'ৰ?' অৰ্থাৎ মোক উদ্দেশ্যি অনিমা বাক সুধিছে। পিছতহে গম পালো সেয়া 'আনজুম' বা। হোষ্টেলৰ দিনবোৰত তেওঁক মই অত্যন্ত ভয় কৰিছিলোঁ।

ৰাতি ঠিক চাৰে দহমান বাজিছে। আমাৰ কোঠাত মৃদু টোকৰ পৰিল। দুৱাৰখন খোলাৰ লগে লগে এগৰাকী 'বা'ই ক'লে—তোমাক বাৰ নম্বৰ ৰুমলৈ মাতিছে বুলি। মোৰ অৱস্থা কাহিল। আভা বাই লৈ গ'ল বাৰ নম্বৰ ৰুমটোলৈ। সোমাই যোৱাৰ লগে লগে এগৰাকীয়ে সুধিলে—"কেইডাল লাঠী আনিছা বুলি?" মই অলপ ভয়ে ভয়ে ক'লো—মাত্ৰ এডাল। লাঠী মানে যে মেট্ৰিকত কি ডিভিজন পাইছো সেয়া সুধিব বুলি আভা বা আৰু অনিমা বাই শিকাই পঠিয়াইছিল। এইবাৰ সুধিলে—"ডি.এইচ.এচ.কে. মানে কি?" মই ক'লো—ডিব্ৰুগড় সুৰজমল কানৈ কলেজ। সকলোৱে শুদ্ধ হোৱা নাই বুলি গিৰ্জনি মাৰিলে। মই অলপ তভক মাৰি ৰ'লো, ভুল ক'ত হৈছে বুলি ভাবি। তেতিয়া অন্য এগৰাকীয়ে শুদ্ধ উত্তৰটো ক'লে—"ডেকাই হঁহা ছোৱালীয়ে কন্দা" কলেজ বুলি। হাঁহি উঠিছিল, নাহাঁহিলো। ছেক্সী (Secc) মানে বুজাই দিয়া বুলি অন্য এগৰাকীয়ে ক'লে। মই থমকি ৰ'লো। একো উত্তৰ নিদিয়া দেখি অন্য এগৰাকীয়ে ক'লে—ফাৰ্ষ্ট ডিভিজন পাই আহিছা অথচ এই সামান্য শব্দটোৰ অৰ্থ নাজানা। মোৰ ইতিমধ্যে হাত-ভৰিত এটা কঁপনি আৰম্ভ হৈছে। বিছনাখনৰ এটা চুকৰ পৰা বা এগৰাকীয়ে ক'লে তেতিয়া 1/cosc নহয় জানো? মই তেতিয়াহে ভাবি চালো, অঁতো ঠিকেই। মইযে কি বুলি ভাবিছিলো। ইয়াৰ পিছত আৰু দুই এটা প্ৰশ্ন সুধিছিল, দুই-এগৰাকী নিউকামাৰে ইতিমধ্যে ফেঁকুৰী আছে, মই পিছে যিমান পাৰো খুউব সৰলভাৱে তেওঁলোকৰ উত্তৰ দিবলৈ যত্ন কৰিছো। তেওঁলোকৰ প্ৰশ্নবোৰ ক্ৰমাৎ মোৰ ভাল লাগিল। মোৰ উত্তৰত সন্তুষ্ট যেন লাগিল। গান এটি গাবলৈ ক'লে। প্ৰথম শাৰী গোৱাৰ লগে লগে সমস্বৰে গালে সকলোৱে। ৰক্ষা পৰিলো। এনেধৰণৰ ৰেগিং(?) ৰ বাবে সঁচাই হোষ্টেলত এটা আন্তৰিকতা গঢ়ি উঠে আৱাসীৰ মাজত।

সেয়াই আছিল হোষ্টেলত মোৰ প্ৰথম দিনটোৰ চিৰযুগমীয়া স্মৃতি। ইয়াৰ পিছত ছটা বছৰ কটাই আহিলো সেই একেটো ছাত্ৰী নিৱাসত। প্ৰায় এশজনীয়া আৱাসীৰে সৈতে অতি মৰম-চেনেহৰ মাজত জীৱনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বয়সৰ দিনবোৰ কটাই আহিছিলো তাত, য'ত মোক গোটেই জীৱনৰ বাবে বিভিন্ন পৰিৱেশত খাপ খাব পৰাকৈ বিভিন্ন কথা শিকাইছিল। সেই সময়ত ছাত্ৰ নিৱাসৰ মণিটৰ আছিল বৰ্তমানৰ মুখ্যমন্ত্ৰী শ্ৰীযুত সৰ্বানন্দ সোনোৱাল অৰ্থাৎ আমাৰ আটাইৰে সৰ্বাদা। দুয়োটা হোষ্টেলৰ মাজত আছিল ককায়েক-ভনীয়েক, বায়েক-ভায়েকৰ দৰে সম্পৰ্ক। ৰাতিৰ ফাংচন চাবলৈ গ'লে সকলো ছাত্ৰী যোৱাটো বাধ্যতামূলক তেতিয়া। ছাত্ৰ নিৱাসৰ ছাত্ৰসকলে আমাক সদায়ে বেৰী ৰাখিছিল যাতে বাহিৰা দুষ্ট লোকে সামান্যও অসৌজন্যমূলক আচৰণ কৰিব

নোৱাৰে। সৰ্বাদাৰ সেই নেতৃত্ব দিব পৰা আমাক নিজৰ ভগ্নীৰ দৰে ব্যৱহাৰ কৰা গুণটোৱে যথেষ্ট আকৃষ্ট কৰিছিল। বিদেশী বিতাড়ন আন্দোলনত তেওঁলোকৰ নেতৃত্বতে এবাৰ ৰাতি ৩-৩০ বজাত গৈ ৰেলৱে কৰ্মচাৰী সকলক বাধা দিবলৈ যাওঁতে আৰ্মীৰ খেদা খাই এঘৰৰ লেট্ৰিনত সোমাইছিলোঁগৈ। বিজ্ঞানৰ ছাত্ৰী হিচাপে প্ৰি-ডিগ্ৰীৰ দুটা বছৰ পাৰ হৈছিল বৰ ব্যস্ততাৰে।

ইয়াৰ পিছত B.Sc পঢ়িছিলো কানৈ কলেজতে। কলেজীয়া দিনবোৰৰ আচল ভাললগা দিনবোৰ যেন তেতিয়াহে উপভোগ কৰিছিলো বেছি। বিশেষকৈ আমাৰ বেট্‌চৰ অলকানন্দা (বৰ্তমান এইখন কলেজৰ অধ্যাপিকা), ফিৰোজা (যাক অকালতে হেৰুৱালো), বিজয়া, ৰুণুমী, ৰুণি, কৰবী ইত্যাদি আমি কেইজনী যেন একেডাল নলীৰে পানী যোৱা বান্ধৱী। আমাৰ সেই বন্ধুত্বৰ এনাজৰীডাল আজি পৰ্যন্ত অটুট আছে। আমি ইজনীয়ে সিজনীৰ নিতৌ খবৰ ৰাখো। সৌ সিদিনা ২১ ডিচেম্বৰৰ দিনটো আমি সপৰিয়ালে কটাই আহিলো ৰুণমীৰ ঘৰত। আকৌ নমিতা ইনু, জুলি, ৰিঞ্জুহঁত আছিল আমাৰ অতিকৈ মৰমৰ ভন্টী। নমিতা, ৰিঞ্জুহঁতৰ সৈতে প্ৰায় ২/৩ দিনৰ মূৰে মূৰে ফোনত বাৰ্তালাপ কৰো। এতিয়াও ত্ৰৈলোক্য, শৰতহঁতৰ লগত নিয়মিত ফোনত বাৰ্তালাপ কৰো। এনেদৰে হয়তো নিয়মীয়াকৈ যোগাযোগ আমাৰ বেট্‌চটোৱে আটাইতকৈ বেছিকৈ ৰাখো। আচলতে আমাৰ মাজৰ বন্ধুত্বৰ সম্পৰ্কটো আছিল বৰ গাঢ়।

কি কৰা নাছিলো আমি। গান (কোৰাচ) গাইছিলো, নাটক কৰিছিলো, ৰেডিঅ'ত আলোচনাচক্ৰ কৰিছিলো আৰু যে ক'ত কি। ফৰিদা শ্বৰিফুদ্দিন (হোষ্টেলৰ চুপাৰ বাইদেউ) বাইদেউৱে অনুবাদ কৰা নাটক কৰিবলৈ গৈ ক'ত নগুৰ-নাগুটি নহৈছিল! নাটকৰ চৰিত্ৰৰ বাবে মোচ লগাবলৈ লৈ এৰুৱাব নোৱাৰি মুখৰ ছাল এৰাই ছিল। ফিৰোজাৰ নেতৃত্বত কাৱালী গাই সকলোকে পেটৰ নাড়ী ডাল-ডাল কৰিছিলো। কলেজৰ ইলেক্‌চনত হোষ্টেললৈ অহা কেম্পেইনত জিতুল সোনোৱালক ভগা বাল্টি লৈ গান গোৱাইছিলো, কল্পনা বৰুৱা সেন গুপ্তা বাইদেউৱে শিকোৱা কোৰাছত বিভিন্ন প্ৰতিযোগিতাত অংশ লৈছিলো। হোষ্টেলৰ নৱাগতা আদৰণী সভা পাঁচমিনিট পলমকৈ আৰম্ভ কৰি প্ৰিন্সিপাল কল্যাণ বৰুৱা ছাৰৰ গালি খাইছিলো (মই তেতিয়া মনিট্ৰেচ আছিলো) ইত্যাদি ক'ত যে কি। মোৰ আছিল উদ্ভিদ বিদ্যাত মেজৰ। অনুজিমা, হাফ্‌ছা, সুনীতা, অলকানন্দা, বিজয়া, ফিৰোজা আৰু মই আমাক কৈছিল চেভেন চিষ্টাৰ। ডিপাৰ্টমেণ্টৰ কৃষ্ণ বৰুৱা ছাৰ, সুবৰ্ণ মেডাম, হোছেইন ছাৰ, বিমান বৰা ছাৰ, চুনু মেডামে কিমান যে মৰম কৰিছিল। হয়তো তেওঁলোকৰ আশীৰ্বাদতে এতিয়া আমি প্ৰতিজনীয়েই সুপ্ৰতিষ্ঠিত। প্ৰতিজনীৰ সৈতে যোগাযোগ আছে আমাৰ। কিন্তু হঠাতে আমাৰ মাজৰ পৰা হেৰাই গ'ল অতি ৰঙীয়াল ফিৰোজা জনী। তাই নামৰূপ কলেজৰ অধ্যাপিকা আছিল। ২০১৩ চনৰ ডিচেম্বৰত আমি ল'গ হৈছিলো আটাইয়ে, কলেজত স্ফূৰ্তি কৰিছিলো বহুত। কিন্তু ঠিক এবছৰৰ পিছতেই হঠাৎ আমাৰ মাজৰ পৰা গুচি গ'ল তাই। সিদিনা অলকানন্দাই ফোন কৰি ক'লে—ঐ তোমাক যে এদিন ঘৰলৈ মাতি পঠিয়াইছিল বিশেষ কাৰণত...আমি যে ডিঙিত ধৰি খুব কান্দিছিলো মনত আছেনে? কিয় নাথাকিব! স্ফুৰ্তিতে দি থোৱা স্কুলৰ চাকৰীৰ ইণ্টাৰভিউ এটাত চিলেক্ট হৈ চাকৰীত যোগদান কৰিবৰ বাবে ঘৰলৈ মাতি পঠিয়ালে। মই চাকৰীত জইন নকৰো বুলি জনাই দিলো। ইয়াৰ পিছত কন্দা-কটা আৰম্ভ হ'ল। মই যিমান কান্দিছো, অলকানন্দা আৰু ৰুণুমীয়ে মোতকৈ বেছি কান্দিছে। পিছত গোটেই হোষ্টেলতে চিঞৰ-বাখৰ কি হ'ল বুলি ইহঁতৰ। এইয়াই আছিল আমাৰ বন্ধুত্বৰ এনাজৰী।

ব্যস্ত জীৱন আমাৰ। অলকানন্দাৰ পৰা গম পালো ২০ জানুৱাৰীত হোষ্টেলৰ ডায়মণ্ড জুৱলী হ'ব। ভাল লাগিল আকৌ লগ হ'ম, উৰি ফুৰিম আকৌ সেই ত্ৰিশবছৰৰ আগৰ দিনবোৰৰ দৰে। হাজাৰ ব্যস্ততাৰ মাজতো হয়তো সেই দিনটোত সময় উলিয়াম এজনী ৰঙীন পখিলাৰ দৰে উৰি ফুৰিবলৈ।○

# কানৈ ছাত্ৰীনিৱাসৰ স্মৃতিৰে...

✍ আইমানু সোনোৱাল দেউৰী ভড়ালী

ডিচেম্বৰ, ২১, ২০১৭ বৃহস্পতিবাৰ। সেইদিনা আছিল কানৈ ছাত্ৰীনিৱাস আৰু কানৈ ছাত্ৰাবাসৰ ছাত্ৰ-ছাত্ৰীসকলৰ পুনৰ মিলনৰ দিন! আমিবোৰ সকলো লগ হৈ আহিছিলোঁ কলেজখন, আমাৰ স্মৃতিবিজড়িত কানৈ ছাত্ৰীনিৱাস আৰু ছাত্ৰাৱাস চাবলৈ। তাতেই আনসকলৰ লগতে আমাৰ দিনৰ হাঁহিমুখীয়া আৰু 'এনাৰজেটিক' মাননীয়া সুদক্ষিণা বাইদেউক লগ পাইছিলোঁ (সেই একেই হাঁহিমুখ আৰু 'এনাৰজেটিক' এতিয়াও তেওঁ)। বাইদেউৰেই আমাক ছাত্ৰীনিৱাসৰ 'হীৰক জয়ন্তী'ৰ কথা জনালে। লগতে মোক আমাৰ দিনৰ ছাত্ৰীনিৱাসৰ বিষয়ে কিছু লিখিবৰ বাবে অনুৰোধ জনালে। সেয়েহে শ্ৰদ্ধাৰ বাইদেউৰ অনুৰোধত দুকলম লিখাৰ প্ৰয়াস আৰু হেঁপাহ কৰিছোঁ।

মই ১৯৮৬ চনত ডাঙৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ কানৈ মহাবিদ্যালয়ত উচ্চতৰ মাধ্যমিক কলা শাখাত নামভৰ্ত্তি কৰোঁ। (পিছলৈ স্নাতক কলা শাখাত এই মহাবিদ্যালয়তে অধ্যয়ন কৰোঁ—ৰাজনীতি বিজ্ঞানত মেজৰ লৈ)। মহাবিদ্যালয়ত নামভৰ্ত্তিৰ লগে লগে কানৈ ছাত্ৰীনিৱাসৰ মই আৱাসী হৈ পৰোঁ। আমাৰ সময়ত মহাবিদ্যালয়খনৰ অধ্যক্ষ আছিল—মাননীয় কল্যাণ বৰুৱা ছাৰ। কানৈ ছাত্ৰীনিৱাসৰ অধিক্ষীকা আছিল মাননীয়া ফৰিদা বাইদেউ।

কানৈ ছাত্ৰীনিৱাস আমাৰ সময়ত দূৰনিবটীয়া ছাত্ৰীসকলৰ থকাৰ বাবে আছিল একমাত্ৰ নিৰ্ভয়স্থল (ডিবৰুত)। সেইসময়ত ডিবৰুত আজিৰ দৰে প্ৰাইভেট হোষ্টেল বা পেয়িং গেষ্ট আদিৰ ব্যৱস্থা নাছিল। আমাৰ দিনবোৰত ছাত্ৰীনিৱাসৰ প্ৰত্যেকটো কোঠাতে পাঁচজনীকৈ ছোৱালী আছিলোঁ। (মাত্ৰ ২০ নম্বৰ কোঠাটো আছিল ২ জনীয়া, ১৯ নম্বৰ কোঠাটো আছিল তিনিজনীয়া)। নিৱাসটো আছিল—দুমহলীয়া। এনেদৰে আমাৰ দিনত ছাত্ৰীনিৱাসটোত প্ৰায় ৯০-১০০ জনী ছোৱালীয়ে বাস কৰিছিল। আমি আছিলো একোটা বৃহৎ পৰিয়াল।

আমাৰ দিনত কোঠাবোৰত ফেনৰ ব্যৱস্থা নাছিল। একেটা কোঠাতে পাঁচজনী ছোৱালীয়ে পঢ়া-শুনা কৰাত অসুবিধা পাইছিলোঁ যদিও আমি সকলো 'এড্‌জাষ্ট' কৰি চলিছিলোঁ। কাৰেণ্ট গ'লে জেনেৰেটৰৰ ব্যৱস্থাও নাছিল। আমি মম বা লেম্পৰ (কেৰাচিনৰ) পোহৰত পঢ়া-শুনা কৰিব লগীয়া হৈছিল লোড-শ্বেডিংৰ সময়ত। ফেনৰ ব্যৱস্থা নথকা বাবে প্ৰচণ্ড গৰমকালিত ছোৱালীবোৰৰ দুৰ্ভোগৰ সীমা নাছিল। পানীৰ মটৰো প্ৰায়ে বিকল হৈছিল। তেতিয়া আমি তলৰ টিউবৱেলৰ পৰা পানী কঢ়িয়াই বাথৰুমলৈ আনিব লগীয়া হৈছিল!

আমাৰ সময়ত ১৯৮৬ চনত ছাত্ৰীনিৱাসৰ মেছ ডিউজ ২৫০/- টকা আছিল। পিছলৈ ১৯৯০ চনত ৩০০/- টকা হৈছিলগৈ। (তেতিয়াৰ দিনত আজিৰ দৰে বস্তুৰ জুই ছাঁইৰ দাম নাছিল।)

আমি স্নাতক পৰ্যায় পাওঁতে ছাত্ৰীনিৱাসৰ নতুন অধিক্ষীকা হৈ আহিছিল মাননীয়া শ্ৰীযুতা কল্পনা সেনগুপ্তা বৰুৱা বাইদেউ। তেখেতৰ জৰিয়তেই আমি ছাত্ৰীবোৰে শ্ৰদ্ধাৰ প্ৰয়াত শান্তনু সেনগুপ্তা ছাৰৰ সাংস্কৃতিক সান্নিধ্য লাভ কৰাৰ পৰম সৌভাগ্য লাভ কৰিছিলোঁ।

আমাৰ নিৱাসৰ পুৱাৰ চাহৰ বেল পুৱা ছয় বজাতে বাজিছিল। আমিবোৰে হাতত গিলাছ লৈ ডাইনিং হলৰ পৰা পপ-চাহ-গাখীৰ পানী আনিছিলোগৈ। পুৱা ৮-৩০ বজাৰ পৰা ৯ বজালৈ ভাত-দাইল-আঞ্জা দিছিল। সপ্তাহৰ প্ৰতি বুধবাৰে ৰাতি কণীৰ তৰকাৰী, শুকুৰবাৰে ৰাতি মাছৰ জোল আৰু দেওবাৰে দিনৰ ভাত সাজ পাঠা মাংসৰ জোলেৰে আমি তৃপ্তিৰে খাইছিলোঁ। ক্লাছৰ পৰা আহি পিছবেলা লুচি আলু তৰকাৰী, চাহ দিছিল। আমাৰ মৰমৰ জুলাইদা (ঠাকুৰ দা), কানুদা, কামেশ্বৰ, ছন্দেশ্বৰহঁতে হেঁপাহেৰে আমাৰ বাবে ৰন্ধা-বঢ়া কৰিছিল। সেয়েহে আজিও তেওঁলোকক আমি শ্ৰদ্ধা আৰু মৰমেৰে সোঁৰো।

আমাৰ দিনত ছাত্ৰীনিৱাসৰ বাবে এখন দৈনিক কাকত

পঢ়িবলৈ দিয়া হৈছিল। নিৰাসত টি,ভি,ৰ ব্যৱস্থা নাছিল, নাছিল কোনো মাহেকীয়া আলোচনীৰ ব্যৱস্থা। আমি থকা কালত নিৰাসৰ নিয়ম-কানুন আছিল বৰ কটকটীয়া। সকলো ছাত্ৰীয়ে নিয়ম পালন কৰিবলৈ যত্ন কৰিছিল। অধিক্ষীকা বাইদেউৰ অনুমতিবিনে কোনেও বাহিৰলৈ যাব নোৱাৰিছিল। ক'ৰবালৈ যাব লগীয়া হ'লে আৱেদনৰ লগতে মেট্ৰন বাইদেউৰ ওচৰত থকা ৰেজিষ্ট্ৰাৰত চহী কৰি যাব লাগিছিল। (আমাৰ সময়ত মেট্ৰন বাইদেউ প্ৰয়াত অৰুণা বাইদেউ আছিল (উপাধীটো চলিহা আছিল নেকি !) ছাত্ৰীসকলৰ নিৰাপত্তাৰ বাবে দুজন চৌকীদাৰ নিয়োজিত আছিল। তেওঁলোক দুজন আছিল শ্ৰদ্ধাৰ বাসুদা আৰু পৰমেশ্বৰদা।

আমাৰ দিনত কানৈ ছাত্ৰীনিৰাসলৈ অসমৰ বিভিন্ন প্ৰান্তৰৰ পৰা ছোৱালীসকল আহিছিল। সুদূৰ অৰুণাচল, উত্তৰলক্ষীমপুৰ, ধেমাজী, চিলাপথাৰ, যোৰহাট, গোলাঘাট, শিৱসাগৰ, দুলীয়াজান, নামৰূপ, নাহৰকটীয়া, তিনিচুকীয়া, ডুমডুমা, কাকপথাৰ, ধলা, শদিয়া আদি ঠাইৰ পৰা ছাত্ৰীসকল আহিছিল (মইও আহিছিলো ডাঙৰীৰ পৰা)। বিভিন্ন ঠাইৰ ছোৱালীসকলৰ মাজত এক সাংস্কৃতিক সমন্বয় গঢ়ি উঠিছিল। আমাৰ নিৰাসৰ নৱাগত আদৰণী সভা বিলাকত তাৰেই প্ৰতিফলন ঘটিছিল। সেই সভাসমূহত ছাত্ৰীসকলে বাৰেৰহনীয়া অনুষ্ঠান পৰিৱেশন কৰিছিল।

আমাৰ সময়ত আৱাসীসকলে প্ৰত্যেকেই যেন একো একোটা প্ৰতিভালৈহে আহিছিল। সাহিত্য, সংগীত, নৃত্য, অভিনয়, সুবক্তা, ক্ৰীড়া—কিয়েইবা প্ৰতিভা নাছিল তেওঁলোকৰ। মাত্ৰ অভাৱ ঘটিছিল উপযুক্ত পথ-নিৰ্দেশনা তথা প্ৰশিক্ষণৰ। মাননীয়া অধিক্ষীকা কল্পনা বাইদেউৰ আৰু শ্ৰদ্ধাৰ শান্তনুছাৰৰ সাংস্কৃতিক অনুপ্ৰেৰণাৰ বাবে আমি তেওঁলোকৰ ওচৰত চিৰ-কৃতজ্ঞ।

আমি স্নাতক পৰ্যায়ত পঢ়োতে কানৈ কলেজৰ বাৰ্ষিক কলেজ উইকত আমাৰ নিৰাসৰ প্ৰায়বোৰ ছাত্ৰীয়েই অংশ গ্ৰহণ কৰি নিৰাসলৈ সাফল্য কঢ়িয়াই আনিছিল। এবাৰ কলেজ উইকত নাট প্ৰতিযোগিতাত অংশ গ্ৰহণৰ বাবে আমি নিৰাসৰ তিনি গৰাকী ছোৱালীয়ে যৌথভাৱে এখন একাংক নাটক লিখাৰ প্ৰয়াস কৰিছিলোঁ। আমি তিনিওগৰাকীয়ে এটা বিষয়বস্তু নিৰ্বাচন কৰি লৈ লিখিছিলোঁ কেইবাটাও স্নেপত 'অৱক্ষয়' নামৰ এখন নাটক। নাটকখনে সেইসময়ত যুৱ সমাজৰ মূল্যবোধ আৰু যুৱ-মানসিকতাৰ অৱক্ষয়ৰ ছবিখন প্ৰতিফলিত কৰিছিল। নাটখনিয়ে সেইবাৰৰ কলেজৰ 'বেষ্ট ড্ৰামা' এৱাৰ্ড আজুৰি আনিছিল। আজুৰি আনিছিল 'বেষ্ট একট্ৰেছ'ৰ গোটেইকিটা এৱাৰ্ড। নাটখনি লিখিছিল—স্নাতক শাখাৰ আৱাসী বাইদেউ কবি নমিতা কোঁৱৰে, বাইদেউ ৰঞ্জিতা দেউৰী (বৰ্তমান ভাৰতীয় ডাকবিভাগৰ বিষয়া) আৰু মই নিজে। আজিৰ কোনো উৎসুক ব্যক্তিয়ে বিচাৰিলে সেইসময়ৰ বাৰ্ষিক আলোচনী 'কানৈয়ান'ত পাব (পানীৰাম ডেকা মৰাণ সম্পাদিত)। এই প্ৰচেষ্টা আছিল সেই সময়ৰ আৱাসীসকলৰ বাবে এক সুস্থ সাংস্কৃতিক প্ৰচেষ্টা যাৰ অনুপ্ৰেৰণাত আজিৰ আৱাসীসকলে বহুতো সম্বলিত প্ৰচেষ্টা ল'ব পাৰে।

সেই সময়ৰ আমি আৱাসীসকলেই হোষ্টেল কেম্পাছ পৰিস্কাৰ কৰিছিলোঁ। মাজে সময়ে ছাত্ৰাৱাসৰ ছাত্ৰসকলৰ স'তেও কলেজ কেম্পাছ পৰিস্কাৰ কৰিছিলোঁ একগোট হৈ। হোষ্টেলৰ কেম্পাছৰ সৌন্দৰ্য বৰ্দ্ধনৰ বাবে প্ৰচেষ্টা লৈছিলো যদিও সফল হোৱা নাছিলো।

আমাৰ দিনত দুমহলীয়া আৱাসৰ দিনবোৰত সুৰক্ষিত দেৱাল নাছিল। যাৰ বাবে আমি প্ৰায়েই দুষ্কৃতিকাৰী কিছুলোকৰ উপদ্ৰৱ সহ্য কৰিব লাগিছিল আৰু অধ্যয়নত ব্যাঘাত জন্মাৰ লগতে নিৰাপত্তাহীনতাত ভুগিছিলোঁ। তেতিয়াৰ পুলিচ প্ৰশাসনৰ সহায় বিচাৰিলে তেওঁলোকেও সহযোগ নকৰিছিল। একমাত্ৰ দুজন চৌকীদাৰ, মেট্ৰন বাইদেউ আৰু অধিক্ষীকা বাইদেউৱে সাহসেৰে সকলো প্ৰতিকূল পৰিস্থিতিৰ মুখামুখি হৈ ছাত্ৰীসকলক নিৰাপত্তা আৰু নিৰ্ভয়তা প্ৰদান কৰিছিল।

আমাৰ সময়ত যোগাযোগৰ একমাত্ৰ ব্যৱস্থা আছিল—ডাকবিভাগ। ডাকযোগে চিঠিৰে আমাৰ আত্মীয় স্বজনৰ সৈতে বাৰ্তা বিনিময় হৈছিল। ছাত্ৰীসকলৰ বাবে Land Phone ৰ ব্যৱস্থা নাছিল। ম'বাইল ফ'ন তেতিয়া নাছিল। ছাত্ৰীসকলে ঘৰৰপৰা ৰেডিঅ' লৈ আহিছিল কিছুমানে বা-বাতৰি আৰু নানা অনুষ্ঠান শুনিবৰ বাবে। আমি নিৰাসত থাকোতে এটা বৰ দুখজনক ঘটনা ঘটিছিল। মই তেতিয়া নিৰাসৰ 'মনিট্ৰেছ' আছিলোঁ। ধেমাজীৰ উচ্চতৰ মাধ্যমিকৰ দ্বিতীয়বৰ্ষৰ ছাত্ৰী 'নিৰলা' হঠাৎ অসুস্থ হৈ পৰিছিল। এ.এম.চি.ত ভৰ্ত্তি কৰোৱা হৈছিল। আমি ছাত্ৰী সকলে তাইৰ ৰখীয়া হৈছিলোগৈ মেডিকেলত। দূৰনিবটীয়া তাইৰ ঘৰৰ আত্মীয়ই খবৰটো দেৰীকৈ পাইছিল যোগাযোগৰ ব্যৱস্থা নথকাৰ বাবে। অৱশেষত এ.এম.চি.ত তাই মৃত্যুৰ স'তে হাৰ মানিছিল 'হেপাটিক ফেল'ৰ হৈ। সেই দিনটো আছিল আমাৰ বাবে এক মচিব নোৱাৰা বিষাদৰ দিন। আমাৰ নিৰাসৰ পাকঘৰ দুদিন বন্ধ আছিল। ছোৱালীবোৰৰ মেছ ডিউজৰ সকলো জমা থকা টকা তাইৰবাবে আগবঢ়াইছিল

সকলোৱে অকুণ্ঠভাৱে, বিনা দ্বিধাই।

আমাৰ সময়ত বয়জ হোষ্টেল আৰু গাৰ্লছ হোষ্টেলৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সু-সমন্বয় আছিল। আমাৰ দুয়োটা নিৱাসৰ সসন্মিলিত প্ৰচেষ্টাৰে আমি কানৈ ছাত্ৰীনিৱাসত এক শিল্প-কলা প্ৰদৰ্শনি এখন অনুষ্ঠিত কৰিছিলো। সেই প্ৰদৰ্শনিত ছাত্ৰাবাসৰ ছাত্ৰ মনোজ গগৈৰ 'Gulf War" নামৰ চিত্ৰাংকণখনে সকলো দৰ্শকৰে ভূয়সি প্ৰশংসা বুটিলিছিল (মনোজ গগৈ বৰ্তমান দুধনৈ কলেজৰ নৃ-তত্ত্ব বিভাগৰ অধ্যাপক ড° মনোজ গগৈ)। এইবিলাক আছিল সেইসময়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ এক সুস্থ মানসিক প্ৰচেষ্টা।

আমাৰ আৱাসকালত কানৈ ছাত্ৰীনিৱাসত প্ৰতিভাৰ বা প্ৰতিভাবান ছাত্ৰীৰ অভাৱ নাছিল। অভাৱ আছিল মাথো উপযুক্ত চৰ্চাৰ ক্ষেত্ৰ আৰু পথ নিৰ্দেশনা। ক্ৰীড়াৰ ক্ষেত্ৰত বহু প্ৰতিভাৱান ছাত্ৰী আছিল যদিও ছাত্ৰীসকলৰ খেলা-ধূলাৰ বাবে, শাৰিৰীক ব্যায়ামৰ বাবে নাছিল খেলপথাৰ বা উপযুক্ত স্থান। যাৰবাবে হয়তো তেনে বহু প্ৰতিভা অকালতে মৰহি গৈছিল। সাহিত্য, সংগীত, অভিনয় আদিৰ চৰ্চা ছাত্ৰীসকলে ব্যক্তিগত প্ৰচেষ্টাৰে কৰিবলৈ যত্ন কৰিছিল।

আমাৰ দিনত নিৱাসত ছাত্ৰীসকলে নিজা বৰঙনিৰে নৱাগতা ছাত্ৰী আদৰণী সভা, সৰস্বতী পূজা বৰ ধুমধামেৰে পাতিছিল।

এই কানৈ ছাত্ৰী নিৱাসতে মই পাঁচবছৰ কাল অতিবাহিত কৰিলোঁ (১৯৮৬ চন—১৯৯১ চনলৈ)। এই পাঁচ বছৰ কাল মোৰ জীৱনৰ এক সোণোৱালি অধ্যায়! আমি একেলগে থকা, আমাতকৈ জ্যেষ্ঠ আৰু কনিষ্ঠ বহু আৱাসী আজি অসম তথা ভাৰতৰ চুকে-কোণে সিঁচৰতি হৈ আছে সময়ৰ আহ্বানত। ইয়াৰে কোনো শিক্ষয়িত্ৰী, কোনো চিকিৎসক, আইনজীৱী, ব্যৱসায়ী, কৃষক, চৰকাৰী বিষয়া, সাংবাদিক, শিল্পী, কবি, সাহিত্যিক, সফল মাতৃ, সু-গৃহিণী ৰূপে সমাজক অৱদান আগবঢ়াইছে।

আমাতকৈ জ্যেষ্ঠা প্ৰশাসনিক বিষয়া স্বৰ্গীয়া মনোৰমা কাকতী, শিক্ষয়িত্ৰী ৰুণুমী বৰুৱা, অধ্যাপিকা অলকানন্দা বৰুৱা, আইনজীৱী বিজয়া বৰকাকতী, ব্যৱসায়ী কৰবী বড়া, অধ্যাপিকা স্বৰ্গীয়া ফিৰোজ খাতুন, শিক্ষয়িত্ৰী কল্পনা গগৈ, কবি নমিতা কোঁৱৰ, কবি মানসী শইকীয়া, সু-গৃহিণী মাতৃ ডেইজী হাজৰীকা, ডাকবিভাগৰ বিষয়া ৰঞ্জিতা দেউৰী, শিক্ষয়িত্ৰী যাছমিন বড়া, শিক্ষয়িত্ৰী জলি বৰুৱা, কবি ৰিণ্জু বৰুৱা, তাহানিৰ আৱাসী বাইদেউসকলক শ্ৰদ্ধাৰে সোঁৱৰো আজিও।

আমাতকৈ কনিষ্ঠ ডাকবিভাগৰ কৰ্মচাৰী ধৰ্মেশ্বৰী পামে, চিকিৎসক ডাঃ চিন্ময়ী দেউৰী ভড়ালী, ফাৰ্মাচিটিকেল কেম্পানীৰ বিষয়া নমিতা চেতিয়া, বিষয় শিক্ষয়িত্ৰী মাচুদা ৰহমান, সমাজ কল্যাণ বিষয়া জুৰি সোনোৱাল, ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰ আধুনিক গীত, ঐনিতম আৰু আনুঃনিতমৰ শিল্পী দিপ্তীৰাণী পেগু, শিক্ষয়িত্ৰী তৃষ্ণা বড়া, অইল ইণ্ডিয়া ডুলীয়াজানত কৰ্মৰত মিতালী বৰগোহাঁই, বিষয় শিক্ষয়িত্ৰী নিৰলা বৰুৱা, সু-গৃহিণী পলী চমুৱা, লেখিকা তথা সু-গৃহিণী দিব্যলতা বৰুৱা, এসময়ৰ বিহু নৃত্য শিল্পী পাপৰী বৰগোহাঁইকে আদি কৰি প্ৰাক্তন আৱাসী, অলেখ নামবোৰ পাহৰি যোৱা ভন্টিসকলক স্নেহেৰে সোঁৱৰো।

আমাৰ একেবৰ্ষৰ সহপাঠী প্ৰাক্তন আৱাসী চন্দনা সোনোৱাল হালদাৰ (গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰৰ অনুষ্ঠান কাৰ্যবাহী), ববিতা বড়া (চৰকাৰী কৰ্মচাৰী, সৰ্বশিক্ষা), উৰ্মিমালা ৰায় চৌধুৰী (শিক্ষয়িত্ৰী), আৰাধনা গোস্বামী (শিক্ষয়িত্ৰী), বেনিবন্দনা টায়ে (বিষয় শিক্ষয়িত্ৰী), ৰুবী বুঢ়াগোহাঁই (সমাজকৰ্মী, গৃহিণী), নিৰুপমা স্বৰ্গীয়াৰী (সফল মাতৃ তথা গৃহিণী), গায়ত্ৰী হাজৰীকা (সমাজকৰ্মী, গৃহিণী), পৰী গগৈ (চৰকাৰী কৰ্মচাৰী), মৌচুমী গগৈ (ব্যৱসায়ী), শিখা ফুকন (সফল মাতৃ গৃহিণী), সুষমা গোস্বামী (সুগৃহিণী, সমাজ কৰ্মী) আদি অলেখ প্ৰাক্তন আৱাসী মৰমৰ বান্ধীৱক (যিসকলৰ নাম অনিচ্ছা সত্ত্বেও পাহৰি গৈছো তেওঁলোকও) মৰমেৰে আকুলতাৰে স্মৰণ কৰিছোঁ।

ওপৰৰ জ্যেষ্ঠ, কনিষ্ঠ আৰু মোৰ সহপাঠী (প্ৰাক্তন) কানৈ ছাত্ৰীনিৱাসৰ আৱাসী সকলৰ কথা উল্লেখ কৰাৰ এক মহৎ অভিপ্ৰায় নিশ্চয় আছে। এই অভিপ্ৰায় হ'ল—বৰ্তমানৰ আৱাসীসকলে এই অগ্ৰজসকলৰ পথ অনুসৰণ কৰি জীৱন যুঁজত জয়ী হোৱাৰ মন্ত্ৰ যাতে আয়ত্ব কৰিব পাৰে।

১৯৮৬-১৯৯১ চন! এক দীঘলীয়া সময় মই কানৈ ছাত্ৰীনিৱাসৰ আৱাসী আছিলোঁ। কানৈ ছাত্ৰীনিৱাস মোৰ জীৱনৰ এক অবিচ্ছেদ্য অংগ স্বৰূপ। এই আৱাসৰ আৱাসী হ'বলৈ পায় মই ধন্য (য'ত মোৰ আৰাধ্যা মাতৃও আৱাসী আছিল)। এই কানৈ ছাত্ৰীনিৱাসৰ মই সবৰ্তো দিশৰ কল্যাণ কামনা কৰো। কানৈ ছাত্ৰীনিৱাস দীৰ্ঘায়ু হওক, সু-স্বাস্থ্যবান হওক, নিৰাপদ আশ্ৰয়স্থল হওক, সফল হওক। কানৈ ছাত্ৰীনিৱাসৰ হীৰক জয়ন্তীৰ এই শুভক্ষণত এইয়ে মোৰ শুভকামনা।

জয়তু কানৈ ছাত্ৰীনিৱাস।○

# হোষ্টেলীয়া জীৱন আৰু ইয়াৰ যোগাত্মক দিশ

✍ ড° অলকানন্দা বৰুৱা

'Hostel' এই শব্দটিৰ এক মিঠা অনুভূতি আছে। যিয়ে জীৱনত এবাৰো হোষ্টেলত থাকি পোৱা নাই। তেওঁ এই কথা উপলব্ধি কৰিব নোৱাৰিব। হোষ্টেলত প্ৰথম ভৰি দিয়া দিনটোৰেই হ'ল এখন বহল সমাজত প্ৰথম খোজ দিয়া। কাৰণ এইখন সমাজত বিভিন্ন প্ৰকাৰৰ ল'ৰা-ছোৱালীক লগ পোৱা যায়। ইয়াত ভিন্ন জাতিৰ, ভিন্ন ধৰ্মৰ, ভিন্ন ভাষাৰ পয়োভৰ দেখা পোৱা যায়। কিন্তু তাৰ মাজতো যিটো একতাৰ ভাব, সিয়ে অনৈক্যৰ মাজত ঐক্য ভাবটো প্ৰতিফলিত কৰে। ইয়াত বিভিন্ন চৰিত্ৰত সমাৱেশ ঘটে। কোনোবা যদি বৰ মৰমিয়াল, কোনোবা অলপ Rough। কোনোৱাই কথাপাতি ভাল পায়, কোনোৱাই চুকতে সোমাই থাকে, কোনোৱাই ধেমালি কৰি জোকাই ভাল পায়। কোনেৰে তেনে কৰিলে cut মৰা বুলি ভাবে, কোনোৱাজনীয়ে আকৌ ৰেগিংৰ নামত জুনিয়ৰ বিলাকক খটুৱাই মাৰে বা সকলোৰে ওপৰত প্ৰভুত্ব খটুৱাবলৈ চেষ্টা কৰে। কাজিয়াও হয়। পিছলৈ আকৌ তেওঁলোকৰ লগতে সনাপিঠা হৈ পৰে। হোষ্টেললৈ প্ৰথম অহাৰ পিছত প্ৰথম কেইদিনমান বৰ সাৱধানে কথা ক'বলগীয়া হয়। ক'ত কি জগৰ লাগে একো ঠিক নাই। এই যে বিভিন্ন প্ৰকাৰৰ অভিজ্ঞতাৰ মাজেদি পাৰ কৰে ছোৱালীবোৰে, তিনিবছৰ বা পাঁচবছৰ। ইয়ে তেওঁলোকৰ ভৱিষ্যত জীৱনত এক সুন্দৰ প্ৰভাৱ পেলায়। ইয়াৰ বহুত যোগাত্মক দিশ আছে। জীৱনত বিভিন্ন ধৰণৰ মানুহৰ লগত মিলিব পৰা এটা গুণ আয়ত্ব কৰে হোষ্টেলত থকা ছোৱালীবোৰে। বিভিন্ন পৰিৱেশত থাকিব পৰা অভিজ্ঞতাও ইয়াতে আৰম্ভণি হয়। কাৰণ কোনোবাদিনা হোষ্টেলত হয়তো পানী নাথাকিব পাৰে। টিউবৱেলৰ পৰা পানী কঢ়িয়াব লগীয়া হয়। ওপৰ তলাত থকা ছোৱালীবোৰৰ কথা ভাবকচোন। কম পানীত চলিব লগা হয়। সকলোতকৈ বেছি Adjust কৰিব লগা হয় খোৱা-বোৱাৰ ক্ষেত্ৰত। ঘৰত খোৱা খাৱনটোতো ইয়াত নাই। গতিকে শাকে-ভাতে যি হয় ভোকত তাকে গিলিবলগীয়া হয়। কেতিয়াবা ভাতত ধান, পাথৰ, দাইলত পানী এইবোৰতো নিত্যনৈমত্তিক ঘটনা। বতৰৰ পাচলিবোৰতো আছে। কিন্তু সকলোৰে যেতিয়া ডাইনিঙ হলত একেলগে ভাত খাবলৈ বহে, এইবোৰ কথা Secondary হৈ পৰে। তাত, "আজি কলেজত কি হ'ল' তাৰ খতিয়ান সকলোৰে দাঙি ধৰে। দুজনীমানে শিক্ষক-শিক্ষয়ত্ৰী সকলৰ অভিনয়ো কৰি দেখুৱাই। তাৰ পাছত গিৰ্জনিমৰা হাঁহি। গতিকে ইয়াৰ ফলত এটা ভাল অভ্যাস জন্মে যে ঘৰলৈ গৈ মাকক "এইবোৰ কি বনাইছা" বুলি কেতিয়াও নকয়। আৰু যিকোনো ঠাইত, যিকোনো খাদ্য খোৱাৰ অভ্যাস হৈ যায়। ইয়ে ভৱিষ্যত জীৱনত যিকোনো

> ...হোষ্টেল হ'ল এখন সৰু পৃথিৱী। নিজৰ ৰুমতো হ'ল ঘৰখন। কাষৰ ৰুমবোৰ ওচৰ-চুবুৰীয়া। গোটেই হোষ্টেলটো হ'ল চুবুৰীটো। গতিকে জাতি, ধৰ্ম, ভাষা নিৰ্বিশেষে এই চুবুৰীটোৰ যি এক একতাৰ ভাব থাকে—ই তুলনাহীন। সেইবাবেই হোষ্টেলীয়া জীৱন ইমান সুন্দৰ, বৰ্ণময়।

পৰিৱেশত খাপ খাই পৰিবলৈ সহায় কৰে।

হোষ্টেলত থকা দিনবোৰত আৰু এটা ডাঙৰ গুণ আয়ত্ব হয়, সেইটো হ'ল সহ্য কৰিব পৰা গুণটো। কাৰণ সহনশীলতা নাথাকিলে হোষ্টেলত টিকিব নোৱাৰিব। হোষ্টেলত প্ৰৱেশ কৰাৰ প্ৰথম কেইদিনমানত ছোৱালীবোৰে চিনিয়ৰ খিনিৰ উৎপাত, কটাক্ষ সহ্য কৰিব পাৰিব লাগিব। তেতিয়াহে হোষ্টেলত টিকিব পাৰিব। হোষ্টেলৰ চিনিয়ৰ বাইদেউহঁতৰ লগত সাৰধান আৰু সন্মানেৰে কথা পাতোতে পাতোতে এনেদৰে অভ্যাস হয় যে পিছৰ জীৱনত ই বৰ সুন্দৰ প্ৰভাৱ পেলায় আৰু সমাজত সুন্দৰকৈ মিলিব পৰা হৈ যায়।

ঘৰ চলাবলৈও শিকে হোষ্টেলত থকা দিনকেইটাতে। কাৰণ ইয়াত পাল পাতি পাতি সকলোৱে মেচ চলাবলগীয়া হয়। গতিকে চাউল-দাইল, তেল, চেনি-চাহপাত, গাখীৰ, শাক-পাচলি, মাছ-মাংস এই সকলোবোৰ বস্তুৰ দাম মুখস্ত হৈ যায়। গতিকে সুন্দৰকৈ বজাৰ কৰিবলৈ শিকে। মেচ চলোৱাৰ কথা কওঁতে মোৰ নিজৰ দিনৰ মেচ চলোৱাৰ ঘটনা এটা মনত পৰিল। এনেকৈয়ে এবাৰ মেচ চলোৱাৰ দায়িত্ব পৰিল আমাৰ ওপৰত। মই আৰু কল্পনা গগৈ (তেখেত বৰ্তমান ঢকুৱাখানা উচ্চতৰ মাধ্যমিক স্কুলৰ অধ্যক্ষা)। চুপাৰ বাইদেৱে বজাৰ কৰিবলৈ আমাৰ হাতত টকা দিলে। টকা কল্পনাই ল'লে। বাৰাণ্ডাইদি আহি থাকোতে আমাৰ লগৰ আৰু দুজনীমান লগ পালো। সৰু-সুৰাকৈ এটা আড্ডা হ'ল ঠাইতে। আমাৰ দিনত Mobile Phone নাছিল। গতিকে কথাই পাতিছিলো বেছিকৈ। আড্ডা ভংগ কৰি বজাৰলৈ যাবলৈ ওলালো। কল্পনাই চিঞৰ মাৰিলে। টকাখিনি ক'লৈ গ'ল। বিচাৰি বিচাৰি হায়ৰাণ। আমাৰ বিৰাট ভয় হ'বলৈ ধৰিলে, কি হ'ব এতিয়া। বহুতসময়ৰ পিছত মোৰ হঠাতে মনত পৰিল। বাৰান্দাত আড্ডা দি থাকোতে, কল্পনাই ৱালেদি কিবা এটা দলিয়াই দিছিল। দৌৰি গৈ হাউলি চাওঁতে দেখিলো হয়, টকাৰ নুৰাটো ৱালৰ কাষত পৰি আছে। কথা পাতি থাকোতে, টকাৰ নুৰাটো তাই কিবা কাগজ বুলি দলিয়াই দিছিল। এই ঘটনাটোৱে আমাক এটা ডাঙৰ শিক্ষা দিলে। টকা-পইচাৰ ক্ষেত্ৰত সাৰধান হ'বলৈ ধৰিলোঁ।

স্ব-নিৰ্ভৰশীলতা গুণটোও বিকাশ হয় হোষ্টেলীয়া দিনতে। ঘৰৰ পৰা, পৰিয়ালৰ পৰা দূৰৈত থাকি নিজেই নিজৰ যত্ন লোৱাৰ অভ্যাস গঢ়ি উঠে। নিজৰ বয়-বস্তু চম্ভালি ৰখা, কাপোৰ-কানি ধোৱা, ৰুমটো পৰিস্কাৰ ৰখা ইত্যাদি কামবোৰ কৰাৰ অভ্যাসে ছোৱালীবোৰক সকলোফালৰ পৰা পৰিপক্ক কৰি তোলে।

মুঠতে হোষ্টেল হ'ল এখন সৰু পৃথিৱী। নিজৰ ৰুমতো হ'ল ঘৰখন। কাষৰ ৰুমবোৰ ওচৰ-চুবুৰীয়া। গোটেই হোষ্টেলটো হ'ল চুবুৰীটো। গতিকে জাতি, ধৰ্ম, ভাষা নিৰ্বিশেষে এই চুবুৰীটোৰ যি এক একতাৰ ভাব থাকে—ই তুলনাহীন। সেইবাবেই হোষ্টেলীয়া জীৱন ইমান সুন্দৰ, বৰ্ণময়।○

# কাৰ্নৈ ছাত্ৰীনিৱাসৰ মধু-অতীতত এভুমুকি

✍ ছৈয়দা মাছহুদা ৰহমান

আজি মই উভতি গৈছোঁ কাৰ্নৈ ছাত্ৰীনিৱাসৰ ওপৰ মহলাৰ ১৮ নম্বৰ কোঠাটোলৈ। সেইদিনা আছিল ১৯৮৯ চনৰ আগষ্ট মাহৰ কোনোবা এটা দিন। দুপৰীয়ালৈ সকলো যাৱতীয় বয়-বস্তুৰে সৈতে মা-দেউতাই মোক থৈ যায়হি ডিব্ৰুগড় হনুমানবক্স সুৰজমল কাৰ্নৈ মহাবিদ্যালয়ৰ গাতে লাগি থকা মহাবিদ্যালয়ৰ ছাত্ৰীনিবাসটোত। মা-দেউতাক যাবলে দিবৰ একেবাৰে মন নাছিল। তেওঁলোকেও চকুৰ পতাত যতনেৰে ধৰি ৰখা চকুপানীকণ মোৰ পৰা লুকুৱাব পৰা নাছিল। মই কান্দি কান্দি ভাগৰি পৰিছিলোঁ। মোৰ নতুন ঠিকনা হ'ল—'কোঠা নম্বৰ ১৮'। মোৰ অগ্ৰজ স্মৃতিৰেখা ফুকন বাইদেউ আৰু বান্ধৱী দিপ্তীৰাণী মেডক (এতিয়া পেগু হ'ল) মোৰ 'ৰুম মেট'। বিজ্ঞান শাখাৰ ছাত্ৰী স্মৃতি বাইদেউ বৰ শান্ত আৰু অমায়িক আছিল। দিপ্তী আৰু মই তেওঁৰ লগত এবছৰ আছিলোঁ। Final দি বাইদেউ মৰাণৰ ঘৰলৈ গ'ল আৰু মই ওপৰ মহলাৰে ৯ নম্বৰ কোঠাত থাকিবলৈ ল'লোঁ। দিপ্তী তলৰ মহলালৈ গ'ল। দিপ্তীয়ে বৰ ধুনীয়াকৈ গীত গাইছিল। সুৰদী সুৰীয়া কণ্ঠেৰে অসমীয়া আধুনিক গীত, মিছিং গীত আদিৰে সকলোৰে মন মুহিছিল। ৯ নম্বৰ কোঠাত মোৰ লগতৰেখা, বৰ্ণালী, ৰৌজী বাইদেউ, ফাল্গুণী, সুমনা, জিনু, বিজয়লক্ষ্মী, ৰীমা আদি মোৰ দুটা বছৰৰ লগৰীয়া হৈছিল। অনিচ্ছাকৃতভাৱে কাৰোবাৰ নাম বাদ পৰিবও পাৰে। ক্ষমা প্ৰাৰ্থনীয়।

এইবাৰ আহোঁ 'ৰেগিং প্ৰসংগ'লৈ। ছাত্ৰীনিৱাসত প্ৰথম নিশাৰ কথা। কোঠালৈ সোমাই আহিছিল কেইগৰাকীমান Senior বাইদেউ। তেওঁলোকৰ আগমনত অণ্ঠ-কণ্ঠ শুকাই গৈছিল। প্ৰথম নিৰ্দেশ—দুয়োখন হাতত দুগিলাচ পানী লৈ আকৌ দুয়োটা গিলাচ সমানভাৱে থ'ব লাগে। মই কিন্তু পৰা নাছিলোঁ। দ্বিতীয়তে, বিছনাৰ আঠুৱা লগোৱা মাৰিডালত মোক 'হলৌ উঠিল টকৌ গছত...' গাই গাই গছত বগোৱাদি বগাবলৈ দিছিল। নেজানোঁ বুলি কোৱাত ৰেগিং কৰোতা সকলৰ মুখকেইখনৰ অভিব্যক্তি আজিও মনত পৰে। কৈছিল—"বাঃ শিৱসাগৰৰ পৰা আহিছে আকৌ গছ বগাব নেজানে!" তেতিয়া মাত্ৰ শুনি গৈছিলোঁ। তেওঁলোক ৰুমৰ পৰা ওলাই যোৱাৰ পিছত খুব কান্দিছিলোঁ। আৰু এটা কথা বৰকৈ মনত পৰিছে। মই হোষ্টেললৈ প্ৰথম যোৱা দিনটো আছিল বুধবাৰ। বুধবাৰে বোলে কণী দিয়ে ভাতৰ লগত। খাবলৈ বহিছোঁহে মাত্ৰ, এগৰাকী Senior বাইদেৱে কৈয়েই পেলালে—"আজি কণী দিব গম পাই আহিছে আক'..."। তেতিয়া মোৰ বৰ দুখ লাগিছিল। মই লগে লগে ভাতৰ পাতৰ পৰা উঠি গৈ যিগৰাকীয়ে কৈছিল তেওঁৰ বাচনত কণীটো দি আহিছিলোঁ।

আমি ছাত্ৰীনিৱাসত ভৰি দিয়াৰ পাছত আমাৰ Senior বাইদেউ সকলৰ ভিতৰত জেউতি দত্ত বাইদেউ আমাৰ Monitress আছিল। এগৰাকী ওখ, শকত-ডাঙৰ, মজবুত চেহেৰাৰ যাক সঁচাকৈয়ে Monitress বুলিব পাৰি। তেওঁ বৰ স্পষ্টবাদী আছিল। আমি সন্মানৰ লগতে সমীহ কৰিছিলোঁ তেওঁক। পিছৰ বছৰত জেউতি বাইদেউৰ দায়িত্ব ল'লে আইমানু সোনোৱাল বাইদেৱে। বাইদেউ বৰ অকণমানি আৰু মৰমলগা আছিল। ভাল লেখা-মেলা কৰিছিল। তেওঁ মৰমেৰে শাসন কৰি আমাক এক বান্ধোনৰ মাজত ৰাখিছিল। আমাৰ দিনত ছোৱালী বিলাকে কেৱল 'পঢ়া'টোহে চিনি পাইছিল। আজিৰ দৰে বাটে-ঘাটে ঘূৰি ফুৰা সাধাৰণতে দেখা পোৱা নগৈছিল। মই হোষ্টেলৰ ছোৱালীক দোষ দি ক'ব খোজা নাই। আজিৰ সমাজ ব্যৱস্থাক লক্ষ্য কৰিহে কৈছোঁ। তৃতীয়বৰ্ষত আমাৰ সহপাঠী নমিতা চেতীয়া Monitress হয়। অগ্ৰজ সকলৰ পদাংক অনুসৰণ কৰি নমিতায়ো বৰ দক্ষতাৰে অনুশাসন চলাইছিল।

ছাত্ৰীনিৱাসৰ ইমানবোৰ ছাত্ৰীক অভিভাৱকত্বৰ

চেনেহ-বন্ধনেৰে মেৰিয়াই ৰাখি নেপথ্যত শাসনৰ বাঘজৰী খামুচি ধৰাটো বৰ মুখৰ কথা নাছিল। তেনে গুৰু দায়িত্বই বহন কৰিছিল Hostel Super আমাৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু কল্পনা সেনগুপ্তা বাইদেৱে। বাইদেউৰ স্বামী শান্তনু সেনগুপ্তা ছাৰ আৰু তেওঁলোকৰ অকণমানি সন্তান টিংকুৰ সৈতে তিনিজনীয়া পৰিয়ালটি হোষ্টেলতে থকাৰ বাবে পৰিয়াল কেন্দ্ৰিক আকূলতায়ো আমাক এৰি থৈ অহা ঘৰখনৰ কথা বহু সময়ত পাহৰাই ৰাখিছিল। বাইদেৱে কেতিয়াও কাকো টানকৈ কোৱা মনত নপৰে। বাইদেৱে নিজে ৰচনা কৰা সমৱেত সংগীত আমাক শিকাইছিল আৰু আমি মহাবিদ্যালয়ৰ আনুষ্ঠানত পৰিৱেশন কৰিছিলোঁ। বাইদেউৰ কবিতা 'কৃষ্ণচূড়ালৈ মিনতি' মই আবৃত্তি কৰিছিলোঁ। এক সাংগীতিক-সাংস্কৃতিক পৰিৱেশে বিৰাজ কৰিছিল। অসমীয়া বিভাগত প্ৰবক্তা ৰূপে নতুনকৈ যোগদান কৰা জ্যোতিৰেখা হাজৰিকা বাইদেৱো কিছুদিন ছাত্ৰীনিৱাসতে আছিল। ৰূপত যেন ৰহণহে চৰিছিল। তেওঁৰ সুন্দৰ লেখনি আমি পঢ়িবলৈ পাইছিলোঁ। বৰ মৰমসনা মাতেৰে তেওঁ সকলোকে মাতষাৰি দিছিল। বাইদেউৰ লগত আছিল দিব্যলতা বৰুৱা (এতিয়া আহমেদ হ'ল) নামৰ ভণ্টিজনী।

পুৱাৰ পৰিৱেশটি বৰ ভাল লাগিছিল। শাৰী পাতি বৈ থাকোঁ গা-ধোৱা ঘৰৰ কাষত। ওপৰ মহলাত তিনিটা আৰু তলৰ মহলাত তিনিটা গা-ধোৱা ঘৰ আছিল। আমাৰ ৰূমৰ যিকোনো এজনীয়ে শাৰীত ৰ'লে আমাৰ সুবিধা হৈছিল। পুৱাৰ চাহকাপৰ পিছতে ৰান্ধিবলৈ আৰম্ভ কৰে ৰান্ধনী কানুদা, চন্দেশ্বৰ আৰু বাসুৱে। কলেজলৈ যোৱাৰ আগত সকলোকে আহাৰৰ যোগান ধৰে এই সকলে। কানুদা বৰ শান্ত আৰু গহীন-গম্ভীৰ লোক আছিল। এজন বয়সীয়াল ব্যক্তি হিচাপে তেওঁ বহু কামেই কৰিছিল। আমাৰ শ্ৰদ্ধা উপজিছিল। চন্দেশ্বৰে হাঁহি হাঁহি আমাক ভাঁত বাঢ়ি দিছিল। বুধবাৰে কণী, শুকুৰবাৰে মাছ আৰু দেওবাৰে মাংস দিছিল। মই মাংস নেখাওঁ কাৰণে সদায় পোৱা বেঙেনা এটা মোৰ ৰূমত আগতীয়াকৈ দি গৈছিল। প্ৰতি দেওবাৰে দেউতা মোৰ ওচৰলৈ আহোঁতে লগত মায়ে, কেইবাজনীয়ে খাব পৰাকৈ সুন্দৰকৈ মাছৰ ভজা, বিভিন্ন ৰকমৰ আঞ্জা, কাষ্টাৰ্ড, ছেৰৈ, কেক, নান্‌খাটা ইত্যাদি পঠিয়াই দিয়ে। হোষ্টেলৰ কাষতে এজোপা কণ জলকীয়াৰ গছ আছিল। ভাত খোৱাৰ সময়ত তাৰে ছিঙোতে পহৰাদাৰ পৰমেশ্বৰে "বেছি নিছিঙিবি" বুলি চিঞৰিছিল। কলেজৰ পৰা আহি আবেলি হোষ্টেলৰ সমুখত অকণমান ফুৰোঁ। সমুখতে এখন পথাৰ আছিল। কাষতে থকা পুখুৰীটোৰ পকীবেৰৰ কাষত বৈ নতুবা চাদৰ ওপৰৰ পৰা বেলি লহিওৱাৰ দৃশ্য উপভোগ কৰোঁ। ঘৰমুৱা বগলীজাকে আমাৰ মনবোৰো উতলা কৰিছিল। সন্ধিয়া নামিলেই Monitress এ 'ৰেজিষ্টাৰ বহী'ত সকলোৰে উপস্থিতি লোৱাৰ পিছত প্ৰাৰ্থনাৰ ভক্তিময় পৰিৱেশে আমাক পঢ়া-লিখা আৰম্ভ কৰিবলৈ প্ৰেৰণা যোগাইছিল।মনত পৰে মেট্ৰন অৰুণা চলিহা বাইদেৱে লোৱা আমাৰ তত্বাৱধানৰ কথাও।

আমি অন্ধবিশ্বাসী নাছিলোঁ যদিও কলেজৰ কাষতে থকা জ্যোতিষীজনৰ ঘৰলৈ কিন্তু আমাৰ বহুতৰে সঘন আহ-যাহ আছিল। এবাৰ বান্ধৱী এগৰাকীৰ লগত যাওঁতে জ্যোতিষীজনক সুধিছিলোঁ "পৰীক্ষাত পাছ কৰিমনে?" তেওঁ চোৰা-চিতা কৰি ক'লে—"পাছ কৰিবা। কিন্তু পুৱা-গধূলি নিয়মিত পঢ়িব লাগিব।" তেওঁৰ কথা মতেই নিয়মিত পঢ়িছিলোঁ। বহু বছৰৰ মূৰতহে ভাবি পাইছিলোঁ যে নিয়মিত পঢ়িলেছোন সকলোৱেই পাছ কৰিব! জ্যোতিষীজনলৈ মনত পেলাই ভাল লাগিল।

বছেৰেকীয়া খেল-ধেমালি আৰু সাংস্কৃতিক সপ্তাহৰ প্ৰতিযোগিতা সমূহত আমাৰ হোষ্টেলৰ ছোৱালীবোৰে ভাগ লৈ পুৰস্কাৰ বুটলিবলৈও সক্ষম হৈছিল। মই নিজে কবিতা আবৃত্তি, তৰ্ক, আকস্মিক বক্তৃতা, নাটক, Photography, ৰচনা প্ৰতিযোগিতা আদিত অংশ গ্ৰহণ কৰি পুৰস্কৃত হৈছিলোঁ। ১৯৯১ চনৰ কথা। সেই বছৰ প্ৰতিযোগিতাত ২১ খন নাটকে অংশ গ্ৰহণ কৰিছিল। আমাৰ নাটকে একো নেপালে যদিও মই 'শ্ৰেষ্ঠা অভিনেত্ৰী'ৰ বঁটা লাভ কৰিলোঁ। সেই মুহূৰ্ত্তত ভাবিব নোৱাৰা আনন্দ লভিছিলোঁ।

আমাৰ লগৰ নমিতা আছিল হাঁহিৰ থুনপাক। অনবৰতে জমাই থকা বিধৰ। মন গ'লেই চিঞৰি চিঞৰি গান গাব, তবলা বজাব, বাঁহী বজাব, বেহেলা বজাব। বেহেলা বুলি কওঁতে থোৰতে কৈ থওঁ. মই, নমিতা, পলী আৰু ৰেখাই সেই সময়ত কলেজৰ কাষেদি যোৱা চুটি ৰাস্তাৰে বাট বুলি নালিয়াপুলৰ এখন স্কুলত শ্ৰদ্ধাৰ ইন্দ্ৰেশ্বৰ কোঁৱৰ ছাৰৰ ওচৰত বেহেলা শিকিছিলোঁ। পিছে আমাৰ সেই শিক্ষা আধৰুৱা হ'ল। স্মৃতি মাথোঁ সজীৱ হৈ ৰ'ল মনৰ মণি-কোঠাত আৰু বেহেলাখন সজাই থোৱা হ'ল আমাৰ 'চ'ৰা-ঘৰ'ত। বান্ধৱী পলীয়ে নীৰৱে কবিতা লিখিছিল। তাই গম নোপোৱাকৈ আমি পঢ়িছিলোঁ সন্তৰ্পণে। বৰ সুন্দৰ কবিতা।

নিৱেদিতা, ৰশ্মীহঁতেও কবিতা লিখিছিল। মাজে মাজে মন গ'লে ৰেখায়ো স্বৰচিত কবিতা চিঞৰি চিঞৰি পঢ়ি শুনাইছিল। নিৰলাৰ কথা নক'লোৱেই বা, একেবাৰে ৰোমান্টিক কবি। ইনু বাইদেৱো বৰ ৰসিক, সৰল আৰু স্পষ্টবাদী আছিল।

এক আনন্দমুখৰ পৰিৱেশৰ সৃষ্টি হৈছিল জন্মাষ্টমীৰ দিনা। হোষ্টেলৰ মূল পথেদি সোমাই আহোতে পোৱা সমুখৰ বাৰাণ্ডাখনতে উলহ-মালহেৰে পালন কৰা হয় জন্মাষ্টমী। যদিও এগৰাকী মুছলিম ছোৱালী, মোৰ দায়িত্বত আছিল ইটা বহুৱাই মাটিৰে লিপি টিপ তুলি সুন্দৰকৈ শ্ৰীকৃষ্ণৰ ফটো বহোৱা কাৰ্য। মাজনিশা আমি আটায়ে নাম জুৰিছিলোঁ— "কলমৌ পাততে গোসাঁই উপজিলে, উপজিলে জগন্নাথ..."এনেদৰে নাম জুৰি থাকোঁতে পোহৰ হ'বৰে হৈছিল। সেইদৰে নৱবৰ্ষৰ মাজনিশা ১২ বজাত কে'ক কটাৰ পিছত সকলোৱে আনন্দৰ এসাঁজ উপভোগ কৰিছিলোঁ। একেলগে মনত পৰিছে অৰুণাচলৰ দেওমালি অভিযানৰ আনন্দ ভৰা কথাবোৰ। কল্পনা বাইদেউৰ লগতে এই যাত্ৰাত আমাৰ তত্বাৱধায়ক হোৱা শিক্ষাগুৰু শান্তনু সেনগুপ্তা ছাৰ আৰু দিলীপ ভূএগ্ৰা ছাৰৰ স্মৃতিও সজীৱ হৈ আছে। নিজে নেহাঁহি আনক হহোঁওৱা শ্ৰদ্ধাৰ শান্তনু ছাৰৰ ৰসিকতাৰ কথা জীৱনত পাহৰাটো সম্ভৱ নহয়।

আমাৰ ছাত্ৰীনিৱাসত এবাৰ ভূত ওলাইছিল। এই 'হোষ্টেলীয়া ভূত'ৰ কাহিনীৰে মোৰ এই লেখাৰ মুখনি মাৰিব খুজিছোঁ। এটা বৰ ভয়ানক কাহিনী। আমি তেতিয়া দ্বিতীয় বৰ্ষত। এদিন দুদিনকৈ তিনি চাৰিদিন ধৰি নিশা ১০ বজাৰ পৰা ওপৰ মহলাৰ কেইটামান ৰূমৰ খিড়িকিবোৰ লৰিবলৈ ধৰে। এখন লৰি যোৱাৰ অলপ সময়ৰ পিছত আনখন লৰে। আমি ভয়ত চিঞৰ-বাখৰ কৰোঁ কিন্তু ভয়তে বাহিৰ ওলাবলৈ সাহস গোটাব নোৱাৰোঁ। কোনেও একো শুংসূত্ৰ উলিয়াব পৰা নাই। আমাৰ লগৰ ৰেখাহঁত ভয়তে ঘৰলৈ গুছি গ'ল। ৰেখা আকৌ মোৰ ৰূমমেট আছিল। তাই ডিকমৰ পৰাই দ্বিতীয় বৰ্ষৰ পৰীক্ষা দিলে। কি কৰা যায়, মইতো যাব নোৱাৰোঁ নাজিৰালৈ! মোৰ দৰে আৰু বহু ছোৱালী আছিল দূৰ-দূৰণিৰ। আমি সিদ্ধান্ত ল'লোঁ কিবা এটা কৰাৰ। আমাৰ Super কল্পনা বাইদেৱে কাৰোবাক দেখুওৱাৰ কথা ক'লে। তেতিয়া ডিব্ৰুগড়ত এগৰাকী বিদূষী, ধৰ্মপ্ৰাণা মহিলা আছিল। 'মেহেৰুন্নিছা বাইদেউ' বুলি তেখেত সকলোৱে মাজত জনাজাত আছিল। তেখেতৰ দিহা মানি অনেকে সুফল পাইছিল। নমিতা আৰু মই তেখেতৰ ঘৰলৈ বুলি ৰাওনা হ'লোঁ। আচলতে এই পৰ্যন্ত কোনোৱে নজনা সত্য এটা এই লিখনিতহে স্বীকাৰ কৰিছোঁ যে—আমি দুজনী মেহেৰুন্নিছা বাইদেউৰ ঘৰলৈ যোৱাই নাছিলোঁ। তালৈ নগৈ আধা ৰাস্তাৰ পৰাই বাটৰ ধূলি-বালি অলপ বুটলি লৈ উভটি আহিছিলোঁ। আহি গহীন-গম্ভীৰ ভাবে ক'লোঁ যে এই বালিখিনি হোষ্টেলৰ চাৰিওফালে চটিয়াই দিলেই সকলো বেয়া বস্তু আঁতৰি যাব হেনো। কথা মতে কাম। হোষ্টেলৰ চাৰিওকাষে বালি মানে 'অদৃষ্টৰ আশীষ' বৰ্ষণ কৰা হ'ল। আকৌ নিশা নামিল। কিন্তু ৰূমবোৰৰ খিড়িকি আদিৰ অবাঞ্চিত কঁপনি, ধপ্‌ধপনি আদিৰ পুনৰাবৃত্তি নহ'ল। সকলোৱে স্বস্তিৰ নিশ্বাস পেলালে। নমিতা আৰু মোৰ বাবে কিন্তু 'বাটৰ ধূলি-বালিৰ শক্তি'ৰ মহিমা আজিও ৰহস্য হৈয়েই ৰ'ল। যেন 'বিশ্বাসে মিলয় হৰি, তৰ্কে বহু দূৰ'।

সম্পূৰ্ণ তিনিটা বছৰৰ বহুৰঙী কথাবোৰ বগা কাগজত ক'লা আখৰেৰে লিখি জানো শেষ কৰিব পাৰি? কলমৰ আগটো ভাগি-ছিগি যোৱাৰ আগতেই, কাপোৰ-কানি ক'লা পৰিবলৈ নিদি মধুৰ অতীতৰ পৰা বৰ্তমানলৈ উলটি আহিলোঁ দেই, পাঠক সকল!!!○

# সোঁৰৰণিৰ কুঁৱলী ফালি

✍ দিব্যলতা বৰুৱা আহমেদ

হাতত কাপ তুলি ভাবিছো কি লিখিম? মনলৈ ভাহি আহে সেই ২৭ বছৰৰ আগৰ স্মৃতিৰ প্ৰতিবিম্ব আজিও যেন সকলো সজীৱ হৈ আছে। কিমান যে মধুৰ স্মৃতি। ১৯৯০ চনৰ আগষ্ট মাহত ডিব্ৰুগড় সুৰজমল কানৈ মহাবিদ্যালয়ৰ ছাত্ৰীনিৱাসত স্নাতক প্ৰথম বৰ্ষৰ আৱাসী হিচাপে আৱাসী হৈ পৰে। প্ৰথম দিনা যে ইমান ভয় শংকাৰে পাৰ কৰিছিলো। জ্যেষ্ঠ বাইদেউসকলৰ চাৱনিত পেটতে হাত-ভৰি লুকাইছিল। সন্ধ্যাৰ প্ৰাৰ্থনাৰ সময়ত নতুন আৱাসীয়ে নৱাগত আদৰণী অনুষ্ঠান নোহোৱালৈকে মেখেলা-চাদৰ পিন্ধিব লাগে। প্ৰাৰ্থনাৰ অন্তত সকলোৰে দিব লাগে অদ্ভুত একোটা চেলুট। সোঁভৰি দাঙি তাৰ তলেৰে হাতখন নি কপালৰ ওচৰলৈ নি চেলুট। নৱাগত আদৰণী অনুষ্ঠান নোহোৱালৈকে সকলো আৱাসীয়ে মেখেলা-চাদৰ পৰিধান কৰাতো বাধ্যতামূলক আছিল। নৱাগত আদৰণী অনুষ্ঠান হৈ যোৱাৰ পিছত নতুন-পুৰণিৰ ব্যৱধান নোহোৱা হৈ যায়, সকলো যেন একেটা পৰিয়ালৰ বাই-ভনী। মই আৱাসত থকাৰ সময়ত কল্পনা সেনগুপ্তা বৰুৱা বাইদেউ অধীক্ষকৰ দায়িত্বত আছিল। বাইদেউ আছিল আকাশবাণীৰ নিয়মীয়া গায়িকা।

ছাত্ৰীনিৱাসত থাকোতে মোৰ স্থানীয় অভিভাৱক আছিল ড° জ্যোতিৰেখা হাজৰিকা বাইদেউ। প্ৰথম অৱস্থাত বাইদেউ হোষ্টেলতে আছিল যদিও পিছত ভাড়াঘৰলৈ গুছি গৈছিল। ছাত্ৰীনিৱাসত ৰুমমেট হিচাপে প্ৰথম লগ পাইছিলো ৰুবী বৰুৱা আৰু শুভলক্ষ্মী বাক। তাৰ পিছৰ তিনিটা বছৰত বেলেগ বেলেগ ৰুমমেট পাইছিলো—তৃষ্ণা, মিতালী, আইমানুবা, মৌচুমীবা, গীতালি, ৰেখাবা নিবিড়িবা, কনিষ্ঠা মঞ্জুমান, গুণ, কবিতা মিনাজ্যোতি। হেষ্টেলত অৰ্চনা, মমী, শোভা, বিনীতা, জুৰি, গৌৰী, দিপ্তীবা, গায়ত্ৰী বা, আৰধনাবা, ৰুবী বা, নমিতা বা আৰু বহুতকে একেবাৰে ওচৰৰ পৰা লগ পাইছিলো। কানৈ ছাত্ৰীনিৱাসত থাকোতেই এবাৰ মই অসুস্থ হৈ পৰাত মৌচুমী বা, আইমানু বা আৰু জ্যোতিৰেখা বাইদেউৱে যিখিনি কৰিছিল সেইখিনি মই কেতিয়াও পাহৰিব নোৱাৰো।

ছাত্ৰীনিৱাসত থকা দিনবোৰ কি যে ভাল লগা আছিল ভাবিলে আচৰিত লাগে। ভূগোল বিভাগৰ নাৰেন্দ্ৰ মহেলা ছাৰকো আমি অধীক্ষক হিচাপে পাইছিলো। গধূলি যেতিয়া ছাৰে ৰুম ভিজিট দিয়ে আমি আড্ডা ভাঙি বিছনাৰ তলত লুকাওঁ। সেই সময়ছোৱাত আমি ছাত্ৰীনিৱাসৰ চকীদাৰ হিচাপে পাইছিলো পৰমেশ্বৰ আৰু কানুদাক, ৰান্ধনি আছিল চন্দেশ্বৰ, বাসুদা আৰু জুলাইদা।

ছাত্ৰীনিৱাসত থাকোতে তিতা-মিঠা-টেঙা সকলোখিনি অভিজ্ঞতাই আহৰণ কৰা যায়। এক কথাত ক'বলৈ গ'লে যিসকলে হোষ্টেলৰ এই সোৱাদ পোৱা নাই, সেই সকলৰ জীৱন যেন আধৰুৱা হৈ ৰয়। হোষ্টেলৰ জীৱনে ভৱিষ্যতৰ জীৱনৰ বহু সৰু-সুৰা সমস্যা পাৰ হৈ যোৱাত সাহস যোগায়। সকলো পৰিস্থিতিতে নিজকে খাপ-খোৱাই লৈ যাব পাৰে। কানৈৰ ছাত্ৰীনিৱাস বুলি কোৱাৰ লগে লগে সেই কলেজীয়া দিনৰ ছোৱালী যেন হৈ পৰো। পাহৰি যাওঁ এতিয়া যে আমি একোগৰাকী মাতৃ, গৃহিণী। স্মৃতি ৰোমন্থনত সঁচায়ে এক মাদকতা আছে। যেতিয়া ফেচবুকত বাণী বৰা আৰু ডলিৰ পৰা গম পালো কানৈৰ ছাত্ৰীনিৱাসৰ হীৰক জয়ন্তীত যাম বুলি এক প্ৰকাৰৰ ঠিৰাং কৰি থাকোতেই মোৰ বান্ধৱী অঞ্জুমণি ফুকনে (বৰ্তমান কানৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপিকা)। স্মৃতিগ্ৰন্থৰ বাবে ফোন কৰি লিখনী এটা দিবলৈ ক'লে কি লিখিম, কি নিলিখিম ভাবি এগৰাকী কানৈয়ান ছাত্ৰীনিৱাসী হিচাপে এইখিনিকে প্ৰেৰণ কৰিলোঁ।

শেষত ছাত্ৰীনিৱাসত লগ পোৱা জ্যেষ্ঠা কনিষ্ঠা সকলোকো মোৰ শ্ৰদ্ধা আৰু মৰম জ্ঞাপন কৰিলোঁ। কল্পনা সেনগুপ্তা বাইদেউ, নাৰেন্দ্ৰ মহেলা ছাৰ আৰু জ্যোতিৰেখা হাজৰিকা (কলিতা) বাইদেউলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।○

# কানৈৰ ছাত্ৰীনিৰাস ঃ এটি অনুভৱ

✍ এনিশা বুঢ়াগোহাঁই

কানৈৰ ছাত্ৰীনিৰাস বুলি ক'লেই এটি মিঠা অনুভৱৰ মাজত ডুব যাওঁ। ২০১৩ চনৰ কোনোবা এটা দিনত ছাত্ৰীনিৰাসত প্ৰৱেশ কৰিছিলোঁ। ওপজা ঘৰখনৰ পৰা আঁতৰি আহি আন এখন ঘৰত যেন প্ৰৱেশ কৰিছিলোঁ। মৰম-স্নেহ, শাসন, ভালপোৱাৰে ভৰি থকা এখন ঘৰ। নব্বৈ গৰাকী ছাত্ৰীৰে তিনিটা বছৰ একেলগে কটাইছিলোঁ। ছাত্ৰীনিৰাসত মোৰ সুখ, দুখ, মান-অভিমান মোৰ হৈ থকা নাছিল, আমাৰ হৈ পৰিছিল। তিনিটা বছৰ মোৰ বাবে যেন তিনিটা দিনহে আছিল।

উজনি অসমৰ এই ঐতিহ্যমণ্ডিত ছাত্ৰীনিৰাসটিৰ এগৰাকী সদস্য হ'বলৈ পাই মই নিজকে ধন্য মানিছিলোঁ। আজি পুনৰ ধন্য মানিছোঁ ছাত্ৰীনিৰাসটিৰ হীৰক জয়ন্তী উদ্‌যাপনৰ উপলক্ষে প্ৰকাশ কৰিবলগীয়া স্মৰণিকাখনিত মোৰ অনুভৱবোৰ উদঙাই দেখুৱাৰ বাবে সুবিধা পোৱাত।

অধ্যয়ন উপযোগী এটা পৰিৱেশ গঢ়ি তোলাত কানৈৰ ছাত্ৰীনিৰাসটিৰ ভূমিকা অনস্বীকাৰ্য। এই ছাত্ৰীনিৰাসটিৰ কেইটামান ইতিবাচক দিশ মই লক্ষ্য কৰিছিলোঁ। ৰেগিং নামৰ ব্যাধিৰ পৰা এই নিৰাসটি সম্পূৰ্ণ মুক্ত। তদুপৰি এই ছাত্ৰীনিৰাসৰ নিয়ম-শৃঙ্খলা সকলো ক্ষেত্ৰতে অটুট থকা দেখা যায়। প্ৰতিগৰাকী আৱাসীৰ মাজত যি আন্তৰিক স্নেহৰ বান্ধোন, সেই বান্ধোনে আমাৰ দুখ হতাশাবোৰ আঁতৰাই দিছিল। এই ছাত্ৰীনিৰাসৰ পৰাই মই প্ৰথমবাৰৰ বাবে ছাত্ৰী হিচাপে ২০১৪-১৫ বৰ্ষত সাধাৰণ সম্পাদিকা পদত প্ৰতিদ্বন্দ্বিতা কৰিছিলোঁ। ছাত্ৰ একতা সভাৰ নিৰ্বাচনত মই জয়ী হৈছিলোঁ। এই ক্ষেত্ৰত মোক নিৱসাটিৰ সকলো সদস্যাই যি সহায় কৰিলে সেইকথা ভাবি আজিও দুচকু ভৰি উঠে। কি নিঃস্বাৰ্থ; সেই ভালপোৱা, মৰম, এটি সপোন যেন দিঠকত পৰিণত কৰিলে ছাত্ৰীনিৰাসটিয়ে। ছাত্ৰীনিৰাসলৈ অহাৰ দিনৰে পৰা আমি কিছুমান সৰু-সুৰা অসুবিধা ভুগ কৰিছিলোঁ। বিশেষকৈ ছাত্ৰীনিৰাসলৈ অহা ৰাস্তাটো বৰষুণৰ দিনত বোকাময় আৰু পিছল হয়। তদুপৰি সঘনে ঘাঁহ-বন গজি উঠে। গতিকে এই অসুবিধাৰ বিষয়ে আমি সকলো ছাত্ৰীয়ে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক লিখিতভাৱে অনুৰোধ জনাইছিলোঁ। কিন্তু অফিচৰ কিছু নীতি-নিয়মৰ বাবে সমস্যাটোৰ সমাধান খুওব ধীৰ গতিত আগবাঢ়িছিল। তদুপৰি মই সম্পাদিকা হৈ থকা সময়ছোৱাত তিনিগৰাকী অধ্যক্ষ সলনি হৈছিল। গতিকে একেটা সমস্যাকে বাৰে বাৰে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ ওচৰত দাঙি ধৰিবলগীয়া হৈছিল। কিন্তু শেষত সেই সময়ৰ নতুন অধ্যক্ষ সন্মানীয় ড° শশীকান্ত শইকীয়া ছাৰৰ উদ্যমী মনোভাবৰ বাবে সমস্যাটো সমাধান হ'ল আৰু আমিও বহুখিনি সকাহ পালোঁ।

মহাবিদ্যালয়ত উদ্‌যাপন কৰা সৰস্বতী পূজা, গণতন্ত্ৰ দিৱস, স্বাধীনতা দিৱস, মহাবিদ্যালয় সপ্তাহ, আদৰণি অনুষ্ঠান আদিত আমি ছাত্ৰীনিৰাসৰ সদস্যাসকলে উঠি-পৰি কাম কৰিছিলোঁ। ছাত্ৰ একতা সভাৰ নিৰ্বাচনতো আমি দেহে-কেহে খাটিছিলোঁ। অধ্যয়নৰ মাজতে আমি প্ৰতিটো অনুষ্ঠানতে দেহে-কেহে খাটি আনন্দ উপভোগ কৰিছিলোঁ। মই ছাত্ৰীনিৰাসত থকাৰ সময়ছোৱাতে আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱ আমাৰ কলেজত অনুষ্ঠিত হৈছিল। যুৱ মহোৎসৱৰ সেই আনন্দময় আৰু শৃংখলাবদ্ধ পৰিৱেশ মই আজিও পাহৰিব পৰা নাই।

ছাত্ৰীনিৰাসত বিভিন্ন ঠাইৰ পৰা অহা ছাত্ৰীসকলে সকলো ভেদাভেদ পাহৰি কিদৰে যে একলগে আছিলোঁ ভাবিলে আজিও আচৰিত লাগে। ইজনীয়ে সিজনীৰ কাঁহিৰ ভাতো ভগাই খাইছিলোঁ। মাজনিশা কাৰোবাৰ বেমাৰ হ'লে আমি ডাক্তৰৰ ওচৰলৈ ৰোগীক লৈ গৈছিলোঁ, নিজৰ ভোক-পিয়াহ সকলো পাহৰি গৈছিলোঁ। মই এতিয়াও অভিভূত হৈ পৰো সেই দিনটোৰ কথা ভাবি যিদিনা মই 'মিছ কানৈ' সন্মান পাইছিলোঁ সেইদিনা মোৰ ছাত্ৰীনিৰাসৰ বাইদেউ, বান্ধৱী আৰু ভণ্টিকেইজনীৰ আনন্দ উল্লাসৰ কথা ভাবি। অধীক্ষিকা শ্ৰদ্ধাৰ হীৰামণি লালুং বাইদেউৰ উৎসাহ আৰু আনন্দ দেখি মোৰ দুচকু ভৰি পৰিছিল। সেই সোণালী দিনবোৰলৈ আজি উভতি যাবলৈ মন যায়।

শেষত মই কানৈৰ ছাত্ৰীনিৰাসৰ হীৰক জয়ন্তী উদ্‌যাপন সমিতিক আন্তৰিক ধন্যবাদ জনাইছোঁ পুনৰ আমাৰ সোণালী সময়খিনি এদিনৰ বাবে স্পৰ্শ কৰিবলৈ সুযোগ দিয়াৰ বাবে, সকলোকে লগ পাবলৈ সুবিধা এটি দিয়াৰ বাবে। কানৈ মহাবিদ্যালয়ৰ আৰু ছাত্ৰীনিৰাসৰ উন্নতিৰ আন্তৰিক কামনাৰে সামৰিছোঁ।○

# দুষ্প্ৰাপ্য বনাম সহজলভ্য

✍ নমিতা কোঁৱৰ গগৈ

দুষ্প্ৰাপ্য নে সহজলভ্য!
আজিকালি সকলো বস্তুৱেই সহজলভ্য।
সহজলভ্য পণ্য, সহজলভ্য সুখ।
হাত মেলিলেই সকলো পায়।
দৰকাৰী আৰু আদৰকাৰী।
কিন্তু জীৱন আৰু জোনাকৰ বাবে
কোনো বস্তুৱেই অপৰিহাৰ্য নহয়।
এখন বিস্কুট আৰু এগিলাচ পানীৰেও
পেটটো ভৰে।
ব্ৰেকফাষ্ট, লাঞ্চ আৰু ডিনাৰ
টাইম পাছৰ বিলাসী ব্যস্ততা মাথো
ডেকৰিটেভ পুডিং।
বিলাস যেতিয়া অভ্যাস হয়,
প্ৰয়োজনে কোঙা কৰে মন।
লাহে লাহে
সহজলভ্য পণ্য হৈ পৰে দুষ্প্ৰাপ্য।

এখন বিস্কুট আৰু এগিলাচ পানীৰেও পেটটো ভৰে।○



# সংশয়

✍ ইলা গগৈ চুতীয়া

বিশ্বাসৰ বৰ ভেটি
খহে যদি চপৰা চপৰে
লুইতৰ গৰাৰ দৰে,
থাকিবনে আশাবোৰ
সেউজীয়া সপোন এটা লৈ?

সম্পৰ্কৰ এনাজৰী
ছিগে যদি টুকুৰা টুকুৰ হৈ
পাৰিবনে হৃদয়খন
ৰাঙলী নহৈ?
বুকুত নেথাকে যদি
প্ৰেমৰ উত্তাপ
দুবাহুৰ আলিংগনে
পাৰিবনে দিব
নিৰাপত্তাৰ গভীৰ আশ্বাস।
নৈতিকতা যদি হয়
ভৰিৰ ধূলি
মানৱীয়তা যদি তেজেৰে তুমৰলি
থকিবনে মানুহ 'মানুহ' হৈ?○

# MY UNFATHOMABLE SLUMBER

✍ **Patanjali Banerjee**

Standing at the edge of an arid mountain,
Gaping at the world with an awe
Wondering at the virtually treeless sights...,
Watching at the birds mourning, and hearing their cries.

I can "see" the leaves turning pale
The trees drooping down,
People promise to the nature to return its priceless beauty
But...shame...all in vain.
Slept I yester night...
Undergone a deep slumber...
I dreamt of a wailing nereid...
Crying of the nature its devoid
Wondering how shall I describe
Every drop of its priceless tears...,

It prayed to me...
To purify its abode...
It cried, its home was shattered,
dreams were scattered...
My sleep is a bridge into the world of theirs,
They who lost everything and cries go unheard.
It came on behalf of all, to plead the mortals...
Not to destroy their existence...
Not to kill their eminence
I wake up.
found myself at the edge of an arid mountain.
where i am standing, staring at the harms done by my world mates...
seeing at the devastating destruction made cloudy upon the holyland.

Parting a sob in the name of all my dears...
Wondering how shall I describe.
Every drop of its priceless tears.○

# সোঁৱৰণিৰ সৰাপাত

✍ মঞ্জু মণি চুতীয়া ৰাজ্‌লুং

মই সেই ঠাইলৈ যাব খোজো
য'ত থিয় হৈ
গঢ়িব পাৰো অন্য এখন আকাশ।

এৰি অহা দিনৰ প্ৰতিটো গধূলি
বুকুত নীৰৱে শুই থাকে
নিতৌ কথা পাতো
সেই দিন সেই ৰাতিৰ আমেজ বিচাৰি
গুচি যাওঁ অতীতলৈ।



মন গ'লেই চুই চাওঁ
সেই দিনৰ অস্থিৰ আকুলতা
আউল লগা ভালপোৱাৰ পদূলিত
খুচৰি ফুৰো চৌত্ৰিছটা বছৰৰ নেওঁতা।



নিজৰ মতেই সকলো হয়
তেতিয়া,
দিন ৰাতি ৰ'দ বৰষুণ সকলো যেন
আঙুলিৰ নিৰ্দেশত আহে যায়
তেতিয়াৰ সকলো কথা নিজৰ মতেই হয়।



এতিয়া সকলো সলনি হ'ল।
এৰি অহা মোৰ কলেজীয়া সোঁৱৰণ
বন্দী হ'ল
সোঁৱৰণিৰ পৃষ্ঠাত।



তুমি তোমাৰ বাটেৰে উভতি গ'লা
টুকুৰা টুকুৰ সেই আবেলিবোৰ
জোৰা দি
আঁকিব খুজিছো মাথো সোঁৱৰণিৰ ক'লাজ।○

# CRYING FOR WHAT??

✍ Patanjali Banerjee

Here the how lings down the lane
Feel the tragic innocent pain
Kelled was a child past a bullet.
Her mother wailed, but all in vain.
The bloodshed made in open field
People are killed under open sky
Fear not the one who encourages it,
Surely, they don't have sympathy...not even a bit.
Don't know what the world wants
People hate the killers...,
...those who kill others with mercy nill...,
People curse the lovers,
Who hold hands together...
Parting words which heal.
Tell you I,
You will have a thousand people
To hit you hard, to tear you apart
But scarcely a precious one...
to love you with all his heart
Feel do I loud words from all...

We sing hymns asking god's boon to spread love and dis-
solve uncouth words...

Still when we are in love...,
World refuse the acceptance of hearts
I wanna lay bare
Ask the people all
What is that you want?
Oh! tell me mortals
What lures you?

And what merciless thoughts are you carrying through??○

চুটিগল্প

# পুনৰ্জন্ম

✍ পলী চমুৱা শইকীয়া

আঘোণৰ সোণগুটি ধানেৰে ভৰা পথাৰখন উদং হৈ পৰাত তৰালীৰ মনটো কিবা উৰুঙা উৰুঙা লাগিছিল হ'লেও হালধীয়া সৰিয়হ ফুলা সোণালী পথাৰ কেইখনৰ সুগন্ধই মনটো তাইৰ উন্মনা কৰি তুলিছিল। শুকান পথাৰখনৰ উদং নৰাখিনিলৈ চাই তাই যেন অলপ সময় অতীতলৈ উৰা মাৰিছিল। শেৱালি, জুপিহঁতৰ লগত ৰবাব টেঙা, কমলা টেঙা খোৱা দিনবোৰ তাইৰ স্মৃতিৰ পৰ্দাত এটা এটাকৈ সজীৱ হৈ পৰিল। কাষৰ সৰু পুখুৰীটোত তাইৰ ভৰি দুটা তিয়াবলৈ মন গৈছিল...। কিন্তু তাইৰ দুই ভৰিত যে আভিজ্যাতৰ শিকলি। মন গ'লে তাই এতিয়া কিছুমান কাম কৰিব নোৱাৰে। কঁপালত ডগমগাই থকা সেন্দূৰৰ ফোঁটটোৱে, শৰীৰ ঢাক খাই থকা সোণৰ গহণাখিনিয়ে তাইক যেন লক্ষ্মণ ৰেখাহে টানি থৈছে যে তাৰ বাহিৰ হ'লেই সকলো ওলট-পালট হৈ যাব। চাৰিওফালৰ গাঁৱৰ সেউজীয়া পৰিৱেশে তাইক আপ্লুত কৰি তুলিছিল। নগৰৰ ওখ ওখ পকী ঘৰ বিলাকৰ ফাঁকেদি এখনি নীলা আকাশ দেখা তাইৰ বাবে বৰ দুষ্প্ৰাপ্য। বহল, মুকলি আকাশখন চালে মানুহৰ মন বিলাক বহল হয় বোলে। কাৰণ নিঃস্বাৰ্থতাৰ প্ৰতীক হৈছে এই বহল নীলা আকাশখন।

চহৰলৈ বিয়া হোৱা তৰালী আজি গাঁৱৰ মাকৰ ঘৰলৈ আহিছে। মাকৰ হাতৰ সুস্বাদু আহাৰ মিঠা মাত, মৰমৰ আব্দাৰ বিলাক পাহৰি তাই এজনী নতুন পোছাক পিন্ধা ছোৱালী (বোৱাৰী) হৈ পৰিল। হেঁপাহৰ সুগন্ধ চাৰিওফালে যেন বিয়পি পৰিল। আহ্ আৰু কিমান দেৰী লাগিব...। ঘৰখন পাবলৈ...।

পঢ়া-শুনাত তৰালী ভাল আছিল। সাধাৰণ কেৰেণী চাকৰি কৰা দেউতাকে তিনিজনী ছোৱালীক যিমান দূৰ সম্ভৱ পঢ়া-শুনা কৰিবলৈ সুবিধা কৰি দিছিল। কিন্তু ইঞ্জিনিয়াৰ অমিতাভৰ এদিন চকুত পৰিল তৰালীক। দেউতাকে ভাল দৰা পাই কলেজীয়া শিক্ষা আধাতে এৰাই বিয়া দিবলৈ সন্মত হ'ল। সপোনতো তাই ভবা নাছিল ইমান সোনকালে তাইৰ বিয়াখন হ'ব বুলি। কিন্তু দেউতাকে কাৰো কথা নুশুনিলে। টাউনৰ দৰা, ভাল চাকৰি, জীয়েক সুখী হোৱাৰ সপোন দেখিলে দেউতাক-মাকে। মাকৰ ভাল লাগিলেও বেদনাত ওন্দোলাই থকা জীয়েকৰ মুখখনে তেওঁৰ বুকুৰ কোনোবাখিনিত বিষ অনুভৱ কৰাইছিল। মাজৰাতি জীয়েকৰ উচুপনি বিলাকে তেওঁৰ চকুৰ টোপনি নোহোৱা কৰিছিল। বিয়া হৈ গ'ল। অতি ধুমধামেৰে নহ'লেও টকাই জীৱনৰ সকলো বুলি ভবা দেউতাকে সকলোকে সন্তুষ্ট কৰিবলৈ চেষ্টা কৰিছিল। ছোৱালীৰ লগত যথেষ্ট বস্তু দিছিল যাতে চহৰৰ নতুন ঘৰখনত তৰালীৰ কষ্ট নহয়। অৱশেষত সকলো কঁপালৰ লিখন বুলি ভাবি তৰালীয়ে সহজভাৱে মানি ল'লে। লাহে লাহে তাইও সপোন দেখিলে হাজাৰ জনী বিয়া হোৱা গাভৰুৰ দৰে...ৰং-চঙীয়া কাৰেং সজাৰ। তাইৰ সুপ্ত অনুভূতি বিলাক জাগ্ৰত হৈ হালধীয়া সৰিয়হ ডৰাৰ দৰে গোন্ধাইছিল। পূৰ্ণিমাৰ জোনাকত গা ধুইছিল...তৰালীৰ আবেগবোৰে! আ...হ কি যে মিঠা অনুভূতি...মিঠা আমেজ...।

কিন্তু হঠাৎ এইয়া কি? তাইৰ বাৰু ক'ত দুখ হ'ল? সপোনৰ হালধীয়া আবেগত আমেজ লওঁতে ক'ত জানো হেৰাল মিঠা, জীয়া সপোন বিলাক...। থান-বান হৈ গ'ল তাইৰ সেই ঠুনুকা সপোন বিলাক। অমিতাভৰ ঘৰৰ সকলোৱে তাই যৌতুকত অনা বস্তু বিলাকৰ হিচাপ উলিয়াবলৈ লাগিল। তেওঁলোকৰ মতে যৌতুকত অনা বস্তু কেইপদ কম হৈছে। নিমিষতে তৰালী হৈ পৰিল অৰ্থহীন। তাই নিজকে প্ৰাণ নোহোৱা বস্তু কেইটাৰ লগত তুলনা কৰিলে। কিন্তু তুলনাৰ কোনোবা এটা দূৰত্বত তাই ৰৈ গ'ল। ...মাগুৰ বৰণীয়া দুখত ওলমি ৰ'ল তাইৰ কঁপালৰ সেন্দূৰৰ ফোঁটটো...। বতাহৰ উচুপনিত থমকি ৰ'ল হিয়াৰ উখল-মাখল খিনি...।

মানুহজনৰ ঘৰখনৰ অপমান, দুখ-কষ্ট সহ্য কৰি আজি তাই ঘৰলৈ আহিছে—চাৰিমাহ মানৰ পাছত। শৰীৰৰ ক'ৰবাত

ক'লা দাগ, গিৰীয়েকে ৰাতি কৰা অত্যাচাৰৰ চিন। মৰম লগা চকু দুটাত ক'লা আৱৰণ—নিদ্ৰাহীন নিশাৰ। হৃদয়ৰ ভিতৰত যে কিমান দুখৰ ছবি। তাই যেন কলিজাৰ ডগমগীয়া ঘাঁখিনি শিলৰ পোছাকেৰে ঢাকি ৰাখিছে। ঘৰখনৰ কোনেও যাতে এই বিলাক কথা গম নাপায়। তাই বৰ সাৱধানে আছে। আহিবৰ সময়ত অমিতাভে হুকুম দিছিল ঘূৰি আহোঁতে যাতে দাবী কৰা টকাৰ চেক্ তাইৰ হাতত আহে। তাই মনে মনে শুনি থাকিল।

নিজৰ ঘৰখনত সোমাই তাই বৰ মুকলিকৈ উশাহ ল'লে। সোণৰ সঁজা এটাৰ পৰাহে যেন তাই ওলাই আহিছে। মাকে মৰমতে কঁপালতে চুমা এটা খালে। দেউতাকক ক'বই নালাগে। তাই কি খাই ভাল পাই জোগাৰ কৰাত লাগিল। মাজে মাজে তাই বৰ আনমনা হৈ পৰে। মাকৰ চকুত হয়তো ধৰা পৰে, কিন্তু তাই সকলো কথা মিছা মাতে। কিমান মৰম কৰে তাইৰ গিৰীয়েক অমিতাভে, শহুৰ-শাহুৰৰ মৰমৰ ছায়াই কেনেকৈ আৱৰি ৰাখে! কৃত্ৰিম হাঁহিৰে তাই সকলো কথা ঢাকি ৰাখিলে।

ৰাতি মাকে তাইৰ আগত জ্যোতিময়ৰ কথা উলিয়ালে। একে লগে স্কুলত পঢ়া জ্যোতিময় এতিয়া উগ্ৰপন্থীৰ লগলাগি ঘৰ এৰি থৈ গুছি গ'ল। তাৰ মাক-দেউতাকক দেখিলে বৰ দুখ লাগে। চকুৰ পানীৰে বাট নেদেখা হৈছে।

তৰালীৰ মন আগৰ দিন বিলাকলৈ উৰি গ'ল। কিমান যে ভাল আছিল সি! শৈশৱ কৈশোৰৰ সময়খিনি তাৰ লগত পাৰ হৈ গ'ল। তৰালি গাভৰু হোৱাৰ পাছত সিহঁতৰ কথোপকথন বিলাক অলপ বেলেগ হ'ল। সকলোতে যেন লাজৰ উকমুকনি। তাৰ মুখখন চাই তৰালীৰ হেঁপাহ নপলায়। পঢ়া-শুনাত সি যথেষ্ট চোকা আছিল। নোৱাৰাবিলাক তাৰ পৰাই জানি লয়। লাহে লাহে সিহঁতৰ মৰমে সেউজীয়া ৰূপ ল'ব খোজোতে এদিন হঠাৎ সি নোহোৱা হ'ল। অপলক নয়নেৰে তাই মাথো তাৰ ফটোখন চাই ৰ'ল যেন তাক শেষবাৰৰ বাবে সাৱটি ধৰিব। চাৰিওফালে যেন বিশাল শূন্যতা...তৰালী কান্দি কান্দি ভাগৰি পৰিল। তীব্ৰ বেগে অহা খবৰটোৱে তাইক বুকুৰে পিঠিয়ে শালি পেলালে যে সি উগ্ৰপন্থীৰ লগ লাগি ঘৰৰ পৰা আঁতৰি গৈছে...।

বকুল ফুলা দেহাৰে নিঃশব্দে পাৰ হৈ যায় শত বিনিদ্ৰ ৰজনী। অতীতৰ কমলাবুলীয়া আবেলি বোৰত ৰঙা-নীলা পখিলা হৈ উৰি ফুৰা তাইৰ সপোনবোৰ এতিয়া স্মৃতিৰ পাতত। মৰা নৈখনৰ শামুকৰ খোলাত এতিয়াও তাই বিচাৰি ফুৰে... জ্যোতিময়ক।

হঠাৎ এইয়া কি? তাই নিজৰ চকুকে বিশ্বাস হোৱা নাই। ছাঁ পোহৰৰ চকামকাত এইয়া জ্যোতিময়। দাড়িয়ে চুলিয়ে ভোবোকাৰ। "জ্যোতিময়" বুলি তৰালী অবাক হৈ ৰ'ল। 'তৰা' মই জ্যোতিময়। মই বৰ ডাঙৰ অপৰাধ কৰি আহিছো। মই অমিতাভক হত্যা কৰিছো। মই হত্যাকাৰী তৰা। অলপ সময়ৰ বাবে যেন তৰালীৰ হৃৎস্পন্দন ৰৈ গৈছিল। মই তোমাৰ কষ্ট সহ্য কৰিব নোৱাৰিলো। কিন্তু মই চিৰদিনৰ বাবে বন্দুক এৰি এটা ভাল মানুহ হ'ব বিচাৰিছো। মোক তুমি তোমাৰ হৃদয়ত ঠাই দিবানে??? ইমান এটা অত্যাচাৰিত জীৱনতো তাৰ মুখত সুন্দৰ হৈ জিলিকি উঠিছে। কি সুন্দৰ সি! তাৰ চকু দুটা সজল হৈ উঠিছিল। চকু দুটিত মিনতি ফুটি ওলাইছে—মোক ক্ষমা কৰি দিয়া তৰা! মাকে দূৰৈৰ পৰা কোৱা শুনিলে—"বিয়া হৈ জীৱনৰ যি কেইটা দিন অমিয়া বিচাৰি পাইছিলি তাৰ প্ৰত্যেকটো দিনে তোৰ বাবে ভুৱা আছিল। জ্যোতিময়ক তই আপোন কৰি ল', মাজনী। নিঃস্বাৰ্থ মৰম ভাল পোৱাইহে জীৱন...। টকাই সকলো নহয়।○

# সোঁৰণিৰ পৃষ্ঠাবোৰ আকৌ এবাৰ লুটিয়াই

✍ প্ৰিয়াক্ষী শইকীয়া

সোঁৰণিৰ পৃষ্ঠাবোৰ আজি আকৌ মেলি দিলোঁ, ঘূৰি চালোঁ (২০১০-২০১২) বৰ্ষৰ ইতিহাসৰ সেই সোণালী দিনবোৰলৈ।

সৰুতে "মা"ৰ মুখত হোষ্টেলীয়া জীৱনৰ কথাবোৰ শুনি শুনি সপোন দেখিছিলোঁ 'হোষ্টেলীয়া জীৱন' এটাৰ। ২০১০ বৰ্ষত হায়াৰ চেকেণ্ডৰী পাছ কৰাৰ পিছত সপোনক দিঠক ৰূপ দিয়াৰ বাবে সহায়ৰ হাত আগবঢ়াইছিল মোৰ মামা বৰ্তমান কানৈ মহাবিদ্যালয়ৰ গণিত বিভাগৰ প্ৰবক্তা শ্ৰীযুত দিলীপ কুমাৰ বৰবৰায়ে। মামাৰ সহায়ে মোৰ মা-দেউতাৰ ইচ্ছায়ে মোৰ সপোনৰ সেই ঘৰখনত ভৰি দিয়াৰ বাবে সুযোগ লাভ কৰিছিলোঁ।

**সেই বিশেষ দিনটো ঃ** ২০১০ চনৰ জুন মাহৰ শেষৰফালে মই খোজ পেলাইছিলো, এক দীঘলীয়া পদূলি পাৰ হৈ মহাবিদ্যালয়ৰ ছাত্ৰীনিৱাসটোত। মোৰ শ্ৰদ্ধাৰ মামী সেই হোষ্টেলৰ এসময়ৰ নিৱাসী—"বাণী বৰবৰা"য়ে প্ৰথম পৰিচয় কৰাই দিছিল হোষ্টেলৰ লগত।

সেই সময়ৰ চুপাৰ আছিল অদ্বিতী কোঁৱৰ বাইদেউ। বাইদেউক লগ ধৰি প্ৰয়োজনীয় সকলোবোৰ কাম-কাজ কৰি মোৰ থকা ৰূমৰ সম্পৰ্কে উমান পাইছিলোঁ। তলৰ মহলৰ ৪নং কোঠাত মোক থাকিবৰ বাবে দিয়া হৈছিল।

ভয়ে ভয়ে সোমাই গৈছিলোঁ সেই নিৰ্দিষ্ট ৰূমটোলৈ। নিৰ্দিষ্ট সময় শেষ হোৱাৰ পাছত মামী গুচি গৈছিল, মোক অকলশৰীয়া কৰি। মোৰ কি কৰো কি নকৰো লাগিছিল। আকৌ যেন গুচি যাম মামীৰ লগতে, কিন্তু; নিজৰ উদ্দেশ্যৰ কথা ভাবি থমকি ৰৈছিলোঁ সাহসেৰে। যিয়েই নহওক পাৰ কৰিম সময়বোৰ।

লাহে লাহে প্ৰৱেশ ঘটিছিল নতুন নতুন মুখৰ কাৰণ, সেইদিনা হোষ্টেলৰ নতুন অতিথি আছিলো মই, মোৰ লগবোৰ মোতকৈ আগতেই গৈছিল। নিৰ্দিষ্ট নীতি-নিয়মবোৰ মোক চিনিয়ৰ বাহতে শিকাই গৈছিল, চুলি বান্ধিব লাগিব, ডাঙৰকৈ কলা ফোঁট কপালত লগাব লাগিব, পিন মাৰি চেলোৱাৰ দোপাৰ্ত্তা লগাব লাগিব ইত্যাদিবোৰ। তাৰ ভিতৰত মোৰ এটা নিয়ম শুনি চকু কপালত উঠিছিল—মোৰ চুটি চুলি কেইডালক বান্ধি ৰাখিম কেনেকৈ? তথাপিতো সকলোৰে লগত নিয়ম মানি টানি-টুনি বান্ধি গৈছিলোঁ। অৱশ্যে দুদিন মানৰ পিছত ৰক্ষা পৰিছিলোঁ—মোৰ অৱস্থা দেখি চিনিয়ৰ 'বা' দুজনী মানে কৈছিল; হ'ব তুমি চুলি বান্ধি নাহিলেও হ'ব—আজি মনত পৰিলে হাঁহি উঠে।

লাহে লাহে জটিল যেন লগা নিয়মবোৰ সৰল হৈ পৰিছিল বাহঁতৰ মৰমে আমাক শিকাইছিল বহু গুৰুত্বপূৰ্ণ কথা—যাৰ বাবে হোষ্টেলৰ দ্বিতীয় বৰ্ষ আৰু তৃতীয় বৰ্ষত কিছুমান কামত দায়িত্বসহকাৰে মূৰ পাতি ল'বলৈ সক্ষম হৈছিলোঁ।

**বিশেষভাৱে উদ্‌যাপন ঃ** হোষ্টেলৰ আৱাসীসকলৰ দ্বাৰা উদ্‌যাপিত হৈছিল কিছুমান বিশেষ দিৱস। আনন্দ আৰু উল্লাসৰ মাজতেই ছাত্ৰীনিৱাসৰ সকলোবোৰ ছাত্ৰীয়ে অংশ গ্ৰহণ কৰিছিল।

বিশেষভাৱে উদ্‌যাপিত হৈছিল শিক্ষক দিৱস, সৰস্বতী পূজা, নৱাগত আদৰণি সভা, জন্মাষ্টমী, বিশ্বকৰ্মা পূজা, বিদায় সভা ইত্যাদিবোৰ।

**ভাল-বেয়া কিছু মধুৰ স্মৃতি ঃ** গতানুগতিক হোষ্টেলৰ নিয়মবোৰৰ মাজেদিয়েই পাৰ কৰিছিলোঁ জীৱনৰ তিনিটা গুৰুত্বপূৰ্ণ বৰ্ষ। মনৰ মাজত আৱদ্ধ কৰি ৰাখিছিলোঁ কিছুমান ভাল-বেয়া স্মৃতি। আজি আকৌ সেই স্মৃতিৰ টোপোলা খুলি সিঁচি দিলো কানৈ ছাত্ৰীনিৱাসৰ মজিয়াত।

ভাল লগা স্মৃতিৰ ভিতৰত, কাৰোবাৰ বাৰ্থ দে পাটি খাবলৈ ৰৈ থকা সেই বিশেষ দিনটো, নিৰ্দিষ্ট দিনটোৰ ১২ বজালৈ অধীৰ আগ্ৰহেৰে বাট চাই ৰওঁ—"বাৰ্থ দে Girl" জনীক পানী ঢালিবৰ বাবে। বৰষুণ দিলেতো কথাই নাই বৰষুণত তিয়াই wish কৰো Happy Birthday, দেৱালীৰ দিনা ফটকা ফুটোৱা, ফাকুৱাৰ দিনা হোষ্টেলৰ সকলো ছোৱালীকে চিনিব নোৱাৰাকৈ ৰঙা-নীলা কৰা, একেলগে ১৫ দিন হোষ্টেলৰ মেচৰ দায়িত্ব লৈ ডাঙৰ ডাঙৰ বেগ লৈ নালিয়াপুল বজাৰলৈ বজাৰ কৰিবলৈ যোৱা, একেলগে পইচা তুলি মাংস খোৱা, হোষ্টেলৰ খিৰীকী মুখেৰে জুমি জুমি চাই ছোৱালী জোকোৱা 'পুনেশ্বৰ দা'ৰ জাহাজী কল এঠোকা আমি দ্বিতীয় বৰ্ষত থাকোতে

দুজনীমান লগ খাই কাটি আনি ৰুমৰ ভিতৰত পকোৱা ইত্যাদিবোৰ কেতিয়াওঁ পাহৰিব নোৱাৰো। এইবোৰ আছিল ভাল লগা স্মৃতিৰ ভিতৰত অন্যতম কিছুমান স্মৃতি।

বেয়া লগা অৰ্থাৎ, দুখ লগা স্মৃতিৰ ভিতৰত আছিল হোষ্টেলৰ ৰুম Shifting সেই দিনটোত এনেকুৱা লাগিছিল— আমাৰ যেনিবা কিবা পৰীক্ষাৰ ৰিজাল্ট হে ওলাইছে। ৱাৰ্ডেন মেমে নামৰ List মৰাৰ পিছত সকলো ভিৰ কৰিছিল Notice Boardৰ সন্মুখত তাৰ পিছত কিমান যে মান, অভিমান, খংৰ লানি নিছিগা সোঁত বৈছিল। কাৰোবাৰ ৰুমমেট অপছন্দৰ, কাৰোবাৰ আকৌ ৰুমহে পছন্দ হোৱা নাই, কাৰোবাৰ আকৌ টেবুলখন খিৰিকী কাষত পোৱা নাই মুঠতে বিভিন্ন অজুহাত। শেষত যেনিবা বাইদেউৱে যেনেকৈয়ে নাম দিয়ে তেনেকৈয়ে থাকিবলৈ সকলো সাজু হৈছিল।

মই দ্বিতীয় বৰ্ষত থাকোতে, আমাৰ চুপাৰ হিচাপে থকা অদ্বিতী বাইদেউৱে হোষ্টেলৰ পৰা বিদায় লৈছিল আমাৰ সকলোৰে চকু সেমেকাই থৈ। মেমে আমাক সান্ত্বনা দিবলৈ কোৱা কথাষাৰি আজিও মনত সযতনে ৰাখিছো—

"সময়বোৰ এনেকুৱাই, সময়ৰ লগত খোজ মিলাই তোমালোকো আগবাঢ়িবলৈ শিকা।" সঁচাকৈয়ে, মেমে কোৱাৰ দৰে সময়ে আমাক শিকাই যায় বহু কিবা-কিবি।

**স্মৰণীয় মুহূৰ্ত্ত ঃ** হোষ্টেলৰ তিনিটা বৰ্ষত বহুতো স্মৰণীয় মুহূৰ্ত্তৰ সাক্ষী হৈ ৰৈছিলোঁ। তাৰ ভিতৰত এগৰাকী ব্যক্তিৰ দৰ্শনৰ সুযোগে শিকাইছিল বহু নজনা কিছুমান কথা।

সেই বিশেষ দিনটো আছিল ২০১১ চনৰ জুলাই মাহৰ ৩১ তাৰিখ। সেই বৰ্ষৰ আলোচনী সম্পাদক মোৰ ৰুমমেট "আংশুমালী বা"ৰ লগত এটা সাক্ষাৎ গ্ৰহণৰ বাবে গৈছিলোঁ— বিশিষ্ট নাট্যকাৰ সকলোৰে পৰিচিত "মুনীন শৰ্মা"দেৱৰ ঘৰলৈ।

তেখেতৰ ব্যক্তিত্বই সঁচাকৈয়ে মোহিত কৰিছিল। গুৰু গম্ভীৰভাৱে এটাৰ পিছত এটাকৈ দি যোৱা প্ৰতিটো উত্তৰত শিকিব লগীয়া বহু কথাই বিচাৰি পাইছিলোঁ। তেখেতৰ ঘৰখনত বিৰাজ কৰা শান্তি-নীৰৱতাই মনলৈ বোৱাই আনিছিলে এক শান্তিৰ নিজৰা। বিভিন্ন গ্ৰন্থৰে পৰিপূৰ্ণ হৈ আছিল শৰ্মাদেৱৰ বিশেষ সেই কোঠাটো।

বিদায়ৰ মুহূৰ্তত—২০১০ বৰ্ষৰ বিজয় সংঘৰ সোণালী জয়ন্তী উপলক্ষে প্ৰকাশিত স্মৃতিগ্ৰন্থ "প্ৰতীতি"খন উপহাৰ হিচাপে আমাক দিছিল।

**বিষন্নতা আৰু কিছু সান্ত্বনা ঃ** ভিন্নতা সৃষ্টি হয় নিজৰ মাজত আৰু সান্ত্বনা দিবলৈ আহি উপস্থিত হয় বহুজন। ভবা ধৰণে পৰীক্ষাত সফল নোহোৱাৰ বাবে কেতিয়াবা দুখ লাগিলে, গা-বেয়া হ'লে, যৌৱনৰ উন্মুক্ত গতিত অহা প্ৰেম কেতিয়াবা বিফল হ'লে, বিভিন্ন ধৰণৰ সমস্যা আহিলে বাহঁতৰ মৰম ভৰা বুজনি, লগৰবোৰৰ ভালপোৱা আৰু আশ্বাসে সান্ত্বনাৰ ৰূপ লৈ কাঢ়ি লৈ গৈছিল বিষন্নতাৰ চাদৰ।

কিন্তু যিমান সান্ত্বনা দিলেও বিষন্নতা গুচাব পৰা নাছিল 'চিনিয়ৰ বা'হঁতৰ বিদায় মুহূৰ্ত্তত। ইমান মৰম, ইমান সহানুভূতি, বুকুত ৰাখি আমাক দুহাতেৰে সাবটি ধৰি যেতিয়া তেওঁলোক ঘৰমুৱা হৈছিল কোনো ধৰণৰ সান্ত্বনাৰ বাণীয়ে শান্ত কৰিব পৰা নাছিল আমাক। উকা হোষ্টেলৰ মজিয়াত সেই দিনকেইটাত মাথো বৈছিল বিষন্নতাৰ সুৰ।

**কৃতজ্ঞতাৰে সোঁৱৰো ঃ** হোষ্টেলৰ চোতালত ভৰি থৈ নিজকে বিভিন্ন অভিজ্ঞতাৰে পুষ্ট হৈ জীৱন পথত সাহসিকতাৰে যিকোনো পৰিস্থিতিৰ সন্মুখীন হ'বলৈ সুযোগ দিয়া, মোৰ মামা-মামী, মা-দেউতা, হোষ্টেলৰ চুপাৰ মেম, অদ্বিতী কোঁৱৰ আৰু হীৰামণি মেম, অনন্ত ছাৰ-বাইদেউ, মেট্ৰন মেম বিন্দু, আভা বাইদেউ।

নিজৰ মা-দেউতাৰ মৰমেৰে প্ৰত্যেক জনী ছোৱালীৰে খোৱা-বোৱাৰ হিচাপ ৰখা পুনেশ্বৰদা, চন্দ্ৰেশ্বৰ দা, নিজৰ বাৰ দৰে মৰম কৰা অংকনা বা, অনীতা বা, মুনমী বা, মমতা বা, দিপালী বা, অংশুমালী বা, সঁচা বান্ধৱীৰ পৰিচয় দিয়া ৰিতাশ্ৰী, প্ৰিয়ংকা, ৰুলী, চিমি, মৰমৰ ভণ্টী "চুনুমণি, ৰিকি, ইনয়, চেংচাং....।" এই লেখনিৰ জৰিয়তে সকলোকে আকৌ এবাৰ ধন্যবাদ জনোৱাৰ সুযোগ গ্ৰহণ কৰিলোঁ। সকলোৰে ওচৰত চিৰঋণী হৈ ৰ'ম—ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ তেওঁলোকক সু-স্বাস্থ্যৰ অধিকাৰী কৰি তোলক।

শেষত, পুনৰবাৰ সকলোৰে মৰম-চেনেহ, উপদেশবোৰৰ বাবে আকৌ এবাৰ আন্তৰিক ধন্যবাদ জনাই এৰি অহা সেই—"কানৈ ছাত্ৰীনিৱাসৰ" মংগল কামনা কৰিলোঁ।

উচ্চস্বৰে চিঞৰি ক'ব বিচাৰো।
"জয়তু কানৈ মহাবিদ্যালয়"।
"জয়তু কানৈ ছাত্ৰীনিৱাস।"

"তোমাৰ হাততেই ঠন ধৰি উঠক
নতুন প্ৰজন্মৰ শত শত তৰুণী,
জ্ঞানৰ বোলেৰ বাট দেখুৱাই।
আগুৱাই দিয়া
আশ্ৰয় দি তোমাৰ বুকুত।"○

# নাৰী সমাজলৈ উদাত্ত আহ্বান

✍ ডালিমী চলিহা

হে নাৰী,
তুমি আজি নোহোৱা অবলা
আজি তুমি নোহোৱা দুৰ্বলা।
শিক্ষা-দীক্ষা, কৰ্মক্ষেত্ৰ
সামাজিক ৰাজনৈতিক
সকলো দিশতে
সমানে আসন লভি পুৰুষৰ স'তে
সঁচাকৈয়ে তুমি আজি ধন্যা।
তথাপিও হে নাৰী,
নহয় সময় এয়া আত্মা সন্তুষ্টিৰ
সমুখত কৰ্তব্য অসীম।
দেখা জানো পোৱা নাই
অনাচাৰ-দুৰ্নীতিয়ে ৰঘুমলা হৈ
সমাজত কেনেকৈ বিয়পি পৰিছে
নাইনে উমান পোৱা
কুশাসনে প্ৰলোভনে
যুৱ সামাজক আজি টানে কোন দিশে।
মাতৃ তুমি ভগ্নী তুমি
তুমি অৰ্দ্ধাঙ্গিনী
যুগে যুগে পুৰুষৰ পথ-প্ৰদৰ্শিনী।
শূৰ্পনখা ভগ্নী হৈ
নজলাবা ভাতৃ ৰাৱণক।
স্বামী যদি অন্ধ হয় গান্ধাৰীৰ দৰে
তুমিও নহ'বা অন্ধ
চকু ঢাকি অন্ধ পট্টিকাৰে।
পুৰুষ বিভ্ৰান্ত হ'ব
নুখুজিবা সোণৰ হৰিণা।
মায়া মৃগ খেদিব খুজিলে
প্ৰাণপণে তাত বাধা দিয়া।
আদৰ্শ জননী হৈ
নৱ প্ৰজন্মক
সজ পথে আগুৱাই নিয়া।○

# মই ৰাধা

✍ ডাঃ মেঘালী চলিহা

কিহৰ তাড়নাত মই কলংকিনী হওঁ,
আপোন হাতেৰে সজা হেপাহৰ নীড় ভাঙো,
বদনাম চপাওঁ, ব্যভিচাৰিণী হওঁ।
কিয় বুকু দহে বিৰহত,
নিয়ম ভাঙো বাৰে বাৰে,
ভৰি পিচলে অনুৰাগত?

কানাইৰ বাঁহীৰ সুৰত পাইড পাইপাৰৰ যাদু
মন্ত্ৰমুগ্ধ সকলো গতিশীল স্থানু।
মই জানো মোৰ দৰেই হাজাৰ অনুৰক্তা,
ষোল্লশ গোপিণী, ৰুক্মিণী, সত্যভামা...

তথাপি
কদম তলত বহি
মুৰুলীধৰে যেতিয়া মোৰ কান্ধত মূৰ থৈ
বাঁহীটিত ফু দিয়ে,
মই পতিয়ন যাওঁ,
সেই সুৰৰ অনুৰণন যেন কেৱল মোৰ বাবে...
সেই বিশ্বাস আৰু সংশয়ৰ দোমোজাত
মৰি মৰি জী উঠো,
গকুলৰ জোনাক বিধৌত আকাশৰ দৰে
মোৰ মনতো ফৰিং ফুটা জোনাকৰ ঢল নামে।○

(সকলো অনুৰক্তা 'ৰাধাৰ' হাতত...)

# নাৰী নিৰ্যাতন, সবলীকৰণ ইত্যাদি

✍ ড° ভাৰতী দত্ত

নাৰী সবলীকৰণ বিষয়টো সাম্প্ৰতিক সময়ত এক বহু চৰ্চিত বিষয় ৰূপে পৰিগণিত হৈছে। একৈছ শতিকাত উপনীত হৈয়ো অৰ্দ্ধআকাশ নাৰীসকলৰ আমাৰ সমাজত যি এক দমনীয় স্থিতি তাৰ পৰিপ্ৰেক্ষিততে দৰাচলতে বিষয়টোৱে প্ৰাধান্য লাভ কৰিছে। কাৰণ এটা পৰিয়াল, এখন সমাজ, এটা জাতি বা এখন দেশৰ সামগ্ৰিক উন্নয়ন হোৱা বুলি তেতিয়াহে ক'ব পৰা যায় যেতিয়া নাৰী আৰু পুৰুষে সমানে খোজত খোজ মিলাই আগবাঢ়ি যাব। নাৰী-পুৰুষৰ সমন্বিত প্ৰচেষ্টাতহে প্ৰকৃত অৰ্থত উন্নয়ন সম্ভৱ আৰু তেনেক্ষেত্ৰত নাৰীসমাজক যদি শোষণ, নিষ্পেষণ, অন্যায়, অত্যাচাৰৰ দ্বাৰা অবদমিত কৰি ৰখা যায় তেনেহ'লে উন্নয়নেই বা হ'ব কেনেকৈ? আনহাতে মানৱ অধিকাৰেই বা ৰক্ষা পৰিবনে? নাৰী-পুৰুষ এজন আনজনৰ পৰিপূৰক। নাৰীৰ সক্ৰিয় সহযোগিতা অবিহনে দেশ, জাতি, সমাজ, পৰিয়াল সকলোতে উন্নয়নত স্থবিৰতা আহি যাবই। এইয়া এক নিৰ্ঘাত সত্য। পিছে নাৰীক আমাৰ পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাত সমমৰ্যাদা দিয়াতো হোৱা নায়েই পদে পদে আজি নাৰী শোষণ, নিষ্পেষণ, অন্যায়, অত্যাচাৰৰ বলি হ'ব লগীয়া হৈছে। ভাৰতীয় সংবিধানত নাৰীক সুৰক্ষা প্ৰদান কৰা হৈছে। সমঅধিকাৰ, সমমৰ্যদা সকলো নাগৰিককে দিয়া হৈছে। পিছে সংবিধান প্ৰদত্ত কথাবোৰ বাস্তৱত ৰূপায়িত হৈছেনে? নাৰীয়ে সম অধিকাৰ পাইছেনে? পাৰিশ্ৰমিকৰ ক্ষেত্ৰতে দেখোন নাৰী বৈষম্যৰ চিকাৰ হৈছে! মৰ্যাদাৰ কথাযাৰ? তাতো বৈষম্যমূলক দেধাৰ উদাহৰণ দেখুৱাব পাৰি।

নাৰীসকল যে আজি বিপজ্জনকভাৱে অসুৰক্ষিত তাৰ প্ৰমাণ হ'ল—নাৰীজনিত অপৰাধৰ ক্ৰমবৰ্দ্ধিত ঘটনাৰাজি। কেইটিমান মাত্ৰ তথ্য দাঙি ধৰিব বিচাৰিছোঁ। ২০০৬ চনত অসমত নাৰী অপহৰণৰ ঘটনা সংঘটিত হৈছিল ১৫৪৯ টা আৰু ২০১০ চনত এনে ঘটনাৰ সংখ্যা বৃদ্ধি পাই হৈছিলগৈ ২৪৮৬ টা। নাৰী ধৰ্ষণ-বলৎকাৰৰ ঘটনা বৃদ্ধি পাইছে ক্ৰমাগতভাৱে। ২০০৬ চনত ৰাজ্যখনত ১২০৩ টা বলাৎকাৰৰ ঘটনা সংঘটিত হোৱাৰ বিপৰীতে ২০১০ চনত এনে ঘটনাৰ সংখ্যা আছিল ১৭২১ টা। ২০১২ টনত কৰা এক সমীক্ষা অনুসৰি ভাৰতবৰ্ষত প্ৰতি ২০ মিনিটত একোগৰকীকৈ নাৰী ধৰ্ষিতা হয়। নাৰী যৌতুকৰ বলি হয়, পৰিয়ালতে নিৰ্যাতিতা হয় অথবা কৰ্মথলীত অশালীন ব্যৱহাৰৰ সন্মুখীন হয়। মানসিক, শাৰীৰিক যাতনাৰ বলি হোৱা নাৰীৰ মৰ্মবেদনাই বা কিমানজনে অনুধাবন কৰে? অতি সম্প্ৰতি প্ৰকাশ পোৱা এক তথ্যমতে দেশৰ ৰাজধানী নতুন দিল্লীতে নাৰী বিপজ্জনকভাৱে অসুৰক্ষিত। ইয়াতে সৰ্বাধিক ৪০ শতাংশ ধৰ্ষণ সংঘটিত হয় আৰু দেশৰ মেট্ৰ'পলিটান মহানগৰকেইখনৰ ভিতৰত সৰ্বাধিক ৩৩ শতাংশ নাৰীজনিত অপৰাধ ৰাজধানী মহানগৰখনতে সংঘটিত হোৱাটোও এক চিন্তাজনক কথা। এইক্ষেত্ৰত মুম্বাই দ্বিতীয়স্থানত আছে। স্বামী বা পৰিয়ালৰ অন্যান্য সকলৰ দ্বাৰা পৰিয়ালতে নাৰী নিৰ্যাতন সৰ্বাধিক সংঘটিত হয় নতুন দিল্লীতে। নাৰীজনিত অপৰাধ সৰ্বাধিক (১৪.৫%) সংঘটিত হোৱা দেশৰ ৰাজ্যখন হ'ল উত্তৰ প্ৰদেশ। এইযে নাৰীজনিত অপৰাধসমূহ বৰ্দ্ধিতহাৰত সংঘটিত হ'বলৈ ধৰিছে সিয়ে নাৰীৰ অসুৰক্ষিত অৱস্থাটোৰ লগতে নাৰীৰ মৰ্যাদাহীন অৱস্থাটোকো প্ৰতিফলিত কৰিছে। তদুপৰি অবিবাহিতা কৰ্মসংস্থাপন নথকা নাৰী, বিধৱা নাৰী, স্বামীৰ দ্বাৰা পৰিত্যক্ত নাৰী—এইসকলো বিভিন্ন ধৰণে শোষণ, নিষ্পেষণৰ বলি হয়। লক্ষণীয় কথাটো হ'ল নাৰীৰ বৈৰীও আকৌ অনেকক্ষেত্ৰত নাৰীয়েই।

কন্যাসন্তানৰ ভ্ৰূণ হত্যা কৰাকেই হওক অথবা যৌতুকৰ বাবে কৰা অত্যাচাৰেই হওক বা মজুৰি প্ৰদানৰ ক্ষেত্ৰত বৈষম্যমূলক আচৰণ কৰাই হওক নাৰীগৰাকীৰ সচেতনতাই কিছু সুফল প্ৰদান কৰিব পাৰিব বুলি ক'ব পাৰি।

ছলে-বলে কৌশলে অবলা বিধৱা নাৰীক স্বামীৰ সম্পত্তিৰ প্ৰাপ্য অধিকাৰৰ পৰা বঞ্চিত কৰাতো দুষ্টলোক সফল নহ'ব যদিহে নাৰীগৰাকী নিজৰ অধিকাৰ সম্পৰ্কে সচেতন হয়। এইখিনিতে আৰু এটা কথা উল্লেখ কৰিবলৈ মন গৈছে, চাহ, ধান বা অন্যান্য খাদ্য শস্য উৎপাদনৰ বিভিন্ন কাৰণত নাৰীসকল ওতপ্ৰোতভাৱে জড়িত হৈ থাকে। অলপতে প্ৰকাশ পোৱা এক সমীক্ষা মতে বিশ্বৰ অৰ্দ্ধাংশ খাদ্য উৎপাদনত নাৰীসকল প্ৰত্যক্ষ অথবা পৰোক্ষৰূপত জড়িত হৈ থাকে যদিও নাৰীয়ে নিজৰ শাৰীৰিক শ্ৰমৰ বিনিময়ত প্ৰাপ্য মজুৰি নাপায়। এয়াও শোষণ নহয় জানো? পৰিয়ালতো নাৰীগৰাকীৰ মতামতক মূল্য দিয়া বেছিভাগ ক্ষেত্ৰতে দেখা নাযায়। সমাজত প্ৰাপ্য মৰ্যাদা দিয়াৰ ক্ষেত্ৰতো কাৰ্পণ্য কৰা দেখা যায়।

এতিয়া প্ৰশ্ন হয় নাৰীৰ এই অৱস্থাৰ উপশম সম্ভৱনে? এইক্ষেত্ৰত বিস্তৃত বিশ্লেষণাত্মক আলোচনাৰ থল আছে। কিন্তু প্ৰবন্ধৰ সীমাৱদ্ধতাৰ কথাযাৰ মনত ৰাখি এটা সামান্য আলোচনা আগবঢ়াব বিচাৰিছোঁ আৰু সেইয়া হ'ল নাৰীসবলীকৰণৰ বিষয়ে। নাৰীসবলীকৰণে আংশিকভাৱে হ'লেও যে নাৰীৰ দমনীয় স্থিতিৰ শাম কটাব পাৰে তাত দ্বিমত থাকিব নিশ্চয় নোৱাৰে। সবলীকৰণে অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক এই আটাইবোৰ দিশ সামৰি ল'ব লাগিব। এগৰাকী নাৰীক অৰ্থনৈতিকভাৱে সবল কৰি তুলিব পাৰিলে তেওঁৰ আত্মবিশ্বাস বাঢ়ে আৰু এই আত্মবিশ্বাসেই নাৰীগৰাকীক প্ৰতিকূল পৰিস্থিতিৰ মুখামুখি হ'বলৈ সাহস যোগায়। তেওঁৰ প্ৰতি কৰা অন্যায়ৰ মূৰ তুলি প্ৰতিবাদ কৰিব পাৰে। ঘৰৰ চাৰিবেৰৰ পৰা বাহিৰৰ পৃথিৱীখনলৈ ওলাই অহা আত্মসহায়ক গোটৰ সদস্যাসকললৈকে আঙুলিয়াব পাৰি। তেওঁলোকে অৰ্থনৈতিক দিশত স্বাৱলম্বী হোৱাৰ লগে লগে তেওঁলোকৰ জীৱনলৈ বহুতো পৰিৱৰ্তন অহাটো পৰিলক্ষিত হয়। পৰিয়াল তথা সমাজতো তেওঁলোকে এনেসময়ত হৃত মৰ্যাদা ঘূৰাই পাবলৈ সক্ষম হোৱাতো আনকি গৱেষণাইও প্ৰমাণ কৰিছে। ৰাজনৈতিক পথাৰখনত এতিয়াও আমাৰ দেশত নাৰীৰ যোগদান চালুকীয়া অৱস্থাতে আছে। এইক্ষেত্ৰত লোকসভাৰ নিৰ্বাচনৰ মাত্ৰ দুটিমান তথ্য দাঙি ধৰিলোঁ। ১৯৯৮ খ্ৰীঃৰ ৫৪৩খন লোকসভাৰ আসনত ৪৩ গৰাকী মহিলা আছিল আৰু শতকৰা হিচাপত এয়া হ'ল—মাত্ৰ ৭.৯% অৰ্থাৎ ৫০০ জনেই আছিল পুৰুষ সাংসদ। ২০০৪ৰ লোকসভা নিৰ্বাচনতো প্ৰায় একেই ছবিখন দেখা পোৱা গৈছিল। ৫৪৩ জন সাংসদৰ ৪৬গৰাকীহে মহিলা সাংসদ আছিল। মহিলা ৰাজনৈতিকভাৱে সচেতন নোহোৱাটোও ইয়াৰ অন্যতম কাৰণ। তদুপৰি পৰিয়ালৰ হকা বাধাইও নাৰীগৰাকী বিভিন্নক্ষেত্ৰত আগ বাঢ়ি যোৱাত বাধাৰ সৃষ্টি কৰি আহিছে।

নাৰীসকলে নিজৰ সংবিধানিক অধিকাৰ সম্বন্ধে সজাগ হ'বলৈ হ'লে তেওঁলোক শিক্ষাৰ পোহৰৰ পৰাও বঞ্চিত হ'ব নালাগিব। অশিক্ষিত অথবা অৰ্ধশিক্ষিত নাৰীসকল অনেক সময়ত সমাজৰ অন্যায়-অত্যাচাৰৰ বলি হয়। গতিকে সাহসেৰে অন্যায়ৰ প্ৰতিবাদ কৰিবলৈকো তেওঁলোকক শিক্ষাৰ আলোকেৰে আলোকিত কৰি তুলিব লাগিব। আলান্ধুকলীয়া মানসিকতা ত্যাগ কৰি নাৰীক ব্যক্তিৰ মৰ্যাদা দিব লাগিব। নাৰী সবলীকৰণত শিক্ষাৰ প্ৰয়োজনীয়তা নিশ্চয়কৈ আছে। নাৰী সবলীকৰণৰ আঁচনিসমূহো ফলপ্ৰসূ হ'ব আনহাতে নাৰী সবলীকৰণৰ আঁচনিসমূহো ফলপ্ৰসূ হ'ব তেতিয়াহে যেতিয়া পৰিয়ালেও এইক্ষেত্ৰত সহযোগিতা আগবঢ়াব।○

# বিতি ফ্ৰিদান (Betty Friedan)এ কোৱা —'নাম নোহোৱা সমস্যা'

✍ ৰত্না দত্ত

বিতি ফ্ৰিদানৰ 'দ্য ফেমিনিন্ মিষ্টিক' (Feminine Mystique) নামৰ নাৰীবাদ সম্পৰ্কীয় সমাজবাদী গ্ৰন্থখনে প্ৰকাশ কৰা পঞ্চাছ বছৰ অতিক্ৰম কৰিছে। এই উপলক্ষ্যে বিশ্বজুৰি কিতাপখনৰ পুনৰ প্ৰকাশ আৰু চৰ্চা চলিছে। ফ্ৰিদানে গৃহিণীসকলৰ সমস্যাক 'নাম নোহোৱা সমস্যা' বুলিছে।

আমেৰিকাৰ বিতি ফ্ৰিদান নামৰ এই সংবেদশীল মহিলাগৰাকী প্ৰথমে আছিল কেৱল গৃহিণী আৰু পিছলৈ আলোচনীৰ সম্পাদক আৰু সমাজকৰ্মী। তেওঁ নিজে অনুভৱ কৰিবলৈ ধৰিলে যে তথাকথিত 'সুগৃহিণী'হৈ থাকি তেওঁৰ যিটো মানসিকতা গঢ় লৈছে, সেইটো তেওঁৰ কাম্য নহয়। অৰ্থাৎ, এসময়ত তেওঁ যিজনী ছোৱালী আছিল, এতিয়া তেওঁ একেজনী মানুহ নহয় যেন! ধীৰে, ধীৰে, নিজৰ অপ্ৰত্যাশিতভাৱে তেওঁ যেন সলনি হৈ যাবলৈ ধৰিছে! ৰন্ধা-বঢ়া, স্বামী-সন্তানৰ স'তে সময় কটোৱা, হাঁহি-মাতি থকা—নাই, এনেকৈ থাকিব নোৱাৰি! তেওঁ নামি গ'ল সামাজিক ক্ষেত্ৰলৈ; তেওঁ নাৰীসকলৰ সক্ষাৎকাৰ ল'বলৈ আৰম্ভ কৰিলে এই সাক্ষাৎ গ্ৰহণ অৱশ্যে সাধাৰণ সাক্ষাৎ গ্ৰহণ নাছিল; বিভিন্ন সামাজিক অৱস্থানত থকা অজস্ৰ নাৰীৰ মনৰ অভ্যন্তৰত সোমাই যেন তেওঁ উলিয়াই আনিছে সুখ-দুখৰ মূলতত্ত্ব! এই সাক্ষাৎকাৰৰ ভিত্তিতেই তেওঁ লিখি উলিয়ালে সমাজতাত্ত্বিক নাৰীবাদৰ যুগ নিৰ্ণায়ক গ্ৰন্থ— 'দ্য ফেমিনিন্ মিষ্টিক্'।

একোগৰাকী চহৰীয়া গৃহিণীয়ে স্বামীক কামলৈ পঠোৱাৰ পাছত, ল'ৰা-ছোৱালীক পঢ়াশালিলৈ পঠোৱাৰ পাছত নিজৰ কামত ধৰে। পিছে এই 'নিজৰ কাম'নো কি? বিশৃঙ্খল ঘৰটো এফালৰ পৰা পৰিস্কাৰ কৰিবলৈ আৰম্ভ কৰে। দিনৰ পাছত দিন কৰাৰ পাছত সেই কামবিলাকত তেওঁ এটা সৌন্দৰ্য আৰু আনন্দ আৰোপ কৰিবলৈ আৰম্ভ কৰে। তেওঁ লাহে লাহে কল্পনা কৰিবলৈ লয়, এইটো জীৱনেই তেওঁৰ ভাল লাগিছে! উদাহৰণ স্বৰূপে এখন ঘৰত সৰা-মচা, কাপোৰ ধোৱা আদি কামবোৰ নকৰিলেই নোহোৱা অথচ একান্ত মহিলাৰ কাম হিচাপে বিৱেচিত। সেয়েহে মহিলাৰ কঁকাল পৰা, দৈনিক কঁকালৰ বিষ আদিক স্বাভাৱিক সংঘটন বুলি ধৰি লোৱা হয়। যুগ সলনি হোৱাৰ লগে লগে চাপৰিব নলগীয়াকৈ কৰা—মচা, কাপোৰ ধোৱাৰ ব্যৱস্থা ওলাল বিতি ফ্ৰিদানে প্ৰশ্ন কৰিছে, কিয় বহুতো মহিলাই ঘৰ মচোঁতে চকুত কাজল সানে, কিয়নো, কামটোত তেওঁলোকে সৌন্দৰ্য আৰু আনন্দ আৰোপ কৰে।

এগৰাকী অৱস্থাপন্ন মহিলাক ফ্ৰিদানে সুধিছে, 'তুমি সুখীনে'? তেওঁ কৈছে—যে তেওঁ সুখী; কিয়নো, তেওঁৰ এজন সদা ব্যস্ত স্বামী আছে; তেওঁৰ দুটা ল'ৰা আছে; ল'ৰা দুটাই পঢ়া-শুনাৰ উপৰিও ফুটবল খেলত ব্যস্ত থাকে। তিনিটা অতি সুন্দৰ কোঠাৰে তেওঁৰ ঘৰটো আটকধুনীয়া। কোঠাকেইটা মহিলাগৰাকীয়ে নিজৰ পচন্দৰে নিজহাতে সজাই ৰাখিছে। সুন্দৰ এচুকীয়া ঠাই (Cosy Corner) আৰু সুন্দৰ আলোক ব্যৱস্থা আছে। তেওঁৰ সুখৰ ব্যাখ্যা হ'লগৈ সেইবোৰ। তাৰ মাজত সুখ ক'ত আছে, সেয়া প্ৰশ্নকৰ্তাই নিজেই বিচাৰি ল'ব লাগিব।

এই সমস্যাটো যেতিয়া সামগ্ৰিক ৰূপত দেখা পাইছে, তেতিয়া ফ্ৰিদান নিজেই স্তম্ভিত হৈছে। নাৰীসকল দিনে দিনে 'নাৰীসুলভ' হৈ গৈ থকাটো কোনো প্ৰাকৃতিক ঘটনা নহয়, ই এক ৰাজনৈতিক আচৰণ! পিছে ই নাৰীৰ ৰাজনৈতিক আচৰণ নহয়, একাংশ সুবিধাভোগীৰ সুপৰিকল্পিত আচৰণৰ এখন বৃহৎ জাল, য'ত মকৰাৰ দৰে লাগি ৰৈছে নাৰীসকল। তেওঁলোকৰ নিস্তাৰৰ উপায়তো নায়েই, তেওঁলোকে সেয়া নিস্তাৰ পাবলগীয়া বিষয় বুলিয়েই ভাবিব নোৱাৰা হ'ল। তেওঁলোকৰ মন-মগজু সম্পূৰ্ণৰূপে বিকল কৰি দিয়াৰ এক বৃহৎ আয়োজন চলিল। এই 'নাম নোহোৱা সমস্যা' (The prolbem that has no name) টো চিনাক্ত কৰি ফ্ৰিদানে ইয়াৰ আলোচনা আৰম্ভ কৰিছে

এনেদৰে—

"বহুবছৰ ধৰি আমেৰিকান নাৰীৰ মনত সমস্যাটো পুতি পেলোৱা হৈছে, অনুচাৰিত হৈ আছে। ই হৈছে এক অস্বস্তিকৰ অসন্তুষ্টিৰ আশ্চৰ্যকৰ অনুভৱ যে বিংশ শতিকাৰ মাজভাগৰ আমেৰিকাত নাৰীয়ে দুৰ্ভোগ ভুগিছিল।" অৰ্থাৎ, তেওঁলোকৰ দুৰ্ভোগক সৌভাগ্য বুলিহে ভাবিবলৈ বাধ্য কৰা হৈছিল।

ফ্ৰিদানৰ প্ৰথম কথাটো হ'ল, নাৰীৰ কিবা সমস্যা আছে বুলিয়ে সমাজত স্বীকাৰ কৰি লোৱা হোৱা নাই। পূৰ্বতে আত্মপ্ৰতিষ্ঠা কৰিবলৈ গৈ নাৰীয়ে যি যাতনা ভুগিছিল, সেইবোৰক পুতি পেলাবলৈ, নোহোৱা কৰি নাৰীৰ ছবিখন সুখী আৰু হাস্য-মধুৰ বুলিহে দেখুৱাবলৈ বিভিন্ন মহলৰ চেষ্টা কৰা হ'ল আৰু ফলৱতী হোৱা গ'ল। এতিয়া এই পুতি থোৱা সমস্যাটোকে ফ্ৰিদানে খান্দি উলিয়াইছে—

"সকলো উপকণ্ঠীয়, পৰম্পৰাগত পত্নীসকলে এই সমস্যাটোৰ স'তে অকলে যুঁজিছিল। তেওঁ যেতিয়া বিছনা পাৰিছিল, চাউল-দাইলৰ বজাৰ কৰিছিল, বাচন-বৰ্তনবোৰ মিলা-মিলাই কিনিছিল, সন্তানৰ লগত বাদাম-মাখন-চেণ্ডৱিচ্ খাইছিল, তৰহে তৰহে কেক্ প্ৰস্তুত কৰিছিল, নিজৰ স্বামীৰ কাষত ৰাতিৰ বিছনাত পৰি থাকিছিল—সেই নীৰৱ প্ৰশ্নটো এনেকি তেওঁ নিজকে সুধিবলৈ ভয় কৰিছিল—'এয়াই সকলো নে?'

পোন্ধৰবছৰতকৈও বেছিকাল নাৰীৰ বিষয়ে লিখা কোটিকোটি শব্দত এই যন্ত্ৰণা সম্পৰ্কে এটাও শব্দ নাই; নাৰীৰ বাবে বিশেষজ্ঞসকলৰ সকলো স্তম্ভলেখাত, কিতাপত আৰু নিবন্ধত পত্নী আৰু মাতৃ হিচাপে থকা ভূমিকাৰে পৰিপূৰ্ণতা বিচাৰিবলৈ কোৱা হৈছিল।"

মন কৰিবলগীয়া যে আমেৰিকান সকলৰ সাংস্কৃতিক পৰম্পৰা ভাৰতীয় সকলৰ দৰে হাজাৰ হাজাৰ বছৰ পুৰণি নহয়, অথচ সেই পৰম্পৰা শিকলি চিঙি ওলাই অহাটো বিংশ শতিকাৰ প্ৰথমভাগৰ এই আমেৰিকান নাৰীসকলৰ বাবে অসম্ভৱপ্ৰায় আছিল। তেওঁলোকৰ পৰম্পৰাক বিভিন্ন কোণৰ দৃঢ়পিনদ্ধ কৰি পেলোৱা হৈছিল; এনে কৰোঁতা আটাইতকৈ শক্তিশালী ব্যক্তিজন আছিল ডাঃ চিগমণ্ড ফ্ৰয়দ। তেওঁ ক'লে যে—নাৰীয়ে যদি হতাশাত ভুগিছে, তেন্তে সেয়া হৈছে সৰুৰে পৰা কন্যাশিশুৰ মনত থিতাপি লোৱা পুৰুষ যৌনাংগৰ প্ৰতি ঈৰ্ষা (Penis envy)! ফ্ৰিদানে কৈছে—

"পৰম্পৰাৰ কণ্ঠত আৰু ফ্ৰয়দীয় আভিজাত্যত তেওঁলোকে শুনিবলৈ পাইছিল যে তেওঁলোকে নিজৰ নাৰীত্বৰ গৌৰৱৰ বাহিৰে একো ডাঙৰ ভাগ্য আশা কৰিব নোৱাৰে।"

বিংশ শতিকাৰ মনোবিজ্ঞানত ফ্ৰয়দ আছিল এক অদ্বিতীয় অভিজ্ঞ, শিক্ষা, বিকাশৰ পৰা বঞ্চিত এগৰাকী নাৰীয়ে যদি ভাবেও যে তেওঁৰ কোনো 'যৌনাংগ ঈৰ্ষা' নাই, সেইষাৰ কথা সেই মহাপণ্ডিত, বিজ্ঞানীসকলে শুনাৰ প্ৰশ্নই নাছিল! নাৰীক পৰম্পৰাগতভাৱে গঢ়ি তুলিবলৈ সকলো দিশৰ অনেক বিশেষজ্ঞ আছিল—"বিশেষজ্ঞসকলে নাৰীক পাকে-প্ৰকাৰে জনাই থাকে কেনেদৰে পুৰুষক হাত কৰিব লাগে আৰু হাতত ৰাখিব লাগে; সন্তানক গাখীৰ খুৱাব লাগে আৰু শৌচ-প্ৰস্ৰাৱৰ চাফচিকুণতাৰ শিক্ষা দিব লাগে, শৈশৱৰ ঈৰ্ষাৰ লগত (ফ্ৰয়দে কোৱা) কেনেকৈ মোকাবিলা কৰিব লাগে আৰু কৈশোৰৰ বিদ্ৰোহৰ (ফ্ৰয়দে কোৱা) সত্ত্বেও; বাচন মজা, ৰুটি সেকা সৰঞ্জাম কেনেকৈ কিনিব লাগে; কেনেকৈ সাজ-পোছাক পৰিধান কৰিব লাগে, অধিক নাৰীসুলভ আচৰণ কেনে কৰিব পাৰি; বিবাহক কেনেকৈ অধিক উত্তেজনাময় কৰি তুলিব লাগে; কেনেকৈ স্বামীসকলক ডেকাকালত মৰাৰ পৰা ৰক্ষা কৰিব লাগে আৰু পুত্ৰ-সন্তানহঁতক অপৰাধী হোৱাৰ পৰা ৰক্ষা কৰিব লাগে!" এটা কথা ঠিক যে ফ্ৰিদানৰ প্ৰতিটো বাক্‌ভংগীতে প্ৰচ্ছন্ন হৈ আছে ব্যংগ অথচ এই ব্যংগৰ মাজতে নিহিত আছে নাৰী জীৱনৰ কৰুণতম সত্য। তেওঁ প্ৰমাণ কৰিছে যে যিসকল নাৰীয়ে এনে প্ৰতিৰোধ সত্ত্বেও কেৱল 'নাৰী' নহয় 'মানৱী' বুলি নিজকে পৰিচয় দিবলৈ যত্ন কৰিছিল, তেওঁলোকক 'স্নায়ুবিকাৰগ্ৰস্ত' আখ্যা দি একাষৰীয়া কৰি থোৱা হৈছিল। যেনে—"নাৰীসকলক তেওঁলোকৰ মাজৰে স্নায়ুবিকাৰগ্ৰস্ত সকলক পুতৌ কৰিবলৈ শিকোৱা হৈছিল; সেই অনাৰীসুলভ, অসুখী নাৰীসকলক যিসকলে কবি অথবা পদাৰ্থবিদ নতুবা সভানেত্ৰী হ'ব খোজে! নাৰীসকলে শিকে যে প্ৰকৃত নাৰীত্বসম্পন্ন নাৰীয়ে চাকৰি-বাকৰি বা কাম-কাজত লাগিব নোখোজে; উচ্চশিক্ষা, ৰাজনৈতিক অধিকাৰ নিবিচাৰে—স্বাধীনতা আৰু সুযোগ, যিবোৰৰ বাবে আগৰচাম নাৰীয়ে যুঁজ দিছিল, সেইবোৰ তেওঁলোকক দৰকাৰ নাই।" কিছু সংখ্যক মহিলাই তেওঁলোকৰ চল্লিছ আৰু পঞ্চাছবছৰ বয়সত তেতিয়াও কষ্টেৰে সেই সপোনবোৰ দেখাৰ কথাটো মনত পেলোৱা দেখা পাইছে ফ্ৰিদানে, কিন্তু পিছলৈ বেছিভাগ যুৱতী মহিলাই আনকি সেইবোৰ কথা মনতো নেপেলায়। কিয়নো—"এহেজাৰ বিজ্ঞ কণ্ঠই তেওঁলোকৰ নাৰীত্বক প্ৰশংসা কৰে, তেওঁলোকৰ মোকাবিলা, তেওঁলোকৰ নতুন বুজাশক্তিক 'পৰিপক্কতা' বুলি প্ৰশংসা কৰে। সকলোবোৰ কামৰ গুৰি হৈছে সেয়াই যে ছোৱালীকালত যিমান পাৰে সিমান সোনকালে স্বামী এজন বিচাৰি পাব লাগে আৰু সন্তান প্ৰতিপালন কৰিব লাগে।"

ফ্ৰিদানে উদ্বিগ্নতাৰে লক্ষ্য কৰিছে যে নাৰীত্বৰ বাবে উপযোগী কৰি গঢ়ি তোলা এই সুপৰিকল্পিত শোষণ ব্যৱস্থাটোৰ বাবেই পিছলৈ এনে হ'লগৈ যে শিক্ষিত, অধ্যয়নৰত নাৰী পাবলৈ নোহোৱা হৈ সি সমগ্ৰ আমেৰিকাৰে এটা ডাঙৰ সমস্যাত পৰিণত হ'ল। ফ্ৰিদামে দেখুৱাইছে—"১৯৫০ চনৰ শেহৰফালে আমেৰিকাৰ নাৰীৰ বিয়াৰ বয়স বিশবছৰলৈ নামি গ'ল আৰু তাৰপাছতো নামি আহিল, একেবাৰে কৈশোৰকাল পাইছিলগৈ। চৈধ্য নিযুত ছোৱালী সোতৰবছৰ বয়সতে বাগ্‌দত্তা হৈছিল। কলেজত পঢ়া-শুনা কৰা নাৰীৰ সংখ্যা ১৯২০ চনৰ শতকৰা ৪৭ ভাগৰ পৰা (পুৰুষৰ অনুপাতত) ১৯৫৮ চনত শতকৰা ৩৫ ভাগলৈ নামি গৈছিল। এক শতিকা আগেয়ে নাৰীয়ে উচ্চশিক্ষাৰ বাবে যুঁজ দিছিল; এতিয়া ছোৱালীবোৰ কলেজলৈ যাবলৈ ধৰিলে স্বামী ঘটাৰ আশাত। পঞ্চাছৰ দশকৰ মাজভাগত শতকৰা ষাঠিভাগে কলেজ এৰিছিল বিয়া কৰাবলৈ, অথবা তেওঁলোকে ভয় কৰিছিল যে অধিক শিক্ষা বিবাহৰ বাধক হ'ব।" মন কৰিবলগীয়া যে আমেৰিকান সকলৰ ওপৰত ভাৰতীয় সকলৰ দৰে সংযুক্ত পৰিয়াল ব্যৱস্থাৰ হেঁচা নাই যদিও তাত নাৰীৰ ওপৰত কাকত-আলোচনী-বিশেষজ্ঞ-মনোবিজ্ঞান আদিৰ জৰিয়তে সৃষ্টি কৰা পদ্ধতিগত হেঁচাটো সমানেই শক্তিশালী।

ইয়াৰ পিছত নাৰীৰ অৱস্থা আমেৰিকাত আৰু দুৰ্ভাগ্যজনক এই দুৰ্ভাগ্যজনক অৱস্থাটোৰ সুযোগ লৈ ব্যৱসায় বাণিজ্যৰ শ্ৰীবৃদ্ধি হ'ল, কি নাৰীৰ মুক্তিৰ সকলোবোৰ পথেই যেন প্ৰায় বন্ধ হৈ পৰিল—"তাৰ পাছত আমেৰিকান ছোৱালীবোৰ হাইস্কুলত থাকোতে বিয়া সোমাবলৈ ধৰিলে। মহিলা আলোচনীবোৰে এই কম বয়সৰ বিবাহবোৰৰ অসুখী অৱস্থাৰ চিত্ৰ অংকনৰ প্ৰয়োজনীয়তা সাব্যস্ত কৰিলে যে বিবাহৰ বাবে উপযুক্ত শিক্ষা, বিবাহ আলোচনা বিশেষজ্ঞ ইত্যাদি হাইস্কুলবিলাকত থাকিব লাগে ছোৱালীবিলাক হাইস্কুলৰ তলৰ শ্ৰেণীতে, বাৰ-তেৰ বছৰ বয়সতে বিয়ালৈ সাজু হ'ল। দহবছৰীয়া সৰু ছোৱালীৰ কাৰণে ব্ৰেছিয়াৰ নিৰ্মাতা সকলে ফ'মৰ, মিছাতে ফুলি থকা ব্ৰেছিয়াৰ নিৰ্মাণ কৰিলে। আৰু 'নিউয়ৰ্ক টাইম্‌চ্' আলোচনীৰ ১৯৬০ৰ দশকৰ এটা বিজ্ঞাপনত শিশুৰ পোছাক এটা সম্পৰ্কে প্ৰশংসাসূচকভাৱে এনেকৈ কোৱা হ'ল যে 'তায়ো পুৰুষক জালত পেলোৱাৰ ফন্দী জানে!'

এনেবোৰ কথাত যেতিয়া নাৰীক সৰ্বতোপ্ৰকাৰে প্ৰশংসা কৰা হয়, তেতিয়া মস্তিস্কৰ বিকাশ বা নাৰীৰ ব্যক্তিত্বৰ বিকাশ, নাৰীৰ সুখ-দুখ আদিৰ কথাবোৰ সম্পূৰ্ণভাৱে অপ্ৰাসংগিক। ফ্ৰিদানে কৈছে—"পঞ্চাছৰ দশকৰ শেহৰ ফালে যুক্তৰাষ্ট্ৰৰ জন্মৰ হাৰে ভাৰতবৰ্ষক চেৰ পেলালে। জন্ম নিয়ন্ত্ৰণৰ আন্দোলন, তাক 'পিতৃত্বৰ পৰিকল্পনা' নামে পুনৰ নামকৰণ কৰিব লগা হ'ল; কোৱা হ'ল যে চতুৰ্থ সন্তানটো হয়তো মৃত বা প'য়ালগা হ'ব পাৰে। পৰিসংখ্যাবিদসকলে কলেজীয়া বিৱাহিতা নাৰীসকলৰ সংখ্যাত অধিক সন্তান জন্ম দিয়াটো হিচাপ কৰি পালে। দুটা সন্তানৰ ঠাইত এতিয়া তেওঁলোকৰ চাৰি, পাঁচ, ছয়টা সন্তান জন্ম হ'ল। নাৰীয়ে আগেয়ে নিজাকৈ এটা বৃত্তি বিচাৰিছিল, এতিয়া সন্তানৱতীৰ বৃত্তি গঢ়িবলৈ আৰম্ভ কৰিলে!'

নাৰীসুলভ কমনীয়তা, কোমলতা, ত্যাগৰ আদৰ্শ ৰক্ষা আদি কথাবোৰ এনে এক পৰ্যায়ে পাইছিলগৈ যে সেইবোৰ ৰক্ষাৰ বাবে নাৰীয়ে যিকোনো অযুক্তিকৰ আচৰণ কৰিবলৈকো কুণ্ঠাবোধ নকৰা হ'ল। ফ্ৰিদানে কৈছে—"নিউয়ৰ্কৰ হস্পিটাল এখনত এগৰাকী নাৰীৰ শোকত ভাগি পৰা অৱস্থা হৈছিল, যেতিয়া তেওঁ কেঁচুৱাক বুকুৰ গাখীৰ খুৱাব পৰা নাছিল। আন এখন হস্পিটালত নাৰীয়ে কেঞ্চাৰ প্ৰতিৰোধী জীৱন দায়িনী ঔষধৰ পাৰ্শ্বক্ৰিয়া অনাৰীসুলভ বুলি শুনিবলৈ পাই ঔষধ ল'বলৈ অমান্তি হৈছিল—'মই কেৱল এটা জীৱনহে পাওঁ, মোক ধুনীয়া চুলিৰে জীয়াই থাকিবলৈ দিয়া।' এগৰাকী সুন্দৰ, বুদ্ধিহীনা যেন লগা নাৰীৰ অৱয়ৱ এই কথাখিনিৰে সৈতে বাতৰিকাকত, আলোচনীত গুৰুত্বসহকাৰে প্ৰকাশ হৈছিল। গোটেই আমেৰিকাত দহগৰাকীৰ ভিতৰত তিনিগৰাকী নাৰী ধুনীয়া চুলিৰে মৰিছিল।'

ফ্ৰিদানে যেতিয়া এই অন্তৰ্ভেদী সাক্ষাৎকাৰবোৰ লৈছিল, তেতিয়া সাক্ষাৎকাৰত সমাজৰ কোনো স্তৰৰ লোকেই বাদ পৰি যোৱা নাছিল। তেওঁৰ অন্তৰ্ভেদী অন্তৰংগতাই সকলোকে মুখ খুলিবলৈ বাধ্য কৰিছিল। তেওঁ লিখিছে—"মহিলাসকলে খাদ্যৰ বদলি এবিধ গুড়ি পাউদাৰ খায় আৰু গাভৰু মডেলসকলে জোখত কোঁচ খাই থাকিব যত্ন কৰে। ডিপাৰ্টমেণ্টেল ষ্ট'ৰৰ মানুহে কোৱামতে কুৰি শতিকাৰ আগভাগত আমেৰিকান নাৰীসকল তিনি বা চাৰি চাইজ সৰু হ'বলৈ ধৰিলে। নাৰীসকলে শৰীৰ জোখত কাপোৰ কিনাৰ পৰিৱৰ্তে কাপোৰৰ লগত খাপ খুৱাই শৰীৰ গঠন কৰে।"

এনেদৰে কুৰি শতিকাৰ চল্লিছৰ দশকমানত মহিলাৰ মূল্যবোধ ক্ৰমাৎ নিম্নগামী হৈ হৈ একেবাৰেই অৱনমিত হৈ পৰিল। তেওঁলোকে মগজুৰ সম্ভাৱনাক সম্পূৰ্ণৰূপে নাকচ কৰিলে। ইতিমধ্যে আৰু এখন বজাৰে বৃহৎ ৰূপ ধাৰণ কৰিলে— "আকৌ এবাৰ ইণ্টেৰিঅ'ৰ ডেকৰেটৰসকল মোজাইক, চিত্ৰ-বিচিত্ৰ ডিজাইন, ধুনীয়া ৰান্ধনিঘৰৰ মডেল লৈ নাৰীজীৱন

কেন্দ্ৰস্থললৈ আহিল। ঘৰত চিলোৱা কাপোৰ নিযুত টকাৰ উদ্যোগ হৈ গঢ় ল'লে। বেছিভাগ নাৰীয়েই ঘৰ নেৰা হ'ল; বজাৰলৈ যোৱা, সন্তানক গাড়ী চলাইহে যোৱা অথবা স্বামীৰ লগত সামাজিক অনুষ্ঠানত ভাগ লোৱাৰ বাহিৰে তেওঁলোকৰ বাহিৰত কোনো স্থান নোহোৱা হ'ল। কোনো এটা কাম পাবৰ যোগ্যতা নথকাকৈ ঘৰৰ ভিতৰত ছোৱালীবোৰ ডাঙৰ হ'ব ধৰিলে। পঞ্চাছৰ দশকৰ শেষৰফালে এটা পৰিসংখ্যাৰ ভিত্তিত তৈয়াৰ কৰা নাৰীৰ ছবিখন হ'লগৈ এনেকুৱা—আমেৰিকাৰ তিনিভাগৰ এভাগ নাৰীয়ে এতিয়া কাম কৰে; কিন্তু বেছিভাগেই ডেকেৰী নহয় আৰু বৰ কমেহে বৃত্তি বৰ্তাই ৰাখে। যিসকলে অস্থায়ী ভিত্তিত কাম কৰে, তেওঁলোক হৈছে বিৱাহিতা নাৰী। বিক্ৰেতা বা অফিচৰ সহায়িকাৰূপে। তেওঁলোকে এইবোৰ কাম কৰে নিজৰ স্বামীক পঢ়া-শুনা কৰাবলৈ পুত্ৰ-সন্তানক কলেজত পঢ়ুৱাবলৈ বা বন্ধকত থোৱা সম্পদ মোকলাবলৈ। অথবা তেওঁলোক হৈছে পৰিয়ালক সহায় কৰা বিধবা। খুব কম সংখ্যক মহিলাই প্ৰকৃতাৰ্থ বৃত্তি গ্ৰহণ কৰিছে। প্ৰায় প্ৰতিখন আমেৰিকান চহৰতে হস্পিটালৰ শুশ্ৰূষাকাৰি, সমাজসেৱিকা, শিক্ষয়িত্ৰী আদিৰ অভাৱ হৈছে। মহাকাশ যাত্ৰাত ছোভিয়েট য়ুনিয়নৰ নেতৃত্বত বিজ্ঞানীসকলে মন কৰিছে যে আমেৰিকাৰ আটাইতকৈ অব্যৱহৃত মগজুৰ ক্ষেত্ৰ হ'ল নাৰীসকল। কিন্তু ছোৱালীয়ে পদাৰ্থবিদ্যা নপঢ়ে, এই কাম হৈছে 'অনাৰীসুলভ'। এজনী ছোৱালীয়ে 'জন্‌চ্ হপ্‌কিন্স'ৰ এটা বিত্ত জলপানি ল'বলৈ অস্বীকাৰ কৰিছিল ৰয়েল এষ্টেট্ অফিচত কাম এটা ল'বৰ বাবে! তাই বিচৰা সৰ্বস্ব হেনো তাত আছিল, তাই কোৱা মতে, যিটো আন সকলো আমেৰিকান ছোৱালীয়ে বিচাৰে—বিয়া কৰাব লাগে, চাৰিটা সন্তান জন্ম দিব লাগে আৰু এক সুন্দৰ উপকণ্ঠৰ এটা সুন্দৰ ঘৰত বাস কৰিব লাগে।"

ফ্ৰিদানে যেতিয়া এই কথাবোৰ কৈ থাকে, আমাৰ মনত প্ৰশ্ন জাগে, তেওঁ আধুনিক ভাৰতবৰ্ষৰ বিষয়ে এইবোৰ কথা কৈ থকা নাইতো! হয়, তেওঁ নাৰীৰ ওপৰত জাপি দিয়া 'নাম নোহোৱা সমস্যা'টো সম্পৰ্কেহে কৈছে। এই সমস্যাটো পৃথিৱীৰ সৰ্বত্ৰ একে। প্ৰশ্ন হয় নাৰীয়ে যে এনেদৰে নিজৰ সৰ্বস্ব হেলাৰঙে ত্যাগ কৰে, তাৰ বিনিময়ত কি পায়? ফ্ৰিদানে তিৰ্যকভাৱে কৈছে—"তেওঁ প্ৰকৃত নাৰীত্বৰ পৰিপূৰ্ণতা লাভ কৰিলে। গৃহিণী আৰু পত্নী হিচাপে পুৰুষৰ পৃথিৱীৰ পূৰ্ণ আৰু সম সংগী হিচাপে সন্মান পাবলৈ ধৰিলে। তেওঁ অট'মবাইল, কাপোৰ, ঘৰুৱা সামগ্ৰী, চুপাৰ মাৰ্কেট আদি স্বইচ্ছাই ব্যৱহাৰ কৰিব পাৰে; তেওঁৰ সেই সকলোবোৰ আছে, যিবোৰৰ সপোন দেখিছিল!"

এনেদৰে গঢ়ি তোলা নাৰীসকলক কিন্তু দেশৰ প্ৰয়োজনতো হ'ল স্বাভাৱিক, মানৱীয় অৱস্থানলৈ লৈ অহাটো সম্ভৱপৰ নহ'ল। এতিয়া সকলো ক্ষেত্ৰতে আনক পিছপেলাব খোজা আমেৰিকাই লাগ বুলিলেই মহিলা বিজ্ঞানী, মহাকাশচাৰিণী নোপোৱা হ'ল। কিয়নো ইমান দিনে আনে দেখুৱাই থকা বাটটোৰে এতিয়া নাৰী নিজে নিজেই যাবলৈ ধৰিলে—

"দ্বিতীয় বিশ্বযুদ্ধৰ পোন্ধৰ বছৰ পাছত এই নাৰী পূৰ্ণতাৰ মহিমা মাৰ্কিন সংস্কৃতিৰ এক উদ্‌যাপিত আৰু আপোনা আপুনি সংঘটিত হোৱা আচাৰ হৈ পৰিল। অযুত-নিযুত কেন্দ্ৰীয় মাৰ্কিন মহিলাই উপকণ্ঠীয় মহিলাৰ ধুনীয়া ছবিবোৰৰ মতে চলিবলৈ ধৰিলে, ঘৰৰ সন্মুখৰ খিৰিকীৰ ভিতৰৰ পৰা স্বামীক চুমা খায়, সন্তানক স্কুলত থৈ আহে আৰু হাঁহি হাঁহি কাৰু-কাৰ্যপূৰ্ণ ৰান্ধনি ঘৰৰ মজিয়াৰ ফালে দৌৰি যায়!" লাহে লাহে তেওঁলোকে 'মুক্তি' আৰু 'বৃত্তি'ৰ দৰে শব্দবোৰ সামাজিক কথোপকথনত ব্যৱহাৰ কৰিবলৈ দিলে!

ফ্ৰিদান আশ্চৰ্যচকিত হৈ পৰম পৰিতাপেৰে লক্ষ্য কৰিছে যে ইমান ঘটনা ঘটি যোৱাৰ পাছতো, নাৰীক 'মানুহ'ৰ পৰা 'কেৱল নাৰী' কৰি হেঁচা দি গঢ়ি তোলাৰ পাছতো এই নাৰীজীৱনৰ সিদ্ধান্ত গ্ৰহণকাৰীসকলৰ গা নলৰিল! ফ্ৰিদানৰ ভাষাত—

"যেতিয়া চিমন-দ্য-বুভোৱা নামে এগৰাকী ফৰাচী মহিলাই 'দ্বিতীয় লিংগ' নামেৰে এখন কিতাপ লিখিলে, এগৰাকী আমেৰিকান সমালোচকে মন্তব্য দিলে যে চিমনে 'প্ৰকৃততে জীৱন কি, সেই সম্পৰ্কে ভালকৈ নাজানে।' তদুপৰি, তেওঁ ফৰাচী মহিলাৰ বিষয়ে কৈছে। আমেৰিকাত 'নাৰী সমস্যা' আৰু নাই!" নাৰীৰ সকলো দুৰ্ভোগ এনেদৰেই ইতিহাসত পুতি পেলোৱা হৈছে।

বিতি ফ্ৰিদানৰ এই গ্ৰন্থখনৰ পঞ্চাছবছৰীয়া উৎসৱ উদ্‌যাপন হৈ থকা কালত আমাৰ অনুভৱ হৈছে, ফ্ৰিদানে পঞ্চাছবছৰ আগৰ আমেৰিকাৰ নাৰী সমাজক লৈ যিবোৰ কথা ফঁহিয়াইছে, সেইবোৰ ভাৰতবৰ্ষৰ স্বাধীনতাৰ পূৰ্বৱৰ্ত্তী কালৰ পৰা বৰ্তমান সময়লৈকে থকা সমস্যাবোৰৰ পৰা একো পৃথক নহয়। নাৰীৰ 'নাম নোহোৱা সমস্যা'টো পৃথিৱীৰ সৰ্বত্ৰ একে আৰু এই সমস্যাটো সভ্যতাৰ প্ৰতি এক প্ৰচণ্ড ভাবুকি স্বৰূপ।○

# ভাৰাৰ মাতৃগৰ্ভ

✍ ড° অৰুন্ধতী ফুকন গগৈ

শিৰোনামটো পঢ়িয়েই হয়তু বহুতৰে চকু কপালত উঠিছে। ভাৰাৰ ঘৰ, ভাৰাৰ দোকান, ভাৰাৰ পেণ্ডেল, ভাৰাৰ জেনেৰেটৰ, ভাৰাৰ ভাওনাৰ সাজ এইবাৰ মাতৃগৰ্ভও ভাৰালৈ দেখোন।

এইটো অৱশ্যে ভাৰতৰ জনসাধাৰণৰ বাবে একেবাৰে নতুন ধাৰণা নহয়। বৰঞ্চ ভাৰত পৃথিৱীৰ আন দেশৰ তুলনাত ভাৰালৈ পোৱা মাতৃগৰ্ভৰ বাবে বেছিহে বিখ্যাত। বিখ্যাত হোৱাৰ কাৰণ কেইবাটাও। প্ৰথম কাৰণটো হৈছে—ভাৰতত বৰ কম খৰচতে ভাৰালৈ মাতৃগৰ্ভ পোৱা যায়। প্ৰথম কাৰণটো লিখাৰ পিছত দ্বিতীয় কাৰণটোলৈ আগবাঢ়িবলৈ মোৰ নিজৰেই খোকোজা লাগিছে। ভাৰা! মাতৃগৰ্ভ! খৰচ! দিনটোৰ ব্যস্ততাৰ পাছত সন্ধিয়া বিছনাত পৰি আলোচনীখন মেলি লৈ এনেধৰণৰ সংগতি নথকা শব্দৰ যোগসূত্ৰ বিচাৰি থাকিবলৈ সকলোৰে নিশ্চয় মন নাযায়।

কিন্তু দোদুল্যমান মানসিক অৱস্থাৰে জৰ্জৰ দিন হাজিৰা কৰি জীৱন নিৰ্বাহ কৰা পত্নী আৰু দুটা সন্তানৰ সৈতে ভৱিষ্যতৰ সপোন দেখা এজন শোকাকুল ৰিক্সাচালকৰ অস্বাভাৱিক প্ৰশ্নৰ উত্তৰ দিবৰ বাবে নিজকে প্ৰস্তুত কৰিবলৈ গৈহে মই এই প্ৰবন্ধটো লিখিবৰ বাবে অনুপ্ৰেৰণা পাইছিলো।

আমাৰ সৰু ল'ৰাটোক লন টেনিছ শিকিবৰ বাবে ৱাই.এম.চি.এ. নামৰ এটা প্ৰতিষ্ঠানৰ অন্তৰ্গত টেনিছ সংগঠন এটাত নামভৰ্তি কৰাই দিছো। অনুশীলনৰ বাবে সপ্তাহটোৰ গোটেইকেইটা দিন যাব নোৱাৰিলেও যিমান পাৰো নিয়মিতভাৱে ল'ৰাটোক লৈ যাবলৈ চেষ্টা কৰো। ৱাই.এম.চি.এ. গেটত থকা ছিকিউৰিটী গাৰ্ডকেইজন প্ৰথমতে বৰ সঘনাই সলনি হোৱা যেন লাগিছিল। সেয়েহে পৰিচয় পত্ৰ (আইডেনটিটী কাৰ্ড) দেখুওৱা কামটো সদায়েই কৰিবলগীয়া হৈছিল। আজি প্ৰায় এবছৰৰ পৰা এই সালসলনি কমি অহা যেন লাগিছে। দুই এজন গাৰ্ডেই প্ৰায় সলনা-সলনিকৈ থাকে। গতিকে আমাৰ মুখ কেইখন সিহঁতৰ চিনাকি হৈ পৰিছে। এতিয়া পৰিচয় পত্ৰ দেখুওৱাৰ আগতেই আমাৰ বাবে, গেট খুলি দিয়ে। আমি অহা-যোৱা কৰিবলৈ এখন ৰিক্সা বন্দবস্ত কৰি লৈছোঁ। ল'ৰাটো অকণমান এৰিব পৰাকৈ ডাঙৰ নোহোৱা পৰ্যন্ত মই ঘৰৰ পৰা লৈ আহি এক-ডেৰ ঘণ্টামান ৰৈ থাকি তাক লৈহে পুনৰ ঘৰলৈ উভতি যোৱাটোকে সিদ্ধান্ত কৰিছোঁ। ঘৰৰ পৰা টেনিছ ক'টখনলৈকে ৰিক্সাৰে আহোঁতে প্ৰায় ২৫-৩০ মিনিট লাগে। ৰিক্সাচালকজনৰ লগত দিনটোৰ সৰু-সুৰা ঘটনা, তাৰ সংসাৰৰ কথা, ল'ৰা-ছোৱালীকেইটাৰ বেমাৰ-আজাৰ আদিৰ কথা শুনি শুনি তাৰ সংসাৰখন নেদেখাকৈয়ে মোৰ চিনাকি যেন হৈ পৰিছে। মনু অৰ্থাৎ তাৰ পত্নীক দুই এবাৰমান লগ পাইছোঁ। আমি থকা ঠাইখন নতুনকৈ গঢ়ি উঠা। প্ৰথমতে ৰিক্সা, অটোৰিক্সা আদি নাছিলেই বুলি ক'ব পাৰি। কেইদিনমান ৰিক্সা খুব চলিল। ক্ৰমান্বয়ে অটোৰিক্সাৰ সংখ্যা বঢ়াৰ লগে লগে ৰিক্সাচালকবোৰৰ আৰ্জন কমি আহিছে। গতিকে ৰিক্সাচালকসকলৰ সমস্যা, মালিকক দিবলগীয়া ভাৰাৰ বৃদ্ধি আদি কথাবোৰ, আজি কেইদিনমানৰ পৰা তাৰ নিত্য-নৈমিত্তিক বিষয় হৈ পৰিছে। কেতিয়াবা সি আমাক টেনিছ ক'ৰ্টৰ কাষত এৰি আন ভাৰা বিচাৰি যায় আৰু কেতিয়াবা হয়তো গেটত থকা গাৰ্ডকেইজনৰ লগত কথা পাতি তাতেই বহি থাকে। কাৰণ আমাক পুনৰ ঘৰলৈ লৈ অহাৰ দায়িত্বও তাৰেই।

সেইদিনা মই তাক ফোন কৰি সুধিলোঁ—আন দিনাৰ দৰে ৱাই.এম.চি.এলৈ যাব লাগে, সি আহিব পাৰিব নেকি? আজিকালি ৰিক্সাচালক, অটোচালক, পাচলি বিক্ৰেতা সকলোৰে হাতে হাতে ম'বাইল ফোন। মহানগৰীৰ ব্যস্ত জীৱন-যাত্ৰাৰ বাবে আধুনিক শিল্প বিজ্ঞানৰ ই এটা যথোপযুক্ত ব্যৱস্থা। সি যি কি নহওক ফোনেৰে দিয়া তাৰ উত্তৰ ইতিবাচক আছিল যদিও তাৰ মাতটো শুনি মোৰ এনে লাগিল যি যেন বৰ ভাল মুডত নাই। ৰিক্সাখনত উঠি ঘৰৰ পৰা অলপ দূৰ অহাৰ পিছত মই তাক সচৰাচৰ সোধাৰ দৰে সুধিলো—দেউকৰণ, আজি ভাৰা পালিনে নাই?" সি মোৰ প্ৰশ্নটোৰ সঠিক উত্তৰ নিদি অলপ অন্যমনস্কভাৱেই কৈ গ'ল—"মেডাম, আমি এই ঠাই এৰি আন ক'ৰবালৈ যাবগৈ লাগিব...।" মই ভাবিলোঁ—সি চাগে

ভাৰা একেবাৰে নোপোৱা হৈছে। সিহঁত ইয়াৰ পৰা গুচি যাবলগীয়া হোৱাৰ কাৰণ হিচাপে সি মোক বুজাব বিচাৰিছে যে তাৰ পত্নীয়ে হেনো কাম এটা পাইছে। মই ক'লোঁ—'ভালহে কথা।' সি তেতিয়া দীঘলকৈ হুমুনিয়াহ এটা কাঢ়ি ক'লে—"ভাল নে বেয়া, ৯ মাহ লাগিব। এতিয়াৰ পৰাই ইমান চিন্তা কৰিবলগীয়া কি-বা কাম। মই মনতে আওৰালোঁ। সি কৈ গ'ল—তাৰ পত্নীয়ে কনষ্ট্ৰাকশ্বনৰ ছাইট এটাত দিন হাজিৰা কৰিছিল। দিনে ১২০ টকাকৈ পাইছিল। পুৱাই খুৱাই-বুৱাই ল'ৰা-ছোৱালী দুটাকো লগতে লৈ যায়। সিহঁতে আন ল'ৰা-ছোৱালীৰ লগত খেলি দিন কটায়। এবাৰ হেনো ডাঙৰ লোহাৰ মেচিন এটা অলপ ওখ ঠাইৰ পৰা অকস্মাৎ মাটিত পৰিলত তলত খেলি থকা কেইবাটাও ল'ৰা-ছোৱালী আহত হ'ল। দেউকৰণৰ সৰু ল'ৰাটোৱেও ভৰিত দুখ পালে। বৰ বেয়াকৈ ফুলি গৈছিল হেনো! ডাক্তৰক দেখুৱাই দৰব খুওৱাৰ পিছত ভাল পালে। মাজে মাজে কেতিয়াবা বিষায় বুলি কয়। পুনৰ দৰব খালে ভাল হয়। কেইদিনমানৰ পৰা সি অৱশ্যে কৈ আছিল ল'ৰাটোৰ ঘনে ঘনে জ্বৰ হৈ থকাৰ কথা। ডাক্তৰে এইবাৰ এক্সৰে' কৰাত ধৰা পৰিল—আগতে ভৰিত দুখ পোৱা ঠাইতে ইনফেকশ্বন হৈ ভিতৰে ভিতৰে বাঢ়ি গৈছে। ভাল কৰিবলৈ হ'লে অপাৰেশ্বন কৰিব লাগিব। দেউকৰণৰ মতে, ডাঙৰ হাস্পাতালতহে এনে অপাৰেশ্বন কৰিব পৰা যন্ত্ৰপাতি থাকে। ডাঙৰ হাস্পাতালৰ খৰচো বেছি। দিন বাঢ়ি গ'লে ল'ৰাটোৰ ভৰিখন হেৰুৱাবলগীয়াও হ'ব পাৰে। তাৰ চকুযোৰ পানীৰে ভৰি পৰিল। মই সান্ত্বনা, দিয়াৰ বাবে কিবা ক'বলৈ মুখ মেলাৰ আগতেই সি কৈ গ'ল—অপাৰেশ্বনৰ বাবে প্ৰয়োজনীয় মোটা ধনৰ যোগাৰ কৰিবৰ বাবেই, হেনো তাৰ পত্নীয়ে এই নতুন কামটোৰ কথা ভাবিছে। কামটো হৈছে ৯ মাহৰ বাবে কাৰোবাৰ সন্তান এটা গৰ্ভত বহন কৰি দিব লাগে। ৰাই.এম.চি.এৰ. গাৰ্ডজনেই হেনো তাক এই ধাৰণাটো দিছিল। ৯ মাহৰ ভিতৰতে সিহঁতে মোটা সংখ্যাৰ ধন আৰ্জিব পাৰিব। সৎ উপায়েৰে কম সময়ৰ ভিতৰতে সৰহ সংখ্যাৰ ধন লাভ কৰাৰ ইয়াৰ বাহিৰে আন উপায় সিহঁত দুটাই ভাবিবই পৰা নাই।

দেউকৰণৰ দুয়োটা সন্তানেই একেখন হাস্পাতলতে একেগৰাকী মহিলা চিকিৎসকৰ তত্ত্বাৱধানতেই জন্ম হৈছিল। সিহঁত বৰ সহজ-সৰল বাবে সকলোৰে সৈতে বৰ সহজেই বন্ধুত্ব গঢ়িব পাৰে। গতিকে যোৱা পাঁচ বছৰত ল'ৰা-ছোৱালীকেইটাৰ বেমাৰ-আজাৰ সংক্ৰান্তীয় কাৰণতেই হওক বা আন কাৰণতেই হওক, হাস্পাতালখনলৈ অহা-যোৱা কৰি থাকিবলগীয়া হোৱাত সেই মহিলা চিকিৎসকগৰাকীৰ সৈতে সিহঁতৰ এটা আপোন, ভাব গঢ়ি উঠিছে। সি তাৰ সমস্যা আৰু এই ধাৰণাটো সম্পৰ্কে বিশেষভাৱে মহিলা চিকিৎসক গৰাকীৰ সৈতে আলোচনা কৰিছে। তেখেতে হেনো দেউকৰণক কৈছে—সিহঁতে যদি ইচ্ছা কৰে, তেন্তে আমেৰিকাত বাস কৰা এটা ভাৰতীয় পৰিয়ালে ভাৰাৰ বাবে মাতৃগৰ্ভ বিচাৰিছে, অৰ্থাৎ নিজৰ সন্তান জন্ম দিব পৰা ক্ষমতা নাই বুলি জনাৰ পিছত তেওঁলোকে ছেৰোগেটৰ দ্বাৰা সন্তান লাভ কৰিব বিচাৰিছে। সিহঁতে কেনেধৰণেৰে এই কামৰ বাবে আগবাঢ়িব লাগিব, কি পদ্ধতি অনুসৰণ কৰিব লাগিব—কথাখিনি বহলভাৱে সহজ-সৰল ভাষাৰে দেউকৰণ আৰু মনুক মহিলা চিকিৎসকগৰাকীয়ে বুজাই দিছে আৰু ভালদৰে ভাবি-চিন্তি সিহঁতৰ সিদ্ধান্তৰ বিষয়ে তেওঁক জনাব কৈছে।

বিজ্ঞানৰ সৃষ্টি সঁচাই অপূৰ্ব। চাবলৈ গ'লে ই এটা মহান কাম। কিন্তু গোটেই ধাৰণাটো আমাৰ গতানুগতিক সমাজৰ নীতি-নিয়মৰ সৈতে কিবা যেন খাপচৰা ব্যৱস্থা। গতিকে ওচৰ-চুবুৰীয়াৰ সন্মুখত খোলাখুলিকৈ ক'ব পৰাকৈ দেউকৰণ আৰু মনুৰে সিমান সৎসাহস গোটাব পৰা নাই। সেই বাবে সিহঁতে এটা সিদ্ধান্তত উপনীত হৈছে যে মনুৱে এই কেইটা মাহ হাস্পাতালৰ নিৰীক্ষণ কক্ষত থাকিব আৰু দেউকৰণে ল'ৰা-ছোৱালী দুটাক লৈ এনে এখন চহৰলৈ গুচি যাব, য'ত সিহঁতৰ কোনো চিনাকি মানুহ নাথাকিব। লগতে মনুৱে পোৱা আগধনেৰে সি ল'ৰাটোৰ চিকিৎসা আৰম্ভ কৰি দিব। কথাৰ মাজে মাজে সি মোক কেইবাবাৰো যেন সুধিবলৈ চেষ্টা কৰিছে—এই সিদ্ধান্তটো লৈ সি কিবা ভুল কৰিছে নেকি?

সেইদিনা ৱাই.এম.চি.এত থকা সময়খিনি দেউকৰণৰ কথাবোৰে মোৰ মনত তোলপাৰ লগাই থাকিল। এঘণ্টাৰ পিছত আমি মৌন গতিৰেই ৰিক্সাখনত বহিলোঁ। দেউকৰণে সোধা প্ৰশ্নৰ প্ৰতিটো শব্দই মোৰ কাণত এনেকৈ জনজনাই আছিল যে ঘৰলৈ ঘূৰি অহাৰ পথত ইমান মানুহৰ কোলাহল, গাড়ী বাছৰ কাণ তালমৰা হৰ্ণৰ শব্দ, একোৱেই মোৰ শুনা ক্ৰিয়াত কোনোধৰণৰ প্ৰভাৱ পেলাব পৰা নাছিল। ৩০ মিনিট সম্পূৰ্ণ মৌনতাৰ পিছত আমাৰ এপাৰ্টমেণ্টটোৰ সন্মুখত ৰিক্সাখনৰ পৰা নামি সি ঘূৰি মোৰ ফালে একেথৰে চাই ৰ'ল, যেন মোৰ পৰা তাৰ প্ৰশ্নটোৰ উত্তৰ শেষবাৰৰ বাবে আশা কৰিছে। নিস্তব্ধতা ভাঙি কিবা এটা ক'বলৈ মোৰ শব্দৰ গাঁথনিবোৰতো যেন যতি লাগিছিল। সি আন এজন ৰিক্সাচালকৰ ফোন নম্বৰ লিখা বগা কাগজ এখন পকেটৰ পৰা

উলিয়াই দিলে। তাৰ দুচুকুৰে দুটোপাল পানী বৈ আহিল। মই হিন্দী ভাষাৰে লিখা সংখ্যাকেইটা মনোযোগৰে পঢ়ি ম'বাইল ফোনটোত ছেভ কৰি উঠি যেতিয়া মূৰ দাঙি চালো, সি তেতিয়া ঘূৰি বহু দূৰ আগবাঢ়ি গ'ল। কিয় জানো মোৰ এনে লাগিল, দ্রুত গতিৰে চলা দেউকৰণৰ ৰিক্সাখনৰ পিছফালৰ চকা দুটা সংযোগ কৰা ষ্টীলৰ ৰডডালে যেন এহাতে বিজ্ঞানৰ অভূতপূৰ্ব আৱিষ্কাৰেৰে উন্নতিৰ জখলাত আগবাঢ়ি যোৱা মোৰ মাতৃভূমিখন আৰু আনহাতে দেউকৰণহঁতৰ দৰে অসহায় মানুহবোৰৰ ভাগ্যৰ চকৰিৰ যোগসূত্ৰৰহে প্ৰতিনিধিত্ব কৰিছে।

দেউকৰণ আৰু মনুৰ অসহায় মুখকেইখনে মোক বৰ আৱেগিক কৰি তুলিছিল। এই সম্পৰ্কে মোৰ জানো, বৰ সীমিত আছিল। সেয়েহে ছেৰোগেটীৰ সৈতে সম্পৰ্ক থকা যিকোনো বিষয়ে (টেলিভিছন, আলোচনী আদিত প্ৰকাশিত) মোক যান্ত্ৰিকভাৱে আকৰ্ষিত কৰি তুলিছিল।

শুনা মতে, ছেৰোগেট শব্দটো লেটিন শব্দ ছেৰোগেটাছ, অৰ্থাৎ ছাবচিটিউশ্বনৰ পৰা অনা হৈছে, গতিকে যেতিয়া এগৰাকী মহিলাই আন এগৰাকী মহিলাৰ বাবে এটা সন্তান গৰ্ভত বহন কৰি জন্ম দিয়ে, সেই প্ৰথাটোকে ছেৰোগেছী প্ৰথা বুলি কোৱা হয়। ছেৰোগেছী প্ৰথাৰে সন্তান লাভ কৰাৰ কেইবাটাও পদ্ধতি আছে।

এই ক্ষেত্ৰত, মনুক মহিলা চিকিৎসকগৰাকীয়ে বুজাই দিয়া পদ্ধতি অনুসৰি, তেওঁ বৰ্ণনা দিয়া সন্তানহীন দম্পতীটোৰ মহিলাগৰাকীৰ গৰ্ভাশয়ৰ আকাৰ সম্পৰ্কীয় ব্যতিক্ৰমৰ বাবে তেওঁ সন্তান নিজৰ গৰ্ভত বহন কৰিব নোৱাৰে। সেয়েহে উপৰিউক্ত মহিলাগৰাকীৰ ডিম্বানু আৰু তেওঁৰ পতিৰ শুক্ৰাণুৰ বিজ্ঞানাগাৰত মিলন ঘটাই তাৰ ফলত সৃষ্টি হোৱা ভ্ৰূণ বৈজ্ঞানিক পদ্ধতিৰে মনুৰ গৰ্ভাশয়লৈ প্ৰেৰণ কৰা হ'ব। গতিকে সন্তানটোৰ সৈতে মনুৰ কোনো বংশানুক্ৰমিক সম্পৰ্ক নাথাকিব। তাই কেৱল ৯ মাহন সন্তানটো গৰ্ভত ৰাখি জন্ম দিয়াৰ দায়িত্বটো ল'ব লাগে। এই কামৰ বাবে আমেৰিকাত বাস কৰা ভাৰতীয় দম্পতীটোৱে তাইক আগধন দিয়াৰ উপৰি গোটেই প্ৰক্ৰিয়াটো সম্পূৰ্ণ হোৱালৈকে যথেষ্ট টকা দিব। তাৰ বাবে মনু আৰু সন্তান জন্ম দিব বিচৰা দম্পতীটোৱে, অৰ্থাৎ দুয়োপক্ষই টকা-পইচাৰ লেনদেন আদিকে ধৰি সকলোধৰণৰ সাম্ভাব্য প্ৰশ্নৰ সমিধান থকাকৈ স্পষ্ট আৰু আইনগতভাৱে শুদ্ধ এখন চুক্তিত সাক্ষৰ কৰিব লাগিব। গতিকে সম্পূৰ্ণৰূপে বংশানুক্ৰমিক সম্পৰ্ক থকাৰ লগতে আইনগতভাৱে সন্তানটোৰ পিতৃ-মাতৃ হোৱাৰ অধিকাৰ উপৰিউক্ত দম্পতীটোৱে লাভ কৰিব পাৰিব।

পৰীক্ষাগাৰত সকলোধৰণৰ পৰীক্ষা-নিৰীক্ষা কৰাৰ পিছত সন্তান জন্ম দিবৰ বাবে অসমৰ্থ বুলি প্ৰমাণ হোৱাৰ পিছতহে এগৰাকী মহিলাই ছেৰোগেছী প্ৰথা অৱলম্বন কৰিব পাৰে। ঠিক সেইদৰে আনৰ বাবে সন্তান জন্ম দিবলৈ আগবাঢ়ি অহা মহিলা অৰ্থাৎ ছেৰোগেটগৰাকীৰ বাবেও কিছুমান নিয়ম নিৰ্দিষ্ট কৰি থোৱা আছে। এই নিয়মসমূহ কঠোৰভাৱে পালন কৰিব পাৰিলেহে এই কামৰ বাবে আগবাঢ়ি আহিব পাৰে। সাধাৰণতে একৈছ বছৰৰ পৰা পয়ত্ৰিছ বছৰ বয়সৰ মহিলাক ছেৰোগেটৰ দায়িত্ব পালন কৰিবৰ বাবে প্ৰাধান্য দিয়া হয়। দ্বিতীয়তে, এনে মহিলা বিৱাহিত হোৱাৰ লগতে নিজৰ সন্তান জন্ম দিয়াৰ সময়ত কোনো শাৰীৰিক জটিলতা নথকাধৰণৰ হ'ব লাগিব। ইতিমধ্যে গৰ্ভত ধাৰণ কৰি জন্ম দিয়া সন্তানসমূহ স্বাস্থ্যৱান, অৰ্থাৎ কোনোধৰণৰ, বংশানুক্ৰমিক বেমাৰ থকা হ'ব নালাগিব। ছেৰোগেটগৰাকীৰ স্বাস্থ্য সম্পৰ্কীয় সম্পূৰ্ণ খতিয়ান, ব্যক্তিগত আৰু পাৰিবাৰিক অতীতৰ স্বাস্থ্য সম্পৰ্কীয় বিৱৰণ, তেজৰ সকলোধৰণৰ পৰীক্ষা-নিৰীক্ষাৰ ফল আদি সকলো খুটি-নাটি মাৰি জনাৰ পিছত এই কামৰ বাবে যোগ্য বুলি প্ৰমাণিত হ'ব লাগিব। ইতিমধ্যে গৰ্ভত ধাৰণ কৰি জন্ম দিয়া সন্তানসমূহ স্বাস্থ্যৱান, অৰ্থাৎ কোনোধৰণৰ বংশানুক্ৰমিক বেমাৰ থকা হ'ব নালাগিব। ছেৰোগেটগৰাকীৰ স্বাস্থ্য সম্পৰ্কীয় সম্পূৰ্ণ খতিয়ান, ব্যক্তিগত আৰু পাৰিবাৰিক অতীতৰ স্বাস্থ্য সম্পৰ্কীয় বিৱৰণ, তেজৰ সকলোধৰণৰ পৰীক্ষা-নিৰীক্ষাৰ ফল আদি সকলো খুটি-নাটি মাৰি জনাৰ পিছত এই কামৰ বাবে যোগ্য বুলি প্ৰমাণিত হ'ব লাগিব। চতুৰ্থতে, যিকোনো সোঁচৰা ৰোগ হেপাটাইটিছ বি, থেলাচেমিয়া, এইচ আই ভি বা কোনো বংশগতভাৱে কঢ়িয়াই অনা বেমাৰৰ পৰা মুক্ত হ'ব লাগিব। পঞ্চমতে, ছেৰোগেটগৰাকীৰ পতিৰ সম্পূৰ্ণ সহযোগ থাকিব লাগিব। কেৱল লিখিতভাৱেই নহয়, মানসিক ভাৱেও এই কাৰ্যৰ নৈতিক দিশটোৰ প্ৰতি তেওঁৰ আন্তৰিক সঁহাৰি থাকিব লাগিব। আটাইতকৈ উল্লেখযোগ্য কথাটো হৈছে ছেৰোগেট বা তেওঁৰ পতিয়ে জন্মৰ পিছত হাঁহিমুখে সন্তানটো পিতৃ-মাতৃৰ হাতত তুলি দিবলৈ কোনোধৰণৰ কুণ্ঠাবোধ কৰিব নালাগিব।

ছেৰোগেছী প্ৰথাৰে সন্তান লাভ কৰাৰ সুফল আৰু কুফল দুয়োটাই আছে। সুফল হিচাপে উল্লেখ কৰিব, পাৰি কোনো সন্তানহীন দম্পতীৰ বৰে এইটোৱেই একমাত্ৰ উপায়, যাৰ দ্বাৰা নিজৰ গৰ্ভত সন্তান জন্ম দিব পৰা ক্ষমতা নথকা সত্ত্বেও বংশগতি তত্ত্বৰ ফালৰপৰা সম্পূৰ্ণ নিজৰ লক্ষণসমূহ থকা এটা সন্তান পাব পাৰে আৰু এনেদৰে লাভ কৰা সন্তান এটাক নিজৰ

কৰি তুলি-তালি ডাঙৰ কৰিবলৈ বৈজ্ঞানীক দৃষ্টিভংগীৰ ফালৰ পৰাও তুলনামূলকভাৱে সহজ হয়।

সুফলতকৈ অৱশ্যে কুফলৰ সংখ্যা বেছি। প্ৰথম কথা হৈছে আমাৰ গতানুগতিক সমাজ ব্যৱস্থাত ই এটা বিতৰ্কৰ বিষয় আৰু এইক্ষেত্ৰত আইনৰ ফালৰ পৰা স্পষ্টকৈ কোনোধৰণৰ ধৰাবন্ধা নিয়ম কিছুদিনৰ আগলৈকে নাছিল। এই ক্ষেত্ৰত আলোচনা-বিলোচনা কৰি থকা হৈছে আৰু হয়তো নিয়ম প্ৰণয়নৰ ব্যৱস্থাও কৰা হৈছে। কিন্তু জনসাধাৰণৰ মাজত এই বিষয়ে কেনেধৰণৰ মতামত গঢ়ি উঠিছে সেই বিষয়ে জনাটো কঠিন।

দ্বিতীয়তে ৯ মাহ নিজৰ গৰ্ভত ৰাখি এটা কণমানি ভ্ৰূণৰ পৰা এটা শিশুলৈ পৰিণত হোৱা প্ৰতিটো ক্ষণৰ সাক্ষী হৈ থকাৰ পিছত আইন মতে স্বীকৃতি পিতৃ-মাতৃৰ হাতত সন্তানটো তুলি দিবলৈ মানসিকভাৱে নিজকে প্ৰস্তুত কৰাটো ছেৰোগেটগৰাকীৰ বাবে সহজ নহয়।

তৃতীয়তে গৰ্ভ ধাৰণৰ ৯ মহীয়া সময়ছোৱাত কেতিয়াবা বিভিন্নধৰণৰ স্বাস্থ্যজনিত বা আন সাংসাৰিক বাধা আহিব পৰাৰে। ফলত দুয়োটা পক্ষৰ বাবে সমস্যাৰ সৃষ্টি হ'ব পৰা সম্ভাৱনা থাকে। এইখিনিতে উল্লেখ কৰিব পাৰি যে ভাৰতত গৰ্ভৱতী মহিলাৰ মৃত্যুৰ হাৰ বৰ বেছি। বিশ্লেষণ কৰি চালে দেখা যায় যে দক্ষিণ এছিয়াৰ দেশবোৰৰ ভিতৰত গৰ্ভৱতী মহিলাৰ মৃত্যুৰ সৰ্বোচ্চ হাৰ বাংলাদেশত পোৱা গৈছে। দুৰ্ভাগ্যজনক ভাৱে ভাৰতৰ স্থান এইক্ষেত্ৰত দ্বিতীয়।

এইখিনিহে ২০০৮ চনত বাতৰিকাকত, টেলিভিছন আদিত চাঞ্চল্য সৃষ্টি কৰা এটা ঘটনাৰ বিষয়ে উনুকিয়াব বিচাৰিছোঁ। জাপানৰ এটা সন্তানহীন দম্পতীয়ে এগৰাকী ভাৰতীয় মহিলাক তেওঁলোকৰ সন্তান জন্ম দিয়াৰ দায়িত্ব দিছিল, সকলো ব্যৱস্থা কাৰ কেইমাহমানৰ পিছত জাপানী পৰিয়ালটোৰ স্বামী-পত্নীৰ মাজত মনোমালিন্যৰ সৃষ্টি হয়। বিবাহ বিচ্ছেদ হোৱাৰ পিছত মহিলাগৰাকীয়ে শিশুটো গ্ৰহণ কৰিবৰ বাবে মান্তি নহয়। ইতিমধ্যে ভাৰতীয় মহিলা গৰাকীৰ গৰ্ভত শিশুটোৰ জন্ম হয়। ফলত শিশুটো আইন মতে কোনে ল'ব পাৰিব, এই কথাটোক লৈ যথেষ্ট খেলিমেলিৰ সৃষ্টি হৈছিল। আনকি শিশুটোৰ নাগৰিকত্বক লৈ বহুধৰণৰ প্ৰশ্ন উত্থাপন হৈছিল। শেষত ভাৰতৰ চুপ্ৰিম কৰ্টে বহু আলোচনা-বিলোচনাৰ অন্তত জাপানী দম্পতীটোৰ পুৰুষজনৰ মাকক সন্তানটোৰ ভৰণ-পোষণৰ দায়িত্ব দি সমস্যাটোৰ সমাধান কৰিছিল। গতিকে এনে কিছুমান কাৰকৰ ওপৰতো ছেৰোগেছী প্ৰথাৰে সন্তান লাভ কৰাৰ কৃতকাৰ্যতা নিৰ্ভৰ কৰে।

আটাইতকৈ মন কৰিবলগীয়া কুফলটো হৈছে—কিছুমান সৌন্দৰ্য সচেতন মহিলাই স্বাৰ্থপৰ হৈ ভাৱাৰ মাতৃগৰ্ভত নিজৰ সন্তান জন্ম দিয়াৰ দৰে অমানৱীয় কাম কৰি যাতে বিপথে পৰিচালিত নহয়, তাৰ বাবে এই কামৰ সৈতে জড়িত লোকসকল সচেতন হ'ব লাগিব। অৱশ্যে চিকিৎসক আৰু ক্লিনিক বিলাকে এই সংক্ৰান্তত কিছুমান গাইড লাইন নিৰ্দিষ্ট কৰি লৈছে আৰু এইবোৰ কঠোৰভাৱে মানি চলে। ইণ্ডিয়ান কাউঞ্চিল অৱ মেডিকেল ৰিচাৰ্চৰ কিছুমান বান্ধি দিয়া নিয়ম ক্লিনিক বোৰে মানি চলে। জাপানী দম্পতীটোৰ সৈতে হোৱা স্পৰ্শকাতৰ ঘটনাটোৰ পিছত ভাৰতীয় আইনত এই সংক্ৰান্ত কিছু সালসলনি কৰা হৈছে। সি যি কি নহওক, ইয়াৰ আগলৈকে কম খৰচ, নিৰ্ধাৰিত আইনৰ অভাৱ, সহজতে পোৱা বিদেশত শিক্ষা গ্ৰহণ কৰি অহা অভিজ্ঞতা থকা চিকিৎসক আদিৰ বাবেই আন দেশৰ লোকে ভাৰতত ছেৰোগেছী প্ৰথাৰে সন্তান জন্ম দিয়াৰ বাবে প্ৰাধান্য দিছিল। শুনা মতে আৰু এটা মুখ্য কাৰণ হৈছে ভাৰতত ছেৰোগেটৰ দায়িত্ব বহন কৰিবলৈ আগবাঢ়ি অহা মহিলাৰ সংখ্যা আন দেশৰ তুলনাত বেছি।

সাধাৰণতে গৃহহীন লোকে ঘৰ কিনিবৰ বাবে, বেংকৰ লোণ আদায় কৰিবৰ বাবে, বহুতে সন্তানৰ উচ্চ শিক্ষাৰ বাবে এনে কাম কৰিবলৈ আগবাঢ়ি আহে।

এই গোটেই কথাবোৰ জনাৰ পিছত দেউকৰণ আৰু মনুৰ সিদ্ধান্তটো শুদ্ধ বুলি ধৰি লোৱাত মোৰ কোনো আক্ষেপ নাই। এগৰাকী নাৰীয়ে নিজৰ গৰ্ভত সৃষ্টি কৰা এটা সন্তানক আন এগৰাকী নাৰীৰ মাতৃত্বৰ অধিকাৰৰ বাবে ত্যাগ কৰাৰ দৰে মহান কামত নিজকে আত্মনিয়োগ কৰিব পৰাটো চাবলৈ গ'লে পৰম সৌভাগ্যৰ কথা। কোনো পিতৃ-মাতৃৰ বাবে সন্তানৰ মূল্য তুলাচনীৰে মূল্যাংকন কৰিব নোৱাৰি। সেয়েহে কোনো বিপদগ্ৰস্ত লোকে এনে মহান কাম কৰি দিয়াৰ বিনিময়ত দুপইচা আৰ্জি নিজৰ পাৰিবাৰিক সমস্যা সমাধান কৰিব পৰাটো দুয়োপক্ষৰ বাবেই ভাল কথা। কেৱল দুয়োটা পক্ষই নিষ্ঠাৱান হোৱাৰ লগতে তেওঁলোকৰ উদ্দেশ্যও সৎ হ'ব লাগিব। কিন্তু এই কথাখিনিকে সহজ-সৰলভাৱে মানি ল'বলৈ আমাৰ গতানুগতিক নীতি-নিয়মৰ সৈতে অভ্যস্ত হৈ পৰা সমাজখনক কিছু সময় আৰু সচেতন ব্যক্তিৰ প্ৰয়োজন।

আটাইতকৈ উল্লেখযোগ্য কথাটো হৈছে এই ব্যৱস্থাৰ যাতে অপপ্ৰয়োগ নহয়, তাৰ বাবে এই প্ৰক্ৰিয়াৰ সৈতে জড়িত প্ৰতিজন ব্যক্তিয়ে অন্তৰৰ পৰা গভীৰভাৱে ইয়াৰ মহত্ত্ব উপলব্ধি কৰিব পাৰিব লাগিব। তেতিয়াহে এই ব্যৱস্থাৰ যোগাত্মক ফল পোৱা যাব। চৰকাৰৰফালৰ পৰাও এইক্ষেত্ৰত স্পষ্ট আইন প্ৰৱৰ্তন কৰিব লাগে, যাতে এই মহান প্ৰচেষ্টা কাৰোবাৰ প্ৰৰোচনাত পৰি ব্যভিচাৰ হৈ নপৰে। মাতৃত্বৰ মহত্ত্বতা যাতে কলুষিত নহয় তাৰ বাবে প্ৰতিজন সমাজ সচেতন ব্যক্তিয়েই ইয়াৰ গুৰুত্ব উপলব্ধি কৰা উচিত।○

# কানৈ কলেজৰ গাৰ্লছ হোষ্টেলৰ কিছু অভিজ্ঞতা

✍ পিংকী শইকীয়া

কানৈ কলেজৰ গাৰ্লছ হোষ্টেল। শতাধিক ছোৱালীৰ জৰিয়তে এই হোষ্টেলৰ পৰিৱেশত প্ৰাণ পাই উঠে ভিন্ন প্ৰতিভাৰ। নিজৰ শৈক্ষিক জীৱনত কোনোবাজনী যদি ব্যস্ত হয় পুৱাৰ কিৰণে ভুমুকি মৰাৰে পৰা, আন কোনোবাজনীয়ে পৰিশ্ৰম কৰে দুপৰ নিশাৰ নিৰ্জানতালৈকে। হোষ্টেলখনৰ আৱাসীসকল শিক্ষাৰ লগতে আন সকলো দিশতে আগ্ৰহী; যাৰ বাবেই হয়তো হোষ্টেলখনৰ গৰিমাই ষাঠি বছৰ গৰকিবলৈ সক্ষম হৈছে। অসমীয়া সংস্কৃতিৰ প্ৰতিটো উৎসৱ-পাৰ্বণ হোষ্টেলৰ আৱাসীসকলে অতি নিষ্ঠাৰে আৰু আনন্দ স্ফুৰ্তিৰে পালন কৰে। শ্ৰীকৃষ্ণৰ জন্মাষ্টমী, সৰস্বতী পূজা,কাতিবিহু, বিশ্বকৰ্মা পূজা আদি সকলোবোৰ পালন কৰি তেওঁলোকে ধৰ্মীয় আৰু সাংস্কৃতিক দিশটো ৰক্ষা কৰি আহিছে। কানৈ কলেজৰ হোষ্টেলীয়া জীৱনৰ এই ডেৰটি বছৰত হোষ্টেলখনৰ প্ৰতি মোৰ অৰিহণা যদিও ন্যূনতম, মই তেওঁলোকৰ পৰা বিভিন্ন দিশত শিকা বহুখিনি কথাই মোৰ জীৱনত বাৰুকৈয়ে প্ৰভাৱ পেলাব।○

✍ **Alisha Rai**

The day had come when I had to go to D.H.S.K. Girls Hostel. Even though I had stayed in a hostel before I was very much excited to go to this wonderful hostel. Hostel is considered to be our second home where we find enjoyment and happiness. We learn a lot from hostel life. I feel very proud and consider myself lucky for getting the opportunity to stay in this hostel.○

✍ **Anjali Sharma**

Being a student of this hostel I fell lucky. This is the place where I actually came to know what life is and how we can overcome our obstacles. The atmosphere of our hostel is very peaceful and we live together like a family. Our elders treate us like little sisters. They are like our guardian at times. I feel really priviledged to be a student of such a great institution.○

✍ **Jyotika Doley**

Hostel is a place where we build up a small family amongst us. I have been in this hostel since 2014 and I have almost four years of experience in this hostel. I have learnt many new and valuable things. Students having varied tastes come from different places and I have learned to adjust with them. I have learned the meaning of loving, caring and sharing. I have learned to respect my elders and love my youngers. I feel that the rules and regulations that we maintain in hostel life have made me more active, regular, punctual and disciplined. I have also learned to be self-disciplined. I have also learned to be self-dependent. I feel that these four years is the best part of my growing up days and these days will remain as sweet memories in the years to come.○

✍ **Jugalakshmi Gogoi**

"In expensive supervised lodging is a hostel". A hostel is a place where usually students live and is supervised by an administrator. It is said that home is sweet but even then life at home cannot be compared to the life in a hostel. At home elders are always there to check the activities of young sister. Hostel life has a charm of its own. Some basic habits make the hostel life a memorable experience. At first one may curse himself or herself for staying away from home, washing clothes at midnight with chilled water for surviving without money for many days. But, these later becomes the greatest experience of one's life.

In a hostel life is full of opportunities and amusment. A student comes in contact with a number of other students. He acquires many good qualities from them. One good student may become an example for other 25 boarders Mutual cooperation, sympathy and love are characteristics of hostel life. Hostels provide the best atmosphere for study. Hostel life not only develops the spirit of healthy competition but also teaches the lesson of mutual cooperation.

A hostel has positive as well as negative aspects. Students coming for the first time to a hostel find entirely new atmosphere. The freedom of the hostel leads them astray. They fail to choose good companions. The unlimited freedom proves harmful for such students. I learnt an important lesson from my hostel years that difficulties help us to know the outer world. When I sit back and reflect I feel that I have learnt so much from my hostel life and started my life journey with those wisdoms. I made some friends for life, learnt quite a bit from various teachers and even made my own space in every one's heart. I still remeber the late night studies before the examinations, the scolding of our warden madam for the same and the laughter shared with friends.

I have heard people say that hostel life cannot be described in words, and now I can say that I feel the same. It's really true. So we should never think that our parents do not love us if we are sent to a hostel, always we should think that it's a part of life to go to hostel in order to become someone in life.○

✍ **Raveti Gurung**

2nd September 2017, it was the day when I entered this Hostel, at that very moment I was just blank, as I was compeletly oblivious of Hostel's environment, rules and regulation. Coming from a different state like Nagaland it was a challenge for me to unite with different people, different cultures place and most importantly language. But I was hoping for the best, my hopes were fulfilled as each girl of D.H.S.K. Girls Hostel was trying to make me comfortable. Even our superintendent Ma'am..........our second parent in our very new place helped me through out my delicate situation.

Now a days I enjoy this new culture, people, place and language. It is my pleasure that a girl from Nagaland is a part of D.H.S.K. College Girls Hostel, Dibrugarh, Assam.○

✍ **Mushumi Tayung**

I have been in the hostel for two and a half years and I have many memories to share. Initially the new enviroment, new people and new roommates brought a sense of loneliness and I missed my family. However I had to settle and prove my worth. There were strict rules and regulations in the hostel but after some initial hiccups I managed to fit in—

Infact I learnt an important lesson from my hostel life that difficulties help us to know

the outer world. When I sit back and reflect I feel that I have learnt so much from my hostel life that words cannot define.○

✍ করিস্মা গগৈ

২০১৭ চনৰ জুন মাহত মই কানৈৰ কলেজৰ ছাত্ৰীনিৱাসত প্ৰৱেশ কৰিছিলোঁ। পৰিচয় হৈছিলোঁ বিভিন্ন ঠাইৰ অহা ছোৱালীৰ সৈতে। হোষ্টেলৰ ধৰা-বন্ধা নিয়মেৰে আমাৰ দৈনন্দিন সময় অতিবাহিত হৈছিল। ছাত্ৰীনিৱাসত সকলোৰে আমি মিলিজুলি আৰু আনন্দেৰে আছোঁ।○

✍ দিপামণি শইকীয়া

ছাত্ৰীনিৱাসৰ অভিজ্ঞতা কানৈ কলেজৰ ছাত্ৰীনিৱাসতে প্ৰথম মই লাভ কৰিছিলোঁ। বিভিন্ন ঠাইৰ নতুন নতুন লগৰীয়া লগ পাইছোঁ। মোৰ ভাল লাগিছে এই ছাত্ৰীনিৱাসৰ শৃংখলাবদ্ধ জীৱন। বহুতো নজনা কথা ইয়ালৈ আহি শিকিলোঁ। জ্যেষ্ঠসকলে আদৰণি জনোৱা দিনটো আজিও মনত পৰে। এই ছাত্ৰীনিৱাসৰ সদস্য হ'বলৈ পাই মই নিজকে ধন্য মানিছোঁ।

✍ মনালিছা ভূঞা

কানৈ কলেজৰ ছাত্ৰীনিৱাসৰ পৰিৱেশটোৱে প্ৰথম দিনাখনৰে পৰা মোক আকৰ্ষিত কৰি আহিছে। ছাত্ৰীনিৱাসৰ নীতি-নিয়মসমূহ পালনত যদিও প্ৰথমে অসুবিধা পাইছিলোঁ এতিয়া কিন্তু অভ্যস্ত হৈ পৰিছোঁ। জ্যেষ্ঠসকলৰ আন্তৰিক মৰমে আমাক অভিভূত কৰি তোলে।○

✍ তুলুমণি শইকীয়া

হোষ্টেলৰ অভ্যন্তৰীণ পৰিৱেশ মোৰ ভাল লাগে। ঘৰৰ পৰা আঁতৰি আহি প্ৰথমে অকণমান কষ্ট হৈছিল যদিও শদিয়াৰ পৰা ধুবুৰীলৈকে একেলগে থকা আৱাসীসকলৰ আন্তৰিক বান্ধোনৰ মাজত বান্ধ খাই এতিয়া কানৈৰ ছাত্ৰীনিৱাসটি মোৰ বৰ আপোন হৈ পৰিছে।○

✍ ময়ুৰী ভট্টাচাৰ্য্য

মোৰ হোষ্টেলত থকাৰ হেঁপাহটো কানৈ কলেজৰ ছাত্ৰীনিৱাসে পূৰণ কৰিলে। হোষ্টেলৰ নীতি-নিয়মসমূহ মানিবলৈ মই চেষ্টা কৰিছোঁ। দেওবাৰৰ দিনটো মোৰ ভাল লাগে কাৰণ সেইদিনা খাদ্য তালিকা সলনি হয়। কলেজৰ শংকৰদেৱ সভাকক্ষত অনুষ্ঠিত কৰা সভাসমূহলৈ আমি ছাত্ৰীনিৱাসৰ সদস্যসকল যোৱাটো বাধ্যতামূলক নীতি-নিয়মৰ মাজেৰে হোষ্টেলত থাকি পঢ়া-শুনা কৰিবলৈ চেষ্টা কৰিছোঁ।○

✍ চুইটী সেন

কানৈ মহাবিদ্যালয়ৰ ছাত্ৰীনিৱাসখনিত বিৰাজিত শান্ত সৌম্য পৰিৱেশে আমাক পঢ়াৰ এক সুস্থ বাতাবৰণ দিছে। ২০১৭ বৰ্ষত নৱাগত হিচাপে ভূমুকি মাৰি মই ছাত্ৰীনিৱাসৰ পৰিৱেশত মুগ্ধ হৈ পৰিছিলোঁ। অধিক্ষীকা বাইদেউৰ অনুশাসন আৰু ৱাৰ্ডেন বাইদেউৰ কঠোৰ শাসনে অভিভাৱকৰ অনুশাসনকে উনুকিয়াই দিয়ে? এটা কোঠালীতে পাঁচ-ছয় গৰাকীকৈ ছাত্ৰী থাকিলেও কোঠাবোৰত পঢ়াৰ পৰিৱেশ ব্যাহত হৈছে বুলি ক'ব নোৱাৰি, বৰং আমাৰ মাজত পাৰস্পৰিক বান্ধোন সুদৃঢ়হে কৰি তুলিছে। সন্ধ্যাবেলা প্ৰায় ডেৰশ ছাত্ৰী একত্ৰিত হৈ গোৱা "ব্ৰহ্মা আদি কৰি...." প্ৰাৰ্থনাভাগে আমাৰ মনত আধ্যাত্মিকতা ভাব জগাই তুলি অধ্যয়নত মনোনিৱেশ কৰাত সহায় কৰে। আমি হোষ্টেলত থকাৰ সময়ত আৰু হোষ্টেলৰ পৰা বাহিৰলৈ গ'লেও হোষ্টেলৰ নিয়ম-নীতি মানিবলৈ বাধ্য। ছাত্ৰীনিৱাসত আমি সকলো সুবিধা পাইছো। বিনোদনৰ বাবে এটা টি.ভি., নিৱাসৰ লাইব্ৰেৰী আৰু ইংৰাজী, অসমীয়া বাতৰি কাকতো পাইছো। ছাত্ৰীনিৱাসটিত স্বাধীনতা দিৱস, শিক্ষক দিৱস, সৰস্বতী পূজা, জন্মাষ্টমী সকলো উদ্‌যাপন কৰা হয়। মুঠৰ ওপৰত শদিয়া, ধুবুৰী লগতে অৰুণাচল, নাগালেণ্ডৰ পৰা অহা ছাত্ৰীৰে ছাত্ৰীনিৱাসত অচিনাকি মুখবোৰে ক্ৰমাৎ চিনাকি মুখৰ সন্ধান পায়। সাতভনীৰ মিলন সেঁতু গঢ়ে।○

✍ ভদ্ৰাৱতী দত্ত


২০১৬ চনৰ কোনোবা এটা দিনত মই কানৈৰ ছাত্ৰীনিৱাসৰ মজিয়াত ভৰি থৈছোহি। প্ৰথম অৱস্থাত ভয় আৰু আনন্দ দুয়োটাৰে অন্তৰত তুমুল যুদ্ধ। দেউতাই মোৰ লাগতিয়াল বস্তুবোৰ যোগাৰ কৰি গুছি গ'ল। মা-দেউতাৰ পৰা সেইদিনা আঁতৰি আহি প্ৰথম মই নিজকে বৰ অকলশৰীয়া অনুভৱ কৰিছিলোঁ যদিও পিছলৈ জ্যেষ্ঠসকলৰ মৰম-স্নেহৰ মাজত অকলশৰীয়াবোধটো আঁতৰিছিল। প্ৰথম অৱস্থাত চুইদাৰ পিন্ধা ক'লা ফোট লোৱা আদি নিয়মবোৰ মানিছিলোঁ। আদৰণি জনোৱা পৰ্বৰ পিছত আমাৰ মাজত নতুন পুৰণিৰ ভেদাভেদ নাইকিয়া হ'ল। ছাত্ৰীনিৱাসৰ নীতি-নিয়ম সমূহ মই ভাল পাইছোঁ। কাৰণ এই শৃংখলাবদ্ধ ৰূপটোৱে আমাক ভৱিষ্যত জীৱনত সহায় কৰিব।○

✍ চয়নিকা সোনোৱাল

দশম শ্ৰেণীত পঢ়োতেই অনুৰাধা শৰ্মা পূজাৰীৰ 'নাহৰৰ নিৰিবিলি ছাঁ' পঢ়ি হোষ্টেলৰ প্ৰতি আকৰ্ষিত হৈছিলোঁ। মোৰো মন গৈছিল কোনোবা হোষ্টেলত থাকি হোষ্টেলৰ অভিজ্ঞতা লাভ কৰিবৰ বাবে। মোৰ সপোন দিঠক হৈছিল। কানৈৰ ছাত্ৰীনিৱাসৰ সদস্য হোৱাৰ সুবিধা পালোঁ। তদুপৰি এখন ঐতিহ্যমণ্ডিত মহাবিদ্যালয়ত অধ্যয়ন কৰাৰো সৌভাগ্য হ'ল। এই হোষ্টেললৈ আহি মই সকলোৰে লগত এক আন্তৰিক বান্ধোনেৰে বান্ধ খাই পৰিলোঁ। এই ছাত্ৰীনিৱাসৰ এটা ভাল দিশ হৈছে ৰেগিং নামৰ ব্যাধিৰ পৰা এই নিৱাস সম্পূৰ্ণৰূপে মুক্ত। এই ছাত্ৰীনিৱাসত সকলো সুবিধা পাইছো। কিছুমান সৰু-সুৰা অসুবিধা আছিল যদিও মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই সেয়া আঁতৰোৱাৰ চেষ্টা কৰিছে। হোষ্টেলৰ অধিক্ষীকা আৰু মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই ছাত্ৰীসকলৰ শাৰিৰীক, মানসিক উৎকৰ্ষ সাধনৰ বাবে যৎপৰোনাস্তি চেষ্টা চলাই আহিছে। তেওঁলোকলৈ মই এই ছেগতে ধন্যবাদ জ্ঞাপন কৰিছো। কানৈৰ ছাত্ৰীনিৱাসৰ অভিজ্ঞতাই মোৰ ভৱিষ্যত জীৱন গঢ়াত সহায় কৰিব বুলি আশাবাদী। শেষত কানৈ মহাবিদ্যালয় তথা ছাত্ৰীনিৱাস উন্নতিৰ পথেৰে আগুৱাই যাওঁক এই আন্তৰিক কামনাৰে সামৰিছোঁ।○

✍ চন্দ্ৰমা চিৰিং

ছাত্ৰীনিৱাসত থকাৰ মোৰ পূৰ্বৰ অভিজ্ঞতা আছিল যদিও কানৈ মহাবিদ্যালয়ৰ ছাত্ৰীনিৱাসৰ অভিজ্ঞতা অনন্য। আমি ছাত্ৰীনিৱাসত মিলিজুলি বাস কৰোঁ। ছাত্ৰীনিৱাসত থকাৰ বাবে আমাৰ এটা অতিৰিক্ত লাভ হৈছে যে মহাবিদ্যালয়ৰ শংকৰদেৱ সভাকক্ষত অনুষ্ঠিত কৰা সকলো সভাত উপস্থিত থকাটো আমাৰ বাবে বাধ্যতামূলক। প্ৰথম অৱস্থাত যোৱাৰ প্ৰতি অনীহা ভাব আছিলে যদিও পিছত এই সভাসমূহৰ ইতিবাচক দিশটোৰ কথা উপলব্ধি কৰিছিলোঁ। এই ছাত্ৰীনিৱাসৰ আদৰণি আৰু বিদায় অনুষ্ঠানবোৰ আকৰ্ষণীয়। মই ছাত্ৰীনিৱাসত কোনো অসুবিধা পোৱা নাই। ছাত্ৰীনিৱাসটিৰ উন্নতি কামনা কৰিছোঁ।○



# কানৈৰ ছাত্ৰীনিৱাসৰ অধীক্ষকসকল
## (১৯৫৮-২০১৮ চনলৈকে)

১। প্ৰয়াত লক্ষ্মী প্ৰসাদ দত্ত, (১৯৫৮ ভাৰপ্ৰাপ্ত)

২। প্ৰয়াত লক্ষ্মীদা দত্ত (১৯৫৮-৬২)

৩। প্ৰয়াত সাৰদাম্মা (১৯৬২-১৯৬৩)

৪। প্ৰয়াত ৰেখা দাস (১৯৬৩-১৯৭৪)

৫। শ্ৰীযুতা অলকা বৰুৱা (১৯৭৫-১৯৮৪)

৬। প্ৰয়াত ফৰিদা শ্বৰফুদ্দিন (১৯৮৪-১৯৮৮)

৭। শ্ৰীযুতা কল্পনা সেনগুপ্তা বৰুৱা (১৯৮৮-১৯৯২)

৮। শ্ৰীযুত নৰেন্দ্ৰ মহেলা (১৯৯২-১৯৯৬)

৯। শ্ৰীযুত টিকেন্দ্ৰজিৎ গগৈ (১৯৯৬-১৯৯৯)

১০। শ্ৰীযুত ৰমাকান্তি দাস (১৯৯৯-২০০৪)

১১। শ্ৰীযুত অনন্ত কুমাৰ দত্ত (২০০৪-২০০৮)

১২। শ্ৰীযুতা অদিতি কোঁৱৰ (২০০৮-২০১২)

১৩। শ্ৰীযুতা অঞ্জুমণি ফুকন (২০১৩ ভাৰপ্ৰাপ্ত)

১৪। শ্ৰীযুতা হীৰামণি লালুং (২০১৩-২০১৬)

১৫। শ্ৰীযুতা উৰ্মিলা ৰামছিয়াৰী (২০১৬ - বৰ্তমানলৈকে)

# লেখকৰ পৰিচয়

| | | |
|---|---|---|
| সুনীল কুমাৰ বৰঠাকুৰ | ঃ | কানৈ মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ অৱসৰপ্ৰাপ্ত প্ৰৱক্তা আৰু মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ। |
| ড° আতিকুদ্দিন আহমেদ | ঃ | কানৈ মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক আৰু অৱসৰপ্ৰাপ্ত ভাৰপ্ৰাপ্ত অধ্যক্ষ। |
| ড° জ্যোতিৰেখা হাজৰিকা | ঃ | সহযোগী অধ্যাপিকা, জগন্নাথ বৰুৱা মহাবিদ্যালয়, যোৰহাট। |
| প্ৰয়াত ৰেখা দাস | ঃ | মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষা। |
| অলকা বৰুৱা | ঃ | কানৈ মহাবিদ্যালয়ৰ দৰ্শন বিভাগৰ অৱসৰপ্ৰাপ্ত প্ৰৱক্তা আৰু ছাত্ৰীনিৱাসৰ অৱসৰপ্ৰাপ্ত অধীক্ষিকা। |
| কল্পনা সেনগুপ্তা বৰুৱা | ঃ | কানৈ মহাবিদ্যালয়ৰ হিন্দী বিভাগৰ মুৰব্বী তথা সহযোগী অধ্যাপিকা ও বৰ্তমানৰ উপাধ্যক্ষা। |
| টিকেন্দ্ৰজিৎ গগৈ | ঃ | কানৈ মহাবিদ্যালয়ৰ জীৱবিদ্যা বিভাগৰ সহযোগী অধ্যাপক। |
| ৰমাকান্তি দাস | ঃ | দৰ্শন বিভাগৰ সহযোগী অধ্যাপিকা, কানৈ মহাবিদ্যালয়। |
| অনন্ত কুমাৰ দত্ত | ঃ | গণিত শাস্ত্ৰ বিভাগৰ সহযোগী অধ্যাপক, কানৈ মহাবিদ্যালয়। |
| অদিতি কোঁৱৰ গগৈ | ঃ | ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপিকা, কানৈ মহাবিদ্যালয়। |
| হীৰামণি লালুং | ঃ | দৰ্শন শাস্ত্ৰ বিভাগৰ সহকাৰী অধ্যাপিকা, কানৈ মহাবিদ্যালয়। |
| উৰ্মিলা ৰামছিয়াৰী | ঃ | দৰ্শন শাস্ত্ৰ বিভাগৰ সহকাৰী অধ্যাপিকা, কানৈ মহাবিদ্যালয় আৰু কানৈ ছাত্ৰীনিৱাসৰ বৰ্তমানৰ অধীক্ষিকা। |
| নিজৰা সোনোৱাল | ঃ | প্ৰাক্তন আৱাসী। |
| স্মৃতি ভট্টাচাৰ্য্য | ঃ | কানৈ মহাবিদ্যালয়ৰ ভূগোল বিভাগৰ অৱসৰপ্ৰাপ্ত সহযোগী অধ্যাপিকা। |
| ৰেখাজ্যোতি গোহাঁই (দাধৰা) | ঃ | প্ৰধান শিক্ষয়িত্ৰী, কোটোহা উচ্চ মাধ্যমিক বিদ্যালয়। |
| মনোৰমা গগৈ | ঃ | শিক্ষয়িত্ৰী, টেঙাখাত বালিকা উচ্চ মাধ্যমিক বিদ্যালয়। |
| বিনয়া গগৈ | ঃ | প্ৰাক্তন আৱাসী। |
| ড° অন্নজ্যোতি গগৈ | ঃ | মুৰব্বী সহযোগী অধ্যাপিকা, উদ্ভিদ বিজ্ঞান বিভাগ, ধেমাজি মহাবিদ্যালয়। |
| লিলিমাই গোহাঁই | ঃ | প্ৰাক্তন আৱাসী শেনচোৱা পুখুৰী খোৱাং। |
| অঞ্জলী চমুৱা ফুকন | ঃ | প্ৰাক্তন আৱাসী। |

| | | |
|---|---|---|
| কল্পনা গগৈ | ঃ | অধ্যক্ষা, ঢকুৱাখানা উচ্চতৰ মাধ্যমিক বিদ্যালয়। |
| আইমানু সোনোৱাল দেউৰী ভড়ালী | ঃ | ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰৰ স্বীকৃতিপ্ৰাপ্ত নাট্যশিল্পী। |
| ড° অলকানন্দা বৰুৱা | ঃ | সহকাৰী অধ্যাপিকা, উদ্ভিদ বিজ্ঞান বিভাগ, কানৈ মহাবিদ্যালয়। |
| ছৈয়দা মাছহুদা ৰহমান | ঃ | শিক্ষয়িত্ৰী অসমীয়া বিভাগ,<br>বাগ্মীবৰ নীলমণি ফুকন উচ্চতৰ মাধ্যমিক বিদ্যালয়, ডিব্ৰুগড়। |
| দিব্যলতা বৰুৱা আহমেদ | ঃ | প্ৰাক্তন আৱাসী, যোৰহাট। |
| এনিশা বুঢ়াগোহাঁই | ঃ | প্ৰাক্তন আৱাসী। |
| নমিতা কোঁৱৰ গগৈ | ঃ | প্ৰাক্তন আৱাসী। |
| ইলা গগৈ চুতীয়া | ঃ | প্ৰধান শিক্ষয়িত্ৰী, টেঙাখাত উচ্চ বুনিয়াদী বিদ্যালয়। |
| পাতঞ্জলী বেনাৰ্জী | ঃ | প্ৰাক্তন আৱাসী। |
| মঞ্জুমণি চুতীয়া বাইলুং | ঃ | প্ৰাক্তন আৱাসী। |
| পলী চমুৱা শইকীয়া | ঃ | প্ৰাক্তন আৱাসী। |
| প্ৰিয়াক্ষী শইকীয়া | ঃ | প্ৰাক্তন আৱাসী। |
| ডালিমী চলিহা | ঃ | দৰ্শন বিভাগৰ অৱসৰপ্ৰাপ্ত প্ৰৱক্তা, মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়। |
| ডাঃ মেঘালী চলিহা | ঃ | সহযোগী অধ্যাপিকা, যোৰহাট মেডিকেল কলেজ। |
| ড° ভাৰতী দত্ত | ঃ | অৱসৰপ্ৰাপ্ত সহযোগী মুৰব্বী অধ্যাপিকা ভূগোল বিভাগ, কানৈ মহাবিদ্যালয়। |
| ৰত্না দত্ত | ঃ | সহযোগী অধ্যাপিকা, অসমীয়া বিভাগ, মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়। |
| ড° অৰুন্ধতী ফুকন গগৈ | ঃ | প্ৰাক্তন আৱাসী। |

# CELEBRATION OF DIAMOND JUBILEE

## D.H.S.K. COLLEGE GIRLS' HOSTEL

**Organizing Committee :**

| | | |
|---|---|---|
| Advisor | : | Dr. C. K. Gogoi, President, Governing Body |
| President | : | Dr. S.K. Saikia, Principal |
| Working President | : | Mr. N. Mahela |
| Secretary | : | Dr. Ranjan Changmai |
| Joint Secretary | : | Mrs. Anjumoni Phukan |
| Assistant Secretary | : | Mrs. Hiramoni Lalung |
| | | Mrs. Urmila Ramchiary |
| Members | : | Mrs. Smriti Bhattacharjee |
| | | Dr. Sonali Chakraborty Goswami |
| | | Mr. Tikendrajit Gogoi |
| | | Dr. Ritupon Sarmah |
| | | Dr. Priya Dev Goswami |
| | | Mr. Dilip Kumar Borborah |
| | | Mr. Titus Bhengra |
| | | Dr. Sikhamoni Sarmah |
| | | Dr. Deba Prasad Phukan |
| | | Mr. Arjun Sah |
| | | Mr. P.Senapoti |
| | | Mr. Bhubanjyoti Baruah |
| | | Mr. Chandan Phukan, President of SU |
| | | Mr. Devid Basumatary, General Secretary of SU |
| | | Ms. Mouchumi Tayung, Monitress of Girls' Hostel |

**Finance Committee :**

| | | |
|---|---|---|
| Convenor | : | Mr. Uttam Mohan |
| Members | : | Mrs. Trishna Dowerah |
| | | Mrs. Dinalisha Borah |
| | | Mr. Dipankaj Gogoi |
| | | Dr. Biraj Dutta |
| | | Dr. Sunanda Sahu |
| | | Dr. Nitumoni Saikia |
| | | Mr. Anshuman Borthakur |
| | | Dr. Poargjyuti Chutiya |
| | | Ms. Mridusmita Neog, Hostel Border |
| | | Ms. Surajmita Borgohain, Hostel Border |
| | | Mr. Kusha Gogoi |

**Alumni organizing committee :**

| | | |
|---|---|---|
| Convenor | : | Dr. Alakananda Baruah |
| Members | : | Dr. Madhumita Purkayastha |
| | | Mr. Ananta Kumar Dutta |
| | | Mrs. Rama Kanti Das |
| | | Mrs. Aditi Konwar |
| | | Mr. Vedanta Bikash Baruah |
| | | Mrs. Hiramoni Lalung |
| | | Mrs. Urmila Ramchiary |
| | | Ms. Aradhana P. Bhuyan |
| | | Ms. Neha Sahu, Ex Student |
| | | Ms. Parismita Sonowal |

**Procession Committee :**

| | | |
|---|---|---|
| Convenor | : | Dr. Jyoti Prasad Phukan |
| Joint Convenor | : | Dr. Bhaskar Das |
| Members | | Dr. Lamkholal Doungel |
| | | Mr. Bidyut Bikash Gogoi |
| | | Mr. Rajib Lochan Borah |
| | | Mr. Rajesh Shah |
| | | Mr. Amitav Doley |
| | | Ms. Karisma Doley, Hostel Boarder |
| | | Ms. Janmoni Buragohain, Hostel Boarder. |

**Pandal/Stage/Light and Sound Committee:**

| | | |
|---|---|---|
| Convenor | : | Mr. Hemanta Timsina |
| | | Mr. Ananta Teron |
| | | Mrs. Sultana Hazarika |
| | | Mrs. Tribeni Saikia |
| | | Mr. D. Doungel |
| | | Mr. Pratap Senapati |
| | | Mr. Debaru Bhuyan |
| | | Mr. Gautom Dutta |
| | | Mr. Nitul Dutta |
| | | Ms. Bhadrawati Dutta, Hostel Border |
| | | Ms. Pinky Saikia, Hostel Border |
| | | Ms. Bhaswati Konwar, Hostel Border |
| | | Ms. Nikumoni Phukan, Hostel Border |

**Souvenir Committee:**

| | | |
|---|---|---|
| Convenor | : | Mrs. Sudakshina Das |
| Members | : | Mr. Tikendrajit Gogoi |
| | | Dr. Meetali Chaliha |
| | | Mrs. Rama Kanti Das |
| | | Mr. Ananta Kumar Dutta |
| | | Mrs. Aditi Konwar |
| | | Dr. Trishna Dowerah |
| | | Dr. Monmi Baruah |

Mr. Bhubanjyoti Baruah

**Food Committee :**

Convenor : Mr. Anup Jyuti Bharali

Members : Ms. Kumkum Chakraborty
Mrs. Kalyani Das
Dr. Chandana Goswami
Mr. Devanjan Hazarika
Mr. Aditya Dahal
Mr. Rajesh Das
Mr. Jayanta Das
Mr. Bijit Das
Mr. Apurrba Sarmah
Mr. Ranjit Boiragi
Mr. Bonjit Deka
Ms. Kalpana Sonowal, Hostel Border
Ms. Jugalakshmi Gogoi, Hostel Border
Ms. Dristi Buragohain, Hostel Border
Ms. Parismita Moran, Hostel Border

**Reception Committee :**

Convenor : Dr. Jaishree Konwar
Dr. Sanchita Baruah
Mrs. Rubab Fatema Nomani
Mrs. Nirmali Pegu
Mrs. Sikhamoni Konch Deori
Dr. Bhaswati Kakoti
Ms. Bini Saikia
Mrs. Mouchumi Hazarika
Dr. Anisha Dutta
Mr. Diganta Baruah
Ms. Jahnobi Limbu, Hostel Border
Ms. Gitimallika Konwar, Hostel Border

**Cultural Committee:**

Advisor : Mrs. Kalpana Sengupta Baruah

Convenor : Mr. Ananta Kumar Dutta
Mrs. Rupalim Thakur
Dr. Moromi Talukdar
Mrs. Lulu Moriam Borgohain
Dr. Nazimuddin Ahmed
Ms. Namita Saikia
Ms. Pallabi Pegu, Hostel Border
Ms. Sobha Sonar, Hostel Border
Ms. Anjali Sarmah, Hostel Border
Ms. Jesmin Doley, Hostel Border
Cultural Secretary, Student Union, DHSK College
Music Secretary, Student Union, DHSK College

## Special thanks to the following persons for their valuable contribution towards the celebration of Diamond Jubilee, DHSK College Girls' Hostel, Dibrugarh on 20.01.2018

| Sl. No | Name | Address | Amount(Rs.) |
|---|---|---|---|
| 1 | Dr. S.K. Saikia | DHSK College | 5100.00 |
| 2 | Aditi K. Gogoi | DHSK College | 5000.00 |
| 3 | Ananta K. Dutta | DHSK College | 5000.00 |
| 4 | Ms. Hiramoni Lalung | DHSK College | 4000.00 |
| 5 | Rama Kanti Das | DHSK College | 3000.00 |
| 6 | Narendra Mahela | DHSK College | 3000.00 |
| 7 | Kalpana Sengupta Baruah | DHSK College | 2000.00 |
| 8 | Dr. Ritupon Sarmah | DHSK College | 1500.00 |
| 9 | Dr. P. D. Goswami | DHSK College | 1100.00 |
| 10 | Titus Bhengra | DHSK College | 1000.00 |
| 11 | Dr. Biraj Dutta | DHSK College | 1000.00 |
| 12 | Kalyani Das | DHSK College | 1000.00 |
| 13 | Bini Saikia | DHSK College | 1000.00 |
| 14 | Ms. Anjumoni Phukon | DHSK College | 1000.00 |
| 15 | Abhijit Baruah | DHSK College | 1000.00 |
| 16 | Rita C. Thakuria | DHSK College | 1000.00 |
| 17 | Dr. Chandana Goswami | DHSK College | 1000.00 |
| 18 | Hemanta Timsina | DHSK College | 1000.00 |
| 19 | Dr. Meetali Chaliha | DHSK College | 1000.00 |
| 20 | Kumkum Chakraborty | DHSK College | 1000.00 |
| 21 | Reeta Poddar | DHSK College | 1000.00 |
| 22 | Ms. Dinalisha Bora | DHSK College | 1000.00 |
| 23 | Dr. Ranjan Changmai | DHSK College | 1000.00 |
| 24 | Dr. Sikhamoni Sarma | DHSK College | 1000.00 |
| 25 | Dr. D.P. Phukan | DHSK College | 1000.00 |
| 26 | Dr. Uttam Mohan | DHSK College | 1000.00 |
| 27 | Dr. Dipankaj Gogoi | DHSK College | 1000.00 |
| 28 | Dilip Kr. Borbora | DHSK College | 1000.00 |
| 29 | Dr. Moromi Talukdar | DHSK College | 1000.00 |
| 30 | Anup Jyoti Bharali | DHSK College | 1000.00 |

| | | | |
|---|---|---|---|
| 31 | Dr. Nitumoni Saikia | DHSK College | 1000.00 |
| 32 | Dr. Sunanda Sahu | DHSK College | 1000.00 |
| 33 | Dr. Bhaskar Das | DHSK College | 1000.00 |
| 34 | Sonali C.Goswami | DHSK College | 500.00 |
| 35 | Dr. Jaishree Konwarh | DHSK College | 500.00 |
| 36 | Dr. Partha Ganguli | DHSK College | 500.00 |
| 37 | Rubab F. Nomani | DHSK College | 500.00 |
| 38 | Rupalim Thakur | DHSK College | 500.00 |
| 39 | Ms. Sikhamoni K. Deori | DHSK College | 500.00 |
| 40 | Dr. Trishna Duarah Kalita | DHSK College | 500.00 |
| 41 | Dr. LuluMoriam Borgohain | DHSK College | 500.00 |
| 42 | Dr. Henrieata Hudda | DHSK College | 500.00 |
| 43 | Rajib Lochan Borah | DHSK College | 500.00 |
| 44 | Bidyut B. Gogoi | DHSK College | 500.00 |
| 45 | Sudakshina Das | DHSK College | 500.00 |
| 46 | Tikendrajit Gogoi | DHSK College | 500.00 |
| 47 | Ms. Aradhana P. Bhuyan | DHSK College | 500.00 |
| 48 | Rajesh Kr. Shah | DHSK College | 500.00 |
| 49 | Dr. Devanjan Hazarika | DHSK College | 500.00 |
| 50 | Dr. Monmi Baruah | DHSK College | 500.00 |
| 51 | Dr. Jyoti Pd. Phukan | DHSK College | 500.00 |
| 52 | Mr. Aditya Dahal | DHSK College | 500.00 |
| 53 | Dr. Paragjyoti Chutia | DHSK College | 500.00 |
| 54 | Dr. Anshuman Borthakur | DHSK College | 500.00 |
| 55 | Sanjay Agarwal | Ex-Student | 5000.00 |
| 56 | Satyasikha Dowerah | Ex-Student | 500.00 |

অসম চৰকাৰ

# সোনোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদ

## ডিব্ৰুগড়

## মানৱ সম্পদ বিকাশৰ ক্ষেত্ৰত সোনোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ পদক্ষেপ।

১) উচ্চ আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ শিক্ষাৰ্থীসকলক শুভ বৰুৱা সোঁৱৰণী শৈক্ষিক প্ৰতিভা বঁটা প্ৰদানৰ ব্যৱস্থা, অসমৰ ভিতৰত প্ৰথম দহটা স্থান প্ৰাপ্ত শিক্ষাৰ্থীক এক লাখ টকাৰ বিশেষ জলপানি প্ৰদানৰ ব্যৱস্থা। ২) আই.আই.টি, আই.আই.এম., মেডিকেল, ইঞ্জিনিয়াৰ, এম.এ., এ.কম, এম.এছ.চি, এম.বি.এ আদি পাঠ্যক্ৰমৰ বাবে নামভৰ্তিৰ বাবে সুযোগ লাভ কৰা নিৰ্বাচিত শিক্ষাৰ্থীসকলৰ বাবে হেৰম্বনাথ বড়া উচ্চ শিক্ষা প্ৰতিভা বঁটা প্ৰদানৰ ব্যৱস্থা। ৩) নিৰ্বাচিত শিক্ষাৰ্থীসকলৰ বাবে হোটেল মেনেজমেণ্ট পাঠ্যক্ৰম গ্ৰহণৰ ব্যৱস্থা। ৪) গৱেষণা কৰ্মৰ বাবে আৰ্থিক সাহায্য প্ৰদানৰ ব্যৱস্থা। ৫) পেৰামেডিকেল তথা বৃত্তিমুখী পাঠ্যক্ৰম গ্ৰহণৰ বাবে নিৰ্বাচিত শিক্ষাৰ্থীসকলৰ বাবে ব্যৱস্থা গ্ৰহণ। ৬) প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে বিশেষ প্ৰশিক্ষণৰ ব্যৱস্থা। ৭) পৰিষদৰ এলেকাধীন বিদ্যালয়সমূহৰ আন্তঃগাঁথনি উন্নয়ন তথা শৈক্ষিক সামগ্ৰী বিতৰণৰ ব্যৱস্থা। ৮) শিক্ষাৰ্থীসকলক শৈক্ষিক ভ্ৰমণৰ ব্যৱস্থা আদি।

ডিব্ৰুগড় বিশ্ববিদ্যালয়ত জনজাতি গৱেষণা কেন্দ্ৰ স্থাপনৰ পদক্ষেপ ঃ সোনোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ তৰফৰপৰা ডিব্ৰুগড় বিশ্ববিদ্যালয়ত জনজাতি গৱেষণা কেন্দ্ৰ স্থাপনৰ আঁচনি গ্ৰহণ কৰা হৈছে। এই পদক্ষেপৰ জৰিয়তে সোনোৱাল কছাৰীৰ উপৰিও জনজাতিসকলৰ বিভিন্ন বিষয়ৰ বিদ্যায়তনিক গৱেষণাত যোগাত্মক প্ৰভাৱ পৰিব বুলি আশা কৰা হৈছে।

গুৱাহাটীত শিক্ষাৰ্থীৰ বাবে ছাত্ৰাবাস আৰু সোনোৱাল ভৱন নিৰ্মাণৰ পদক্ষেপ ঃ গুৱাহাটীৰ সোণাপুৰত পৰিষদৰ ফালৰপৰা সোনোৱাল কৃষ্টি প্ৰতিফলিত কৰি সোনোৱাল ভৱন আৰু শিক্ষাৰ্থীসকলৰ বাবে ছাত্ৰাবাস নিৰ্মাণৰ পদক্ষেপ লোৱা হৈছে।

উজনি অসমৰ জিলাসমূহৰ সদৰতো শিক্ষাৰ্থীসকলৰ সুবিধাৰ্থে ছাত্ৰাবাস নিৰ্মাণৰ পদক্ষেপ ঃ উজনি অসমৰ জিলা সদৰসমূহত শিক্ষাৰ্থীসকলৰ সুবিধাৰ বাবে ছাত্ৰাবাস নিৰ্মাণৰ বাবে প্ৰাথমিক কামকাজখিনি আৰম্ভ কৰা হৈছে।

দীৰ্ঘস্থায়ী অভিলাষী প্ৰকল্প ঃ ১) ডিব্ৰুগড়ত ছমহলীয়া আন্তঃৰাষ্ট্ৰীয়মানৰ অতিথিশালা নিৰ্মাণৰ বাবে আঁচনি গ্ৰহণ কৰা হৈছে। অসমৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ইতিমধ্যে ইয়াৰ আধাৰশিলা স্থাপন কৰিছে।

দীৰ্ঘস্থায়ী অভিলাষী প্ৰকল্প ঃ ২) পৰিষদৰ সচিবালয় নিৰ্মাণৰ বাবে প্ৰাথমিক পৰ্য্যায়ৰ কামকাজখিনি সমাপন কৰা হৈছে। অতি কম দিনৰ ভিতৰত সচিবালয় নিৰ্মাণৰ কাম আৰম্ভ কৰা হ'ব।

## সোনোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ দ্বাৰা প্ৰকাশিত গ্ৰন্থ সম্ভাৰ

১) গগন চন্দ্ৰ সোনোৱাল ৰচনা সম্ভাৰ
সম্পাদক - বেণু বৰা,
প্ৰশান্ত কুমৰাল,
তুলসী সোনোৱাল
মূল্য ঃ ৪০০.০০ টকা



২) চতুৰ্থ স্তম্ভ - দি ফৰ্থ ষ্টেট
সম্পাদক ঃ ৰতন হাজৰিকা
মূল্য ঃ ১৫০.০০ টকা

৩) সোনোৱাল কছাৰী
তত্ত্ব আৰু বিশ্লেষণ
লেখক ঃ প্ৰশান্ত কুমৰাল
মূল্য ঃ ১৫০.০০ টকা

৪) সোনোৱাল সৌৰভ
সম্পাদক ঃ মোহন সোনোৱাল
মূল্য ঃ ১৫০.০০ টকা

পৰিষদে নিৰ্মাণ কৰা তথ্যচিত্ৰ (চিডি)

ক) নিৰ্মলা গাভৰু হ'ল
(সোনোৱাল কছাৰী পৰম্পৰাগত তোলনি বিয়া আধাৰত ডকুফীচাৰ)
খ) সোনোৱালী সুৰ (আইনাম, লখিমী নাম, অপেশ্বৰা সবাহৰ নামৰ শ্ৰব্য চিডি)
গ) হাইদাং দে (প্ৰথম আৰু দ্বিতীয় খণ্ডত সামৰা হাইদাং গীতৰ শ্ৰব্য চিডি)
ঘ) গগন চন্দ্ৰ সোনোৱাল (কৃষ্টিৰ সাধক গগন চন্দ্ৰ সোনোৱালদেৱৰ কৰ্মময় জীৱনক লৈ গুণমুগ্ধসকলৰ স্মৃতিচাৰণেৰে নিৰ্মিত তথ্যচিত্ৰ, ঙ) শুভ বৰুৱা (সমাজ সংগঠক শুভ বৰুৱাদেৱৰ কৰ্মময় জীৱনক লৈ গুণমুগ্ধসকলৰ স্মৃতিচাৰণেৰে নিৰ্মিত তথ্যচিত্ৰ)

৫) সোনোৱাল কছাৰী সমাজ সংস্কৃতি আৰু ভাষাৰ পৰিচয়
লেখক ঃ নন্দেশ্বৰ কছাৰী
মূল্য ঃ ১৫০.০০ টকা


৬) অসমৰ পৰম্পৰাগত লোক চিকিৎসা
এক ক্ষেত্ৰ ভিত্তিক নমুনা সংগ্ৰহ
(সোনোৱাল কছাৰীসকলৰ বিশেষ উল্লিখনেৰে)
গৱেষক ঃ তুলসী সোনোৱাল
মূল্য ঃ ৯৯.০০ টকা

৭) সোনোৱাল জনগোষ্ঠী আৰু অন্যান্য
জনজাতীয় প্ৰতিভাৰ সমীক্ষা
লিখক ঃ গুণেশ্বৰ সোনোৱাল
মূল্য ঃ ২২০.০০ টকা

৮) সোনোৱাল সুবাস
লিখক ঃ মোহন সোনোৱাল
মূল্য ঃ ১০০ টকা

৯) পাম্থপাদপ
সম্পাদক ঃ ৰবীন শইকীয়া
সোনোৱাল
মূল্য ঃ ৫০.০০ টকা










শেহতীয়াকৈ প্ৰকাশ কৰা গ্ৰন্থ ঃ ১) সোনোৱাল কছাৰীসকলৰ গায়ন বায়নৰ ছেও (লীলা হাজৰিকা),
৩) বাইথ' সংস্কৃতিৰ হায়দাং দে আৰু হুঁচৰি গীত (প্ৰমোদ সোনোৱাল)
২) সোনোৱাল কছাৰীৰ লগ বিহু (প্ৰমোদ সোনোৱাল),
৪) মংগোল কছাৰীৰ গুপ্ত ইতিহাস (ৰজনীকান্ত হাজৰিকা)
৫) জৰবা (প্ৰমোদ সোনোৱাল), ৬) বাইথ' (স্মৃতিগ্ৰন্থ)



# হীৰক জয়ন্তী উদযাপন সমিতি



নৰেন্দ্ৰ মহেলা
কাৰ্যকৰী সভাপতি



ড° শশীকান্ত শইকীয়া
সভাপতি



ড° ৰঞ্জন চাংমাই
সম্পাদক





উদযাপন সমিতিৰ বিষয়ববীয়াসকল


# সোঁৰৰণি ৰাঙলী জীৱনৰ















## ছাত্ৰী নিৱাসৰ বৰ্তমানৰ আবাসীসকল







অধীক্ষিকাৰ সৈতে ছাত্ৰী নিৱাসৰ কৰ্মচাৰীবৃন্দ




আলোকচিত্ৰ ঃ টিকেন্দ্ৰজিৎ গগৈ

## স্মৃতিৰ বলুকাত



বিজয়লক্ষী গগৈ ৰাজকোঁৱৰ
কানৈ ছাত্ৰী নিৱাসৰ ১ম বৰ্ষৰ আবাসী
১৯৫৭ চন













# BRANDED
## Furnishing Showroom

## Biggest in
# DIBRUGARH

: DEALS IN :


















## *Saharia Home Decor*

R.N.C PATH, MANCOTTA ROAD
OPP. RELIANCE TRENDS
DIBRUGARH, ASSAM
PH. 8811968774, 8822233382, 8811889986

অসম চৰকাৰ

# মিচিং স্বায়ত্তশাসিত পৰিষদ

## প্ৰথম নিৰ্বাচিত পৰিষদৰ

### কেইটামান দৃঢ় পদক্ষেপ ঃ




- পৰিষদ এলেকাধীন গাঁও পঞ্চায়ত ভিত্তিক সম্পদৰ পূৰ্ণাংগ জৰীপ।
- দীৰ্ঘস্থায়ী গ্ৰাম্য আন্তঃগাঠনি গঢ়ি তোলা।
- বান আৰু গৰা খহনীয়া সমস্যাৰ উপশমমূলক আঁচনি ৰূপায়ণ।
- বহনশীল গ্ৰাম্য জীৱিকামূলক আঁচনিৰ জৰিয়তে গ্ৰাম্য অৰ্থনীতি টনকিয়াল কৰা।
- জনগোষ্ঠীৰ ভাষা আৰু লোক-সংস্কৃতিৰ সংৰক্ষণ, বিকাশ, প্ৰচাৰ আৰু প্ৰসাৰত অৰিহণা আগবঢ়োৱা।

মিচিং স্বায়ত্তশাসিত পৰিষদ
গোগামুখ, ধেমাজি, অসম

Rainsoft/MAC/14/00